# বিশেষ অধিবেশন

(অসংশোধিত/প্ৰকাশৰ বাবে নহয়)

## কাৰ্যবিৱৰণী
## তাৰিখঃ ১৭/০৮/২০২২ বুধবাৰ

---

**ইংৰাজী- ১৭-০৮-২০২২ তাৰিখে বিয়লি ৩.০০ বজাৰ লগে লগে ভাৰতৰ ৭৬ সংখ্যক স্বাধীনতা দিৱসৰ বৰ্ষপূতিত অনুষ্ঠিত হোৱা অসম বিধান সভাৰ বিশেষ অধিবেশন অসম বিধান সভাৰ মাননীয় অধ্যক্ষ মহোদয়ৰ অধ্যক্ষতাত অনুষ্ঠিত হয় ।**

(মাননীয় অধ্যক্ষৰ সদনত প্ৰৱেশৰ লগে লগে )

**মাননীয় অধ্যক্ষ** ঃ দেশৰ স্বাধীনতাৰ ৭৫ সংখ্যক বৰ্ষপূতিৰ সন্ধিক্ষণত উদ্‌যাপিত হৈ থকা ‘আজাদী কী অমৃত মহোৎসৱ’ ৰ লগত সংগতি ৰাখি আহ্বান কৰা অসম বিধান সভাৰ বিশেষ অধিবেশনৰ আৰম্ভনীতে মুক্তি আন্দোলনৰ সংগ্ৰামী আৰু ত্যাগৰ মূল্য সশ্ৰদ্ধে প্ৰণিপাত জনাই কাৰ্য্যক্ৰমণিকা আৰম্ভ কৰিবলৈ লৈছো। বিগত সময়ছোৱাত ৰাজ্য তথা দেশৰ বিভিন্ন ক্ষেত্ৰলৈ বিশেষ বৰঙণি আগবঢ়োৱা ভালে কেইগৰাকী বৰেণ্য ব্যক্তিৰ পৰলোকপ্ৰাপ্তি ঘটে, তেওঁলোকৰ ভিতৰত অসম বিধান সভাৰ মজিয়া শুৱনি কৰা কেইবাজনো বিধায়ক আছে । তেখেতসকল হ’ল-

(১) দিলেশ্বৰ তাঁতী- প্ৰাক্তন মন্ত্ৰী
(২) অৰ্দ্ধেন্দু কুমাৰ দে’- প্ৰাক্তন মন্ত্ৰী
(৩) বিনোদ গোৱালা- প্ৰাক্তন মন্ত্ৰী
(৪) ডালিম চন্দ্ৰ ৰায়- প্ৰাক্তন বিধায়ক
(৫) আনোৱাৰ হুছেইন লস্কৰ- প্ৰাক্তণ বিধায়ক

**১) দিলেশ্বৰ তাঁতী ঃ**

প্ৰাক্তন মন্ত্ৰী তথা চাহ জনগোষ্ঠীয় লোক সংস্কৃতিৰ বিশিষ্ট সাধক দিলেশ্বৰ তাঁতীৰ যোৱা ইংৰাজী ৩ আগষ্ট, ২০২২ তাৰিখে পৰলোক প্ৰাপ্তি ঘটে । মৃত্যুৰ সময়ত তেখেতৰ বয়স আছিল ৭৮ বছৰ । ১৯৮৮ চনত জন্ম গ্ৰহণ কৰা তাঁতী ডাঙৰীয়াই ১৯৭৮ চনত প্ৰথম বাৰৰ বাবে ডুমডুমা বিধান সভা সমষ্টিৰ পৰা কংগ্ৰেছ দলৰ প্ৰাৰ্থীৰূপে অসম বিধান সভালৈ নিৰ্ব্বাচিত হয় আৰু ২০০৬ চনলৈ একেৰাহে ৬ বাৰকৈ ডুমডুমা বিধান সভা সমষ্টিত প্ৰতিনিধিত্ব কৰে। তদুপৰি তেখেতে ১৯৯১ চনত ৰাজ্য চৰকাৰৰ মন্ত্ৰীসভাত শ্ৰম আৰু নিয়োগ মন্ত্ৰী হিচাপে দায়িত্ব বহন কৰি ৰাজ্যখনৰ আৰ্থসামাজিক উত্তৰণৰ দিশত বিশেষ সেৱাৰ বৰঙণি আগবঢ়াই থৈ গৈছে । শিক্ষকতাৰে কৰ্মজীৱনৰ পাতনি মেলা তাঁতী ডাঙৰীয়াই অসম চাহ মজদুৰ সংঘৰ কেন্দ্ৰীয় সমিতিৰ সাধাৰণ সম্পাদকৰ দায়িত্ব পালনৰ কৰাৰ লগতে বিভিন্ন অনুষ্ঠান-প্ৰতিষ্ঠানৰ লগত জড়িত থাকি বহু গুৰু দায়িত্ব পালন কৰিছিল। এই গৰাকী প্ৰাক্তন তথা নিষ্ঠাবান সমাজকৰ্মীৰ বিয়োগত জাতীয় জীৱনত এক অপূৰণীয় ক্ষতি হ’ল ।

**২) ডাঃ অৰ্দ্ধেন্দু কুমাৰ দে ’ঃ**

প্ৰাক্তণ মন্ত্ৰী তথা প্ৰবীণ ৰাজনৈতিক নেতা ডাঃ অৰ্দ্ধেন্দু কুমাৰ দে’ৰ যোৱা ইংৰাজী ২৬ জুলাই, ২০২২ তাৰিখে দেহাৱসান ঘটে। ১৯৮৫ চনত প্ৰথম বাৰলৈ লামডিং বিধান সমষ্টিৰ পৰা সংযুক্ত সংখ্যালঘু মৰ্চা দালৰ প্ৰাৰ্থীৰূপে অসম বিধান সভালৈ নিৰ্বাচিত হোৱা দে ’ ডাঙৰীয়াই ৰাজ্যখনৰ

উত্তৰণৰ দিশত বিশেষ বৰঙণি যোগোৱাৰ লগতে পৰৱৰ্ত্তী সময়ত ১৯৯১, ১৯৯৬, ২০০১ চনলৈ একেৰাহে আৰু ২০১১ চনত হোজাই বিধান সভা সমষ্টিৰ পৰা জাতীয় কংগ্ৰেছ দলৰ প্ৰাৰ্থীৰূপে অসম বিধান সভালৈ নিৰ্বাচিত হৈছিল। তেখেতে ১৯৯৬ চনত বিৰোধী দলৰ উপ দলপতি, ১৯৯১,২০০১ আৰু ২০১১ চনত ৰাজ্যখনৰ কেবিনেট মন্ত্ৰী হিচাপে নিষ্ঠাৰে সেৱা আগবঢ়াইছিল। জীৱন কালত দে’ ডাঙৰীয়াই ৰাজনৈতিক ক্ষেত্ৰখনৰ লগতে এগৰাকী সু-চিকিৎসকৰূপেও প্ৰভূত সেৱাৰ বৰঙনি আগবঢ়াইছিল।

এই গৰাকী প্ৰাক্তন মন্ত্ৰী তথা প্ৰবীন ৰাজনৈতিক নেতাৰ বিয়োগত ৰাজ্যখনৰ জাতীয় জীৱনত এক অপূৰণীয় ক্ষতি হ’ল।

**৩) বিনোদ গোৱালা ঃ**

অসমৰ প্ৰাক্তন কেবিনেট মন্ত্ৰী বিনোদ গোৱালাৰ যোৱা ইংৰাজী ১৩ এপ্ৰিল, ২০২২ তাৰিখে পৰলোকপ্ৰাপ্তি ঘটে। মৃত্যুৰ সময়ত তেখেতৰ বয়স আছিল ৬৩ বছৰ ।

১৯৫৯ চনত জন্ম গ্ৰহণ কৰা গোৱালা ডাঙৰীয়াই ১৯৮৫,১৯৯১,১৯৯৬ আৰু ২০০৬ চনত চাৰিবাৰকৈ অসম বিধান সভালৈ নিৰ্বাচিত হৈ ৰাজ্যখনৰ সামাজিক আৰু ৰাজ্যনৈতিক ক্ষেত্ৰখনত অপৰিসীম অৱদান আগবঢ়াই গৈছে । তদুপৰি তেখেতে ১৯৯৬ চনত ৰাজ্যখনৰ মন্ত্ৰী সভাত সীমান্ত উন্নয়ণ আৰু পুনৰ সংস্থাপন বিভাগৰ কেবিনেট মন্ত্ৰীৰূপে আসনাধিষ্ঠ হৈ নিষ্ঠা আৰু ঔকান্তিকতাৰে সেৱা আগবঢ়াইছিল। গোৱালা ডাঙৰীয়াই জীৱন কালত বিভিন্ন সামাজিক অনষ্ঠান-প্ৰতিষ্ঠানৰ লগতো ওতঃপ্ৰোতভাৱে জড়িত থাকি বহু গুৰু দায়িত্ব পালন কৰিছিল।

এই গৰাকী প্ৰাক্তন মন্ত্ৰীৰ মৃত্যুত ৰাজ্যখনৰ ৰাজনৈতিক ক্ষেত্ৰতখনত এক পূৰাব নোৱাৰা ক্ষতি হ’ল।

**(৪) ডালিম ৰায় ঃ**

প্ৰাক্তন বিধায়ক তথা নিষ্ঠাবান সমাজকৰ্মী ডালিম ৰায়ৰ যোৱা ইংৰাজী ২ মে ২০২২ তাৰিখে দেহাৱসান ঘটে। মৃত্যুৰ সময়ত তেখেতৰ বয়স আছিল ৮৫ বছৰ।

প্ৰয়াত ৰায় ডাঙৰীয়াই ১৯৮৫ চনত গোলকগঞ্জ বিধা সভা সমষ্টিৰ পৰা অসম গণ পৰিষদ দলৰ প্ৰাৰ্থীৰূপে অসম বিধান সভালৈ নিৰ্বাচিত হৈ ৰাজ্যখনৰ জাতীয় জীৱনত বিশেষ অৱদান আগবঢ়াই গৈছে। তেখেতে জীৱন কালত ৰাজনীতিৰ লগতে বিভিন্ন সামাজিক অনুষ্ঠান-প্ৰতিষ্ঠানৰ লগত জড়িত থাকি নিষ্ঠা আৰু ঐকান্তিকতাৰে সেৱাৰ বৰঙণি আগবঢ়াইছিল।

এই গৰাকী প্ৰাক্তন বিধায়ক তথা নিষ্ঠাবান সমাজকৰ্মীৰ মৃত্যুত ৰাজ্যখনৰ সমাজ জীৱনত এক অপূৰণীয় ক্ষতি হ’ল ।

**(৫) আনোৱাৰ হুছেইন লস্কৰ ঃ**

প্ৰাক্তন বিধায়ক আনোৱাৰ হুছেইন লস্কৰৰ যোৱা ইংৰাজী ১৮ জুলাই, ২০২২ তাৰিখে পৰলোকপ্ৰাপ্তি ঘটে।

প্ৰয়াত লস্কৰ ডাঙৰীয়াই ১৯৯৬ চনত অসম গণ পৰিষদ দলৰ প্ৰাৰ্থীৰূপে আৰু ২০০১ চনত সমাজবাদী দল প্ৰাৰ্থীৰূপে অসম বিধান সভালৈ নিৰ্বাচিত হৈ ৰাজ্যখনৰ আৰ্থ সামাজিক উন্নয়ণৰ দিশত উল্লেখনীয় বৰঙণি আগবঢ়াইছিল। তেখেতে জীৱন কালত ৰাজনৈতিক ক্ষেত্ৰখনৰ লগতে বিভিন্ন সামাজিক অনুষ্ঠান-প্ৰতিষ্ঠানৰ লগত ওতঃপ্ৰোতভাৱে জড়িত থাকি নিষ্ঠা আৰু ঐকান্তিকতাৰে সেৱা আগবঢ়াইছিল ।

এই গৰাকী প্ৰাক্তণ বিধায়ক তথা নিষ্ঠাবান সমাজসেৱকৰ মৃত্যুত ৰাজ্যখনৰ জাতীয় জীৱনত এক পূৰাব নোৱাৰা ক্ষতি হ'ল ।

তেখেতসকলৰ লগতে আৰু আমাৰ দেশ তথা ৰাজ্যখনৰ ভালে কেইগৰাকী বৰণ্যে ব্যক্তিৰ পৰলোকপ্ৰাপ্তি ঘটিছে। তেখেতসকল হৈছে।

(৬) ভাৰতীয় প্ৰশাসনীয় সেৱাৰ জ্যেষ্ঠ বিষয়া ও ৰাজ্য চৰকাৰৰ প্ৰধান সচিব, ৰাজেশ প্ৰসাদ

(৭) বিশিষ্ট মুক্তিযোদ্ধা যথাক্ৰমে ঃ কৃষ্ণকান্ত লহকৰ, যতীন গোস্বামী, ললিত চন্দ্ৰ ভূএঞা, ভাৰত বৈশ্য, ডিম্বে প্ৰসাদ বৰুৱা ।

(১৩ বিশিষ্ঠ সাহিত্যিক ও সাহিত্য অকাডেমী বটা প্ৰাপক, অতুলানন্দ গোস্বামী

(১৪) প্ৰাক্তন ডি জি পি, মদন ৰাম চৌধুৰী

(১৫) প্ৰাক্তন প্ৰশাসনিক বিষয়া, শংকৰ প্ৰসাদ কাকতি বৰা

(১৬) ছেৱাৰ  প্ৰাক্তন সচিব, দয়াৰাম ৰাজবংশী

(১৭) লোক নিৰ্মান বিভাগৰ প্ৰাক্তন সচিব, অজিত কুমাৰ চৌধুৰী

(১৮) অসম গৌৰৱ বটাৰে সন্মানিত, কল্পনা বড়ো

(১৯) বিশিষ্ঠ শিক্ষাবিদ, ইতিহাসবিদ তথা গৱেষক, ডঃ সৃষ্টিধৰ দত্ত

(২০) প্ৰবীন সাংবাদিক, শিক্ষাবিদ ও সাহিত্যিক, যাদৱসেন ডেকা

(২১) বিশিষ্ট সাহিত্যক ও সাহিত্য অকাডেমী বটা প্ৰাপক, হৰেন্দ্ৰ বৰঠাকুৰ

(২২) কিংবদন্তি সন্তৰবাদক পদ্মবিভূষণ, শিৱকুমাৰ শৰ্মা

(২৩) প্ৰতিথযশা নৃত্যশিল্পী, গৰিমা হাজৰিকা

(২৪) প্ৰখ্যাত কণ্ঠশিল্পী, নিৰ্মলা মিশ্ৰ

(২৫) প্ৰবীন অভিনেতা, সাধন হাজৰিকা

(২৬) লোকবাদ্যৰ সাধক তথা বিশিষ্ট ঢোল সম্ৰাট, তুলসী নেওগ ওজা

(২৭) তথ্য আৰু জনসংযোগ বিভাগৰ অৱসৰপ্ৰাপ্ত উপ সঞ্চালক তথা বিশিষ্ট কবি ও গীতিকাৰ, ইন্দ্ৰভূষণ নাথ

(২৮) বিশিষ্ট সাহিত্যিক তথা কেন্দ্ৰীয় চৰকাৰৰ মাধ্যমিক শিক্ষা পৰিষদৰ অৱসৰ প্ৰাপ্ত সঞ্চালক দণ্ডেশ্বৰ শইকীয়া

(২৯)  অভিনেতা, জ্ঞানেন্দ্ৰ পল্লৱ বৰুৱা

(৩০) অসমীয়া চলচিত্ৰ জগতৰ বিশিষ্ট অভিনেতা কিশোৰ দাস

(৩১) বিশিষ্ট ক্ৰীড়া সংগঠক, আব্দুল মতিন

(৩২) জেষ্ঠ সাংবাদিক, ডাঃ জেছিম ৰাজা

অতি দুখ আৰু ব্যথিত হৃদয়ৰে আজি অসম বিধান সভাৰ পৱিত্ৰ মজিয়াত এই বৰণ্যে ব্যক্তিসকলৰ বিয়োগত শোক প্ৰকাশ কৰিছো।

এতিয়া প্ৰয়াত লোকসকলৰ পৱিত্ৰ স্মৃতিত আৰু তেখেত সকলৰ বিদেহী আত্মাৰ সদ্গতি আৰু চিৰশান্তি কামনা কৰি ক্ষন্তেক সময় থিয় হৈ মৌনতা অৱলম্বন কৰিবৰ বাবে এই সদনৰ মাননীয় সদস্য- সদস্যাসকলৰ প্ৰতি মই অনুৰোধ জনালো।

(শোক সন্তপ্ত পৰিয়ালবৰ্গলৈ অসম বিধান সভাৰ প্ৰধান সচিব ডাঙৰীয়াই সদনৰ এই শোক প্ৰস্তাৱৰ প্ৰতিলিপি প্ৰেৰণ কৰিব ।)

অসম বিধান সভাৰ প্ৰক্ৰিয়া আৰু কাৰ্য্যৱলী পৰিচালনা নিয়মাৱলী ২৩০ অধীনত অসম বিধান সভাৰ কাৰ্য্য উপদেষ্টা সমিতিৰ এখন বিশেষ সভা আজি ১৭ আগষ্ট, ২০২২ তাৰিখে দিনৰ ২ বজাত আমাৰ দেশে স্বাধীনতা লাভ কৰাৰ ৭৫ বছৰ পূৰ্ণ কৰাৰ উপলক্ষে উদ্‌যাপন কৰা আজাদী কা অমৃত মহোৎসৱৰ লগত সংগতি ৰাখি আজি অনুষ্ঠিত হোৱা বিশেষ অধিবেশনত আলোচনাৰ বাবে বিভিন্ন দল ও নিৰ্দ্দলীয় সদস্যক উপযুক্ত সময় আবন্টন দিয়াৰ বাবে অধ্যক্ষৰ কাৰ্য্যালয় কক্ষত সভা অনুষ্ঠিত কৰা হয়। সময় তলত উল্লেখ কৰা ধৰণে বিভিন্ন দল আৰু নিৰ্দ্দলীয় সদস্যক সময় আবন্টন দিয়াৰ সিদ্ধান্ত গ্ৰহণ কৰে ।

সৰ্বভাৰতীয় গণতান্ত্ৰিক মৰ্চা ২৯ মিনিট, বড়োলেণ্ড পিপ'ল ফ্ৰন্ট ৬ মিনিট, চি পি আই (এম) ২ মিনিট, নিৰ্দলীয় ২ মিনিট। আশা কৰো এই প্ৰতিবেদনত মাননীয় সদনৰ অনুমোদন আছে। অসম বিধান সভা প্ৰক্ৰিয়া আৰু কাৰ্য্য পৰিচালনা নিয়মাৱলীৰ নিয়ম নং ৯ (১) ৰ অধীনত পঞ্চদশ অসম বিধান সভাৰ বিশেষ অধিবেশন পৰিচালন কৰিবৰ বাবে মাননীয় সদস্য সকলক সভাপতি হিচাপে মনোনিত কৰা হ'ল। শ্ৰীৰেকিবুদ্দিন আহমেদ, শ্ৰীৰমেন্দ্ৰ নাৰায়ণ কলিতা, শ্ৰী বিদ্যাছিং ইংলেং। এতিয়া মই প্ৰথমতে সংকল্প প্ৰস্তাৱৰ কাৰণে মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়াক অনুৰোধ কৰিলোঁ।

**ড° হিমন্ত বিশ্ব শৰ্মা, (মুখ্যমন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, পোন প্ৰথমে আজি স্বাধীনতাৰ ৭৫ বছৰ অতিক্ৰম কৰাৰ শুভ ক্ষণত আপুনি অসম বিধান সভাৰ অধিবেশন আহ্বান কৰি স্বাধীনতাৰ সেনানী, মুক্তি যুজাঁৰু আৰু শ্বহীদ সকললৈ আমাৰ কৃতজ্ঞতা আগবঢ়াবলৈ যি সুবিধা দিছে তাৰ বাবে মই আপোনাক ধন্যবাদ আৰু কৃতজ্ঞতা প্ৰকাশ কৰিছোঁ। যোৱা বছৰটো আমি সমগ্ৰ দেশে স্বাধীনতাৰ অমৃত মহোৎসৱ পালন আৰম্ভ কৰিছিলোঁ আৰু প্ৰধান মন্ত্ৰী নৰেন্দ্ৰ মোডী ডাঙৰীয়াৰ আহ্বানত স্বাধীনতাৰ ৭৫ তম বছৰটো বিভিন্ন কাৰ্য্যসূচীৰে সমগ্ৰ ভাৰতবৰ্ষৰ লগতে অসমতো আমি পালন কৰাৰ কাম আৰম্ভ কৰিছিলোঁ। বছৰজোৰা কাৰ্য্যসূচীৰ আটাইতকৈ উল্লেখযোগ্য মুহূৰ্ত কেইটা আছিল যোৱা ১৩ আগষ্টৰ পৰা আৰম্ভ হোৱা ‘হৰ ঘৰ ত্ৰিৰংগা’ কাৰ্য্যসূচী। অসম চৰকাৰে এই কাৰ্য্যসূচী সফল কৰাৰ বাবে ব্যাপক প্ৰস্তুতি হাতত লৈছিল আৰু আমি দেখা পাইছিলো যে ১৩ আগষ্ট হোৱাৰ আগতে প্ৰায় ১০ আগষ্ট মানৰ পৰা অসমৰ ৰাইজে এই চৰকাৰী কাৰ্য্যসূচীৰ পৰিবৰ্ত্তে এক জন সাধাৰণৰ আন্দোলনলৈ ৰূপান্তৰ কৰিছিল। অসমৰ বিভিন্ন আত্মসহায়ক গোট সমূহে জাতীয় পতাকা নিৰ্মাণ কৰিছিল আৰু মানুহে এই জাতীয় পতাকা সমূহ ক্ৰয় কৰিছিল আৰু অসম চৰকাৰে বিভিন্ন সুলভ মূল্যৰ দোকানৰ জৰিয়তে যি ৰাষ্ট্ৰীয় পতকা বিক্ৰীৰ ব্যৱস্থা কৰিছিল তাতো ৰাইজে জাতীয় পতকা সম্পূৰ্ণৰূপে ক্ৰয় কৰিছিল আৰু ১৩ আগষ্টৰ পৰা ১৫ আগষ্টলৈকে এই পতাকা সমূহ নিজৰ ঘৰত, ব্যৱসায়িক প্ৰতিষ্ঠানত, গাড়ী-মটৰত উৰুৱাই ৰাখিছিল। এই সময়চোৱাত বহুত আৱেগিক চিত্ৰও আমি দেখা পাইছিলোঁ। বঙাইগাওঁত এগৰাকী বৃদ্ধ ব্যক্তি তেওঁ পৰিবাৰৰ সৈতে ৯২ বছৰ বয়সত স্বাধীনতা দিৱসত পতাকা লৈ ৰাস্তালৈ ওলাই আহিছিল। ঠিক সেই ধৰণে কণ কণ শিশু সকলেও ৰাষ্ট্ৰীয় পতকা অত্যন্ত উৎসাহৰ সৈতে উৰুৱাইছিল। যোৱা ১৩ আগষ্টৰ পৰা ১৫ আগষ্টৰ এই হৰ ঘৰ ত্ৰিৰংগ কাৰ্য্যসূচীৰ আন এক সফল দিশ হৈছিল যে এইবাৰ ১৫ আগষ্টৰ উৎযাপন। বিভিন্ন বিদ্ৰোহী সংগঠনৰ আহ্বানৰ পিছতো এইবাৰ ১৫ আগষ্টৰ কাৰ্য্যসূচীত ৰাইজৰ অংশ গ্ৰহণ আছিল স্বতঃস্ফুৰ্ত। অসমত প্ৰথম বাৰৰ বাবে অন্তত মোৰ জীৱন কালত প্ৰথমবাৰৰ বাবে ৰাইজৰ এই অভূতপূৰ্ব উৎসাহ আমি দেখিছিলোঁ আৰু এই উৎসাহ সম্পূৰ্ণ স্বাভাৱিক আছিল, অৰ্গেনিক আছিল আৰু এক প্ৰকাৰ স্বাধীনতা দিৱসক ৰাইজে এক ৰাইজৰ অনষ্ঠানলৈ ৰূপান্তৰ কৰিছিল, এক জন আন্দোলনলৈ ৰূপান্তৰ কৰিছিল। এই স্বাধীনতা দিৱস যি ধৰণে ৰাইজে পালন

কৰিছিল সেইটোৱে অসমবাসী ৰাইজৰ মাজত ৰাষ্ট্ৰ প্ৰেমৰ যি ভাৱ সেই ভাৱক এক সম্পূৰ্ণৰূপত তেখেত সকলে প্ৰকাশ কৰিছিল আৰু তেখেত সকলে এই কথা স্পষ্টভাৱে মেচেজ দিছিল যে আমি ভাৰতীয় আৰু ভাৰতীয় সভ্যতা, ভাৰতীয় ৰাষ্ট্ৰৰ সৈতে আমাৰ যি এৰাব নোৱাৰা সম্পৰ্ক সেই সম্পৰ্ক অটুট আছে আৰু অটুট থাকিব। ১৫ আগষ্টত গুৱাহাটীত ত্ৰিৰংগা পতাকা উত্তোলণ কৰি ময়ো বিদ্ৰোহী সংগঠনক সকলক আহ্বান দিছিলোঁ যে অসমৰ ৰাইজৰ উৎসাহ আৰু উদ্দিপনাই প্ৰমান কৰিছে যে অসমত ৰাষ্ট্ৰৰ পৰা বাদ হৈ যোৱাৰ অসমীয়া মানুহৰ মাজত কোনো প্ৰৱনতা নাই আৰু নহবওঁ। সেই কাৰণে সকলো সমস্যা আমি ভাৰত বৰ্ষৰ সাৰ্বভৌমত্বৰ মাজত থাকি সমাধানৰ বাবে আগবাঢ়ি আহিব লাগে। অধ্যক্ষ মহোদয়, আজিৰ এই মুহূৰ্তত মই অসমৰ বিশেষকৈ ভাৰতবৰ্ষৰ স্বাধীনতা সংগ্ৰামত অসমৰ বৰঙণি কি ধৰণে আছিল তাক মই অলপ ৰোমন্থন কৰিব খুজিছো যাতে আমাৰ নতুন প্ৰজন্মই সেই স্বাধীনতাৰ সেনানী সকলৰ প্ৰেৰণাৰে প্ৰেৰিত হৈ ৰাষ্ট্ৰ নিৰ্মাণৰ মহান যাত্ৰাত আগবাঢ়ি যাব পাৰে। অধ্যক্ষ মহোদয়, বৃটিছৰ বিৰুদ্ধে অসমৰ প্ৰথম বিদ্ৰোহ আৰম্ভ কৰিছিল গোমধৰ কোঁৱৰে ১৮২৮ চনত। ৭ মাৰ্চ, ১৮২৮ চনত নামনি অসম বৃটিছ শাসনৰ অধীন বুলি ঘোষণা কৰে আৰু উজনি অসমৰ ক্ষেত্ৰতো কোনো সিদ্ধান্ত লোৱাৰ পৰা বিৰত থাকে। এনে অৱস্থাতে গোমধৰ কোঁৱৰে তেওঁলোকৰ সমৰ্থক সকলক লৈ বৃটিছ শাসকৰ বিৰুদ্ধে উজনি অসমত বিদ্ৰোহ ঘোষণা কৰে। ১৮২৮ চনত অক্টোবৰ মাহত বৃটিছে ৰাডাৰ ফোডৰ অধীনত প্ৰেৰণ কৰা এদল সেনাৰ জৰিয়তে এই বিদ্ৰোহ দমন কৰে। গোমধৰ কোঁৱৰ আৰু তেওঁৰ সমৰ্থক সকলক বন্দী কৰি কাৰাগাৰলৈ প্ৰেৰণ কৰা হয়। বাংলাদেশৰ ৰং পুৰত তেখেতক ৭ বছৰ কাৰাদণ্ড দিয়া হৈছিল। গোমধৰ কোৱৰৰ বিদ্ৰোহ বিফল হোৱাৰ পিছত ১৮৩০ চনত এই বিদ্ৰোহৰ গুৰি ধৰিছিল পিয়লিয়া বৰগোহাই আৰু পিয়লি বৰফুকণে। তেখেত সকলে উজনিৰ বিভিন্ন জনজাতীয় শাসক সকলক সংগঠিত কৰি বৃটিছৰ বিৰুদ্ধে বিদ্ৰোহ কৰিছিল। খাংম্পি, চিংফু, মোৱামৰিয়া, মণিপুৰী, নগা, খাচী আৰু গাৰো শাসক সকলক তেওঁলোকে বৃটিছৰ বিৰুদ্ধে সংগঠিত কৰিছিল। এই বিদ্ৰোহৰ বাবে পিয়লি ফুকন, জিউৰাম দুলীয়া বৰুৱা, ৰূপচান কোৱৰ, দেওৰাম দিহিঙিয়া ডেকা, বম চিংফৌ আৰু হৰ নাথক ব্ৰিটিছে গেপ্তাৰ কৰে। বিচাৰ প্ৰক্ৰিয়া আৰম্ভ হয় আৰু বিচাৰৰ অন্তত পিয়লি বৰফুকণ আৰু জিয়ু দুলীয়া বৰুৱাক শিৱসাগৰত ফাঁচী দিয়া হয়। বাকী সকলক ঢাকাৰ কাৰাগাৰলৈ প্ৰেৰণ কৰা হয়। জনজাতীয় সকলৰ মাজত বৃটিছৰ বিৰুদ্ধে বিদ্ৰোহ ঘোষণা কৰিছিল খাচী সকলে। খাচী সকলৰ শাসক কিৰদ সিঙে ৫০০ খাচী সৈনিকক লৈ ১৮২৯ চনত এপ্ৰিল মাহত ব্ৰিটিছ সকলক আক্ৰমণ কৰিছিল। কিন্তু অৱশেষত ব্ৰিটিছ ৰ হাতত ১৮৩৩ চনৰ জানুৱাৰী মাহত কিৰদ সিঙ বন্দী হয় আৰু ব্ৰিটিছে তেওঁক ঢাকাৰ কাৰাগাৰলৈ প্ৰেৰণ কৰে। অসমৰ পূব সীমাত থকা শান্তি চিংফু সকলেও ব্ৰিটিছ শাসনৰ বিৰোধীতা কৰিছিল। তদুপৰি গাৰো পাহাৰৰ পতগাং চাংমা, জয়ন্তীয়া পাহাৰৰ ইউ কিয়াং নংমা, উত্তৰ কাছাৰৰ তুলাৰাম সেনাপতি আৰু সংবোধন ফংলো আদিয়ে এই ব্ৰিটিছ বিৰোধী বিদ্ৰোহক নেতৃত্ব দিছিল। ১৮৫৭ চনত চিপাহী বিদ্ৰোহৰ সময়ত অসমত বৃটিছ বিৰোধী বিদ্ৰোহৰ পৰিকল্পনা কৰিছিল মণিৰাম দেৱানে কলিকতাৰ পৰা। তাৰবাবে তেওঁ চাৰিঙৰ ৰজাৰ লগত চিঠিৰে যোগাযোগ কৰিছিল। অস্ত্ৰ-শস্ত্ৰ আৰু সৈন্য সামন্ত সংগ্ৰহ কৰাৰ কাম মনিৰাম দেৱানে কলিকতাত থাকিয়ে আৰম্ভ কৰিছিল। তেওঁলোকক এই কামত অসমৰ বাহাদুৰ গাওঁবুঢ়া আৰু ফৰমূদ আলীয়েও সহায় কৰিছিল। কিন্তু এই বিদ্ৰোহৰ উমান পাই বৃটিছৰ চাৰিঙৰ ৰজাক কন্দপেশ্বৰ সিংহক গ্ৰেপ্তাৰ কৰি আলিপুৰ কাৰাগাৰলৈ প্ৰেৰণ কৰে। মণিৰাম দেৱানক কলিকতাত গ্ৰেপ্তাৰ কৰি কিছুদিন আলিপুৰ জেলত থৈ তাৰ পিছত বিচাৰৰ বাবে অসমলৈ অনা হয়। বিদ্ৰোহত জড়িত থকা অভিযোগত পিয়লি

বৰুৱা আৰু মধু মলিককো গ্ৰেপ্তাৰ কৰা হয়। মণিৰাম দেৱানক পিয়লি বৰুৱাৰ সৈতে যোৰহাট কাৰাগাৰত আৰু ১৮৫৮ চনৰ ২৬ ফেব্ৰুৱাৰীত যোৰহাট কাৰাগাৰত ফাঁচী দিয়া হয়। জুতিৰাম বৰুৱা, মধুমলিক, কমলা বৰুৱা, মৰঙিখোৱা গোহাই, ত্ৰিনয়ন আৰু মায়াৰামক যাৱজ্জীৱন কাৰাদণ্ড দিয়া হয়। বাহাদুৰ গাওঁবুঢ়া আৰু  ফৰমূদ আলীক আন্দামানলৈ পঠিয়াই কাৰাদণ্ড দিয়া হয়। অসমৰ দুগৰাকী বীৰাঙ্গনা মহিলা ৰূপহী আইদেউ আৰু নুংবৈ আইদেউকো এই বিদ্ৰোহত জড়িত হৈ থকাৰ উমান পাই ব্ৰিটিছে তেওঁলোকৰ সম্পত্তি জব্দ কৰে । অধ্যক্ষ মহোদয়, এইবাৰ আমি সিদ্ধান্ত লৈছো যে অসমৰ১ হাজাৰ জন যুৱকক আন্দামানৰ চেলুলাৰ জেল চাবৰ বাবে পঠিয়াম, য'ত বাহাদুৰ গাওঁবুঢ়া আৰু উত্তৰপূৱৰ বহুতো বিদ্ৰোহীয়ে, বহুতো স্বাধীনতা সেনানীয়ে তেওঁলোকৰ জীৱন কটাইছিল । বিশেষকৈ মণিপুৰৰ ৰজাকে আদি কৰি উত্তৰপূৱৰ বিদ্ৰোহীয়ে, মুক্তিযুজাৰুৱে চেলুলাৰ জেলত জীৱনৰ সৰ্বোচ্চ ত্যাগ কৰি দিছিল । আমি অসমত তেওঁলোকৰ ইতিহাস কমকৈ জানো। তেওঁলোকে তাত কি ধৰণে কটাইছিল এইবাৰ আমি ১ হাজাৰ জন যুৱকক আন্দামানৰ চেলুলাৰ জেললৈ পঠিয়াম, যাতে তেওঁলোকে ভাৰতৰ স্বাধীনতা আন্দোলনত কি ধৰণে মানুহে জীয়াই থাকিও জীৱন্ত শ্বহীদৰ দৰে সৰ্বোচ্চ ত্যাগ কৰিছিল, পৰিয়াললৈ কেতিয়াও ঘূৰি আহিব পৰা নাছিল। তেওঁলোকৰ জীৱনগাঠাৰ বিষয়ে যাতে আমি বুজি পাব পাৰো । ১৮৫৮ চনত ভাৰতৰ শাসনভাৰ ইষ্ট ইণ্ডিয়া কোম্পানীৰ পৰা বৃটিছৰ হাতলৈ যায় । শাসনৰ এই পৰিৱৰ্তন স্বত্তেও শোষণ নীতিৰ পৰিৱৰ্তন হোৱা নাছিল । মাটিৰ খাজানা বৃদ্ধি পাইছিল, আয়কৰ, অনুজ্ঞাকৰ আদিৰ দৰে নতুন নতুন কৰ  বৃটিছ শাসকে আৰোপ কৰিছিল । ইয়াৰ ফলস্বৰূপে ১৮৬০ চনৰ পৰা অসমত বৃটিছ বিৰোধিতাৰে এক নতুন ৰূপ ধাৰণ কৰে । নগাওঁ জিলাত প্ৰচলিত আফু খেতি নিষিদ্ধ কৰি তামোল পান আদিৰ ওপৰতো খাজনা লগোৱাৰ প্ৰতিবাদত ১৮৬১ চনত ফুলগুৰিৰ কৃষক সকলে বিদ্ৰোহ কৰে । এই বিদ্ৰোহৰ পৰিণতিত নগাওঁ জিলাৰ অতিৰিক্ত আয়ুক্ত সিংগাৰক কৃষক সকলে হত্যা কৰি কলং নদীত উটোৱাই দিছিল । ভাৰতবৰ্ষৰ স্বাধীনতা আন্দোলনৰ ইতিহাসত এইটোৱে আছিল প্ৰথম কৃষক বিদ্ৰোহ । অধ্যক্ষ মহোদয় এইটো অসমৰ প্ৰথম কৃষক বিদ্ৰোহ নাছিল , সমগ্ৰ ভাৰতৰেই প্ৰথম কৃষক বিদ্ৰোহ আছিল । এই বিষয়ে আমি ভাৰতত বহুতো প্ৰচাৰ কৰিব পৰা নাই । মই ভাবো এই দিশ বিলাকৰ ওপৰতো আমি নিশ্চয় ভাৰতত আমাৰ অৱদানৰ বিষয়ে ৰাষ্ট্ৰজুৰি প্ৰচাৰ কৰাৰ বাবে আমি ব্যৱস্থা ল'ব লাগিব । এইবাৰ মই অসমৰ মুখ্যমন্ত্ৰী হিচাপে ভাৰতৰ সকলো মুখ্যমন্ত্ৰীলৈকে চিঠি লিখিছো যাতে ভাৰতবৰ্ষৰ সকলো ৰাজ্যৰ পাঠ্যক্ৰমত লাচিত বৰফুকণৰ বিষয়ে তেওঁলোকে যাতে সন্নিবিষ্ট কৰে আৰু আমি খুব ভালদৰে লিখি পঠিয়াইছো যাতে ৰাজ্যসমূহে তাৰ ওপৰত ৰিচাৰ্চ কৰিব পাৰে। এই ধৰণে আমাৰ কেইবাটাও ঘটনা আছে যে কৃষক বিদ্ৰোহ আমাৰ ইয়াত প্ৰথম হৈছিল। গন্ধৰ্ব কোঁৱৰে কিমান আগতে বিদ্ৰোহ কৰিছিল তেখেতক স্বাধীনতা আন্দোলনৰ প্ৰথম মুক্তি যুজাৰু বুলি ক'লেও ভুল নহ'ব। এই কথা বিলাক আমি ভাৰতৰ অন্য ৰাজ্য বিলাকৰ লগতো চেয়াৰ কৰিম। স্বাধীনতা আন্দোলনত অসমৰ বৰঙণিৰ বিষয়ে সকলোৱে গম পায়। ফুলগুৰিৰ ধেবা ৰূপে খ্যাত এই বিদ্ৰোহৰ পিছত ১৮৬৮-৬৯ চনত ব্ৰহ্মপুত্ৰ উপত্যকাৰ জিলা সমূহত বৃটিছ প্ৰশাসনে  ৰূপিত আৰু অনা ৰূপিত ভূমিৰ খাজনা ২৫ ৰ পৰা ৫০ শতাংশ বৃদ্ধি কৰিছিল। পিছলৈ ১৮৯৩ চনত অসমৰ মুখ্য আয়ুক্ত উইলিয়াম ওৱাৰ্ডে নতুনকৈ ৭০ ৰ পৰা ৮০ শতাংশ খাজনা বৃদ্ধি কৰে । এই পৰিস্থিতিত অসমৰ কৃষক সকল শোচনীয় অৱস্থাত পৰিছিল আৰু ক্ৰমাত বিদ্ৰোহী হৈ পৰিছিল । ১৮৬৮ চনত হাজাৰ হাজাৰ দৰঙী ৰাইজ পথৰুঘাটৰ ৰাইজ মেলত সমাবেত হৈছিল । তাৰ পিছত ১৮৯৩ চনত ৰঙিয়া, লাচিমা, নলবাৰী, বৰমা, বজালী,

বৰভাগ, সৰ্থেবাৰী, সৰুক্ষেত্ৰী, ছিপাঝাৰ, ব্যাসপাৰা, বৰদৌলগুৰি, ডাঁহী, পাতিদৰং, আমচকলীয়া আদি ঠাইত স্থানীয় ৰাইজমেল অনুষ্ঠিত হয় । ৰঙিয়া ৰাইজমেলে প্ৰথম প্ৰতিবাদী ৰূপ লৈছিল বৰলীয়া নদীৰ পাৰত বহা চমুখাঘাটৰ মেলৰ মাজেৰে। বাৰাংহাতী, পল্লা, দুদালাং, চমুখা বাহাৰঘাট, লহকৰপাৰা, ধুহি, সানেকুছি, লৰমা, চত্মা, বৰখালা আদি গাওঁত কৃষক সকলে এই মেলত সমবেত হৈ ইংৰাজৰ বৰ্ধিত খাজানা আদায় নিদিবলৈ সিদ্ধান্ত লৈছিল । চমখুঘাটৰ মেলৰ পিছত দ্বিতীয়খন মেল হৈছিল ৰঙিয়া চহৰৰ গুৰুকুছি গাওঁত । ১৮৯৪ চনত ২৬ জানুৱাৰীত দৰং জিলাৰ পথৰুঘাটত দ্বিতীয় বাৰৰ বাবে কৃষক বিদ্ৰোহ সংঘটিত হৈছিল । বৰ্ধিত খাজনাৰ বিৰুদ্ধে প্ৰতিবাদ কৰা নিৰস্ত্ৰ জনতাৰ ওপৰত বৃটিছ আৰক্ষীয়ে কৰা ধাৰাসাৰ গুলীবৰ্ষনত নিমিষতে শতাধিক লোক নিহত হোৱাৰ লগতে বহুতো ঘুনীয়া আৰু আহত হৈছিল । ৰাজ্যত সংঘটিত এই কৃষকৰ বিদ্ৰোহে বৃটিছৰ বিৰুদ্ধে অসমৰ স্বাধীনতা সংগ্ৰামৰ উকীৰে ৰাজ্যবাসীক সজাগ কৰি তুলিছিল ।

অধ্যক্ষ মহোদয়, জালিয়ানাবালাবাগৰ হত্যাকাণ্ড আৰু পথৰুঘাটৰ কৃষক বিদ্ৰোহীৰ ওপৰত বৃটিছে চলোৱা নিৰ্মম অত্যাচাৰ, আমি ভাবো যে পথৰুঘাটত যি ঘটনা হৈছিল সেইটো জালিয়ানাবালাবাগ হত্যাকাণ্ডতকৈ নিৰ্মম আছিল । জালিয়ানাবালাবাগৰ হত্যাকাণ্ডটো যেনেকৈ প্ৰচাৰ পাইছে কিন্তু পথৰুঘাটৰ নিৰ্মম হত্যাকাণ্ডৰ বিষয়ে আজিও আমি তেনেদৰে প্ৰচাৰ কৰিব পৰা নাই যদিও ৰাজ্য চৰকাৰে বিভিন্ন সময়ত প্ৰচেষ্টা লৈছে । এই দিশটোৰ ওপৰতো আমি নিশ্চয় চকু দিব লাগিব । বৃটিছ শাসনকালত সমগ্ৰ ভাৰতত মহাত্মাগান্ধীৰ নেতৃত্বত গঢ়ি উঠা অসহযোগ আন্দোলন সৰ্বাত্মক হৈ পৰিছিল তেতিয়া অসমতো এই আন্দোলনে জনসাধাৰণক উত্ৰাবল কৰি তুলিছিল। ১৯২০ চনত তেজপুৰত অনুষ্ঠিত অসম ছাত্ৰ সন্মিলনৰ অধিবেশনত অসম প্ৰদেশক কংগ্ৰেছৰ জন্ম হয় আৰু ১৯২১ চনত মহাত্মা গান্ধীৰ অসম ভ্ৰমনে স্বাধীনতা আন্দোলনক অধিক তীব্ৰতৰ কৰি তোলে।

কৰ্মবীৰ নবীন চন্দ্ৰ বৰদলৈ, দেশপ্ৰাণ চন্দ্ৰনাথ শৰ্মা আৰু দেশপ্ৰেমীক কুলধৰ চলিহা প্ৰমুখ্যে কেইজনমান নেতাই ওকালতি পৰিত্যাগ কৰি এই আন্দোলনত যোগ দিয়ে । ইয়াৰ কেইমাহমান পিছত দেশভক্ত তৰুণৰাম ফুকণ, গোপীনাথ বৰদলৈ প্ৰমুখ্যে আন এদল বিশিষ্ট লোকেও এই আন্দোলনত নামি পৰিছিল । ভাৰতৰ স্বাধীনতা আন্দোলনত ছাত্ৰ সমাজ আঁতৰি থাকিব পৰা নাছিল। যি সকল ছাত্ৰ সক্ৰিয় ভাবে অংশ গ্ৰহণ কৰিছিল তেওঁলোকৰ ভিতৰত উল্লেখযোগ্য আছিল - অক্ষয় কুমাৰ দাস, পূৰ্ণ শৰ্মা, সিদ্ধিনাথ শৰ্মা, হেমচন্দ্ৰ বৰুৱা আদি। কটন কলেজৰো ১৫০ জন ছাত্ৰই কলেজ ত্যাগ কৰি আন্দোলনত জপিয়াই পৰিছিল। পুৰমা উপত্যকাৰ মুৰাৰীচান্দ কলেজ আৰু চিলেট মাদ্ৰাছা বৰ্জন কৰি বহুত ছাত্ৰ ওলাই আহিছিল। মঙ্গলদৈ, তেজপুৰ, ৰঙিয়া, নলবাৰী যোৰহাট, ডিব্ৰুগড় আদি ঠাইত স্কুলীয়া ছাত্ৰ সকলে স্কুল ত্যাগ কৰি আন্দোলনত জড়িত হৈ পৰিছিল। চিলেট হাইস্কুলৰ কিছুসংখ্যক ছাত্ৰ ও শিক্ষানুষ্ঠান বৰ্জন কৰি আন্দোলনত যোগ দিছিল। স্কুল কলেজ ত্যাগ কৰা ছাত্ৰ সকলে গাঁৱে ভুঞে অসহযোগৰ তাৎপৰ্য্য বাখ্যা কৰাৰ লগতে মদ, ভাং আদি ৰাগিয়াল বস্তুৰ অপকাৰিতাৰ বিষয়েও জনসাধাৰণক সজাগ কৰিছিল ।

অসহযোগ আন্দোলনে অসমৰ মহিলা জাগৰণকো আগুৱাই নিছিল। গান্ধীজী অসমৰ পৰা ঘুৰি যোৱাৰ পিছত হেমন্ত কুমাৰী দেৱী, নলীনিবালা দেৱী, স্মীতা ভট্টাচাৰ্য্য, কৃষ্ণমায়া আগৰৱাল, স্নেহলতা দেৱী বৰুৱা, চন্দ্ৰপ্ৰভা শইকীয়ানী প্ৰমুখ্যে এচাম মহিলা আন্দোলনত অংশগ্ৰহণ কৰিবলৈ ঘৰৰ পৰা ওলাই আহিছিল আৰু ৰাজ্যৰ গাঁৱে ভুঞে অসহযোগৰ বাণী প্ৰচাৰ কৰিবলৈ ধৰিলে। অসমীয়া মহিলা সকলে স্বদেশী কাপোৰ উৎপাদন কৰি আন্দোলনৰ কাৰ্য্যসূচী ৰূপায়নত

**সহায় কৰিছিল। কাণি বৰ্জন কাৰ্যসূচীত চাহ-বাগিছাৰ বহুতো মহিলাই অংশ গ্ৰহণ কৰিছিল । অবিভক্ত দৰং জিলাৰ ঘগৰা চাহ বাগিছাত মদ আৰু কাণিৰ বিৰুদ্ধে প্ৰচাৰ অভিযান চলাই ১৯২১ চনত চাহ শ্ৰমিক মালতী উৰফে মাংৰী উৰাং নিহত হৈছিল । ১৯২৯ চনৰ আইন অমান্য আন্দোলনতো অসমৰ মহিলা সকল জপিয়াই পৰিছিল।** মাননীয় অধ্যক্ষ মহোদয়, প্ৰেমদা সুন্দৰী দাস, কুসুম কুমাৰ দে', কনকলতা নাগ, নৰেশ নন্দিনী দত্ত, প্ৰিয়লতা সেন, সুপ্ৰভা দে', সৰোজনী পাল প্ৰমুখ্যে মহিলা সকলে। আন্দোলনত অংশ গ্ৰহণ কৰি ভালে গৰাকী মহিলাই কাৰাবাস খাটিছিল। গান্ধীজীৰ কৰিম অথবা মৰিম বাণীৰে উদ্বুদ্ধ হয়, ৪২ ৰ গণ বিপ্লৱত সমগ্ৰ দেশবাসীৰ লগতে অসমবাসীয়ো বৃটিছ শাসন ওফৰাবলৈ ওলাই আহিছিল। ৪২ ৰ গণ বিপ্লৱত ৯ আগষ্টৰ দিনটো আছিলে অত্যন্ত গুৰুত্বপূৰ্ণ। ৯ আগষ্টৰ দিনটোত বিষ্ণুৰাম মেধি, হৰেকৃষ্ণ দাস, ফকৰউদ্দিন আলী আহমেদ, দেবেশ্বৰ শৰ্মা, পদ্মধৰ চলিহা, বিজয় চন্দ্ৰ ভাগৱতী প্ৰমুখ্যে অসম বিধান সভাৰ কংগ্ৰেছী সদস্য গ্ৰেপ্তাৰ কৰি এই আন্দোলনটোক মষিমূৰ কৰিবলৈ বৃটিছে চেষ্টা কৰিছে। কিছুদিন পিছতে মাজুলীৰ গড়মূৰ সত্ৰৰ সত্ৰাধিকাৰ মুক্তিযোদ্ধা পিতাম্বৰ দেৱ গোস্বামীকো গ্ৰেপ্তাৰ কৰি যোৰহাট জিলাত কাৰাৰুদ্ধ কৰা হৈছে। এই আন্দোলনৰ আপোচ বিহীন স্থিতি আৰু অফুৰন্ত সাহসেৰে স্বাধীনতা সংগ্ৰামক এক বিশেষ গতিপ্ৰদান কৰিছিল কুশল কোঁৱৰে। সৰুপথাৰত ৰেল বগৰোৱাৰ ঘটনাৰ সৈতে জড়িত কৰি বৃটিছে কুশল কোঁৱৰক প্ৰথমে গ্ৰেপ্তাৰ কৰি তাৰ পিছত ফাঁচি দিছিল। এই কাৰাগাৰতে দেশৰ সৈতে যুঁজ দি মৃত্যুক আকোৱালি লৈছিল স্বাধীনতা সংগ্ৰামী কমলা মিৰি আৰু বেজা বাওৰীয়ে। অধ্যক্ষ মহোদয়, যোৰহাট জিলাত ৩৫০ বিঘা মাটি আছে, তাৰ ১৫০ বিঘা মাটি আমি বিভক্ত কৰি কুশল কোৱৰ, কমলা মিৰি আৰু বেজা বাওৰীয়ে তেখেত সকলে আত্মত্যাগ কৰা সেই পবিত্ৰ ভূমিখনক আমি প্ৰায় ১২৫ কোটি টকা ব্যয় কৰি এখন অমৃত উদ্যানলৈ ৰূপান্তৰ কৰাৰ বাবে সিদ্ধান্ত লৈছো। ইতিমধ্যে তাৰ নিবিদাৰ প্ৰক্ৰিয়া চলি আছে, নিবিদাৰ প্ৰক্ৰিয়া শেষ হোৱাৰ লগে লগে তাৰ কাম আমি আনুষ্ঠানিক ভাবে আৰম্ভ কৰি যাম।' ৪২ ৰ গণ আন্দোলনত ব্যাপক প্ৰতিবাদ অসমত প্ৰথম আন্দোলন আৰম্ভ হৈছিল নগাঁও জিলাত, বেবেজীয়াত আৰক্ষীৰ গুলীত নিহত হৈছিল কলাই কোচ আৰু হেমৰাম বৰা, জুঙাল বড়ো, হেমৰাম পাতৰ, গুনাভী বৰদলৈ। বাৰপুজীয়াত শ্বহীদ হৈছিল, তিলক ডেকা, বঢ়মপুৰত বৃটিছৰ বিৰুদ্ধে প্ৰতিবাদত অংশ লৈ শ্বহীদ হৈছিল ভোগেশ্বৰী ফুকননী, লক্ষ্মীনাথ হাজৰিকা, থগীৰাম কোচ, বলোৰাম কোচ, গহপুৰ থানাত তিৰংগা পতাকা উত্তোলন কৰিবলৈ গৈ শ্বহীদ হৈছিল কনকলতা বৰুৱা আৰু মুকুন্দ কাকতি। ঢেকীয়াজুলি থানাত পতাকা উত্তোলন কৰিবলৈ গৈ বৃটিছৰ গুলি আৰু লাঠিচালনাত মৃত্যু বৰণ কৰিছিল শ্বহীদ মনবৰ নাথ, কুমলী দেৱী, মহিৰাম কোচ, ৰতন কছাৰী, অৰুণাথ চুতীয়া, মনিৰাম কছাৰী, তুলেশ্বৰী বৰুৱা, ৰেলেৰা কছাৰী, দয়াল দাস পানীকা, সহুলী দেৱী, মংগল কুৰ্কু, পদুমী গগৈ, আৰু কেইবাজনো চিনাক্ত কৰিব নোৱাৰা ব্যক্তি। বজালীত পুলিচৰ গুলীত শ্বহীদ হৈছিল মদন বৰ্মন আৰু ৰাওতামাৰ কোচ। এই বীৰ শ্বহীদ সকলৰ উপৰিও হেমচন্দ্ৰ বৰুৱা, অমিয় কুমাৰ দাস, পুস্পলতা দাস, কামাখ্যা প্ৰসাদ ত্ৰিপাঠী, অম্বিকাগিৰী ৰায় চৌধুৰী, তীৰ্থ নাথ শৰ্মা, বিষ্ণু প্ৰসাদ ৰাভা, বেণুধৰ শৰ্মা, লক্ষধৰ চৌধুৰী, ভীমবৰ দেউৰী, বিপ্লবী শংকৰ বৰুৱা, সোণাৰাম চুতীয়া, বাবু চবিলাল উপাধ্যায় লগতে সহস্ৰজনৰ অক্লান্ত শ্ৰম সংগ্ৰাম আৰু ত্যাগৰ বিনিময়ত আমাৰ দেশে স্বাধীনতা লাভ কৰিছিল। আজি এই গৌৰৱময় ইতিহাস ৰোমন্থনৰ বাবে আমি সমবেত হোৱা গণতন্ত্ৰৰ মন্দিৰ অসমৰ বিধান সভাৰো এক মহিমামণ্ডিত ইতিহাস আমাৰ স্বাধীনতা সংগ্ৰামৰ সৈতে জড়িত হৈ আছে। ভাৰতবৰ্ষৰ বিধান সভা সমূহৰ ভিতৰত অসম বিধান সভা হৈছে

আটাইতকৈ দ্বিতীয় তম্ পুৰণি বিধান সভা। প্ৰথম পুৰণি বিধান সভা হ'ল উত্তৰ প্ৰদেশ আৰু দ্বিতীয় পুৰণি বিধান সভা হ'ল আমাৰ অসম বিধান সভা। ১৯৩৫ চনত ২ আগষ্ট বৃটিছ্ সংসদত ভাৰত চৰকাৰৰ অধিনিয়ম ১৯৩৫ গৃহীত হয়। এই অধিনিয়মৰ উপবদ্ধ অনুসৰি ১৯৩৭ চনত অসম প্ৰদেশৰ বাবে দ্বি-সদন যুক্ত বিধান মণ্ডল প্ৰণয়ন কৰা হয়। তেতিয়া অসম বিধান সভাৰ সদস্য সংখ্যা আছিলে ১০৮ জন। এই আটাইকেইজন সদস্য আছিল নিৰ্বাচিত। উচ্চ সদন আৰু বিধান পৰিষদৰ সদস্যৰ সংখ্যা আছিল সৰ্বাধিক ২২ জন। বিধান সভাৰ নিৰ্বাচনত কংগ্ৰেছে একক বৃহৎ দল হিচাবে আত্মপ্ৰকাশ কৰে। অৱশ্যে একক সংখ্যা গৰিষ্ঠতা লাভ নকৰিলে চৰকাৰ গঠন কৰাৰ পৰা বিৰত থকা দলৰ কেন্দ্ৰীয় নেতৃত্বৰ সিদ্ধান্ত অনুসৰি প্ৰাদেশী কংগ্ৰেছ চৰকাৰ গঠন কৰিবলৈ অনিহা প্ৰকাশ কৰে। ফলত চৈয়দ মহম্মদ চাদুল্লাই মৰ্চা চৰকাৰ গঠন কৰে। ১৯৩৭ চন ১ এপ্ৰিলত তদানীন্তন ৰাজ্যপাল ৰবাৰ্ট নীল ৰেইদে মহম্মদ চাদুল্লাক শপত গ্ৰহণ কৰাইছিল। অসম বিধান সভাৰ প্ৰথম বৈঠক বহে চিলঙৰ সভাকক্ষত। ১৯৩৭ চনৰ এপ্ৰিল মাহৰ ৭ তাৰিখে। ১৯৪৭ চনৰ ১৫ আগষ্টত ভাৰতবৰ্ষই স্বাধীনতা লাভ কৰি ভাৰতবৰ্ষ আৰু পাকিস্তান নামেৰে দুখন ৰাষ্ট্ৰত পৰিণত হয়। এইবাৰ ১৪ আগষ্টত আমি বিভাজন বিভীষিকা দিৱস পালন কৰিছো। যাতে বিভাজনৰ কৰুণ ইতিহাসে আমাক সদায় ভাৰতবৰ্ষখন সাৰ্বভৌম আৰু একত্ৰিত কৰি ৰখাৰ বাবে প্ৰেৰণা দিয়ে। ভাৰত বিভাজনৰ পিছত অসমৰ চিলেট জিলা পূব পাকিস্থানত অৰ্ন্তভূক্ত হয়। ফলত বিধান সভাৰ আসনৰ সংখ্যা ৭১ খনলৈ হ্ৰাস পালে। অৱশ্যে স্বাধীনতাৰ পিছত অসম বিধান সভাৰ আসনৰ সংখ্যা পুনৰ ১০৮ লৈ বৃদ্ধি কৰা হয়। ১৯৪৭ চনত বিধান পৰিষদ বিলুপ্তি ঘটাই অসম বিধান মণ্ডল ১ সদন যুক্ত কৰা হয়। অসমৰ ভৌগলিক পৰিসৰ সলনি হোৱাৰ লগে লগে আৰু জনসংখ্যা বৃদ্ধিৰ লগে লগে অসম বিধান সভাৰ আসনৰ সংখ্যা পৰিৱৰ্তন হ'ল। ১৯৫২ পৰা ১৯৫৭ ৰ সময়ছোৱাত সদস্যৰ সংখ্যা ১০৮ গৰাকী হোৱাৰ বিপৰীতে ৬৭ ৰ পৰা ৭২ কালছোৱাত এই সংখ্যা ১১৪ আৰু ৭২ ৰ পৰা ৭৮ কালৰ পৰৱৰ্তী সময়ত ১২৬ লৈ বৃদ্ধি হয়। স্বাধীনোত্তোৰ কালছোৱাত অসমৰ বিভাজন ঘটি বহু কেইখন নতুন ৰাজ্যৰ সৃষ্টি হ'ল। ১৯৬৩ চনত নাগালেণ্ড গঠিত হয়। ১৯৭১ চনত ভাৰত সংসদত গৃহীত হোৱা এখন আইন যোগে মেঘালয়ক পূৰ্ণাংগ ৰাজ্য মৰ্য্যদা দিয়া হয়। মিজোৰাম, অৰুণাচল প্ৰদেশ সুকীয়া ৰাজ্যত পৰিণত হয়। মেঘালয় গঠনৰ পিছত চিলং, অসম আৰু মেঘালয় দুয়োখন ৰাজ্যৰ যুটীয়া ৰাজধানী হয়। ১৯৭২ চনত অসম চৰকাৰে দিছপুৰলৈ ৰাজধানী স্থানান্তৰ কৰে। ১৯৭৩ চনৰ ১৬ মাৰ্চত দিছপুৰৰ অস্থায়ী ৰাজধানী অসম চৰকাৰৰ প্ৰথম অসম বিধান সভাৰ প্ৰথম অধিৱেশন অনুষ্ঠিত হয়। তেতিয়াৰ পৰা ইয়াতে অসম বিধান সভাৰ কাৰ্য্যালয় ধাৰাবাহিকতা অব্যাহত আছে। ভাৰতৰত্ন গোপীনাথ বৰদলৈ স্মৃতি বিজড়িত অসম বিধান সভাই ইতিহাসৰ বহু উল্লেখযোগ্য ঘটনাৰ সাক্ষী হৈ ৰ'ল। এই বিধান সভাৰ মজিয়াৰ পৰাই খিলঞ্জীয়াৰ স্বাৰ্থ সুৰক্ষিত কৰাত লাইন প্ৰথা বিলুপ্তিৰ বিৰুদ্ধে কেবিনেট মিছনৰ গ্ৰুপিং প্ৰস্তাৱৰ ভিত্তিত অসমক পূব পাকিস্তানৰ যাতে অন্তৰ্ভূক্তি নহয় তাৰে বাবে বিৰামহীন যুঁজ দিছিল। গণতন্ত্ৰৰ এই মন্দিৰৰ পৰাই তেখেতে খিলঞ্জীয়া ভূমি পুত্ৰৰ অধিকাৰৰ বাবে নিৰবিচ্ছিন্ন ভাবে কাম কৰি গৈছিল। অসম বিধান সভাৰ মজিয়াতে অসম বিশ্ববিদ্যালয় স্থাপনৰ প্ৰথম চৰকাৰী প্ৰয়াস আৰম্ভ হৈছিল। অসম বিধান সভাত গোপীনাথ বৰদলৈয়ে উত্থাপন কৰা প্ৰস্তাৱৰ ভিত্তিতে গুৱাহাটী উচ্চতম ন্যায়ালয় স্থাপনৰ সিদ্ধান্ত হৈছিল। অসম বিধান সভাত শাসক বিৰোধীৰ পূৰ্ণ সমৰ্থনত অসমত তেল শোধানাগাৰ স্থাপনৰ প্ৰস্তাৱ গৃহীত হৈছিল। ক্ষমতাৰ বিকেন্দ্ৰীকৰণৰ মাজেৰে গাওঁ পঞ্চায়ত সমূহক শক্তিশালী কৰা, গো- সুৰক্ষা নিশ্চিত কৰা, জমিদাৰী প্ৰথা বিলুপ্ত কৰা, ৰাজ্যত বিভিন্ন উচ্চ

শিক্ষাৰ প্ৰতিষ্ঠান গঢ়ি তোলা, শিক্ষানুষ্ঠানত ৰেগিংৰ নিচিনা ভয়াৱহতা বন্ধ কৰা, সু শাসনৰ বাবে লোকসেৱা অধিকাৰ আইন, ব্যৱসায় বাণিজ্য আৰু উদ্যোগীকৰণৰ অনুকূল পৰিবেশ নিৰ্মাণৰ বাবে তথা ৰাজ্যৰ আৰ্থ সামাজিক দিশ চুই যোৱা বহু গুৰুত্বপূৰ্ণ আইন অসম বিধান সভাৰ পবিত্ৰ মঞ্চত প্ৰণয়ন কৰা হৈছিল। অসম বিধান সভাত বহু উজ্জ্বল জ্যোতিষ্কই মহিমামণ্ডিত কৰি থৈ গৈছে। এই বিষয়ে ইতিমধ্যে বিধান সভাৰ কাৰ্য্যকালচোৱাত তেওঁলোকৰ ভূমিকাক আমি ইতিমধ্যে ৰোমন্থন কৰিছো। অধ্যক্ষ মহোদয়, আমি যদি স্বাধীনতাৰ ইতিহাসখনক এবাৰ চাবলৈ যাওঁ তেতিয়া হ'লে আমি দেখা পাওঁ যে ফুলগুৰিত হওঁক ঢেকীয়াজুলীত যি পুলিছৰ বৰ্বৰ গুলীচালনাত নিহত স্বহীদ সকলৰ আত্মত্যাগেই হওক, কনকলতাৰ আত্মত্যাগেই হওক, চতিয়া থানাত আমাৰ ত্ৰিৰঙ্গা পতাকা খন প্ৰথম উত্তোলন কৰাৰ অভূতপূৰ্ব ঘটনাই হওক, আমাৰ অসমখন স্বাধীনতা সংগ্ৰামৰ বহু এনেকুৱা বিৰল ইতিহাসৰ সাক্ষী হৈ আছে। আজি স্বাধীনতাৰ ৭৫ বছৰ পিছত আমি অসমবাসী ৰাইজে সেই মুক্তিযুঁজাৰু, জ্ঞাত-অজ্ঞাত মুক্তিযুঁজাৰু, তেখেত সকলৰ পৰিয়াল, জ্ঞাত-অজ্ঞাত স্বহীদ আৰু ভৱিষ্যতৰ বাবে আমাৰ মাজৰ পৰা আঁতৰি যোৱা স্বাধীনতা সংগ্ৰামৰ সেই সময়ৰ ৰাইজৰ মহান আত্মত্যাগক আজি আমি পুনৰবাৰ কৃতজ্ঞতাৰে সোঁৱৰিছো আৰু আজি আমি নিশ্চয় অসম বিধান সভাৰ মজিয়াত আকৌ এবাৰ সংকল্প ল'ম যে সাম্ৰাজ্যবাদী শাসনৰ পৰা মুক্ত কৰাই অকল স্বাধীনতা সংগ্ৰামৰ উদ্দেশ্য নাছিল। জনসাধাৰণৰ শেষজন লোকৰ চকুৰ পৰা চকু লো মচি অন্ত্যোদয়াৰ আদৰ্শৰে অসমক এখন আধুনিক ৰাজ্য, ভাৰতবৰ্ষৰ পৰম বৈভৱৰ উজ্বলতম শিখৰলৈ লৈ যোৱা সংকল্প এই সমূহক বাস্তবত ৰূপ দিবলৈ আমি নিশ্চয় একত্ৰিতভাৱে কাম কৰিম, তাকে আশা কৰি পুনৰবাৰ আজিৰ এই বিশেষ অধিবেশনত মোক দুআষাৰ ক'বলৈ সুযোগ দিয়াৰ বাবে ধন্যবাদ জনাই মই মোৰ বক্তব্য সামৰণি মাৰিছো।

**মাননীয় অধ্যক্ষ** ঃ ধন্যবাদ, এতিয়া শ্ৰী বসন্ত দাস।

**শ্ৰী বসন্ত দাস (মঙ্গলদৈ)** ঃ মাননীয় অধ্যক্ষ মহোদয়, স্বাধীনতাৰ ৭৫ বছৰীয়া অমৃত মহোৎসৱৰ বাবে আহ্বান জনোৱা বিশেষ অধিবেশনৰ বাবে আপোনাক বিশেষভাৱে ধন্যবাদ জনালো। মহাশয় আমি স্বাধীনতা লাভ কৰাৰ ৭৫ বছৰ হ'ল । ১৯৪৭ চনৰ ১৫ আগষ্টত আমাৰ ভাৰতবৰ্ষই স্বাধীনতা লাভ কৰে, আৰু আজিৰ এই বিশেষ অধিবেশনত এই সুযোগতে মই মহামানৰ মহাত্মা গান্ধী আৰু মহান স্বাধীনতাৰ সেনানি সকলক মোৰ গভীৰ শ্ৰদ্ধা নিবেদন কৰিছো। তেওঁলোকৰ ত্যাগ আৰু আত্ম বলিদানৰ বাবেই আমি আজি স্বাধীন অসমৰ নাগৰিক হিচাপে গৌৰৱ কৰিব পাৰিছো। অসমৰ বীৰ শ্বহীদ মনিৰাম দেৱান, পিয়লি ফুকন, কনকলতা, মুকুন্দ কাকতি, ভোগেশ্বৰী ফুকননীক মই শ্ৰদ্ধাৰে সোঁৱৰণ কৰিছো। মই শ্ৰদ্ধাৰে সোঁৱৰণ কৰিছো, কুশল কোঁৱৰ, কমলা মিৰি, গোপীনাথ বৰদলৈ, নবীন চন্দ্ৰ বৰদলৈ, তৰুণ ৰাম ফুকন দেৱক। আজি এই বীৰ শ্বহীদসকলক সোঁৱৰণ কৰি তেওঁলোকৰ ত্যাগ আৰু তেওঁলোকৰ আত্মবলিদান আমাৰ বাবে যাতে আদৰ্শ হয় তাৰ কাৰণে মই ঈশ্বৰৰ ওচৰত প্ৰাৰ্থনা জনাইছো। মহাশয়, স্বাধীনতা আন্দোলনৰ এক দীঘলীয়া ইতিহাস আছে। সময় কম, আচলতে আমি এখন পূৰ্ণাঙ্গ অধিবেশনেই আহ্বান কৰিব লাগিছিল। মই স্বাধীনতা আন্দোলনৰ বিষয়ে নৱ প্ৰজন্মক স্বাধীনতা আন্দোলনৰ বীৰ সেনানি সকলৰ যি আত্ম ত্যাগ আছিল, সেই বীৰত্বৰ কাহিনীআমি তেওঁলোকক শুনাব লাগে, তেওঁলোকক জনাব লাগে। আজি-কালি যি নৱ প্ৰজন্ম আছে তেওঁলোকৰ মাজত এনেকুৱা আছে, তেওঁলোকক যদি সোধা হয় যে ভাৰতবৰ্ষৰ প্ৰথম প্ৰধান মন্ত্ৰী কোন? ভাৰতবৰ্ষৰ প্ৰথম ৰাষ্ট্ৰপতি কোন? আজি-কালি এনেকুৱা কিছুমান ল'ৰা-ছোৱালী আছে, গোগলত চাৰ্চ কৰি কৈ আছে। তেনেকুৱা এটা পৰিবেশলৈ বৰ্তমানৰ সমাজখনে

গতি কৰিছে। অধ্যক্ষ মহোদয়, আপোনালোক সকলোৱে জানে যে কেৱল মাত্ৰ বেহা-বেপাৰৰ বাবে ভাৰতবৰ্ষলৈ ইষ্ট-ইণ্ডিয়া কোম্পানী আহিছিল, আৰু ইষ্ট-ইণ্ডিয়া কোম্পানীয়ে ভাৰতবৰ্ষত বেহা-বেপাৰ কৰাৰ লগতে তেওঁলোকে লাহে লাহে আমাৰ যি সমৃদ্ধিশালী ভাৰতবৰ্ষ, সেই সমৃদ্ধিশালী ভাৰতবৰ্ষখনক শাসন কৰাৰ সপোনো দেখিছিল। আমাৰ মাজত থকা অনৈক্যৰ বাবে ১৭৫৭ চনত পলাশীৰ যুদ্ধত তেওঁলোকে আম াৰ ভাৰতবৰ্ষৰ শাসনব্যৱস্থা হস্তগত কৰে, আৰু তেওঁলোকে আমাৰ ভাৰতবৰ্ষৰ শাসনভাৰৰ বাগজৰীডাল হাতত লয়। কিন্তু লাহে লাহে আমাৰ ভাৰতবৰ্ষৰ যিসকল লোক আছিল, তেওঁলোকে এই কথাবিলাক ভাল ধৰণে লোৱা নাছিল আৰু কোম্পানীৰ যি শাসন আছিল, তেওঁলোকে আমাৰ মাজত কৰ-কাটল আমাৰ খাজানা বৃদ্ধি, এনেধৰণৰ অত্যাচাৰ আৰম্ভ কৰিছিল। আমাৰ অসমখন আহোম শাসনত আছিল। কিন্তু ১৮২৬ চনত ইয়াণ্ডাবু সন্ধি মতে অসমখন বৃটিছৰ অধীনলৈ যায় আৰু ৰাজপাটত থকা আহোম স্বৰ্গদেউ সকল কৰতলীয়া ৰজা হ'ব বিছৰা নাছিল আৰু আমাৰ সেই সময়ৰ ৰজা গোমধৰ কোঁৱৰ, তেখেতৰ নেতৃত্বত প্ৰথম স্বাধীনতা আন্দোলনৰ আৰম্ভনি হৈছিল। বৃটিছৰ বিৰুদ্ধে বিদ্ৰোহৰ প্ৰথম উকমুকনি হৈছিল। মণিৰাম দেৱান, পিয়লি ফুকন আদিয়ে বিদ্ৰোহৰ নেতৃত্ব দিছিল। লাহে লাহে সৰ্ব সাধাৰণ কৃষক সকলেও বৃটিছৰ বৰ্ধিত কৰ-কাটল, খাজানাৰ প্ৰতিবাদ আৰম্ভ কৰে। ১৮৬১ চনত নগাঁও ফুলগুৰিত, ১৮৯৪ চনত আমাৰ দৰংত পথৰুঘাটৰ ৰণ, ৰঙিয়া, সৰ্থেবাৰী আদি ঠাইত কৃষক ৰাইজে লাহে লাহে বৃটিছৰ বিৰুদ্ধে ৰাইজমেলৰ যোগেদি প্ৰতিবাদ কৰা আৰম্ভ কৰে। কিন্তু বৃটিছে কঠোৰ হাতেৰে এই বিদ্ৰোহ দমন কৰিছিল। আমাৰ শেষ যি আশা আছিল, ১৮৫৭ চনত চিপাহী বিদ্ৰোহত বৃটিছক ওফৰাই আমি আশা কৰিছিলো যে আমি বৃটিছক ভাৰতবৰ্ষৰ পৰা খেদিব পাৰিম। সেই সময়ত চিপাহী বিদ্ৰোহ সফল নহ'ল, আৰু ক্ৰমান্বয়ে আহি ১৮৮৫ চনত এলেন অক্টিভিউম হিউম নামৰ এগৰাকী ব্যক্তিৰ নেতৃত্বত ভাৰতীয় জাতীয় কংগ্ৰেছৰ জন্ম হয়। উমেশ চন্দ্ৰ বেনাৰ্জী ডাঙৰীয়া প্ৰথম সভাপতি হিচাপে নিৰ্বাচিত হয়। প্ৰথম অৱস্থাত স্বাধীনতা আন্দোনলৰ বিষয়ে বিশেষ আলোচনা নহৈ বৃটিছৰ যি দমনমূলক আৰু সাধাৰণ জনতাৰ ওপৰত কৰা অন্যায় সেই বিষয়ে কংগ্ৰেছত আলোচনা হৈছিল। বহুলোকে তাৰ বিৰুদ্ধে কোৱাৰ কাৰণে কাৰাবাস খাটিবলগীয়া হৈছিল। বহুতো চিৰক ালৈলৈ ঘৃণীয়া হৈছিল, বহুতৰ ফাঁচী হৈছিল, বহুতৰ প্ৰাণ গৈছিল। বৃটিছৰ শাসন চলি আছিল। ১৯১৯ চন মানৰ পৰা এই বৃটিছৰ বিৰুদ্ধে যি আন্দোলন হৈছিল ই পূৰ্ণাঙ্গৰূপ লয় আৰু ১৯২০ চনত অসহযোগ আন্দোলন আৰম্ভ হয়। ১৯৪২ চনত স্বাধীনতাৰ সেনানী সকলে বৃটিছৰ বিৰুদ্ধে প্ৰতিবাদ আৰু আন্দোলন তীব্ৰতৰ কৰি তুলিছিল। Do or Die, কৰিম নহয় মৰিম। অৱশেষত বহুজনৰ ত্যাগৰ বিনিময়ত দেশে স্বাধীনতা লাভ কৰে। জৱাহৰলাল নেহৰু ভাৰতবৰ্ষৰ প্ৰথম প্ৰধান মন্ত্ৰী ৰূপে নিৰ্বাচিত হয়। এখন শোষিত, নিষ্পেষিত ভাৰতবৰ্ষৰ তেখেতে প্ৰধান মন্ত্ৰীৰ দায়িত্ব গ্ৰহণ কৰে। সেইখিনি সময়ত ভাৰতবৰ্ষৰ যিসকল লোক আছিল, তেওঁলোকৰ মাজত খাদ্যৰ অভাৱ আছিল, অন্নৰ অভাৱ আছিল, বস্ত্ৰৰ অভাৱ আছিল। নেহৰুৱে এখন নৱভাৰতৰ পৰিকল্পনা কৰাৰ লগতে মহাত্মা গান্ধীৰ যি ৰাম ৰাজ্য, সেই ৰাম ৰাজ্যৰ সপোন বাস্তবায়িত কৰাৰ চেষ্টা কৰিছিল। আজি এই ৭৫ টা বছৰ অতিক্ৰম হ'ল, চৰকাৰক আহ্বান জনাম যি সকলৰ ত্যাগৰ বিনিময়ত আমি স্বাধীনতা লাভ কৰিলো সেই সকলৰ ত্যাগ চিৰস্থায়ী কৰাৰ ব্যৱস্থা কৰিব লাগে। কেৱল মাত্ৰ চৰকাৰী সভা, সমিতি পাতি আলোচনা কৰিলে নহ'ব। নৱ প্ৰজন্মক স্বাধীনতাৰ সেনানীসকলৰ কথা, তেওঁলোকৰ ত্যাগৰ কথা, আদৰ্শৰ কথা জনাব লাগিব। অধ্যক্ষ মহোদয়, মই চৰকাৰক আহ্বান জনাম, যে চৰকাৰে আদৰ্শ বিদ্যালয়ৰ কথাও কৈছে, সেই আদৰ্শ বিদ্যালয় যিবিলাক আছে, সেই বিলাক মহাত্মাগান্ধীৰ

নামেৰে নামাকৰণ হওক। চৰকাৰৰ এটি আঁচনি আমি দেখিবলৈ পাইছো, স্বাধীনতাৰ ৭৫ বছৰ উপলক্ষে তেওঁলোকে প্ৰত্যেক জিলাত ৭৫ টা অমৃত সৰোবৰ আঁচনি আৰম্ভ কৰিছে। প্ৰত্যেকখন জিলাত ৭৫ গৰাকী মুক্তি যুঁজাৰু আছে। সেই ৭৫ টা যি অমৃত সৰোবৰ হ'ব, সেই ৭৫ টা অমৃত সৰোবৰ যাতে ৭৫ গৰাকী স্বাধীনতাৰ সেনানীৰ নামেৰে নামাকৰণ কৰে তাৰ কাৰণে মই আহ্বান জনাইছো। আজি পেপাৰত পঢ়িছো যে, আমিনগাওঁৰ যিটো ৰেল ষ্টেশ্যন, সেই ৰেল ষ্টেশ্যনটো এটা ঐতিহ্যমণ্ডিত ৰেল ষ্টেশ্যন হিচাপে স্বাধীনতা আন্দোলনৰ স্মৃতি বিজৰিত থকাৰ কাৰণে ৰেল বিভাগৰ ফালৰ পৰা সংৰক্ষণ কৰা হৈছে। মই আমিনগাওঁৰ এই ৰেল ষ্টেশ্যনটো কনকলতা ডাঙৰীয়াণীৰ নামেৰে নামাকৰণ কৰিবলৈ অনুৰোধ জনাইছো। মহাত্মা গান্ধী ডাঙৰীয়া অসমৰ যি সমূহ স্থানলৈ আহিছিল , যি সমূহ স্বাধীনতা আন্দোলনৰ স্মৃতি বিজৰিত স্থান, সেই স্থান সমূহ সংৰক্ষণ কৰাৰ বাবে ব্যৱস্থা ল'বলৈ মই চৰকাৰক অনুৰোধ জনাইছো। স্কুল-কলেজ সমূহত স্বাধীনতা আন্দোলনৰ নামত এটি পাঠ্যক্ৰম যুগুতোৱা হওঁক। আগন্তুক দিন বিলাকত সকলোবোৰ আঁচনি মুক্তি যুজাঁৰু সকলৰ নামেৰে নামাকৰণ কৰা হওঁক আৰু সমাজৰ সকলো স্তৰৰ লোকলৈ দেশভক্ত বীৰ সেনানী সকলৰ আত্ম বলিদানৰ কাহিনী লৈ যোৱা হওঁক, এই কথাটো মই আহ্বান জনাইছো আৰু সদৌ শেষত মই এটা বিশেষ অনুৰোধ জনাব বিচাৰিছো যে মহাত্মা গান্ধীয়ে হৰিজন সকলক অতি ভাল পাইছিল। যিহেতু আমি স্বাধীনতাৰ ৭৫ টা বছৰ অতিক্ৰম কৰিছো, আগন্তুক বছৰত আমাৰ যিসকল হৰিজন আছে, এই হৰিজন সকলৰ বাবে যাতে বিশেষ ভাৱে বছৰটো উৎসৰ্গা কৰা হয় আৰু তেওঁলোকৰ নামত যাতে বছৰটোত সকলো ধৰণৰ কাম-কাজ কৰা হয়, এই কথাষাৰ আহ্বান জনাই মোক দুআষাৰ ক'বলৈ দিয়াৰ বাবে ধন্যবাদ আৰু কৃতজ্ঞতা জ্ঞাপন কৰি মোৰ বক্তব্যৰ সামৰনি মাৰিছো।

**মাননীয় অধ্যক্ষ ঃ** ধন্যবাদ। এতিয়া সন্মানীয় সদস্য হাফিজ বছিৰ আহমেদ।

**শ্ৰী হাফিজ বছিৰ আহমেদ, (পশ্চিম বিলাসীপাৰা) ঃ** মাননীয় অধ্যক্ষ মহোদয়, আজি 'আজাদী কা অমৃত মহোৎসৱ' উপলক্ষে যি বিশেষ চেচন আহ্বান কৰা হৈছে, ইয়াত আজাদী বা স্বাধীনতা সম্পৰ্কে কিছু কথা আলোচনা কৰাৰ সুযোগ দিয়াৰ বাবে মই আপোনাক আন্তৰিক ধন্যবাদ জ্ঞাপন কৰিছো। ভাৰতবৰ্ষত পৃথিৱীৰ এনেকুৱা এটা ভৌগলিকতা আছে, যাৰ কাৰণে সমগ্ৰ পৃথিৱীৰ পৰা মানুহে এই ঠাইত বা এইখন দেশত ৰাজত্ব কৰাৰ সপোন বহু আগৰে পৰা দেখি আহিছে। সেই হিচাপে বহু আগৰ পৰা নগৈ আমি যদি বৃটিছ শাসনাধিষ্ঠ হোৱাৰ পিছৰ কালচোৱা আমি চাওঁ, তেতিয়াহ'লে আমি দেখিম যে ইয়াত হিন্দু, মুছলিম জাতি-ধৰ্ম নিৰ্ব্বিশেষে সকলোৰে মিলি বৃটিছ সাম্ৰাজ্যবাদক উৎখাত কৰাত এটা সক্ৰিয় আৰু শক্তিশালী পদক্ষেপ লৈছিল। কবিগুৰু ৰবীন্দ্ৰ নাথ ঠাকুৰে কৈছিল, ১৯১১ চনত ভাৰতবৰ্ষত ভাৰত তীৰ্থ ত উল্লেখ কৰিছে যে

কেহু নাহি জানে কাৰ আহ্বানে
কত মানুষেৰ ধাৰা
দুৰ্বাৰ স্ৰোতে এল কোথা হতে
সমদ্ৰে হল হাৰা।

পৃথিৱীৰ বিভিন্ন স্থানৰ পৰা আমাৰ এইটো কম্পোজিত কম্বাইনেশ্যন আমাৰ সংস্কৃতি, আমাৰ সভ্যতা আমাৰ কালচাৰ গোটেইখিনি এটা সংস্কৃতি। ভাৰতবৰ্ষ নহয় অসমৰ কথাই যদি আমি ভাৱো তেতিয়াহ'লে আমি দেখিবলৈ পাম যে অসমৰ শদিয়াৰ পৰা ধুবুৰীলৈকে প্ৰত্যেক জিলাৰ বিভিন্ন জনবসতিৰ ভাষা-সংস্কৃতি পৃথক। সেই হিচাপে আজি আমি ভাৰতবৰ্ষত এই বিভিন্ন

ভাষা-ভাষী আৰু সংমিশ্ৰণৰ জনগোষ্ঠীৰ মানুহ হোৱাৰ কাৰণে আমাৰ যাতে ৰাষ্ট্ৰীয় স্বাৰ্থত কোনো ধৰণৰ আঘাট নালাগে সেই কাৰণে আমাৰ যিসকল পূৰ্ব পুৰুষ বা আমাৰ যিসকল দিক নিৰ্ণায়ক আছিল, তেওঁলোকে দিক নিৰ্দেশনা দিছিল। আজি আমাৰ মাজত সম্প্ৰদায় লৈ, ধৰ্মীয় বিভিন্নতা লৈ, বিভিন্ন ধৰণৰ উশৃংখলতা ৰ সৃষ্টি হৈ আছে। কিন্তু আমি সেইবোৰ মহানুভৱতা আৰু সংযত হৈ কৰিব লাগিব। মাননীয় অধ্যক্ষ মহোদয়, কবিগুৰু ৰবীন্দ্ৰ নাথ ঠাকুৰে 'ভাৰত ইতিহাস চৰ্চ্চা' নামৰ প্ৰবন্ধৰ এটা উক্তিত কৈছে যে -

কি কৰিলে পৰস্পৰে মিলিয়া এক বৃহৎ সমাজ গড়িয়া উঠে
অথচ পৰস্পৰে স্বাতন্ত্ৰ একেবাৰে বিলুপ্ত নাহয়
এই দুসাধ্য সাধনেৰ প্ৰয়াস বহুকাল হৈতে চলি আছে
আজও তাহাৰ সমাধান হয়নি।

মাননীয় অধ্যক্ষ মহোদয়, আজি কবিগুৰু ৰবীন্দ্ৰ নাথ ঠাকুৰ, আমাৰ মহাত্মা গান্ধী, আবুল কালাম আজাদ এই ধৰণৰ যিসকল জাতীয় নেতা আছিল, বন্দৰ মাজত চন্দ তেওঁলোকে আমাৰ মাজত বিচাৰিছিল। এই প্ৰচেষ্টা তেওঁলোকে অব্যাহত ৰাখিছিল। কিন্তু আজিৰ দিনতো আমি মিলন আৰু সম্প্ৰীতিৰ সাধনাক ভাৰতৰ একমাত্ৰ সত্য বুলি উপলব্ধি কৰিব পৰা নাই। ভাৰতবৰ্ষৰ স্বাধীনতাৰ ইতিহাস বহুত দীঘলীয়া। ইয়াত সকলো ধৰ্মৰ, সকলো শ্ৰেণীৰ, সকলো সম্প্ৰদায়ৰ মানুহে মিলি একত্ৰিত ভাৱে বৃটিছৰ বিৰূদ্ধে সংগ্ৰাম কৰিছিল। জাতিৰ পিতা মহাত্মা গান্ধী দক্ষিণ আফ্ৰিকা ৰ পৰা ইয়ালৈ অহাৰ আগলৈকে বিভিন্ন সম্প্ৰদায়ৰ মানুহে বিশেষকৈ হিন্দু, মুছলমান সকলোৱে একত্ৰিত নহৈ বেলেগে বেলেগে আমি সংগ্ৰাম কৰিছিলো। কিন্তু জাতিৰ পিতা মহাত্মা গান্ধীৰ আহ্বানত আৰু এইক্ষেত্ৰত জমিউৰ উলেমা হিন্দুৰ অবদান আছে যে হিন্দু আৰু মুছলমানে যদি বেলেগে বেলেগে বৃটিছ সাম্ৰাজ্যবাদীৰ বিৰূদ্ধে সংগ্ৰাম কৰিলে হেতেন তেতিয়াহ'লে ১০০ বছৰতো আমাৰ দেশ স্বাধীন নহ'লহেতেন। সংমিলিত ভাৱে আমি বৃটিছ সাম্ৰাজ্যবাদীৰ বিৰূদ্ধে সংগ্ৰাম কৰিব লাগিব। মাননীয় অধ্যক্ষ মহোদয়, মহাত্মা গান্ধীৰ আহ্বানতে হিন্দু, মুছলমান একত্ৰিত হৈছিল আৰু ১৮৮৫ চনত আজিৰ এই কংগ্ৰেছৰ জন্ম হৈছিল আৰু তাৰ পিছৰ পৰাই যৌথ ভাৱে বৃটিছ সাম্ৰাজ্যবাদীৰ বিৰূদ্ধে সংগ্ৰাম চলোৱা হৈছিল। এইখিনিতে এটা কথা উল্লেখ কৰিব লাগিব যে সৰ্ব্ব প্ৰথম স্বাধীনতা সংগ্ৰাম বৃটিছ বিলাকে খোপনি পোটে ১৭৯৯ চনত টিপু চুলতানক পৰাস্ত কৰি। তাৰ আগতে নবাব চিৰাজ উদ্দৌলা ১৭৫৭ চনত আৰু তাৰ পিছত ১৮৫৭ চনত চিপাহী বিদ্ৰোহ হয় আৰু এই চিপাহী বিদ্ৰোহতে আমাৰ অসমৰ মণিৰাম দেৱান সম্মোনিতে বহুত নেতাই জড়িত হৈ পৰিছিল আৰু শাস্তিও ভুগিব লগীয়া হৈছিল। মাননীয় অধ্যক্ষ মহোদয়, ১৮০৩ ত যেতিয়া বৃটিছ ইষ্ট ইণ্ডিয়া কোম্পানীয়ে ঘোষণা কৰিছিল যে - সৃষ্টি খোদাত, দেশ বাদচাহ, জাহাপনাহ আৰু হুকুমত চলিব কোম্পানীৰ বাহাদুৰত, সেই দিনাই বৃটিছৰ বিৰূদ্ধে সংগ্ৰাম তথা বৃটিছৰ বিৰূদ্ধে জেহাদ অনিবাৰ্য্য বুলি আব্দুল্লাহ জেহেৰুল্লাহ ৰহমোল্লাহে ঘোষণা কৰিছিল। আজি বিভিন্ন ক্ষেত্ৰত দেখা যায়, মৌলবী সকলক বা ইছলাম ধৰ্মাবলম্বী লোকসকলক বিভিন্ন ধৰণে হাৰাশান্তি দিয়া হয়। আমি সকলোৱে জানিবও পাৰো বা নাজানিবও পাৰো। দাৰলোং দেওবন বৃটিছ বিৰুদ্ধ সংগ্ৰাম পৰিচালনা কৰাৰ কাৰণে প্ৰতিষ্ঠা লাভ কৰিছিল। আজি চৈফুলিন মহম্মদুলাৰে চেক্ৰেটাৰী মালটাত আৰু তাৰ পৰা যেতিয়া তেখেতে উভতি আহি বোম্বেত মহাত্মা গান্ধীৰ সমন্বিতে ভাৰতবৰ্ষৰ স্বাধীনতা সংগ্ৰামী নেতা সকলক আদৰণি জনাবলৈ গৈছিল আৰু খিলাফত হাউচত আলোচনা মৰ্মে মহাত্মা গান্ধীক জাতিৰ পিতা হিচাপে উপাধি দিয়া হৈছিল।

মাননীয় অধ্যক্ষ মহোদয়, আমাৰ ভাৰতবৰ্ষ তথা অসমত বিস্তৃত কালচাৰৰ মানুহ সকলে স্বাধীনতাৰ প্ৰকৃত সোৱাদ যদি অনুভৱ কৰিব বিচাৰো, তেতিয়া হলে আমাৰ মাজত সমন্বয় লাগিব, সংহতি লাগিব, ভাতৃত্ববোধ লাগিব। আমাৰ মাজত সংহতি আৰু উদাৰতা নোহোৱাকৈ আমি উন্নতি লাভ কৰিব নোৱাৰো। ইয়াৰ বিভিন্ন সময়ত বহুত দায়িত্বশীল ব্যক্তিয়েও মোগল আহোমৰ যুদ্ধ হিন্দু মুছলমানৰ যুদ্ধ বুলি কয়। আমি ইতিহাস যদি চাওঁ, তেতিয়াহ'লে দেখা পাওঁ যে শিৱাজীৰ কামাণ্ডাৰীং চিফ আছিল, তেওঁ আছিল এজন মুছলমান। ৰানা প্ৰতাপ সিংৰ আছিল মানসিং। আমাৰ ইয়াত শৰাই ঘাটৰ যুদ্ধত এফালে ঔৰংজেৱ আৰু আনফালে আহোমৰ। ঔৰংজেৱৰ হৈ যুদ্ধ কৰিছিল ৰামসিং আৰু আহোমৰ হৈ যুদ্ধ কৰিছিল স্বৰ্গীয়  বাঘ হাজৰিকা। তেওঁ কেনে মুছলমান, তেওঁ হিন্দু ৰজা হৈ মুছলমানৰ বিৰুদ্ধে যুদ্ধ কৰিছিল আৰু তেওঁ কেনেকুৱা হিন্দু যে তেওঁ হিন্দু হৈ হিন্দু ৰজাৰ বিৰুদ্ধে যুদ্ধ কৰিছিল। এইটো শক্তিৰ যুদ্ধ আছিল। ইয়াত ধৰ্মৰ কোনো কথা নাই। সেইকাৰণে আমি ভাৰত বৰ্ষৰ যি ইতিহাস আছে, সেই ইতিহাস মতে আমি আগবাঢ়ি যাব লাগিব আৰু আমাৰ মাজত শান্তি সম্প্ৰীতি বহল কৰিব লাগিব। আমি যাতে সংকীৰ্ণতাৰ বলিৰ চিকাৰ নহৈ বহল মনৰে এজনে এজনক আকোৱালী লৈ আগুৱাই যাব পাৰো। আজি "আজাদি কা অমৃত মহোৎসৱ" উপলক্ষে আমি এই সংকল্প লব লাগিব যাতে আমি যেনেকৈ স্বাধীনতা লাভ কৰিছো, তেনেকৈ অহা দিনত অন্যায় অত্যাচাৰৰ বিৰুদ্ধে মুক্তি লাভ কৰিব পাৰো। এইখিনি কৈ মই মোৰ বক্তব্য সামৰণি মাৰিছো।

**মাননীয় অধ্যক্ষ** ঃ ধন্যবাদ। এতিয়া মই বক্তব্য ৰাখিবলৈ অনুৰোধ কৰিছো সন্মানীয় সদস্য শ্ৰীপদ্ম হাজৰিকা।

**শ্ৰীপদ্ম হাজৰিকা, (চতিয়া)** ঃ  মাননীয় অধ্যক্ষ মহোদয়, "আজি আজাদি কা অমৃত মহোৎসৱ" উপলক্ষে যি বিশেষ পৰিবেশৰ আয়োজন কৰিছে, মই ইয়াৰ বাবে আপোনাক ধন্যবাদ জ্ঞাপন কৰিছো। ভাৰতবৰ্ষৰ স্বাধীনতাৰ গৌৰৱজ্জ্বোল ইতিহাস, ৰাষ্ট্ৰিয় পৰ্য্যায়ত আৰু ৰাজ্য পৰ্য্যায়ত বহুত গৌৰৱৰ কথা মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়াই এই পবিত্ৰ সদনত অৱগত কৰি গৈছে। সেই কথা বিলাকৰ মই পুনৰাবৃত্তি কৰিবলৈ নাযাওঁ। মই এগৰাকী স্বাধীন দেশৰ নাগৰিক হিচাপে গৌৰৱ অনুভৱ কৰো যে এইবাৰ ২০২২ চনত যিটো ৭৬ তম স্বাধীনতা দিৱস উৎযাপন হ'ল আৰু মাননীয় প্ৰধান মন্ত্ৰী ডাঙৰীয়াই ভাৰতবৰ্ষৰ জনসাধাৰণক যি এক আহ্বান জনালে যে "হৰ ঘৰ ত্ৰিৰংগা" । মই ভৰা নাছিলো যে স্বাধীনতাক লৈ প্ৰতি ঘৰ মানুহক, প্ৰতি গৰাকী ব্যক্তিৰ হৃদয়ত এনে ভাৱ আছে যে এই আহ্বানৰ প্ৰতি সঁহাৰি জনাই দল মত নিৰ্বিশেষে, জাতি ধৰ্ম নিৰ্বিশেষে যে আমাৰ ৰাজ্যৰ বিভিন্ন প্ৰান্তত গাৱে-ভুঞে, চহৰে -নগৰে, চৰ-চাপৰি সকলোতে ত্ৰিৰংগা এনেকৈ উৰুৱাইছে যে প্ৰত্যেক গৰাকীয়ে মনত স্বাধীনতাক লৈ যি গৌৰৱ অনুভৱ কৰে স্বাধীন দেশৰ নাগৰিক হিচাপে সেই কথা প্ৰতিফলন হৈছে আৰু এটা কথা প্ৰতিফলন হয় যে যদিও স্বাধীন দেশৰ স্বাধীন অসমৰ দাবী তুলি একাংশ সংগঠনে দাবী কৰি থাকে যে স্বাধীন অসমৰ দাবীটো গ্ৰহণযোগ্য নহয়, জনসাধাৰণে  নিবিচাৰে। এই কথাটো  "হৰ ঘৰ টিৰংগা"ৰ জৰিয়তে, ৭৬ তম স্বাধীনতাৰ উৎযাপনৰ জৰিয়তে প্ৰমাণ হৈছে আৰু ৰাষ্ট্ৰীয় পৰ্য্যায়ত যিখিনি জাতিৰ পিতা মহাত্মা গান্ধীৰ নেতৃত্বত অসহযোগ আন্দোলনৰ পৰা আৰম্ভ কৰি যি ভাৰতৰ স্বাধীনতা আন্দোলন হৈছিল, যিসকলে নেতৃত্ব গ্ৰহণ কৰিছিল, সেই সকলক উচ্চস্থান দিয়াৰ কাৰণে স্বাধীন হোৱাৰ পিছত দেশৰ চৰকাৰ সমূহে বিভিন্ন পদক্ষেপ গ্ৰহণ কৰিছে। জাতিৰ পিতা মহাত্মা গান্ধী, পণ্ডিত জৱহাৰলাল নেহৰু দেৱক আৰু আমি  আজিৰ প্ৰধান মন্ত্ৰী ডাঙৰীয়াক বিশেষভাৱে ধন্যবাদ জনাওঁ যে স্বাধীন ভাৰতৰ প্ৰথমখন চৰকাৰৰ গৃহ মন্ত্ৰী চৰ্দাৰ বল্লৱভাই পেটেল ডাঙৰীয়াক যোগ্যস্থান দিয়াৰ কাৰণে তেওঁৰ যিটো প্ৰতিমূৰ্তি নিৰ্মাণ কৰিছে,

ভাৰতবৰ্ষৰ সংবিধান ৰচনাৰ সভাপতিৰ দায়িত্ব লৈ ভিমৰাও আম্বেদকাৰ ডাঙৰীয়াই স্বাধীনতা আন্দোলনত তেওঁৰ ত্যাগ আৰু তাৰ লগে লগে তেওঁ যি দলিত সম্প্ৰদায়ৰ এগৰাকী ব্যক্তি, তেওঁ যেনেকৈ আমাৰ সংবিধানখন প্ৰস্তুত কৰিলে, তেওঁক যোগ্যস্থান দিয়াৰ কাৰণে আমাৰ প্ৰধান মন্ত্ৰী নৰেন্দ্ৰ মোডী ডাঙৰীয়াই ২০১৪ চনত দায়িত্ব লৈয়ে যে বিশ্বৰ তৃতীয় স্থান পাব, তেওঁৰ মূৰ্ত্তি নিৰ্মাণ কৰাৰ ক্ষেত্ৰত যিখিনি পদক্ষেপ গ্ৰহণ কৰিলে তাৰ কাৰণে ধন্যবাদ জনাওঁ। আজি সুভাষ চন্দ্ৰ বসু তেওঁ ভাৰত জাতীয় কংগ্ৰেছৰ সভাপতি আছিল, স্বাধীনতা সংগ্ৰামত এটা সময়ত তেওঁৰ অনুভৱ হৈছিল যে এই পন্থাৰে হয়তো নহ’ব, গতিকে চৰম পন্থাৰ কথা চিন্তা কৰিছিল। তেওঁ চোভিয়েট ৰাছিয়াৰ লগত সম্পৰ্ক কৰি গৃহ বন্দী হৈ থকা অৱস্থাৰ পৰা পলাই গৈ ভাৰতবৰ্ষৰ মুক্তিৰ কাৰণে তেওঁ যি সশস্ত্ৰ সংগ্ৰাম আৰম্ভ কৰিছিল। তাৰ প্ৰতি আমি শ্ৰদ্ধা জনাব লাগিব। আজিও কিন্তু তেওঁৰ মৃত্যু ৰহস্য হৈ থাকিল। মই আশা কৰিম যে তেওঁৰ মৃত্যুৰ নিশ্চিত কাৰণ উলিয়াব পাৰিলে ভাৰতবৰ্ষৰ জনসাধাৰণৰ সন্তুষ্টি হ’ব। ভাৰতবৰ্ষৰ স্বাধীনতা সংগ্ৰামৰ লগে লগে পণ্ডিত জৱহাৰলাল নেহৰু দেৰৰ নেতৃত্বত যি চৰকাৰ হৈছিল, আমাৰ চৰ্দাৰ বল্লৱ ভাই পেটেল, তেখেতৰ যিখিনি অৰিহণা আৰু প্ৰধান মন্ত্ৰী ডাঙৰীয়াৰ যিখিনি অৰিহনা সেইখিনিৰ সঠিক বিশ্লেষণ হোৱাৰ প্ৰয়োজন আছে বুলি অনুভৱ কৰো, সেইটো মোৰ ব্যক্তিগত অনুভৱ আৰু শ্যামা প্ৰসাদ মুখাৰ্জী ডাঙৰীয়াই ভাৰতবৰ্ষৰ প্ৰথম স্বাধীন দেশৰ চৰকাৰৰ উদ্যোগ মন্ত্ৰী আছিল। উদ্যোগ মন্ত্ৰী হিচাপে তেওঁ যিখিনি দেশৰ উন্নয়নৰ কাৰণে চিন্তা কৰিছিল কি কাৰণেনো মোৰ অনুভৱ তেওঁ এবছৰতে ত্যাগ কৰিব লগা হ’ল, কি কাৰণে তেওঁ কাশ্মীৰত গ্ৰেপ্তাৰ হ’বলগা হ’ল যে সেই প্ৰতিবাদ যে কৰিছিল দুৰদৰ্শিতাৰ চিন্তা কৰি এই কথাবিলাকৰো এটা বিশ্লেষণ হোৱাৰ প্ৰয়োজন আছে যে সেই গৰাকী মহৰ্ষি কেনেকৈ সংবিধানৰ ৩৭০ অনুচ্ছেদৰ বিৰোধিতা কৰি স্বাধীন দেশৰ প্ৰথমখন চৰকাৰৰ দিনতে গ্ৰেপ্তাৰ হৈ কাশ্মীৰৰ জেলত থাকি তেওঁৰ কেনেধৰণে মৃত্যু হ’ল সেইটো কিন্তু আজিও ৰহস্য হৈ আছে। এই কথাবিলাকৰো এই স্বাধীনতাৰ আজাদী কা অমৃত মহোৎসৱৰ সময়ত বিশ্লেষণ হোৱাৰ প্ৰয়োজন আছে। আমি যদি আমাৰ ৰাজ্যিক পৰ্য্যায়লৈ আহো, ৰাজ্যিক পৰ্য্যায়ত লোকপ্ৰিয় গোপীনাথ বৰদলৈ, বিমলা প্ৰসাদ চলিহাদেৰ, বিষ্ণুৰাম মেধি দেৰকে ধৰি বহু ব্যক্তিৰ ত্যাগ, বহু ঘটনা-পৰিঘটনা সেই স্বাধীনতাৰ দীঘলীয়া সময়ছোৱাৰ ভিতৰতো হৈছে। যথেষ্ট কথা মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়াই অৱগত কৰি থৈ গৈছে যে এই সকল ব্যক্তিকো যোগ্য সন্মান দিয়াৰ ক্ষেত্ৰত ক’ৰবাত অলপ খেলি-মেলি হৈছিল নেকি? যে আমি ধন্যবাদ জনাম বাজপেয়ী ডাঙৰীয়াক যে, লোকপ্ৰিয় গোপীনাথ বৰদলৈক ভাৰতৰত্ন সন্মান প্ৰধান মন্ত্ৰী বাজপেয়ী ডাঙৰীয়াই দিছিল। আন্তঃৰাষ্ট্ৰীয় যিটো এয়াৰপোৰ্ট লোকপ্ৰিয় গোপীনাথ বৰদলৈৰ নামত দিছিল। গতিকে আমাৰ কিছুমান জনসাধাৰণৰ মাজত এই প্ৰশ্নবিলাকে কেতিয়াবা হয়তো অসুবিধা কৰে। এতিয়া যিয়েই নহওক, আমি স্বাধীন দেশৰ নাগৰিক হিচাপে ভাৰতবৰ্ষৰ অবিচ্ছেদ্য অংগ অসমখনত প্ৰতিগৰাকী মানুহে স্বাধীনতা লৈ কিমান গৌৰৱ কৰে। সেই কথাবিলাক আজাদী কা অমৃত মহোৎসৱৰ জৰিয়তে প্ৰতিফলন হৈছে। ‘হৰ ঘৰ ত্ৰিৰংগা’ৰ জৰিয়তে এই কথাবিলাক প্ৰতিফলন হৈছে। মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়াই কৈছে গোমধৰ কোঁৱৰৰ সেই সময়ৰ তেওঁৰ চিন্তা, তেওঁৰ সংগ্ৰামৰ কথা। তাৰপিছত আহিছিল মনিৰাম দেৱান, পিয়লি ফুকনৰো কথা। মই কলেজত পঢ়ি থকা অৱস্থাত মনিৰাম দেৱান, পিয়লি ফুকনক লৈ কিছু নাটক আছিল। মনিৰাম দেৱান নাটকত মই কন্দৰ্পেশ্বৰ সিংহৰ অভিনয় কৰিছিলো। সেই মনিৰাম দেৱানৰ সেই সংলাপ যে বৃটিছক স্বৰ্গদেউ সকলে কেনেকৈ প্ৰতিৰোধ কৰিবলৈ চেষ্টা কৰিছিল যে শেষতহে অসমখন ল’ব পাৰিছিল সেই যে চেষ্টা কৰিছিল আৰু অসমীয়া নাৰীৰো অৱদান যে এগৰাকী নাৰী

আছিল ললিতা, তেওঁ কেনেকৈ ৰজাক সাহস দিবলৈ ৰাজ্যখনৰ কাৰণে যুঁজিবৰ কাৰণে সাহস দিবলৈ চেষ্টা কৰিছিল। ললিতাৰ সংলাপ মোৰ মনত নাই। কিন্তু কন্দৰ্পেশ্বৰ সিংহৰ সেই সংলাপ ললিতাই যেতিয়া সাহস দিবলৈ অসম ভূমিৰ কাৰণে বৃটিছৰ বিপক্ষে যুঁজিবলৈ আহি কৈছিল যে তেওঁ যুঁজিব বিচাৰে বৃটিছৰ বিপক্ষে। তেতিয়া স্বৰ্গদেউ কন্দৰ্পেশ্বৰ সিংহই কৈছিল, ললিতা তুমি ভুল কৰিছা। ললিতাই কৈছিল, বিবেকে নকয়, বিবেকে তোমাক ভুল পথে পৰিচালিত কৰিছে। হয়তো দেশৰ ভালৰ কাৰণে। তুমি অৰণ্যত ৰোদন কৰি সুখৰ সপোন ৰচিছা ললিতা ই ক্ষনিকতে শূণ্যত বিলীন হৈ যাব ললিতা। কোৱা ললিতা, বন্দিনী জননী মুক্ত হ'ব, অসমী আইৰ এই অবিৰল ধাৰাৰে বৈ যোৱা চকুলোৰ লোতক মই নিজ হাতে মচি অসমী আইৰ মুখত মই পুনৰ হাঁহি বিৰিঙাই তুলিব পাৰিমনে কোৱা ললিতা কোৱা। আবেগিক হৈ গৈছিল। এই দেশপ্ৰেম স্বৰ্গদেউ সকলে সেই সংলাপৰ জৰিয়তে প্ৰমাণ হৈছে আৰু যেতিয়া বৃটিছে গ্ৰেপ্তাৰ কৰিছিল, পিয়লি ফুকনে পলাই যাবলৈ আহ্বান জনাইছিল। সেই সময়ত কন্দৰ্পেশ্বৰ সিংহই কৈছিল যে সাগৰৰ সৌ সিপাৰৰ বনীয়া ইংৰাজ মোৰেই দেশৰে এমুঠি দেশদ্ৰোহী আশ্ৰয় লৈ সিহঁত আজি মোৰেই কাৰেঙৰ দুৱাৰ দলিত । বিপদৰ এই সন্ধিক্ষণত মই কলৈকো নাযাও পিয়লি। এই সাহসী জাতি আমি অসমীয়া। আমি স্বাধীন দেশৰ নাগৰিক যে আমি আমাৰ ৰাজ্যখন সমৃদ্ধিশালী কৰিবৰ কাৰণে আমাৰ যিখিনি ত্যাগ আদৰ্শ দেখাই থৈ গৈছে, ৰাষ্ট্ৰীয় পৰ্য্যায়ত জাতিৰ পিতা মহাত্মা গান্ধীয়ে, জৱহৰলাল নেহৰু, চৰ্দাৰ বল্লভ ভাই পেটেল, আম্বেদকাৰ, গোপীনাথ বৰদলৈকে ধৰি যিসকলে আদৰ্শ দেখাই থৈ গৈছে, আমি নতুন প্ৰজন্মক সেই আদৰ্শৰে অনুপ্ৰাণিত কৰি আমি সমৃদ্ধিশালী অসমখন গঢ়িবলৈ চেষ্টা কৰিব লাগিব। এইখন অসমত আমি সকলোৰে মিলি চলিব বিচাৰো। এইখন অসমত জাতি ধৰ্ম নিৰ্বিশেষে অসম মাতৃৰ সন্তান হিচাপে এখন সমৃদ্ধিশালী অসম গঢ়িবৰ বাবে আমি সকলোৰে প্ৰয়াস কৰো। এইখন অসমত থাকি কোনোবাই যদি পাকিস্তানৰ পতাকা উৰুৱাই তেতিয়াহ'লেতো আমি সহিব নোৱাৰিম, কোন এই দুষ্ট চক্ৰ এইবিলাক উলিয়াব লাগিব। আজাদী কা অমৃত মহোৎসৱৰ এই বৰ্ষ পালন কৰি থকা অৱস্থাত ইয়াত যদি জেহাদীৰ কাৰ্য্যকলাপ কৰিবলৈ আহে, আমি জানো সহ্য কৰি থাকিব পাৰিম? চৰকাৰে জানো সহ্য কৰি থাকিব পাৰিব? এই কথাবিলাক আমি অলপ দুৰদৰ্শিতাৰে চিন্তা কৰাৰ প্ৰয়োজন আছে। আমাৰ সমন্বয়, সম্প্ৰীতিৰ এনাজৰীডাল টনকিয়াল হৈ থাকিব। আমি ৰাখিম অসম মাতৃৰ সন্তান হিচাপে, দেশ মাতৃৰ সন্তান হিচাপে। কিন্তু খিলঞ্জীয়া মানুহখিনিক নিঃশেষ কৰিবৰ কাৰণে পৰিকল্পিত ষড়যন্ত্ৰে স্বাধীন দেশখনত অসম ৰাজ্যখনত কোনোবাই যদি এটা নেটৱৰ্ক কৰিব বিচাৰে, আমি দেশ মাতৃৰ প্ৰতি দায়িত্ব পালন কৰা সেই আদৰ্শবান ব্যক্তি সকলৰ আদৰ্শৰে আমাৰ জাতিটোক সুৰক্ষিত কৰিবলৈ বিচৰা সেই ব্যক্তি সকলৰ আদৰ্শৰে আমি মাত মাতিব নালাগিব নেকি? মাত মাতিলে কোনোবাই যদি সংকীৰ্ণতা বুলি কয়, ক'বলৈ একো নাই। কিন্তু আমাৰ মাতৃভূমিৰ প্ৰতি আমি যিহেতু ৭৫ বছৰ সম্পূৰ্ণ কৰিলো আমাৰ ৰাজ্যখন পিছপৰি থাকিব নেকি সদায়। আমাৰ অৰ্থনৈতিক ভেটি শক্তিশালী কৰিব নালাগিব নেকি? আমাৰ অৰ্থনৈতিক ভেটি শক্তিশালী কৰিবৰ কাৰণে কৰ্ম-সংস্কৃতিৰ যাত্ৰাৰ জৰিয়তে আমি কৃষি বিপ্লৱ, কৃষি প্ৰধান ৰাজ্যখনত কৰিব লাগিব। আমি কৃষি বিপ্লৱ কৰিবলৈ যাওতে থলুৱা যুৱক-যুৱতীয়ে কাম কৰিবলৈ পথাৰলৈ যেতিয়া যাব, সাৰুৱা মাটিখিনি যদি কোনোবাই বে-দখল কৰি থাকে, তাক উচ্ছেদ কৰাতো অপৰাধ হ'ব নেকি স্বাধীন দেশৰ নাগৰিক হিচাপে। স্বাধীন দেশৰ চৰকাৰ হিচাপে। এতিয়া কৰিব লাগিব। বৰ্হিৰাজ্যত যোৱা লাখ-লাখ থলুৱা যুৱক-যুৱতীৰ কাৰণে স্বাধীন দেশৰ এই চৰকাৰখনে সাহসেৰে কিছু কাম কৰিব লাগিব। এইটো কোনো সংকীৰ্ণ দৃষ্টিৰে ল'ব নালাগে। আমি

উদাৰ দৃষ্টিৰে আমি হিন্দু-মুছলমান, শিখ যিয়েই নহওঁক কিয় আমি সকলোৱে মিলিজুলি থাকিব লাগিব। আমাৰ খিলঞ্জীয়া মানুহৰ নিৰাপত্তাৰ প্ৰতি ভাবুকি অহা কোনো কথা আমি সহ্য কৰিব নোৱাৰিম। আমি দুৰদৰ্শিতাৰে চাব লাগিব। কি হ'ব এইখন অসমৰ ভৱিষ্যত? কোটি-কোটি টকাৰে খাদ্য সামগ্ৰী বাহিৰৰ পৰা আহি আছে উৎপাদনমুখী এই যাত্ৰাতো পথাৰ আৰু বজাৰ দখল কৰিবৰ কাৰণে যাওতে কৰোবাত যদি এনেকুৱা কথা আহে মই আহ্বান জনাম, আপোনালোক সকলোৱে উদাৰ মন লৈ চৰকাৰখনক সহযোগিতা কৰক। মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়াই দেশৰ পাঁচখন শ্ৰেষ্ঠ ৰাজ্যৰ ভিতৰত অসমখন গঢ় দিবৰ বাবে যি পৰিকল্পনা লৈ কাম কৰি আছে, তাত আমি সহযোগিতা আগবঢ়াব লাগিব। মোৰ অনুভৱ খিনি মই প্ৰকাশ কৰিছো। কোনোৱে ইয়াক বেলেগ ধৰণে ল'ব নলাগে। মোৰ অনুভৱ যে অসমত কিছু আন্তঃৰাষ্ট্ৰীয় বিৰোধী শক্তিয়ে অসমখন যেন আক্ৰমণৰ লক্ষ্য হিচাপে লৈছে। সেইকাৰণে মই ৰূপকোঁৱৰ জ্যোতিপ্ৰসাদ আগৰৱালাৰ কবিতাৰ পংক্তিৰে এটা আহ্বান জনাব বিচাৰিছো। তাত যুদ্ধৰ কথা থাকিব। যুদ্ধত কিন্তু মই অস্ত্ৰ-শস্ত্ৰৰ যুদ্ধৰ কথা কোৱা নাই, কৰ্ম-সংস্কৃতিৰ যুদ্ধ, কৃষি-সঁজুলিৰ যুদ্ধই যে আমাক গ্ৰাস কৰিব নোৱাৰে। আমি থাকিব লাগিব ভাল অসমীয়া হৈ , ভাল ভাৰতীয় হৈ। সেইকাৰণে শেষত কওঁ যে যুদ্ধ, যুদ্ধ মাথোন যুদ্ধ, হাৰিও যুদ্ধ, জিনিও যুদ্ধ। যুদ্ধ নহ'লে নহ'ব ৰুদ্ধ। আজি যেন অসমী অৱৰুদ্ধ। চাৰিও কাষেদি ভেৰী অসম আহিলে ভেৰী আৰু যেন নহ'লে ভেৰী। বজা, বজা অসমীয়া, বজা ৰণ ভেৰী, শত্ৰু যদিও দুৰ্নিবাৰ, হৈ যাব ছাৰ-খাৰ, হৈ যাব চাৰ-খাৰ, হৈ যাব চাৰ-খাৰ।

**মাননীয় অধ্যক্ষ** ঃ ধন্যবাদ। এতিয়া অতুল বৰা ডাঙৰীয়াই কওঁক।

**শ্ৰী অতুল বৰা, (মন্ত্ৰী, কৃষি ইত্যাদি বিভাগ)** ঃ মাননীয় অধ্যক্ষ মহোদয়, দেশৰ স্বাধীনতাৰ ৭৫ বছৰ পূৰ্তি উপলক্ষে এই বিশেষ অধিবেশন আহ্বান কৰাৰ বাবে আপোনাক ধন্যবাদ জনাইছো। দেশৰ স্বাধীনতাৰ ৭৫ বছৰ পূৰ্তিৰ এই গৌৰৱময় সময়ছোৱাত এই পৱিত্ৰ সদনত আজি আমি দেখিছো মাননীয় মুখ্যমন্ত্ৰী মহোদয়, মাননীয় মন্ত্ৰীসকল, বিৰোধী দলৰ দলপতি, সন্মানীয় উপাধ্যক্ষ মহোদয়, সন্মানীয় সকলো সদস্য উপস্থিত আছে। আমি সকলোৱে লগতে পৱিত্ৰ সদনৰ পৰা সমগ্ৰ দেশৰ জনসাধাৰণ আৰু বিশেষকৈ অসমবাসী ৰাইজক পুনৰবাৰ অভিনন্দন আৰু শুভেচ্ছা জনাইছো। আমাৰ চমু বক্তব্যৰ আগেয়ে আমি শ্ৰদ্ধাৰে প্ৰণিপাত জনাইছো জাতিৰ পিতা মহামানৱ মহাত্মা গান্ধীক- যি গৰাকী ঋষি পুৰুষৰ ছত্ৰ-ছায়াত সমগ্ৰ দেশ জুৰি শক্তিশালী ৰূপত গঢ় লৈ উঠা স্বাধীনতা আন্দোলনৰ ফলত বৃটিছে নতশিৰ হৈ এই দেশ ত্যাগ কৰি গুছি যাবলগীয়া হৈছিল। অকল অহিংসা মূল-মন্ত্ৰেৰে এনে সফল , শক্তিশালী জন আন্দোলন য'ত ভাৰতবৰ্ষৰ দৰে এখন বিশাল দেশত আবাল-বৃদ্ধ-বণিতা সকলোৱে স্বতঃস্ফূৰ্তভাৱে অংশ গ্ৰহণ কৰি এই আন্দোলনক সাৰ্থক কৰি তুলিছিল- তেনে উদাহৰণ বিশ্বৰ ভিতৰতেই বিৰল। আজি এই পৱিত্ৰ বিধান সভা থলিত প্ৰণিপাত জনাইছো সেইসকল অগণন বীৰ যোদ্ধাক- স্বাধীনতাৰ যজ্ঞত যিসকলৰ আত্মহুতিৰ ফলত আজি আমি এখন স্বাধীন দেশৰ স্বাধীন নাগৰিক হিচাপে উশাহ ল'ব পাৰিছো। প্ৰণিপাত জনাইছো - সেইসকল স্বৰ্গগত বা অশীতিপৰ মুক্তিযোদ্ধাক- যিসকলে জীৱনলৈ ঘৃণীয়া হৈও “জননী জন্মভূমি স্বৰ্গাদপি গৰীয়সী” অমৃত মন্ত্ৰেৰে নিজৰ পৰিয়ালক দীক্ষিত কৰিছিল। সেইসকল মুক্তি যোদ্ধাকো সন্মান জনাইছো। যিসকল মুক্তি যোদ্ধাই অসম বিধান সভাৰ সন্মানীয় সদস্যৰ পদ অলংকৃত কৰি দেশ জাতিৰ প্ৰতি নিঃস্বাৰ্থ সেৱা আগবঢ়াই গৈছে।

মাননীয় অধ্যক্ষ মহোদয়, সৌ-সিদিনা- যোৱা ১৪ আগষ্টৰ দিনা সমগ্ৰ দেশৰ লগতে আমিও “বিভাজন বিভীষিকা দিৱস” পালন কৰিলো। ১৯৪৭ চনৰ ১৪ আগষ্টৰ সেই বিভীষিকাপূৰ্ণ দেশ

বিভাজনৰ সময়ছোৱাত লাখ লাখ পৰিয়ালৰ জীৱনলৈ অন্ধকাৰ নামি আহিছিল, কিমানে নিজৰ পৰিয়ালৰ পৰা জীৱনলৈ বিচ্ছিন্ন হৈ পৰিছিল, কেনেদৰে মানৱ ৰক্তৰে এচাম উন্মাদ মানুহৰ হাত তেজেৰে ৰাঙলি হৈছিল। সেই কথা আমি অনুভৱ কৰাও টান। হিচাপ মতে এই ক'লা সময়ছোৱাত ১৫ ৰ পৰা ২০ নিযুত মানুহ স্থানান্তৰ হ'বলগীয়া হৈছিল আৰু প্ৰায় ২ নিযুত মানুহৰ মৃত্যু হৈছিল। দেশ বিভাজনৰ সময়ত ভাৰতীয়সকলৰ সেই যন্ত্ৰণা, আপোনজনক হেৰুৱাৰ সেই বেদনাৰ প্ৰতি সহমৰ্মিতা প্ৰকাশ কৰিবলৈ, সেই সন্ত্ৰাস জৰ্জৰিত সময়ছোৱাত ভাৰতীয়সকলে কৰা ত্যাগৰ স্মৃতি সোঁৱৰণ কৰিবলৈ, সামাজিক ভেদাভেদ পৰিহাৰ কৰি এখন সন্তুলিত সমাজ গঢ়িবলৈ আৰু দেশ প্ৰেমৰ মহামন্ত্ৰেৰে আমি সকলোৱে দীক্ষিত হ'বলৈ মাননীয় প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী ডাঙৰীয়াই ২০২১ চনৰ ১৪ আগষ্টৰ পৰা প্ৰতি বছৰে এই দিনটোক বিভাজন বিভীষিকা স্মাৰক দিৱস হিচাপে পালন কৰিবলৈ জনোৱা আহ্বানৰ প্ৰতি সঁহাৰি জনাই আমিও ৰাজ্যজুৰি এই দিৱস পালন কৰিলো। আমি সকলোৱে হাতত হাত ধৰি আহি থকা দিনসমূহত এখন শক্তিশালী দেশ গঢ়াৰ সংকল্প ল'লো। মাননীয় অধ্যক্ষ মহোদয়, দেশৰ এগৰাকী প্ৰাতঃস্মৰণীয় পুৰুষ লোকমান্য বাল গংগাধৰ তিলকৰ স্বাধীনতা সম্পৰ্কীয় এষাৰ উক্তিয়ে মোক শৈশৱৰ পৰাই আকৰ্ষণ কৰি আহিছে। তেখেতে কৈছিল- "Swaraj is my birth right and I shall have it". অৰ্থাৎ স্বাধীনতা মোৰ জন্মস্বত্ব অধিকাৰ আৰু ইয়াক মই আদায় কৰিহে এৰিম। কিমান গভীৰভাৱে নিজৰ দেশখনক ভাল পালে, দেশৰ জনসাধাৰণক ভাল পালে এনে বীজ মন্ত্ৰেৰে এজন ব্যক্তি দীক্ষিত হ'ব পাৰে। সেই কথা ভাৱি সৰু কালতেই আমি বিস্মিত হৈছিলো। দেশৰ স্বাৰ্থই প্ৰথম আৰু শেষ কথা বুলি ভাৱিবলৈ, শিকিবলৈ আমাৰ প্ৰজন্মক এনেধৰণৰ কথাই সন্মোহিত কৰি তুলিছিল। একেধৰণে দেশৰ এগৰাকী কিংবদন্তী পুৰুষ, সংবিধান প্ৰণেতা ড° বি আৰ আম্বেদকাৰৰ এষাৰ কথাইও আমাক আকৌ এবাৰ ভৱাই তোলে- কিমান গভীৰভাৱে নিজৰ দেশক ভাল পালে, স্বাধীনতাৰ অমৃত বাণীৰে উজ্জীৱিত হ'লে এজন ব্যক্তিয়ে এনেদৰে কোৱাটো সম্ভৱ আৰু সেই বাবেই এইসকল মণিষীৰ নেতৃত্বত লাভ কৰা সেই গৌৰৱময় স্বাধীনতাৰ আমি ৭৫ টা বছৰ পাৰ কৰিলো- প্ৰধান মন্ত্ৰী নৰেন্দ্ৰ মোদী ডাঙৰীয়াৰ নেতৃত্বত বিশ্বৰ এখন শক্তিশালী দেশ হিচাপে আত্মপ্ৰকাশ কৰি জল, স্থল, বায়ু সকলোতে গৰ্ৱিত জনতা হিচাপে উন্নতশিৰে আজি আমি আমাৰ অস্তিত্ব সাব্যস্ত কৰিব পাৰিছো। দেশে লাভ কৰা এইসকল স্বাধীনতা সেনানী তথা মুক্তি যোদ্ধাৰ স্বাৰ্থহীন ত্যাগ তথা ৰক্ত ৰঞ্জিত সময়ক আজিৰ প্ৰজন্মক সোঁৱৰাই দিয়াৰ লগতে তেওঁলোকৰ প্ৰতি শ্ৰদ্ধা নিবেদন কৰি দেশৰ প্ৰতি থকা আমাৰ আনুগত্যক আকৌ উজ্জীৱিত কৰি তুলিবলৈ স্বাধীনতাৰ ৭৫ বছৰৰ ৰজত-জ্যোতিৰ আভাৰে দেশ আলোকময় হৈ উঠাৰ এই সময়ছোৱাত মাননীয় প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী ডাঙৰীয়াই আজিৰ পৰা ৭৫ সপ্তাহ আগেয়ে গান্ধীজীৰ আৰাধনাস্থলী, বিখ্যাত সৱৰমতী আশ্ৰমৰ পৰা আহমেদাবাদলৈকে "আজাদী কা অমৃত মহোৎসৱ"ৰ পদযাত্ৰা মুকলি কৰিছিল। "আজাদী কা অমৃত মহোৎসৱ"ৰ অৰ্থ হ'ল স্বাধীনতা সংগ্ৰামীসকলৰ জীৱনৰ আদৰ্শৰে আমি আমাৰ নিজৰ জীৱনৰ বাবে শক্তি আহৰণ কৰা। যিদৰে আমাৰ অসমৰ চহকী ভাষা-সাহিত্য-সংস্কৃতি-ঐতিহ্য-পৰম্পৰা আৰু ভিন্ন জাতিক-জনগোষ্ঠীৰ সাতামপুৰুষীয়া সম্প্ৰীতিক লৈ প্ৰতি গৰাকী অসমীয়া গৰ্বিত একেদৰে বিশাল ভাৰতবৰ্ষৰ সংস্কৃতি, পৰম্পৰা-ঐতিহাসিক পটভূমি, দৰ্শনক লৈ প্ৰতিজন ভাৰতীয় গৰ্বিত। এই ঐতিহ্য, এই পৰম্পৰা, এই দৰ্শনক যদি আমি অনাগত সময়ৰ চিন্তাৰ সৈতে নিহিত কৰিব পাৰো, তেন্তে আমাৰ দেশ দুৰ্জেয় হিচাপে বিশাল শাসনৰ বঘজৰী হাতত তুলি ল'বলৈ সক্ষম হ'ব। "আজাদী কা অমৃত মহোৎসৱ"ৰ এইয়াই অন্তৰ্নিহিত উদ্দেশ্য। এই উদ্দেশ্যক সাৰোগত কৰিয়েই মাননীয় প্ৰধানমন্ত্ৰী

নৰেন্দ্ৰ মোদী ডাঙৰীয়াই আমাক অনুপ্ৰাণিত কৰি আহিছে, তেখেতৰ এই চিন্তনৰ জৰিয়তে অনাগত দিনত আমাৰ ৰাজ্যৰ প্ৰতিজন শিশুক, প্ৰতিজন কিশোৰক , প্ৰতি গৰাকী যুৱক-যুৱতীক দেশ প্ৰেমৰ ভাৰধাৰাৰে ঐক্যবদ্ধ কৰি তুলিবলৈ মাননীয় মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব ডাঙৰীয়াই প্ৰয়াস কৰিছে। এই প্ৰয়াসৰ ফল হিচাপে আজি আমাৰ ৰাজ্যখনত যোৱা ১৩ আগষ্টৰ পৰা ১৫ আগষ্টলৈকে ঘৰ ঘৰ ত্ৰিৰংগা কাৰ্য্যসূচী সফলভাৱে উদ্‌যাপিত হৈছে। অকল প্ৰতিঘৰতে ত্ৰিৰংগা উত্তোলিত হোৱাই নহয়, এই দিনকেইটাত ৰাজ্যখনৰ বাটে-পথে, হাটে-বজাৰে সকলোতে তিনি বৰণীয়া জাতীয় পতাকাই আকাশ-বতাহ দখল কৰিছে। এইয়াই উৎসৱ। ৰাষ্ট্ৰ উদ্দেশ্যে সমৰ্পিত হোৱাৰ উৎসৱ। এখন গৰ্বিত দেশৰ উৎসৱ। এনে পৰিৱেশ আগতে দেখা আমাৰ মনত নপৰে। ইয়াৰ বাবে মাননীয় মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মা ডাঙৰীয়াক আমি ধন্যবাদ জনাইছো। মাননীয় মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মা ডাঙৰীয়াক দেশপ্ৰেমৰ মহান আদৰ্শৰে অনুপ্ৰাণিত কৰি তুলিবলৈ ৰাজ্যখনৰ এহেজাৰ গৰাকী শিক্ষাৰ্থীক আন্দামানৰ চেলুলাৰ জেইল দৰ্শন কৰিবলৈ প্ৰেৰণ কৰাৰ সিদ্ধান্ত লৈছে। ইয়াৰ উপৰি সামাজিক মাধ্যমৰ সৈতে জড়িত এহেজাৰটা লঘু গোচৰ প্ৰত্যাহাৰ কৰাৰো সিদ্ধান্ত লৈছে। ইয়াৰ উপৰি সামাজিক মাধ্যমৰ সৈতে জড়িত ১০০০ টা লঘূ গোচৰ প্ৰত্যাহাৰ কৰাৰো তেওঁ সিদ্ধান্ত লৈছে। এখন গণতান্ত্ৰিক দেশৰ ইতিহাসৰ বিষয়ে নাগৰিকক সোঁৱৰণ কৰোৱাৰ বাবে, এখন গণতান্ত্ৰিক গণৰাজ্যৰ নাগৰিকৰ বাক্‌স্বাধীনতা সন্মান জনোৱাৰ ইয়াতকৈ উৎকৃষ্ট উদাহৰণ কি হ'ব পাৰে? অধ্যক্ষ মহোদয়, স্বাধীনতা সংগ্ৰামত অসমৰ অৱদান সম্পৰ্কত যদি আমি বিচাৰ কৰো তেন্তে দেখিম যে - ১৮২৬ চনত ইয়াণ্ডাবু সন্ধিৰ জৰিয়তে অসমত আহোম ৰাজত্বৰ অৱসান ঘটি আৰম্ভ হয় ঔপনিৱেশতাবাদী বৃটিছৰ শাসন। কিন্তু এই সন্ধিয়ে বৃটিছৰ স্বৈৰাচাৰী শাসনৰ বিৰুদ্ধে বহু অসমীয়াক ঐক্যবদ্ধ কৰি তুলিলে। পৰাধীনতাৰ শিকলি ছিঙিবলৈ ৰাজ্যখনত আৰম্ভ হ'ল এক নতুন অধ্যায়। দেশৰ স্বাধীনতা আন্দোলনৰ উকমুকনিৰ সেই সময়ছোৱাত গোমধৰ কোঁৱৰে বৃটিছৰ বিৰুদ্ধে বিদ্ৰোহ কৰি শ্বহীদ হ'ল। বৃটিছৰ শাসনৰ পৰা দেশক মুক্ত কৰিবলৈ গোমধৰ কোঁৱৰৰ সৈতে যোগ দিলেহি কান্দুৰা ডেকা ফুকন, ধৰ্মধৰ, হৰনাথ আৰু বহুতে। গোমধৰ কোঁৱৰৰ পাছত স্বাধীনতা আকাংক্ষী অসমৰ ৰাইজক নেতৃত্ব দিবলৈ আগবাঢ়ি আহিল পিয়লি ফুকন। তেওঁৰ সৈতে থিয় দিলেহি জীউৰাম দুলীয়া বৰুৱা, বেণুধৰ কোঁৱৰ, ৰূপচান্দ কোঁৱৰ, দেউৰাম দিহিঙীয়া আৰু বহুতে। ৰংপুৰৰ বৃটিছ সেনা শিবিৰত অগ্নি সংযোগ কৰি ধৰা পৰিল পিয়লি ফুকন, জিউৰাম আৰু আন কেইবাজনো। পিয়লি ফুকন আৰু জিউৰাম বৰুৱাৰ ফাঁচী হ'ল। স্বাধীনতা সেনানীৰ প্ৰতি বৃটিছৰ এনে কঠোৰ শাস্তিয়েও কিন্তু অসমৰ ৰাইজক টলাব নোৱাৰিলে। স্বাধীনতাৰ ৰণত অংশগ্ৰহণকাৰীৰ তালিকাখন দীঘলৰ পৰা আৰু দীঘলীয়া হৈ গৈ থাকিল। ইতিমধ্যে গান্ধীজীৰ অসহযোগ আন্দোলনে সমগ্ৰ দেশৰ লগতে অসমকো কঁপাই তুলিলে। উদ্দেশ্য সাধন কিম্বা শৰীৰ পতন মন্ত্ৰৰে দীক্ষা লৈ এই সমদলক নেতৃত্ব দিলেহি গদাধৰ গোঁহাই, মণিৰাম দেৱান, মায়াৰাম নাজিৰ, নীলকান্ত চোলাধৰা ফুকন আৰু বহুতে। পিয়লি বৰুৱাৰ সৈতে মণিৰাম দেৱানৰ ফাঁচী হ'ল যোৰহাট জেলত ১৮৫৮ চনৰ ২৬ ফেব্ৰুৱাৰীত। ইয়াৰ ৩ বছৰ পাছত ১৮৬১ চনত নগাঁও জিলাৰ ফুলগুৰিত আৰম্ভ হ'ল বিখ্যাত ফুলগুৰি ধেৱা। ১৮৯৪ চনত দৰং জিলাৰ পথৰুঘাটত আৰম্ভ হ'ল আন এক কৃষক বিদ্ৰোহ। বৃটিছৰ বিৰুদ্ধে ঐতিহাসিক কৃষক বিদ্ৰোহ। অসমীয়া জনসাধাৰণক বংগ বিভাজনৰ ঘটনাই বৃটিছৰ বিৰুদ্ধে আৰু অধিক সংঘবদ্ধ কৰি তুলিলে। মহাত্মা গান্ধীৰ নেতৃত্বত গঢ় লৈ উঠা অসহযোগ আন্দোলন আৰু ভাৰত ত্যাগ আন্দোলনক সাংগঠনিক দিশেৰে শক্তিশালী কৰি তুলিবলৈ আগবাঢ়ি আহিল গোপীনাথ বৰদলৈ, বিষ্ণুৰাম মেধি, অমিয়

কুমাৰ দাস, জ্যোতিপ্ৰসাদ আগৰৱালা, হেম বৰুৱা, বিজয় চন্দ্ৰ ভাগৱতী, চন্দ্ৰপ্ৰভা শইকীয়ানী, পুষ্পলতা দাস আদি। ভাৰত ত্যাগ আন্দোলনত অংশগ্ৰহণ কৰি কুশল কোঁৱৰ, তিলক ডেকা, কনকলতা বৰুৱা, মুকুন্দ কাকতি, ভোগেশ্বৰী ফুকননী, মংগল কুৰ্মী, মণিৰাম কছাৰী, হেমৰাম পাটৰ, গুনাভি বৰদলৈ, লেৰেলা বড়ো, ৰতন কছাৰী, লক্ষী হাজৰিকা, ঠগী সূত, বলোৰাম সূত, মদন বৰ্মন, ৰাউতা বড়ো আৰু বহুতে ফাঁচী কাঠৰ ৰচীক আঁকোৰালি লয়। এই তালিকা বহু দীঘলীয়া। দেশৰ স্বাধীনতা আন্দোলনক আত্মবলিদানেৰে সফল কৰি অসমক উন্নত শিখৰত অৱস্থান কৰাই গৈছে এইসকল অসমীয়াই। এনে জ্ঞাত, অজ্ঞাত অলেখ শ্বহীদৰ জীৱনক লৈ সঁচাকৈয়ে আমি গৰ্বিত। এই মূহুৰ্তত আমি নাম উল্লেখ কৰা বা সীমিত সময় আৰু আমাৰ সীমাবদ্ধতাৰ বাবে নামোল্লেখ কৰিব নোৱাৰা অলেখ শ্বহীদে আমাক সকলোকে আশীষ দিয়ক। আমি তাকেই আজিৰ এই পৱিত্ৰ সদনত ভগৱানৰ ওচৰত প্ৰাৰ্থনা কৰিছো। স্বাধীনতাৰ অমৃত মহোৎসৱৰ অমৃত প্ৰদানেৰে আমাৰ ৰাজ্যখনক মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মা ডাঙৰীয়াৰ সপোনৰ শ্ৰেষ্ঠ অসম হিচাপে গঢ়ি তোলাৰ আন্দোলনৰ অংশীদাৰ হ'বলৈ শক্তি দিয়ক। জয় আই অসম। জয় হিন্দ।

**মাননীয় অধ্যক্ষঃ** ধন্যবাদ। শ্ৰী উৎপল বৰা।

**শ্ৰী উৎপল বৰা, (গহপুৰ)ঃ** মাননীয় অধ্যক্ষ মহোদয়, স্বাধীনতাৰ ৭৫ বছৰ পাৰ হোৱা উপলক্ষে আজি পবিত্ৰ বিধান সভাত আপুনি শাসক পক্ষ আৰু বিৰোধী পক্ষৰ সকলোকে লগত লৈ 'আজাদী কা অমৃত মহোৎসৱ' পতাৰ বাবে যি উদ্যোগ ল'লে তাৰ বাবে আপোনাক প্ৰথমে ধন্যবাদ আৰু কৃতজ্ঞতা জ্ঞাপন কৰিছো লগতে পবিত্ৰ সদনক মই নমস্কাৰ জনাইছো। গহপুৰ সমষ্টিৰ জন প্ৰতিনিধি হিচাপে ১৯৪২ চনৰ গণ আন্দোলনত শ্বহীদ হোৱা বীৰাংগনা কনকলতা বৰুৱা, মুকুন্দ কাকতি আৰু বহু সংগ্ৰামীৰ পবিত্ৰ শ্ৰীচৰণত সেৱা ধৰি আৰু ভাৰত মাতৃক স্বাধীন কৰিবলৈ ভাৰতবৰ্ষৰ যিসকল স্বাধীনতা সংগ্ৰামীয়ে প্ৰাণ বিসৰ্জন দি শ্বহীদ হৈছিল তেওঁলোক আৰু তেওঁলোকৰ পৰিয়ালক আমি পবিত্ৰ সদনৰ পৰা শ্ৰদ্ধা জনাইছো। অধ্যক্ষ মহোদয়, আমি যদি স্বাধীনতাৰ ইতিহাস চাওঁ তেন্তে, ১৮২৬ চনৰ ইয়াণ্ডাবু সন্ধিৰ পিছৰ পৰা ইষ্ট ইণ্ডিয়া কোম্পানী অসমলৈ অহাৰ পিছত বিভিন্ন স্তৰত স্বাধীনতাৰ বিপ্লৱী সত্তা, অসমৰ ৰজা-মহাৰজা, বৰফুকন বা আহোম যুগৰ বিভিন্ন ইতিহাসৰ মাজেৰে আমি দেখিবলৈ পাইছিলো। এসময়ত জাতিৰ পিতা মহাত্মা গান্ধীৰ নেতৃত্বত ভাৰতবৰ্ষ স্বাধীন কৰিবলৈ অসহযোগ আন্দোলন আৰম্ভ হৈছিল। ইয়াৰ লগতে অসমৰ বিভিন্ন প্ৰান্তত অকল অসমেই নহয়, বৃহত্তৰ উত্তৰ-পূৰ্বাঞ্চলৰ আটাইকেইখন ৰাজ্যৰ বহু ব্যক্তিয়ে সেই সময়ত স্বাধীনতাৰ বাবে যুঁজ দিছিল।বৃটিছৰ পৰাধীনতাৰ শিকলি ছিঙি স্বাধীন অসম তথা স্বাধীন ভাৰত গঢ়িবলৈ প্ৰয়াস কৰিছিল। গোমধৰ কোঁৱৰকে আদি কৰি গহপুৰৰ স্বাধীনতা সংগ্ৰামী মুকুন্দ কাকতি, কনকলতা বৰুৱাৰ নাম অন্যতম। যদি মোৰ ভুল হোৱা নাই, কনকলতা বৰুৱা সকলোতকৈ কনিষ্ঠ স্বাধীনতা সংগ্ৰামী আছিল। সেই সময়ত তেখেতক মৃত্যু বাহিনীত যোগ দিবলৈ মানা কৰা হৈছিল। তথাপিও তেখেতৰ সাহস আৰু উদ্যমত অনুপ্ৰাণিত হৈ মৃত্যু বাহিনীত যোগ দিবলৈ দিয়া হৈছিল। গতিকে, সেই গহপুৰ থানাখনৰ ইতিহাস এতিয়াও জীৱিত হৈ আছে। অধ্যক্ষ মহোদয়, চতিয়া থানাত প্ৰথমে বৃটিছৰ বিৰুদ্ধে স্বাধীনতাৰ পতাকা উৰুৱাবলৈ সক্ষম হৈছিল আৰু গহপুৰত মুকুন্দ কাকতি আৰু কনকলতা বৰুৱাই স্বাধীনতাৰ পতাকা উৰুৱাবলৈ গৈ বৃটিছৰ পুলিচৰ গুলীত নিহত হৈছিল। এই ইতিহাস এতিয়াও ৰিঙিয়াই আছে। গহপুৰ থানাৰ সন্মুখত থকা বৰপুখুৰীয়ে এতিয়াও সেই স্মৃতিবোৰ ৰোমন্থন কৰি আছে। মই আপোনালোকক জনাবলৈ পাই সুখী হৈছো যে নগৰ উন্নয়ন বিভাগৰ মন্ত্ৰী মহোদয়ৰ উদ্যোগত সেই বৰপুখুৰীক নতুনকৈ নিৰ্মাণ

কৰি কনকলতা বৰুৱাৰ স্মৃতি বিজৰিত গহপুৰ থানাক অসম চৰকাৰে ৫০ লাখ টকা ব্যয় সাপেক্ষে তাক ঐতিহ্যমণ্ডিত খণ্ডলৈ ৰূপান্তৰিত কৰিছে। আজি স্বাধীনতাৰ ৭৫ বছৰীয়া অমৃত মহোৎসৱত মই বিশেষ ভাৱে ভাৰত চৰকাৰ আৰু অসম চৰকাৰক ধন্যবাদ জনাইছো। কনকলতা বৰুৱাৰ নামত ভাৰতীয় নৌবাহিনীত এখন জাহাজ নামাংকিত কৰা হৈছে লগতে পোষ্টেল টিকট কনকলতা বৰুৱাৰ নামত কৰা হৈছে। ভাৰতৰ বৰ্তমানৰ প্ৰধান মন্ত্ৰী নৰেন্দ্ৰ মোডী ডাঙৰীয়াৰ বিশেষ নেতৃত্বত স্বাধীনতাৰ ৭৫ বছৰত স্বাধীনতা সংগ্ৰামী সকলক যি স্বীকৃতি দিয়া হৈছে ইয়াক আমি সফল সমাপন বুলি ধৰিব পাৰো। ভাৰতবৰ্ষৰ প্ৰতিখন ৰাজ্যত যি সকল স্বাধীনতা সংগ্ৰামী আছিল তেওঁলোকক সন্মান জনোৱাৰ বাবে এনে এক ব্যৱস্থা গ্ৰহণ কৰিছে। আজি মাননীয় মুখ্যমন্ত্ৰী মহোদয়ে বিশেষ ভাৱে কনকলতা বৰুৱাৰ নাম লোৱাৰ বাবে মই তেওঁক ধন্যবাদ জ্ঞাপন কৰিছো। আজি মাননীয় মুখ্য মন্ত্ৰী ডাঙৰীয়াও কণকলতা বৰুৱাৰ নাম লৈছে, তাৰবাবে মই তেখেতক বিশেষভাৱে ধন্যবাদ জনাইছো আৰু তেখেতৰ বিশেষ তৎপৰতাত গহপুৰত কণকলতা বৰুৱা আৰু মুকুন্দ কাকতিৰ স্মৃতি চিৰ যুগমীয়া কৰিবৰ কাৰণে পদক্ষেপ গ্ৰহণ কৰিছে। আজি বিত্ত মন্ত্ৰী ডাঙৰীয়ানীও আমাৰ মাজত আছে। গতিকে মই আপোনাৰ জৰিয়তে মুখ্যমন্ত্ৰী ডাঙৰীয়া আৰু বিত্ত মন্ত্ৰী ডাঙৰীয়ানীক জনাব বিচাৰিছো যে কণকলতা বৰুৱা যিহেতু একবাৰে কম বয়সতে মৃত্যুবৰণ কৰা স্বাধীনতা সংগ্ৰামী আছিল, সেয়েহে আগন্তুক দিনত যাতে তেখেতৰ নামত গহপুৰত এখন শিক্ষানুষ্ঠান নিৰ্মাণ কৰা হয়। তাৰবাবে মই স্বাধীনতাৰ এই অমৃত মহোৎসৱত আহ্বান জনাইছো। লগতে মই কিছু দুখেৰে জনাব বিচাৰিছো যে মুকুন্দ কাকতি আৰু ক ণকলতা বৰুৱাৰ পৰিয়ালত কোনো বিশেষ চৰকাৰী চাকৰিৰ ব্যৱস্থা বৰ্তমানলৈ হোৱা নাই। দুই এজনৰ হৈছে যদিও সেয়া অস্থায়ী। যিহেতু এই পৰিয়াল দুটাৰ অৱস্থা ইমান ভাল নহয়, সেয়েহে চৰকাৰৰ ফালৰ পৰা যদি তেওঁক অলপ সহায় কৰিব পৰা যায়, তাৰবাবে মই আপোনাৰ জৰিয়তে আহ্বান জনাইছো। লগতে 'আজাদী কা অমৃত মহোৎসৱ'ত আপুনি মোক ক'বলৈ সুবিধা দিয়াৰ বাবে ধন্যবাদ জনাইছো। ধন্যবাদ।

**মাননীয় অধ্যক্ষ ঃ** ধন্যবাদ। এতিয়া শ্ৰী মতী নন্দিতা দাস।

**শ্ৰী মতী নন্দিতা দাস, (বকো) ঃ** জয়জয়তে মই যিসকল ব্যক্তিৰ ত্যাগ আৰু কষ্টৰ বিনিময়ত স্বাধীনতাৰ সোৱাদ লাভ কৰিবলৈ সক্ষম হৈছো তেখেক সকললৈ শ্ৰদ্ধা নিবেদন কৰিছো।স্বাধীনতাৰ ৭৫ বছৰ সম্পূৰ্ণ হোৱাৰ বাবে 'আজাদী কা অমৃত মহোৎসৱ' সমগ্ৰ ভাৰতবৰ্ষৰ লগতে অসমতো বিভিন্ন কাৰ্য্যসূচী ৰূপায়ণ হৈছে আৰু আজিৰ বিশেষ অধিবেশন ৰূপায়ণ কৰি সদনত আমাক কোৱাৰ বাবে যি সুবিধা দিছে তাৰবাবে অধ্যক্ষ মহোদয়ক মই ধন্যবাদ জনাইছো। স্বাধীনতাৰ যি সংগ্ৰাম সেয়া আমি উপলব্ধি কৰিব পাৰো। আজি মুখ্যমন্ত্ৰী ডাঙৰীয়াৰ লগতে কেইবাজনো বক্তাই আমাৰ বীৰ-বীৰাঙ্গনা সকলৰ যি কথা ব্যক্ত কৰিলে, সেই সকলোখিনি কথা আমি হৃদয়ঙ্গম কৰিব পাৰো। বহুতৰ ত্যাগৰ বিনিময়ত আমি যি স্বাধীনতা লাভ কৰিলো, তাৰবাবে সকলোৰে লগতে মই নিজেও গৌৰৱ অনুভৱ কৰো। যোৱা পৰহি অসমত যি স্বাধীনতা দিৱস পালন কৰা হ'ল, তাত মুখ্যমন্ত্ৰী ডাঙৰীয়াই দিয়া বক্তব্য আমি মনোযোগেৰে শুনিছিলো। তেখেতে এটা কথা কৈছিলে যে আমাৰ ৰাজ্যত বা যিখন ৰাজ্যত আই মাতৃ, বাই ভনী বা কিশোৰী সুৰক্ষিত নহয়, যিখন ৰাজ্যত জাত-পাতৰ বিচাৰ কৰি মৃতকৰ সৎকাৰ বৰ্জণ কৰা হয়, সেইখন ৰাজ্য কেতিয়াও ভাৰতবৰ্ষৰ উন্নয়ণৰ পঞ্চম খন ৰাজ্য হ'ব নোৱাৰে।

মই মুখ্যমন্ত্ৰী ডাঙৰীয়াক ধন্যবাদ জনাইছো যে তেখেতে অকপটে স্বীকাৰ কৰিছে যে স্বাধীনতাৰ ৭৫ বছৰ পিছতো আজিও নাৰী নিৰ্যাতন হৈ আছে, নাৰী বহুত পিছপৰি আছে, পুৰুষৰ

সমানে সমানে নাৰী আগবাঢ়ি যোৱাটো আমি দেখা নাই। National Crime Beauro ৰ জৰিয়তে নাৰী সুৰক্ষাৰ ক্ষেত্ৰত যি তথ্য আমি পাইছো সেয়া সন্তোষজনক নহয়। মাননীয় অধ্যক্ষ মহোদয়, আমি আমাৰ বক্তব্যত সকলোৱে স্বীকাৰ কৰিছো যে স্বাধীনতা সংগ্ৰামত নাৰী সকলে অগ্ৰণী ভূমিকা পালন কৰিছিলে। তেওঁলোকৰ বহুতৰে নাম আজি সকলো বক্তাৰ ভাষণত শুনিবলৈ পাইছো। মুলাগাভৰু, কণকলতা বৰুৱা, ভোগেশ্বৰী ফুকননী, মতিয়ুৰ নেছা, ৰেৱতী লাহন, ৰাণী গাইডিনলীউ আৰু বহুতো। অধ্যক্ষ মহোদয়, কণকলতা বৰুৱাই বৃটিছ পুলিছৰ গুলীত মৃত্যুবৰণ কৰিবলগা হ'ল। মতিয়ুৰ নেছা সেই সময়ত যেতিয়া আন্দোলনকাৰী আছিলে তেওঁ গৰ্ভৱতী আছিল। বৃটিছসকলে যেতিয়া তেওঁক আটক কৰিছিলে, তেওঁক আন্দোলন নকৰো বুলি apology কৰিবলৈ দিছিল। তেতিয়া তেওঁক বৃটিছে ৰেহাই দিম বুলি কৈছিল। কিন্তু মতিয়ুৰ নেছাই তেওঁলোকৰ কথা মানি লোৱা নাছিল আৰু তীব্ৰভাৱে আন্দোলন কৰিছিল। সেইবাবে বৃটিছে তেওঁক আটক কৰি জেললৈ পঠিয়াইছিল আৰু জেলত তেওঁ সন্তান জন্ম দিবলগা হৈছিল। সেই সময়ত বৃটিছৰ জেলৰ কি অৱস্থা আছিল সেয়া আমি অনুভৱ কৰিব পাৰো। সুধালতা দত্তই সেই সময়ত আমাৰ যিবিলাক গুপ্তচৰ আছিল বা সংগ্ৰামী সকলৰ যি খবৰ আছিল সেই খবৰ বিলাক দিবলৈ কোলাত কেচুৱা লৈ বহুদূৰ খোজকাঢ়ি গৈছিল। গান্ধীজীও আমাৰ মহিলা সকলৰ সংগ্ৰামক স্বীকৃতি দিছিল। সেই সময়ত বৃটিছ প্ৰধানমন্ত্ৰী Ramsay MacDonald য়ে কৈছিল যে "Who they are afraid of was not Gandhi but immemorable women of India who became the mouth piece of the messages of the revolt in every household. No military force could suppress such an awakening." আমাৰ ভাৰতবৰ্ষৰ মহিলা সকলক প্ৰশংসা কৰিছিল আৰু তেওঁলোকৰ ত্যাগক স্বীকৃতি দিছিল।

মাননীয় অধ্যক্ষ মহোদয়, সেই পৰিৱেশ আজিও বহুত বেছি উন্নত হোৱা বুলি আমি ধাৰণা কৰিব নোৱাৰো। স্বাধীনতাৰ আগৰ সময়বিলাকত বা স্বাধীনতাৰ পাছৰ সময়বিলাকত সমাজত বহুতো কু-প্ৰথা যেনে -সতী প্ৰথা, বাল্য বিবাহ, বিধৱা বিবাহ বিলুপ্তিকৰণ, যৌতুক প্ৰথা, পৰ্দা ব্যৱস্থা, শাৰিৰীক অত্যাচাৰ, যৌন অত্যাচাৰ আদি আছিল। লাহে লাহে বহুখিনি কু-প্ৰথা বিলুপ্ত হৈছে। সেই সময়ৰ সমাজ সংস্কাৰক ৰাজা ৰাম মোহন ৰয়ৰ দৰে কিছুমান মহান ব্যক্তিৰ দুৰদৰ্শী চেষ্টাৰ বাবে এই অপ সংস্কৃতি সমূহ কিছু কমিছে। কিন্তু এতিয়াও একেবাৰে বিলুপ্ত হৈ যোৱা নাই। নাৰী ধৰ্ষণ, শিশু অপহৰণ, যৌতুক আদি এতি য়াও চলি আছে। এতিয়াও মহিলা সকল একবাবে সুৰক্ষিত নহয়। সেয়েহে আমি ক'ব বিচাৰিছো যে পৃথিৱীৰ ভিতৰত ভাৰতবৰ্ষ এখন শ্ৰেষ্ঠ গণৰাজ্যিক গণতন্ত্ৰ হিচাপে প্ৰতিষ্ঠা লাভ কৰাৰ পিছতো নাৰী সমাজৰ কিয় এই অৱস্থা? নাৰী সমাজ এতিয়াও কিয় ইমান পিছপৰি আছে? কিয় আমি পুৰুষৰ সমান অধিকাৰ পোৱা নাই? বি.আৰ আম্বেদকাৰে তেওঁৰ সংবিধানত নাৰীক যথেষ্ঠ অধিকাৰ দি গৈছে। Indian Constitution ৰ Preamble ত আমাক economic, political power, right to equality আদি অধিকাৰ দি গৈছে। Right to equality সংবিধানৰ ১৪ নং দফাত আছে। আমাৰ আইন বহুত আছে। বহুতো আইন স্বাধীনতাৰ পৰৱৰ্তী কালত নিৰ্মাণ হৈছিলে। Hindu Marriage Act, 1955, Hindu Succession Act, 1956, Special Marriage Act, Dowry Prohibition Act হৈছিল, নিৰ্ভয়া ঘটনাৰ পাছত Criminal Law Act হৈছিল, ২০১৩ চনত। ইমানবোৰ আইন থকাৰ পিছতো আজিও কিন্তু মহিলা সুৰক্ষিত নহয়। আজিও উন্নাও, হথৰাচ কথোৱাৰ নিচিনা ঘটনা স্বাধীনতাৰ ৭৫ বছৰ পাছতো দেখিবলৈ পাইছো।

অধ্যক্ষ মহোদয়, মই শেষ কৰাৰ আগতে এটা অনুৰোধ কৰিব বিচাৰিছো, নাৰীক যদি ৰাজনৈতিকভাৱে সবল কৰা নহয়, ৰাজনৈতিক ক্ষমতা দিয়া নহয়, যিখন দেশত ৫০ শতাংশ নাৰী সেইখন দেশ কেতিয়াও উন্নতিৰ শিখৰত আগবাঢ়ি যাব নোৱাৰে। মুখ্যমন্ত্ৰী ডাঙৰীয়াও যি কথা কৈছে, দেশৰ ৫ খন উন্নত ৰাজ্যৰ ভিতৰত অসম অন্যতম কেতিয়াও হ'ব নোৱাৰে। আমাৰ Constituent Assembly ত সেই সময়ত ১৫ গৰাকী মহিলা আছিলে। আজিও লোকসভাত ১৫ শতাংশ মহিলা, ৰাজ্যসভাত ১২ শতাংশ আৰু বিধান সভাত ৯ শতাংশ মহিলা আছে। সেয়েহে অধ্যক্ষ মহোদয়, আমি বিচাৰো মহিলা সকলক শক্তিশালী কৰিবলৈ হ'লে, দেশখন আগবঢ়াই নিবলৈ হ'লে আমি ৩৩ শতাংশ যিটো reservation লোকসভাৰ, ৰাজ্যসভাৰ লগতে বিধান সভাত ৰাখিব লাগে।

**মাননীয় অধ্যক্ষ ঃ** এতিয়া শ্ৰীমতী অজন্তা নেওগ।

**শ্ৰীমতী অজন্তা নেওঁগ, (মন্ত্ৰী, বিত্ত ইত্যাদি) ঃ** অধ্যক্ষ মহোদয়, আজাদী কা অমৃত মহোৎসৱৰ এইবাৰ তিনিদিনীয়া যি কাৰ্য্যসূচী আমাৰ ৰাষ্ট্ৰত আজি হ'ল, বিশেষভাবে ব্যক্তিগতভাবে মোৰ অনুভৱ অধ্যক্ষ মহোদয়, মোৰ জীৱন কালত এনেধৰনে মানুহৰ মাজত উৎসাহ উদ্দীপনা দেখা পালো ত্ৰিৰংগা পতাকাক লৈ , ই আমাৰ ৰাষ্ট্ৰখনৰ কাৰণে নিশ্চিতভাবে এক শুভ লক্ষণ যিয়ে আমাৰ যুৱ প্ৰজন্মৰ মাজত দেশপ্ৰেম পুনৰ জাগৃত কৰিছে যেতিয়া পতাকা তুলিবলৈ গৈছিলো অধ্যক্ষ মহোদয় তেতিয়া আমাৰ গোটেই পথ বিলাকত হাজাৰ হাজাৰ যুৱক-যুৱতীয়ে ৰাষ্ট্ৰীয় পতাকাক লগত লৈ তেওঁলোকৰ মাজত যেনেধৰণৰ দেশপ্ৰেম জাগ্ৰত হৈছিল বা পতাকা উত্তোলনত তেওলোকে যিধৰনে অংশ গ্ৰহণ কৰিলে সেইটো আমাৰ সকলোৰে কাৰণে বিৰল অভিজ্ঞতা । অধ্যক্ষ মহোদয় আজি আমাৰ স্বাধীনতাৰ ৭৫ বছৰ সম্পূৰ্ণ হৈছে , আমাৰ প্ৰধান মন্ত্ৰী ডাঙৰীয়াই সমগ্ৰ ৰাষ্ট্ৰৰ জনসাধাৰণক আহ্বান জনাইছিল ত্ৰিৰংগা পতাকা উত্তোলন কৰাৰ বাবে। আমাৰ মুখ্যমন্ত্ৰী ডাঙৰীয়াও ৰাইজক আহ্বান জনাইছিল ত্ৰিৰংগা পতাকা উত্তোলন কৰিবলৈ আৰু তাৰ ফলশ্ৰুতিত আমাৰ ভাৰতবৰ্ষ আৰু অসমৰ ৰাইজে যেনেধৰণে হিলদোল ভাঙি, আবাল-বৃদ্ধা- বনিতাসহ ৰাজপথলৈ ওলাই আহিছিল, সেই বিৰল মূহুৰ্ত্তৰ সাক্ষী হ'বলৈ পাই আমাৰ জীৱন ধন্য হৈছে। ভাৰতবৰ্ষৰ স্বাধীনতা লাভৰ এই ৭৫ বছৰীয়া বৰ্ষপূতিত মই দেশৰ মুক্তি যোদ্ধাৰ নেতা মহামানৱ মহাত্মা গান্ধীক গভীৰ শ্ৰদ্ধাৰে স্মৰণ কৰিছো আৰু লগতে সোঁৱৰণ কৰিছো এই মুক্তি যুদ্ধত অংশ গ্ৰহণ কৰা সকলো খ্যাত- অখ্যাত, জ্ঞাত- অজ্ঞাত মুক্তি যোদ্ধাসকলক, যিসকলৰ ত্যাগ আৰু কষ্টৰ ফলত দেশে স্বাধীনতা লাভ কৰিবলৈ সক্ষম হৈছে। অধ্যক্ষ মহোদয়, ইতিমধ্যে অসমৰ মাননীয় মুখ্য মন্ত্ৰী ডাঙৰীয়াই অসমত মুক্তি যোদ্ধাত যি বৰঙনি আছিল আৰু বৰ্ত্তমানৰ প্ৰেক্ষাপটত যুদ্ধখনৰ সকলো কথাই বিস্তৃতভাবে অতি সুন্দৰভাবে বিৱৰণী কৰিছে সেইখিনি মই দোহাৰিব নোখোজো। মই মাত্ৰ কেইটামান এই মুক্তিযুদ্ধৰ ঘটনাৰ কথা ক'ব বিচাৰিছো। অধ্যক্ষ মহোদয়, ১৮৫৭ চনত আমাৰ ভাৰতত চিপাহী বিদ্ৰোহৰ সূচনা হৈছিল। সেইসময়ত যিসকল ইতিহাসবিদ আছিল সেইসকলে ভাৰত বিৰোধী স্থিতি গ্ৰহণ কৰাৰ কাৰণে স্বাধীনতা সংগ্ৰাম বুলি গ্ৰহণ কৰিছিল। চিপাহী বিদ্ৰোহৰ প্ৰথমজন শ্বহীদ আছিল মঙ্গল পাণ্ডে আৰু তেখেতে ৰাষ্ট্ৰীয় স্তৰত স্বীকৃতি লাভ কৰিছে। কিন্তু অসমত এই চিপাহী বিদ্ৰোহৰ সংগ্ৰামখন আৰম্ভ হৈছিল ১৮২৮ চনত আৰু এই বৃটিছ বিৰোধী নায়কজন আছিল গোমধৰ কোঁৱৰ আৰু ধনঞ্জয় বৰগোঁহাই। ১৮৩০ চনত বৃটিছ বিৰোধী বিপ্লৱৰ সূচনা আৰম্ভ কৰা পিয়লি ফুকন আৰু জিউৰাম দুলীয়া বৰুৱাক বৃটিছে ফাঁচী কাঠত ওলোমাইছিল। সেই কাৰণে মই এই পৰিঘটনাৰ পৰা অনুভৱ কৰো যে ভাৰতৰ স্বাধীনতা সংগ্ৰামৰ ফাঁচীকাঠত

ওলমা প্ৰথমজন শ্বহীদ আছিল অসমৰ পিয়লি ফুকন আৰু জিউৰাম দুলীয়া বৰুৱা। ১৮৫৭ চনৰ দুগৰাকী শ্বহীদ হ'ল- মনিৰাম দেৱান আৰু পিয়লি বৰুৱা । অধ্যক্ষ মহোদয়, মই এই পবিত্ৰ সদনত এই খিনি কথা দোহাৰিবলৈ পাই অতি গৌৰৱ অনুভৱ কৰিছো। সেইটো হৈছে-১৮৫৭ চনত চিপাহী বিদ্ৰোহৰ ৰণহুংকাৰ আৰম্ভ হৈছিল মোৰ সমষ্টিৰ 'নগড়া' অঞ্চলত। এই কথাখিনি হয়তো বহুতে নাজানে। এই 'নগড়া' অঞ্চলত ভাৰতীয় চিপাহীসকলৰ এটা চাউনী আছিল আৰু সেই সময়ত এই 'লাইট ইনফ্ৰেন্টিৰ বেটেলিয়ন'ৰ চিপাহীসকলে ইতিমধ্যে চিপাহী বিদ্ৰোহৰ কথা গম পাইছিল। ইয়াৰ ওপৰিও মনিৰাম দেৱানৰ সহযোগী পিয়লি বৰুৱায়ো এই ক্ষেত্ৰত তেওঁলোকক প্ৰভাম্বিত কৰিছিল। এই চিপাহীসকলে ১৮৫৭ চনৰ ২৯ আগষ্টৰ নিশা ৯ বজাত 'নগড়া' চাউনীত একত্ৰিত হৈছিল আৰু অসমত প্ৰথম বৃটিছ বিৰোধী পতাকা উন্মোচন কৰিছিল। এইটো কিন্তু এটা অতি ঐতিহাসিক ঘটনা অধ্যক্ষ মহোদয়। এই কথাখিনি 'পলিটিকেল হিষ্টৰী অৱ আসাম' ৰ দ্বিতীয় খণ্ডত লিপিবদ্ধ আছে। স্বাধীনতাৰ সোনালী বৰ্ষত গোলাঘাট জিলা প্ৰশাসনে ১৯৯৭ চনত এই তথ্য প্ৰথম বাৰ পোহৰলৈ আনিছিল। বিধায়িকা হিচাপে মই তাত কৃৰ্ত্তিস্তম্ভ এটা পুনৰ নিৰ্মাণ কৰিছিলো। এই গোটেই ঘটনাটো স্থাপিত কৰিবৰ কাৰণে অধ্যক্ষ মহোদয়, আজি সদনত ক'বলৈ পাই মই গৌৰৱ অনুভৱ কৰিছো যে ১৮৫৭ চনত যি চিপাহী বিদ্ৰোহ প্ৰথমে গোলাঘাট জিলাত হৈছিল। ইয়াৰ পিচত অধ্যক্ষ মহোদয় মই স্বাধীনতা সংগ্ৰামৰ দুগৰাকী হিৰোৰ কথা ক'বলৈ গৈছো কাৰণ স্বাধীনতা সংগ্ৰামত বহুতো এনেধৰণৰ খ্যাত- অখ্যাত ব্যক্তি আছে তেখেতসকলে এই ইতিহাসত স্থান নাপালে। ইয়াৰে এগৰাকী মহিলা অধ্যক্ষ মহোদয়। ভাৰতবৰ্ষৰ এই স্বাধীনতা সংগ্ৰামত মহিলাসকলৰ এক গুৰুত্বপূৰ্ণ ভূমিকা আমাৰ অসমতো আছিল। আজিও তেখেতসকলৰ নাম সংগ্ৰামী ইতিহাসত লিপিবদ্ধ হোৱা নাই। মই এগৰাকী স্বাধীনতা সংগ্ৰামী মহিলাৰ নাম উল্লেখ কৰিব বিচাৰিছো অধ্যক্ষ মহোদয়, তেখেত হৈছে 'গায়ত্ৰী দাস'। ১৯৩২ চনত যি আইন অমান্য আন্দোলন আৰম্ভ হৈছিল তাত তেখেতে অংশ গ্ৰহণ কৰিছিল। তাৰ বাবে তেখেতক গোলাঘাটত গ্ৰেপ্তাৰ কৰা হৈছিল আৰু তেখেত তেতিয়া গৰ্ভৱতী আছিল। তাৰ পিচত তেখেতক শিৱসাগৰ কাৰাগাৰত লৈ যোৱা হৈছিল। তাত তেখেতৰ স্বাস্থ্যৰ অৱনতি হৈছিল আৰু প্ৰচুৰ ৰক্তক্ষৰণ হ'ল। সেই সময়ত তেখেতক কোৱা হৈছিল যে যদি জেলৰ পৰা যাব বিচাৰে এখন 'লেখা' জেল অধিকাৰীক দিব লাগিব। কিন্তু তেখেতৰ দেশপ্ৰেম ইমান অটল আছিল যে নিজৰ জীৱনকো তুচ্ছ কৰি তেখেতে লেখা নিদি জেলতেই মৃত্যুবৰণ কৰিছিল। তেখেত এগৰাকী অখ্যাত মুক্তি যুজাৰু অধ্যক্ষ মহোদয়। এই খিনি তথ্যসহকাৰে ডঃ দিপ্তী শৰ্মা বুলি এগৰাকী গবেষকে পোহৰলৈ আনিছিল। এতিয়া দ্বিতীয় গৰাকী মুক্তি যোদ্ধাৰ কথা ক'ব বিচাৰিছো অধ্যক্ষ মহোদয়। ইতিমধ্যে মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়াই তেখেতৰ কথা ইতিমধ্যে উল্লেখ কৰিছে। তেখেতৰ নাম হৈছে 'বিজু বৈষ্ণৱ '। তেখেত চাহ জনগোষ্ঠীৰ লোক আছিল। তেখেতৰ ঘৰ গোলাঘাট জিলাৰ নুমলীগড়ত। ১৯৩২ চনৰ ২৯ ফেব্ৰুৱাৰীত গোলাঘাটত তেখেতক গ্ৰেপ্তাৰ কৰা হৈছিল। জেলত থকা অৱস্থাত তেখেত যোৰহাট কাৰাগাৰত মৃত্যুবৰণ কৰে। তেখেতো অসুস্থ অৱস্থাত কোনো 'লেখা ' নিদিয়াকৈ দেশ প্ৰেমত অটল হৈ আছিল আৰু তাতে মৃত্যুবৰণ কৰিছিল। এই মুক্তি যোদ্ধা 'বিজু বৈষ্ণৱ'ৰ জেল ৰেকৰ্ড এতিয়াও আছে। কিন্তু দুখৰ কথা অধ্যক্ষ মহোদয়, এই দুই গৰাকী সংগ্ৰামী সেনানীৰ নাম ইতিহাসত এতিয়াও সন্নিবিষ্ট হোৱা নাই। আমাৰ চৰকাৰক মই দৃষ্টিগোচৰ কৰাব বিচাৰিছো যে এই দুই গৰাকীৰ নাম মুক্তি যোদ্ধাৰ ইতিহাসত সন্নিবিষ্ট কৰিব লাগিব। অধ্যক্ষ মহোদয়, কুশল কোঁৱৰৰ বিষয়ে আমি সকলোৱে জানো যে, ১৯৪২ চনৰ বিপ্লৱত আমাৰ ভাৰতবৰ্ষত বৃটিছৰ গুলীত বহুতো লোক নিহত হৈছিল। আমাৰ অসমতো প্ৰায়

পচিছ জন লোক নিহত হৈছিল । মই কুশল কোৱঁৰৰ এটা বিশেষ কথা ক'ব বিচাৰিছো অধ্যক্ষ মহোদয়, ১৯৪২ চনৰ বিপ্লৱৰ কুশল কোৱঁৰ হৈছে এগৰাকী স্বাধীনতা সংগ্ৰামী যাক এটা স্পেচিয়েল কোৰ্টৰ জাজমেন্টৰ ওপৰত ভিত্তি কৰি ফাঁচী দিয়া হৈছিল। ভাৰতৰ ভিতৰত তেখেতেই প্ৰথম , আনহাতে আনসকলে গুলীত মৃত্যুবৰণ কৰিছিল। কিন্তু দুখৰ কথা অধ্যক্ষ মহোদয় এই কথাখিনি আমি ভালকৈ স্থাপিত কৰিব পৰা নাই। ১৯৪২ চনৰ সংগ্ৰামত আমাৰ অসমৰ বহুতো যোদ্ধাৰ বৰঙনি আছিল। সেই সকলৰ ভিতৰত আমাৰ মুক্তি যোদ্ধা শংকৰ বৰুৱা- তেখেতৰ ওপৰত ১০ হাজাৰ টকা বৃটিছ চৰকাৰে ঘোষণা কৰিছিল। আমি কনকলতাৰ কথা জানো, ভোগেশ্বৰী ফুকননীৰ কথা জানো। সেইখিনি সময়ত যেতিয়া ঢেকীয়াজুলিত গুলিচালনা হৈছিল বহুতো মহিলাই তাত অংশ গ্ৰহণ কৰিছিল। সেই সকলৰ তিলেশ্বৰী বৰুৱা, খাহুলি দেৱী, কুমলি দেৱী ইত্যাদি। কিন্তু এখেত সকলৰ কথা আমি যেনেধৰণে কনকলতাৰ কথা জানো, ভোগেশ্বৰী ফুকননী ডাঙৰীয়ানীৰ কথা জানো, কিন্তু এই সকল বেছি আনচাং হিৰোৰ নিচিনা, তেখেত সকলৰ কথা এতিয়াও বহল ভাৱে প্ৰচাৰ হোৱা নাই। গতিকে এইটো কথা মই অধ্যক্ষ মহোদয়, ক'ব বিচাৰিছোঁ যে অসম চৰকাৰে এতিয়া আমাৰ বিদ্যালয় বিলাকত বুৰঞ্জীত এটা পাঠ্যক্ৰম হিচাপে অন্তৰ্ভূক্ত কৰাৰ ব্যৱস্থা গ্ৰহণ কৰিছে। মই এই খিনিকে মোৰ ফালৰ পৰা ক'ব বিচাৰিছোঁ যে আজি আমাৰ স্বাধীনতাৰ যি ৭৫ বছৰ পাৰ হৈছে আমি অমৃত মহোৎসৱ পালন কৰিছোঁ ইয়াৰ লক্ষ্য হৈছে যে মানুহৰ মাজত দেশপ্ৰেম জগাই তোলা, যুৱক-যুৱতীৰ মাজত স্বাধীনতা সংগ্ৰামী সকলে যি ত্যাগ আৰু আদৰ্শৰে দেশখন স্বাধীন কৰিছিল, এখন স্বাধীন ভাৰতবৰ্ষ পাবলৈ তেওঁলোকে সপোন দেখিছিল, সেই সপোনৰ লক্ষ্য আদৰ্শ হিচাপে লৈ তেওঁলোকৰ মাজত দেশপ্ৰেম জগাই তোলা আৰু সেই কাৰণে এই বুৰঞ্জী পুথি বিলাকত অধ্যক্ষ মহোদয়, যিখন মূল পুথি হ'ব তাত হয়তো ভাৰতবৰ্ষৰ স্বাধীনতা আন্দোলনৰ কথা থাকিব। অসমৰ স্বাধীনতা আন্দোলনৰ কথা থাকিব। কিন্তু আমাৰ জিলা বিলাকত যি বিলাক আমাৰ মুক্তি যোদ্ধা বিলাক আছিল সেই বিলাকৰ কথা বিস্তৃত ভাৱে থাকিব লাগে। নহ'লে আমি স্বাধীনতা সংগ্ৰামৰ বুৰঞ্জী নতুন প্ৰজন্মক আমি ভালকৈ কেতিয়াও দিব নোৱাৰিম। হয়তো আমিও আমাৰ জিলা বিলাকত বহুত মুক্তিযোদ্ধা আছে। আনচাং হিৰো আছে। সেই বিলাক আমিও হয়তো ভালকৈ নাজানো। গতিকে মোৰ বিনম্ৰ অনুৰোধ এইটোৱে থাকিব মূল বুৰঞ্জীখনত যদিও অন্তৰ্ভূক্ত কৰিব নোৱাৰে যদি তেওঁলোকে কিবা ৰেপিড ৰিডাৰ হিচাপেও জিলা ভিত্তিত আমাৰ যি সকল মুক্তি যোদ্ধা আছে তেওঁলোকৰ সম্পৰ্কে যদি আমাৰ ল'ৰা-ছোৱালী সকলক আমি জ্ঞান দিব পাৰো তেতিয়াহে আচলতে স্বাধীনতা সংগ্ৰামৰ ৭৫ বছৰীয়া কাৰ্য্যসূচী হিচাপে আজি আমি যি অমৃত মহোৎসৱ গ্ৰহণ কৰিছোঁ আমি যদি আমাৰ ল'ৰা-ছোৱালী বিলাকক নতুন প্ৰজন্মক মুক্তি যোদ্ধা সকলৰ ত্যাগ আৰু আদৰ্শৰ বিষয়ে আমি তেওঁলোকক জ্ঞান দিব পাৰো প্ৰকৃতাৰ্থত মই ভাৱিম যে তেতিয়াহে আমাৰ কাৰ্য্যসূচী সফল হ'ব। আজি মুক্তিযোদ্ধা সকলৰ যি আদৰ্শ আছিল, যিটো দৃষ্টিভঙ্গীৰে তেওঁলোকে ৰাষ্ট্ৰখন গঢ়াটো বিচাৰিছিল, প্ৰধান মন্ত্ৰী মোডী ডাঙৰীয়াই সেই কাৰণে কৈছে যে আমাৰ চৰকাৰৰ যি বিলাক আঁচনি আছে সেই সকলে সমাজৰ শেষৰ ব্যক্তিজনক চুব লাগিব। যিটো হৈছে অন্তোদয়া। সেই কাৰণে মুখ্যমন্ত্ৰী ডাঙৰীয়াও আজি এটা বছৰত যি খিনি আঁচনি গ্ৰহণ কৰিছে সেই আঁচনিৰ লক্ষ্য হৈছে যে সমাজৰ একেবাৰে শেষৰ জন ব্যাক্তিক চোৱা। আমি সচাঁকৈ গৌৰৱ অনুভৱ কৰিছোঁ যে আজি আমাৰ লোকপ্ৰিয় গোপীনাথ বৰদলৈ মৃত্যু দিৱসক লোক সেৱা দিৱস হিচাপে আজি চৰকাৰ খনে ৰূপায়ণ কৰিছে। আজি সচাঁ অৰ্থত আজি চৰকাৰ খনে মুক্তি যুদ্ধা সকলক শ্ৰদ্ধা জনাই আমাৰ জনসাধৰণৰ এখন জনকল্যাণ

মুখী কাম কৰিবলৈ আগবাঢ়ি গৈছে। পুনৰ বাৰ মুক্তি যুদ্ধা সকলৰ ত্যাগ আৰু তেওঁলোকৰ প্ৰতি পুনৰ বাৰ মই শতকোটি প্ৰণাম জনাই মোৰ ক'বলগীয়াখিনি ইমানতে সামৰণি মাৰিছোঁ, জয় হিন্দ, বন্দে মাতৰম।

**মাননীয় অধ্যক্ষ ঃ** ধন্যবাদ। এতিয়া মই ক'বলৈ অনুৰোধ কৰিব খুজিছোঁ আমাৰ মাননীয় মন্ত্ৰী শ্ৰী উৰ্খাও গৌৰা ব্ৰহ্ম।

**শ্ৰী উৰ্খাও গৌৰা ব্ৰহ্ম, (মন্ত্ৰী) ঃ** ধন্যবাদ, অধ্যক্ষ মহোদয়, আজি এই পবিত্ৰ সদনত ভাৰতৰ স্বাধীনতা ৭৫ বছৰ অতিক্ৰম কৰা কাৰ্য্যসূচীৰ লগত যিখিনি special session বহিছে ইয়াত মোক কবলৈ সুবিধা দিছে। ইতিমধ্যে আমি ৭৫ বছৰ অতিক্ৰম কৰি ৭৬ বছৰত পদাৰ্পন কৰা ভাৰত স্বাধীনতাৰ ১৫ আগষ্টত উলহ মালহেৰে অসমতো উদ্‌যাপন কৰিছোঁ। ইয়াৰ লগতে উল্লেখনীয়া কথাটো হ'ল যে এই বছৰ তিনি ধৰি যিটো হৰ ঘৰ ত্ৰিৰঙ্গা কাৰ্য্যসূচী আমি লৈছো, ব্যাপক হাৰত এনেকুৰা সফলতা আমি দেখিবলৈ পোৱা নাছিলোঁ, কাৰণ ভাৰতবৰ্ষৰ প্ৰতিটো ঘৰত আমাৰ দেশৰ স্বাভিমানৰ প্ৰতীক ত্ৰিৰঙ্গা উৰিছিল। ইয়াত ৰাজনৈতিক দলৰ মাজত শাসক-বিৰোধী কোনো বিভেদ নাৰাখি সকলোৱে এই আহ্বানৰ সঁহাৰি দিছিল। আজি আমি কেইটামান কথা জানিব পাৰিছো যে অসমত গনতন্ত্ৰ খৰৰৰ কথা আমি ইতিহাসত পাওঁ, কিন্তু অসমৰ ভিতৰতে আবদ্ধ থাকে। অথচ সেইজন ব্যাক্তিয়ে অসমে ইয়াণ্ডাবু সন্ধিৰ পিছত বৃটিছৰ হাতত যোৱাৰ ২ বছৰ পিছতে বৃটিছৰ বিৰূদ্ধে বিদ্ৰোহ আৰম্ভ কৰিছিল। ভাৰত স্বাধীনতাৰ বৃটিছৰ বিৰূদ্ধে যুঁজখন ইয়াতে প্ৰথম হৈছিল বুলি আমি কব পাৰো। কিন্তু দেশৰ ইতিহাসত সেই সম্পৰ্কে পোৱা নাযায়। আনফালেদি মঙ্গল পাণ্ডে চিপাহী বিদ্ৰোহ কৰিছিল ১৭৫৬ চনত। তাৰ ২৯ বছৰ আগত ইয়াত বিদ্ৰোহ আৰম্ভ হৈছিল। নিশ্চয় আমাৰ কৰনীয় দায়িত্ব আছে। ইয়াত peasant movement হৈছিল, পিছত বিদ্ৰোহ হৈছিল। ভাৰতবৰ্ষত ১৭৫৭ চনৰ পৰা যদি কৃষক বিদ্ৰোহ হোৱা বুলি আমি ধৰি লওঁ কিন্তু তেতিয়া সচাঁ অৰ্থত সেই বিদ্ৰোহ নাছিল uprise হৈছিল, অসন্তুষ্ট হৈছিল। কিন্তু আচল বিদ্ৰোহ অসমত ১৮৬১ চনৰ পৰা যিটো হৈছে প্ৰকৃত অৰ্থত বৃটিছ শাসনৰ বিৰূদ্ধে কৰা বিদ্ৰোহ এইটোকে ক'ব পাৰি। কিন্তু আমি ৰাষ্ট্ৰীয় প্ৰেক্ষাপতত এই ইতিহাস সম্পৰ্কে আমি আনিব পৰা নাই। সন্মানীয় সদন, স্বাধীন ভাৰতৰ দেশ বাসীয়ে আজি আজাদী কা অমৃত মহোৎসৱ উদ্‌যাপন কৰাৰ লগে লগে দেশৰ অমৃত কাল আৰম্ভ হৈছে। ১০০ বছৰ সম্পূৰ্ণ কৰাৰ লগে লগে অমৃত কাল সম্পূৰ্ণ হ'ব। আমাৰ উদ্দেশ্য হ'ল যে বিকশিত ভাৰত শ্ৰেষ্ঠ ভাৰত প্ৰধানমন্ত্ৰীয়ে আহ্বান দিছে আৰু এই প্ৰতিজন ভাৰতীয়ৰ কাম্য। তাৰ বিৰোধিতা কৰিবলগীয়া কিবা এটা যুক্তি আছে বুলি মই নাভাৱো। লগে লগে অসমৰ মুখ্যমন্ত্ৰীয়ে আহ্বান এটা দিছে যে বিকশিত অসম শ্ৰেষ্ঠ অসম। ইয়াতে হয়তো কাৰোবাৰ বিভেদ আছে বুলি মই নাভাৱো। কিন্তু আমি গুৰুতৰভৱে এটা সংকল্প লোৱাৰ প্ৰয়োজন আছে বুলি মই ভাৱো। কাৰণ বহুত সময়ত আমাৰ ৰাজনৈতিক আদৰ্শই কেতিয়াবা একেলগে কাম কৰিবলৈ নিদিয়ে কিন্তু ৰাইজৰ স্বাৰ্থত আমি যৌথভাৱে বিকশিত অসম শ্ৰেষ্ঠ অসম গঢ়াৰ যিটো সংকল্প সেইটো আমি সকলোৱে ল'ব লাগে। আমি আজিৰ প্ৰজন্ম সৌভাগ্যবান দেশৰ এই ঐতিহাসিক যাত্ৰাত সকলোৱে সহযাত্ৰী হবলৈ সুযোগ পাইছোঁ। সকলোৰে বাবে সংকল্প হ'ব লাগে শ্ৰেষ্ঠ অসম গঢ়ি তোলা, বিকশিত অসম গঢ়ি তোলা। ৰাজ্য আৰু ৰাজ্যবাসীৰ বাবে এইটো অত্যন্ত আশাজনক বতৰা আৰু উৎসাজনক বতৰা যে বৰ্তমান চৰকাৰ সেই সংকল্প লৈ আগবাঢ়ি আছে। ভাতৰত স্বাধীনতা সংগ্ৰাম আৰু অসমবাসীৰ ইতিহাসত অসম আৰু অসমবাসীৰ অৱদান অপৰিচিত। কিন্তু বহুত বীৰযোদ্ধা সকলক এতিয়া আমি আজি বিভিন্ন কাৰণত লোৱা নাই, প্ৰথম

বাৰৰ বাবে ২০১৬ চনত যেতিয়া দেশে ৭০ তম স্বাধীনতা দিৱস পালন কৰিছিল তেতিয়া উত্তৰপূব অঞ্চলৰ ১০ জন ব্যাক্তিক প্ৰথম বাৰৰ বাবে সন্মান দিয়া হৈছিল। এয়াই হয়তোবা প্ৰথম আনুষ্ঠানিক সন্মান। অসমৰ ইতিহাস যদি ফঁহিয়াই চাওঁ গোমধৰ কোঁৱৰৰ পৰা আৰম্ভ কৰি স্বাধীনতা পোৱালৈকে বহুজন ব্যক্তিৰ অৱদান আছে অজীৱন ত্যাগ কৰিছে। বংগ বিভাজনৰ পিছত ১৯০৫ চনৰ পৰা স্বদেশী আন্দোলনৰ প্ৰভাৱ অসমত ব্যপক হাৰত দেখা গৈছিল। মহামানৰ মহত্মাগান্ধীয়ে ১৯২১ চনৰ পৰা স্বাধীনতা সংগ্ৰাম ৰাষ্ট্ৰীয় প্ৰেক্ষাপতত সবল ভাৱে নেতৃত্ব প্ৰদান কৰা আমি জানো। পৰিৱৰ্তী কালত অসমত স্বাধীনতা আন্দোলনে এক গণ আন্দোলনলৈ ৰূপান্তৰিত কৰি গাঁৱে ভূঞে সোমাই গৈছে। যেতিয়া মহাত্মা গান্ধী অসম ভ্ৰমণৰ কথাতো ইয়াত আলোচনা কৰে এজন মানুহৰ নাম মনত পৰে, ধুবুৰী জিলাৰ ৰূপচীত গৈছিল, তেতিয়া ডাঙৰ এখন সভা কৰিছিল, এজন ব্যক্তি আছিল ৰাজা ৰাম মোহন ৰায়ৰ নিচিনা সমাজ সংস্কাৰক, গুৰুদেৱ কালীচৰণ ব্ৰহ্ম। ১৯১১ চনৰ পৰা তেওঁ সমাজ সংস্কাৰৰ কাম কৰিছিল। তেওঁ স্বাধীনতা সংগ্ৰামীও আছিল আৰু ৰূপচীত মহত্মা গান্ধীক তেওঁ স্বাগতম জনাইছিল লগ ধৰি। তাৰ কাৰণে বড়ো সমাজত তেওঁক মেচ গান্ধী বুলিও অভিহিত কৰিছিল। কিন্তু আজি তেখেতৰ নামত cultural award দিয়া হয় আৰু আমাৰ কিন্তু যথেষ্ট কাম কৰিব লগীয়া আছে বুলি মই ভাৱো। অসমৰ অসহযোগ আন্দোলনৰ পৰা civil disobedience লৈকে চন্দ্ৰনাথ শৰ্মা, তৰুণৰাম ফুকন, গোপীনাথ বৰদলৈৰ দৰে নেতাৰ নেতৃত্বত আন্দোলন ব্যাপক হাৰত হৈছিল। **মণিপুৰৰ পাওঁণা ব্ৰজভাসী, বীৰ টিকেন্দ্ৰ সিং, হাইপু সাদনাং, নাগালেণ্ডৰ ৰাণী গাইদালু, মেঘালয়ৰ ইউতিৰত সিং, চিয়েন লিয়েহ, ইউকিয়াঙ নাংবাহ, তাগাক চাংমা, অৰুণাচলৰ মজেই ৰিবাৰ দৰে মুক্তি যুজাৰু সকলৰ নাম আমি ল'বই লাগিব ।**

**অসমৰ জনজাতি সকলেও মহামানৰ মহাত্মা গান্ধীৰ আহ্বানক সহাৰি জনাই স্বাধীনতাৰ সংগ্ৰামত জপিয়াই পৰিছিল । কিন্তু অসমৰ ইতিহাসতেই হওঁক বা ভাৰতৰ ইতিহাসতেই হওঁক এই ক্ষুদ্ৰ ক্ষুদ্ৰ জনজাতি সকলৰ অৱদানক খুব বেছি চৰ্চা কৰা নহয়। আজি মই কেইটামান উদাহৰণ দিব খুজিছো। অবিভক্ত গোৱালপাৰা জিলাত আমাৰ এজন গৱেষক বিদ্যাসাগৰ নাৰ্জাৰীয়ে এটা ইতিহাস ৰচনা কৰিছে। ৯৯ জন এনে অগ্ৰণি ব্যক্তিৰ নাম বড়ো, কছাৰী, সোণোৱাল সকলৰ নাম পোৱা যায়। ইয়াৰে কেইজনমান হ'ল কনটেশ্বৰী বসুমতাৰী, অখিল চন্দ্ৰ ৰাভা, উমেশ চন্দ্ৰ শৰণীয়া, গংগাচৰণ পাটগিৰি, যোগেন্দ্ৰ ৰাভা ইত্যাদি। অবিভক্ত কামৰূপ জিলাত ১২৩ জন এনেকুৱা জনজাতীয় লোকৰ নাম পোৱা যায়। গৱেষক সকলে সেই নাম বিলাক উদ্ধাৰ কৰিছে । ইয়াৰে হাবাৰাম কছাৰী, হাগ্ৰা কছাৰী, আনথু কছাৰী, তৰেন্দ্ৰনাথ ব্ৰহ্ম আদি। অবিভক্ত দৰং জিলাত ৬২জন, লখিমপুৰ ২৬ জন, শিৱসাগৰ জিলাত ৪৪ জন ঠিক তেনেদৰে নগাওঁ জিলাত ২ জন আৰু তেনেদৰে বহুতো খিলঞ্জীয়া বড়ো, কছাৰী, সোণোৱাল জনজাতীয় লোকৰ নাম পোৱা যায়। কিন্তু এই সকলৰ অৱদান আজিও আমি চৰ্চালৈ আনিব পৰা নাই। তাৰ কাৰণে আমাৰ দুখ নাই। কাৰণ স্বাধীনতাৰ ইতিহাসত আমাৰ অসম খন সম্পূৰ্ণ ৰূপে ৰচনা কৰা হোৱা নাই। কিন্তু যেতিয়া ৰচনা হ'ব তেতিয়া যেন এই সকলৰ অৱদান বিলাক সন্নিবিষ্ট কৰিব পাহৰি যাব নালাগিব । জনজাতীয় সকল সদায় ভাৰতীয় আছিল স্বাধীনতাৰ আগতো পিছতো । আজি বিভিন্ন ধৰণৰ বিদ্ৰোহ বা উগ্ৰবাদৰ কথা আহিলে জনজাতীয় সকলৰ নাম লোৱা হয় । কিন্তু যেতিয়াই ভাৰত বিপদৰ সন্মুখীন হৈছে সেইয়া চীনৰ যুদ্ধ হওঁক বা কাৰ্গিলৰ যুদ্ধ হওঁক এই জনজাতীয় সকলে দেশৰ বাবে প্ৰাণ ত্যাগ কৰিবলৈ পিছ হুহুকি যোৱা নাছিল । গতিকে এই জনজাতীয় সকল দেশৰ মূল সুতিৰ লগত জড়িত হৈ ত্যাগ স্বীকাৰ কৰি আহিছে । এওঁলোক ভাৰতৰ অবিচ্ছেদ্য অংগ আৰু দেশৰ**

স্বাধীনতা সংগ্ৰামত জড়িত হৈ ত্যাগ স্বীকাৰ কৰি আহিছে। আধুনিক ভাৰত নিৰ্মাণৰ যিটো প্ৰক্ৰিয়া সেই প্ৰক্ৰিয়াটোত জনজাতি সকলে সদায় সহযোগী হৈ থাকিব বিচাৰে । দীৰ্ঘম্যাদী যাত্ৰাত সদায় আগবাঢ়ি যাব বিচাৰে । কিন্তু জনজাতি সকলৰ মাজত আজিও কিছু শংকা আছে- নিজৰ অস্তিত্বকলৈ নিজৰ পৰিচয়কলৈ আৰু নিজৰ অধিকাৰকলৈ। আধুনিক অসম বিকশিত ভাৰত আৰু বিকশিত অসম এই ধাৰণাত কিন্তু আমি জনজাতি সকলক শংকা মুক্ত কৰিব লাগিব। তেওঁলোকৰ মনত এই ধাৰণাতো সোমোৱাই দিব লাগিব যে দেশ নিৰ্মাণত তেওঁলোকো সমানে অংশীদাৰ হ'ব পাৰিব । এই নৈতিক দায়িত্ব চৰকাৰৰ । ৭৫ বছৰ অতিক্ৰম কৰা স্বাধীন ভাৰতত যাতে কোনো জাতিৰ নামত, বৰ্ণৰ নামত, শ্ৰেণীৰ নামত কোনো ধৰণৰ বঞ্চনা নহয় তেনেধৰণৰ বাতাবৰণ অনাৰ দায়িত্ব আমাৰ সকলোৰে আছে। আমি যিটো তিৰংগা যাত্ৰা কৰিলো মই ভাবো এই নতুনকৈ স্বাধীনতাক যেন আৱিস্কাৰ কৰিলো ।

আমি ভাৰত স্বাধীন হোৱাৰ বহু পিছত জন্ম হোৱা ব্যক্তি । মোৰ দেউতাই স্বাধীনতা আন্দোলনৰ কিছু কথা কৈছিল, ককাদেউতাও কৈছিল। মই কোনো দিনে ব্যক্তিগত ভাবে এই দেখা নাই যদিও অনুভৱ কৰিব পাৰো। কিন্তু আজি স্বাধীনতাৰ ৭৫ বছৰৰ পিছত মই মন্ত্ৰী হিচাপে পতাকা উত্তোলন কৰিবলৈ বিশ্বনাথলৈ যাওঁতে স্বাধীনতাৰ আগদিনাখন গহপুৰত যি আখৰা চলিছিল তাত তিৰংগা যাত্ৰাৰ প্ৰভাৱ দেখি অভিভূত হৈ পৰিছিলো । মোৰ মনে কৈছে যে স্বাধীনতা সংগ্ৰামৰ ইতিহাস খন মই পুনৰ পঢ়াটো দৰকাৰ। সমান্তৰাল ভাবে সমগ্ৰ উত্তৰ-পূৰ্বাঞ্চলৰ ইতিহাস খন পুনৰ ৰচনা কৰাৰ প্ৰয়োজনীয়তা আছে বুলি ভাবো। মই আৰু বেছি দীঘলীয়া নকৰো। ভাৰতৰ স্বাধীনতাৰ সংগ্ৰামী ইতিহাসৰ সম্পৰ্কত এইটোৱে মোৰ প্ৰথম ভাষণ। তথ্যগত ভাবে মোৰ কিছু ভুল হ'ব পাৰে। এল পি স্কুলত গান্ধীৰ সম্পৰ্কে পঢ়িছিলো তাত এজন পূজনীয় ব্যক্তিৰ বাহিৰে বেলেগ বুজা নাছিলো । কিন্তু যেতিয়া মই ব্যক্তিগত ভাবে গান্ধীৰ সম্পৰ্কে অধ্যয়ণ কৰিবলৈ ললো তেতিয়া বুজি পালো যে গান্ধীবা দী মানুহ নোহোৱা হ'ব পাৰে, গান্ধীক পূজা কৰা মানুহৰ সংখ্যা নহোৱা হ'ব পাৰে কিন্তু গান্ধীবাদী বিচাৰ কোনোদিন শেষ হৈ বা নহোৱা হৈ নাযায় । যিমানেই সময় গৈছে সিমানেই আমি গান্ধীবাদী আদৰ্শৰ প্ৰয়োজন আছে বুলি অনুভৱ কৰিছো । এই খিনিকে কৈ মাননীয় অধ্যক্ষ মহোদয় মোৰ বক্তব্য সামৰণি মাৰিছো ।

**মাননীয় অধ্যক্ষ ঃ** ধন্যবাদ । এতিয়া মাননীয় সদস্য শ্ৰী বিশ্বজিৎ ফুকন ।

**শ্ৰী বিশ্বজিৎ ফুকন (সৰুপথাৰ) ঃ** মাননীয় অধ্যক্ষ মহোদয়, স্বাধীনতাৰ অমৃত মহোৎসৱ উদযাপন কৰাৰ সময়ত আমি গোটেই কেইজন বিধান সভাৰ সদস্যক স্বাধীনতা ৰোমন্থন কৰাৰ আপুনি যি সুবিধা দিলে তাৰ বাবে মই আপোনাক প্ৰথমতে ধন্যবাদ জ্ঞাপন কৰিছো । ইতিমধ্যে মাননীয় মুখ্যমন্ত্ৰীকে ধৰি কেইবাজনো মাননীয় সদস্যই স্বাধীনতা সংগ্ৰামৰ সম্পৰ্কত আলোকপাত কৰি গৈছে। মই সেই ঠাইক প্ৰতিনিধিত্ব কৰিছো যি ঠাই কুশল কোঁৱৰৰ। ভাৰতৰ স্বাধীনতা সংগ্ৰামৰ আটাইতকৈ শেষৰ জন শ্বহীদ যি ফাচীকাঠত আত্ম বিসৰ্জন দিব লগা হৈছিল সেই কুশল কোঁৱৰৰ জীৱন দৰ্শন, কুশল কোঁৱৰৰ কথা বিলাক নৱ-প্ৰজন্মৰ মাজত যেনেদৰে আলোচনা হ'ব লাগিছিল বা জানিব লাগিছিল সেই সম্পৰ্কে ভূল বাখ্যা হ'ব পাৰে বুলি মই দুটা এটা কথা কুশল কোঁৱৰ সম্পৰ্কত ক'ব বিচাৰিছো । ১৯৪২চনৰ ১০ অক্টোবৰত সৰুপথাৰত যি ৰেল বগৰোৱা হৈছিল, সেই সময়ত ৰেল বগৰোৱা কথাটো বৰ সহজ কথা নাছিল। বৈকুণ্ঠ সিং, শংকৰ বৰুৱাকে ধৰি যি সকলৰ নেতৃত্বত মিত্ৰ বাহিনী গঠন কৰা হৈছিল সেই সকল ব্যক্তিয়ে ৪ অক্টোবৰ তাৰিখে সৰুপথাৰ কংগ্ৰেছ ভৱনত আলোচনা কৰিছিল যে বৃটিছৰ সৈনিক অহা ৰেল বগৰাব লাগে । কিন্তু কুশল

**কোঁৱৰ আছিল অহিংসাৰ পুজাৰী। তেওঁ ১৯৩৪ চনত মহাত্মা গান্ধীক গোলাঘাটত লগ পাইছিল আৰু সেই সময়ত সৰুপথাৰ কংগ্রেছ কমিটিৰ সাধাৰণ সম্পাদক হিচাপে কাম কৰিছিল আৰু প্রতিটো মূহুৰ্ততে অহিংসাৰ লগত জড়িত আছিল ।** মাননীয় অধ্যক্ষ মহোদয়, সেই তালিকাখন বনাওঁতে কুশলকোঁৱৰে বৈকুণ্ঠ সিঙলৈ দিয়া চিঠিখনত পিছফালে থকা খালী পৃষ্ঠাটোত সেই তালিকাখন দেখিছিল। তাৰ পিছত ১০ তাৰিখে সৰুপথাৰত নাতি দূৰত থকা চাংপুল বুলি জনা গৈছিল। এতিয়া শুকান নলা বুলি জনা যায়। তাত দুপৰ নিশা ডিমাপুৰৰ ফালৰ পৰা অহা এখন সেনা বাহিনী কঢ়িওৱা ট্রেইনক লাইনচ্যুত কৰি দুৰ্ঘটনা এটা সংঘটিত কৰোৱা হৈছিল য'ত, অসখ্যা বৃটিছ সেনাৰ মৃত্যু হৈছিল বুলি ভৱা হৈছিল। সেই যুজখনত সৰু পথাৰ অঞ্চলৰ প্ৰায় ৪৩ জন ব্যক্তিৰ বিৰুদ্ধে গ্ৰেপ্তাৰী পৰোৱানা ওলাইছিল। সেই সকলৰ ভিতৰত পোনাৰাম কোঁৱৰ, মদন চন্দ্ৰ ফুকনকে ধৰি বংশিগোপাল কোঁৱৰ, ফৰেন্দ্ৰ নাথ সেন, বীৰজন চুতীয়া এনেকৈ প্ৰায় ৪৩ জন মান ব্যক্তি আছিল। এই ঘটনাটোৰ বাবে শংকৰ বৰুৱা, বৈকুণ্ঠ সিঙক গ্ৰেপ্তাৰী পৰোৱানা জাৰী কৰা হৈছিল। দুৰ্ঘটনা সংঘটিত হোৱাৰ ফলত দেওঁপানীত থকা বগীদলা চাহ বাগিচাৰ মেনেজাৰৰ বাঙলোত আশ্ৰয় লৈ শংকৰ বৰুৱাই সমগ্ৰ ঘটনাটো তদাৰক কৰে। ইয়াৰ পিছত সেই অঞ্চলত বৃটিছৰ পুলিচৰ অত্যাচাৰ আৰম্ভ হৈছিল। কুশল কোঁৱৰ আছিল অহিংসাৰ পুজাৰী। কুশল কোঁৱৰৰ তেওঁৰ পৰিয়ালে কৈছিল যে আপুনি ওলাই যাওক ইতিমধ্যে বহু আন্দোলনকাৰী পলাই গৈছে। কুশল কোঁৱৰে এটা কথাই কৈছিল যে, অহিংসাৰ বিশ্বাসী মই ৰেল বগৰোৱাৰ ঘটনাত জড়িত নহয় গতিকে মই পলাই নাযাওঁ। তাৰ দুটা দিনৰ ভিতৰত কুশল কোঁৱৰক গ্ৰেপ্তাৰ কৰা হৈছিল আৰু গোলাঘাটলৈ লৈ অহা হৈছিল। সেই সময়ত যি বিচাৰ হৈছিল সেই বিচাৰ সম্পূৰ্ণ ভুৱা বিচাৰ আছিল আৰু আন্দোলনৰ মাজৰ পৰাই থকা আমাৰ ১/২ জন বিশ্বাস ঘাতকে কুশল কোঁৱৰৰ বিৰুদ্ধে সাক্ষী দিয়াৰ ফলত কুশল কোঁৱৰ ফাঁচী কাঠত ওলমিব লগীয়া হৈছিল। আজি দুটা দিন আগতে ১৫ আগষ্ট তাৰিখে পতাকা উত্তোলন কৰা মাননীয় মন্ত্ৰী শ্ৰী কেশৱ মহন্ত ডাঙৰীয়া আৰু মই গোলাঘাট চহৰত থকা য'ত কুশল কোঁৱৰক ৰাখিছিল আমি সেই লকাপটো ভ্ৰমন কৰিছিলো। ইতিমধ্যে গহপুৰ থানাত Heritage Point হিচাবে ঘোষণা কৰা হৈছে। মই অনুৰোধ জনাম যে, কুশল কোঁৱৰৰ স্মৃতি বিজড়িত সৰু পথাৰ ৰেলৱে ষ্টেচনক মডেল ৰেলৱে ষ্টেচন বা আদৰ্শ ৰেলৱে ষ্টেচন হিচাবে চিহ্নিত কৰিব লাগে আৰু গোলাঘাট থানাত লকাপটো Heritage Point হিচাবে ঘোষণা কৰিব লাগে। মই ভাবো এই ক্ষেত্ৰত বিধান সভাৰ কোনো ব্যক্তিৰ দ্বিমত নাথাকিব। কুশল কোঁৱৰক যেতিয়া ফাঁচী কাঠলৈ নিব লৈছিল সেই মূহুৰ্তত এটা কথা কম। ফাঁচী কাঠলৈ নিয়াৰ আগতে আগদিনা ৰাতি কুশল কোঁৱৰে “গীতা” পাঠ কৰিছিল আৰু শান্তিৰে শুই আছে। ৰাতিপুৱা যেতিয়া কুশল কোঁৱৰক ফাঁচী কাঠলৈ নিবলৈ আহিছিল কুশল কোঁৱৰ তেতিয়া শুই আছিলে। জগাই দিয়াৰ সময়ত তেওঁ কৈছিল মোৰ যাবৰ হ'ল নেকি? মই এই কাৰণে কৈছো যে, পৃথিবীত বহু বীৰ, ব্যক্তি ফাঁচী হৈছে, মৃত্যু হৈছে কিন্তু মৃত্যুক ইমান সহজ ভাবে গ্ৰহণ কৰি পৰিয়ালক দেশৰ নামত উচৰ্গা কৰি থৈ যোৱা ব্যক্তিৰ সংখ্যা কিন্তু পৃথিবীত কম। সেই কাৰণে কুশল কোঁৱৰ অনন্য, আমাৰ কাৰণে আদৰ্শ। আমি এটা কথা জনাবলৈ পায় সুখী হৈছো য'ত ৰেল বাগৰিছিল তাতে আমি শুকান নলাত ইতিমধ্যে কুশল কোঁৱৰৰ এক স্মাৰক নিৰ্মাণ কৰিছো আৰু ১০ ৰ পৰা ১৫ দিনৰ ভিতৰত এই স্মাৰক নিৰ্মাণ সম্পূৰ্ণ হ'ব। ধন্যবাদ।

**মাননীয় উপাধ্যক্ষ** ঃ এতিয়া মাননীয় সদস্য, শ্ৰী দিগন্ত বৰ্মন। আপোনাৰ দলে ৮ মিনিট দিছে।

**শ্ৰী দিগন্ত বৰ্মন (বৰক্ষেত্ৰী)** ঃ মাননীয় উপাধ্যক্ষ মহোদয়, মই প্ৰথমতে অসম বিধান সভাই

স্বাধীনতাৰ ৭৫ বছৰ সম্পূৰ্ণ হোৱা উপলক্ষে বিশেষ অধিৱেশন আহ্বান কৰি আমাক দুষাৰ ক'বৰ বাবে সুযোগ দিয়াৰ বাবে মই অধ্যক্ষ, উপাধ্যক্ষ মহোদয়ক ধন্যবাদ জনাইছো। ভাৰতৰ স্বাধীনতা আন্দোলন সমগ্ৰ পৃথিবীৰ ইতিহাসৰ এক যুগান্তকাৰী ঘটনা। এই স্বাধীনতা আন্দোলনৰ অগ্ৰগতি আমি তিনিটা পৰ্য্যায়ত ভগাব পাৰো। (১) ১৮৮৫ ৰ পৰা ১৯০৫ চনলৈ (২) ১৯০৫ চনৰ পৰা ১৯২০ চনলৈ (৩) ১৯২০ ৰ পৰা ১৯৪৭ চনলৈ। ১৮৫৭ চনৰ চিপাহী বিদ্ৰোহক ভাৰতৰ স্বাধীনতা আন্দোলনৰ প্ৰথম সংগ্ৰাম বুলি অভিহিত কৰা হয়। চিপাহী বিদ্ৰোহেই ভাৰতৰ জনসাধাৰণৰ প্ৰথমবাৰৰ বাবে একগোট হৈ ইংৰাজৰ বিৰুদ্ধে ঠিয় হ'বলৈ অনুপ্ৰেৰণা যোগালে। চিপাহী বিদ্ৰোহে আমাৰ জনগণক ইংৰাজ বিদ্বেহী কৰি তুলিলে। সেইবাবেই চিপাহী বিদ্ৰোহক ভাৰতৰ স্বাধীনতা আন্দোলনৰ প্ৰথম পদক্ষেপ বুলিব পাৰি। পিছত এলেন অক্টেভিয়ান হিউমে আগবঢ়োৱা অনুপ্ৰেৰণাৰ দ্বাৰা অনুপ্ৰাণিত হৈ দাদা-ভাই নৰৌজী আদি নেতাৰ চেষ্টাৰ ফলত ১৮৮৫ চনত ভাৰতীয় জাতীয় কংগ্ৰেছ প্ৰতিষ্ঠা হয়। ১৮৮৫ চনৰ ডিচেম্বৰ মাহত বোম্বাইত ভাৰতীয় জাতীয় কংগ্ৰেছৰ প্ৰথম অধিবেশন অনুষ্ঠিত হৈ ক্ৰমান্বয়ে কংগ্ৰেছত প্ৰগতিশীল কংগ্ৰেছ নেতাৰ সংখ্যা বৃদ্ধি পাই আহে আৰু তেওঁলোকে বৃটিছ চৰকাৰৰ বিৰুদ্ধে একজাতীয় আন্দোলন গঢ়ি তোলে। সমগ্ৰ দেশৰ জনতাই কংগ্ৰেছৰ দ্বাৰা পৰিচালিত হৈ স্বাধীনতা আন্দোলনত যোগ দিয়ে। ১৯১৫ চনত মহামানব মহাত্মা গান্ধীয়ে আফ্ৰিকাৰ পৰা ভাৰতবৰ্ষলৈ ঘূৰি আহি কংগ্ৰেছৰ নেতৃত্ব গ্ৰহণ কৰে। ১৯২০-২১ চনৰ পৰা গান্ধীয়ে অসহযোগ আন্দোলন আৰম্ভ কৰে। তাৰ পিছত হোমৰুল আন্দোলনৰ জৰিয়তে ভাৰতবৰ্ষত ১৯১৯ চনৰ আইনৰ জৰিয়তে স্বায়ত্ব শাসন প্ৰৱৰ্ত্তিত হৈছিল। ১৯২০ চনত কংগ্ৰেছৰ দ্বাৰা আৰম্ভ হোৱা অসহযোগ আন্দোলনৰ উদ্দেশ্য আছিল ভাৰতে পূৰ্ণ স্বাধীনতা লাভ কৰা। ১৯৩০ চনৰ গান্ধীৰ নেতৃত্বত আইন অমান্য আন্দোলন, গান্ধীজীৰ দাণ্ডি যাত্ৰা, বিদেশী বস্তু বৰ্জনৰ সিদ্ধান্ত গ্ৰহণ কৰা হয়। ভাৰতৰ স্বাধীনতা আন্দোলনৰ শেষ পৰ্য্যায়ৰ আন্দোলন ভাৰত ত্যাগ আন্দোলন। ১৯৪২ চনত ভাৰত ত্যাগ আন্দোলন আৰম্ভ হয়। ভাৰত ত্যাগ আন্দোলন প্ৰস্তাৱ গৃহীত হোৱাৰ পিছত গান্ধীয়ে 'কৰিম কিম্বা মৰিম' মন্ত্ৰে দেশ কঁপাই তুলিলে। ১৯৪৩ চনত গান্ধীয়ে অনশন আৰম্ভ কৰিছিল। বৃটিছ চৰকাৰে ইয়াৰ পিছতে ভাৰতক স্বাধীনতা প্ৰদান কৰা হ'ব বুলি ঘোষণা কৰিলে। ১৯৪৭ চনত লৰ্ড মাউন্টবেটেন ভাৰতলৈ ভাইচৰয় হৈ আছে। লগে লগে বৃটিছ প্ৰধান মন্ত্ৰী ক্লিমেন্ট এটলিৰ ঘোষণা মতে ভাৰতক দ্বিখণ্ডিত কৰা হ'ল ভাৰত আৰু পাকিস্তান। ১৯০ বছৰীয়া বৃট্ৰিছৰ শাসনৰ অন্ত পেলাই ১৯৪৭ চনৰ ১৫ আগষ্টত ভাৰতে স্বাধীনতা লাভ কৰে। ভাৰতৰ স্বাধীনতা আন্দোলন অহিংসা আৰু ত্যাগৰ ভিত্তিত গঢ়ি উঠিছিল। ভাৰতে স্বাধীনতা লাভ কৰা আজি ৭৫ বছৰ পূৰ্ণ হৈছে। ৭৫ বছৰ এক সুদীৰ্ঘ সময় এই সময়ত আমি সকলো একত্ৰিত হৈ থাকিলেহে উন্নতিৰ শিখৰলৈ আগবাঢ়ি যাব পাৰিম। এই যিটো ৯০ বছৰীয়া ইতিহাস ১৮৫৭ ৰ পৰা ১৯৪৭ চনলৈ এই আন্দোলনত অসমৰ অৰিহনা যথেষ্ট আছিলে। আমি জানিম যে সেই সময়ত গান্ধীজীৰ নেতৃত্বৰ বাণী প্ৰচাৰ কৰি নবীণ বৰদলৈয়ে ৰাস্তাই ৰাস্তাই গৈ ধন ভিক্ষা, দান বৰঙণি বিচাৰিছিল। নবীণ বৰদলৈ এজন ৰাজনীতিক নেতা নাছিল, তেওঁ এজন গীতিকাৰ সুৰকাৰ আছিল। তেওঁ গাইছিলে কোন ক'ত আছা, জন্ম ভূমিৰ সুযোগ্য সন্তান, আজি আইৰ পুজা হ'ব, আহ লৈ আহ, কোনে কি কৰিবি দান, যাৰ আছে, সোণ, যাৰ আছে ৰূপ, আজলী ভৰাই আন, যাৰ একো নাই দিয়ক মাথো ব্যথিত হৃদয় দান। এই স্বাধীনতা আন্দোলনৰ অসমৰ অৰদান উল্লেখনীয় আছিল। ৰঘুনাথ চৌধুৰী, চন্দ্ৰ নাথ শৰ্মা, হেম বৰুৱা, নবীণ বৰদলৈ, তৰুণ ৰাম ফুকন, ভুৱনেশ্বৰ বৰুৱা, পণ্ডিত কনক চন্দ্ৰ শৰ্মা, কুলধৰ চলিহা, গোপীনাথ বৰদলৈ, বিষ্ণুৰাম মেধী, প্ৰমুখ্যে যথেষ্ট

লোকৰ অৰিহণা আছিল। এই আন্দোলনত অসমীয়াই বহুখিনি ত্যাগ কৰিবলগীয়া হৈছিল। মই উপাধ্যক্ষ মহোদয় এটা আহ্বান জনাব বিচাৰিছো যি ঠাইৰ পৰা বহুতো মানুহ শ্বহীদ হৈছিলে আমি শ্বহীদ বুলি কলে, কনকলতা বৰুৱা, মুকুন্দ কাকতি তেখেত সকলৰ নাম পাওঁ। কিন্তু এনে বহুতো শ্বহীদ আছিল, অসম চৰকাৰে এনে এটা কৰিব নোৱাৰে নেকি যে সচাঁকৈয়ে ভাৰতৰ স্বাধীনতা আন্দোলনত অসমৰ পৰা কিমান মানুহ সঁচাকৈয়ে শ্বহীদ হৈছিল? তেখেত সকলৰ ঘৰ ক'ত? তেওঁলোকৰ থকা ঠাই কি আছিল? এইটো জানিব লাগে। আজি আমি দেখিছো, কনকলতা বৰুৱা, মুকুন্দ কাকতি, ভোগেশ্বৰী ফুকননী, বড়োৰাম সুট, ঠগিৰাম সুট, লক্ষী হাজৰিকা, কুশল কোঁৱৰ, মদন বড়ো, ৰাওঁতা কোচ, মনবৰ নাথ, কুমৰী দেৱী, ৰতন কছাৰী, সৰুনাথ চুটীয়া, মনিৰাম কছাৰী, তিলেশ্বৰী বৰুৱা, লেৰেলা কছাৰী, মঙ্গল, যথেষ্টখিনি আছিল। আমাৰ নতুন প্ৰজন্মক আমি স্বাধীনতাৰ বিষয়ে বুজাব লাগিব । সেই কাৰণে মই আজি মাননীয় উপাধ্যক্ষ মহোদয়ৰ যোগেদি চৰকাৰক আহ্বান জনাইছো, যে তেখেত সকলে, যি সকল শ্বহীদে আমাৰ দেশৰ স্বাধীনতাৰ হকে প্ৰাণ আহুতি দিছিল, তেওঁলোকৰ এখন উপযুক্ত লিষ্ট প্ৰস্তুত কৰক। সেই অঞ্চলত য'ত তেখেতৰ জন্মভূমি আছিল তাত তেখেত সকলৰ একোটা আৰক্ষ মূৰ্তি চৰকাৰে নিজাববীয়াকৈ নিৰ্মাণ কৰক। এখন মেম'ৰিয়েল কৰক যাতে নতুন প্ৰজন্মই তাত গৈ সেই শ্বহীদ সকলক স্মৰণ কৰিব পাৰে। উপাধ্যক্ষ মহোদয়, আপোনালোকে জানে যে ১৯৩৭ চনত যেতিয়া গোপীনাথ বৰদলৈয়ে interim Government ৰ গাদী এৰি দিছিল তাৰ পিছত চাৰ ছাদুল্লাই ইংৰাজৰ লগত হাত মিলাই ১৯৩৯ চনৰ ১৭ নবেম্বৰৰ পৰা ১৯৪১ চনৰ ২৫ ডিচেম্বৰলৈ দুই বছৰ মুখ্যমন্ত্ৰী আছিল। কিন্তু সেই সময়ত ফকৰ উদ্দিন আলি আহমেদে ১৯৩৭ চনত অসমৰ শীৰ্ষ কংগ্ৰেছ নেতা সকলৰ লগত থাকি মুছলিমলিগৰ বিৰোধীতা কৰিছিল। মাননীয় উপাধ্যক্ষ মহোদয়, আমি এটা কথা আহ্বান জনাব বিচাৰিছো যে integration is the need of hour ভাৰতবৰ্ষখন এখন উন্নত ৰাষ্ট্ৰ হ'ব লাগিলে, অসম এখন উন্নত ৰাজ্য হ'ব লাগিলে, সকলো ধৰ্মৰ মাজত একতা লাগিব। তেতিয়াহে আগন্তুক দিনত আমি আমাৰ ৰাজ্যখন আগবঢ়াই নিব পাৰিম। উপাধ্যক্ষ মহোদয়, আমাৰ গহপুৰৰ বিধায়ক মহোদয়ে কনকলতা বৰুৱাৰ কথা কৈছে, মুকুন্দ কাকতিৰ কথা কৈছে। মুকুন্দ কাকতিৰ ঘৰ আছিল নলবাৰী জিলাৰ বৰভাগৰ সোনকাৰী গাৱত। চৰকাৰে এতিয়ালৈ তাত কোনো তেখেতৰ মেম'ৰি কৰা নাই। আমি কিছুমান এন জি অ' ই আৰু কিছুমান সামাজিক অনুষ্ঠানে তেখেতৰ প্ৰতিমূৰ্তীৰ নিৰ্মাণ কৰিছে। মই অসম চৰকাৰক আহ্বান জনাম যে শ্বহীদ মুকুন্দ কাকতিৰ নামত বৰভাগত এখন মেম'ৰিয়েল হওঁক, এটা ডাঙৰ আৰক্ষ্য মূৰ্তি হওঁক। যাতে নতুন প্ৰজন্মই স্বাধীনতা কি, মুকুন্দ কাকতিয়ে সুদূৰ বৰভাগৰ পৰা গৈ কেনেকৈ গহপুৰত তেওঁ শ্বহীদ হৈছিল? এই বিষয়ে জ্ঞান লাভ কৰিব পাৰে। মই এই চেগতে পুনৰ উপাধ্যক্ষ মহোদয়ক ধন্যবাদ জনাইছো, আৰু আমাৰ সন্মানীয় বিধায়ক সকলকো আমি একে লগে লগ হৈ আজিৰ এই স্বাধীনতাৰ অমৃত মহোৎসৱত একেলগ হৈ দুআষাৰ কথা কোৱাৰ সুযোগ দিয়াৰ বাবে মই উপাধ্যক্ষ মহোদয়ক ধন্যবাদ জনাই মোৰ ভাষণ সামৰিছো। জয় হিন্দ বন্দে মাতৰম।

**মাননীয় উপাধ্যক্ষ** ঃ ধন্যবাদ। এতিয়া মাননীয় সদস্য শ্ৰীকৌশিক ৰায়

**শ্ৰী কৌশিক রাই, (লক্ষীপুর):-** মাননীয় উপাধ্যক্ষ মহোদয়, 'আজাদি কা অমৃত মহোৎসব' উপলক্ষে বিধানসভায় বিশেষ অধিবেশন ডেকে আমাদের দু-কথা বলার সুযোগ দেওয়ার জন্য আপনাকে ধন্যবাদ জানাই। স্বাধীনতার ৭৫ বছর পূর্তি উপলক্ষে সমগ্র দেশে অনেক আনন্দের সাথে 'আজাদি কা অমৃত মহোৎসব' পালন করা হয়েছে। সমস্ত সরকারি প্রতিষ্ঠান ও ঘরে ঘরে তিরঙ্গা

পতাকা উত্তোলিত হয়েছে। আজ ৭৬তম স্বাধীনতার বছরে এই মুহূর্তে দাঁড়িয়ে আমি আমার সশ্রদ্ধ প্রণাম ও শ্রদ্ধা জ্ঞাপন করছি, সেই সকল মহান সংগ্রামী যাদের আত্মবলিদানের জন্য আজ আমরা স্বাধীনতার অমৃত সুধা পান করতে পারছি। আমি স্মরণ করছি সেই সব মহান নেতাদের যাঁরা আমাদের একটি স্বাধীন রাষ্ট্র উপহার দিয়েছেন এবং সেই সঙ্গে স্মরণ করছি আমাদের ভারতবর্ষের সংবিধান প্রণীতা ড° ভীমরাও আম্বেদকরজিকে, যিনি আমাদের এই মহান গণতন্ত্রকে বিশ্বের মানে বসিয়েছেন এবং যাঁর জন্য আমরা একটি সংযুক্ত ভারতের অবিচ্ছেদ্য রাজ্যের বিধানসভায় দাঁড়িয়ে বক্তব্য রাখতে পারছি। আমরা লক্ষ করেছি মাননীয় প্রধানমন্ত্রী শ্রী নরেন্দ্র মোদিজি এবং অসমের মাননীয় মুখ্যমন্ত্রী ড° হিমন্তবিশ্ব শর্মাজির যে আহ্বান, 'হর ঘর ত্রিরঙ্গা' যেভাবে গণআন্দোলনের রূপ নিয়েছে আগে কখনও দেখা যায়নি সেটা। ১৩০ কোটি ভারতবর্ষের মানুষ এক সঙ্গে ভাষা, ধর্ম, বর্ণ এবং রাজনৈতিক দলের উর্ধ্বে ওঠে যেভাবে তিরঙ্গা নিয়ে নিজেকে ভারতীয় হওয়ার গৌরব বোধ করেছেন, তা সত্যি অতুলনীয়। যদিও ১৯৪৭ সালের ১৫ আগস্ট ভারত ব্রিটিশ শাসন থেকে মুক্ত হয়ে স্বাধীন ভারত হয়েছে। এই স্বাধীনতার পেছনে ছিল হাজার-হাজার বীর যোদ্ধা ও লক্ষ লক্ষ ভারতবাসীর আত্মবলিদান, ত্যাগের ফসল।

ভারতবর্ষকে ব্রিটিশ শাসন থেকে মুক্ত করার প্রথম প্রয়াস ১৮৫৭ সালে সিপাহি বিদ্রোহের মাধ্যমে মঙ্গল পাণ্ডে ও তাঁতিয়া টোপির নেতৃত্বে ভারতীয় সৈন্যরা প্রথম ব্রিটিশ সেনাবাহিনী ও ব্রিটিশ শাসক দলের বিরুদ্ধে প্রথম বিদ্রোহ ঘোষণা করে এবং তাঁরা স্বাধীন ভারতের জন্য আত্মবলিদান দেন। ক্রমান্বয়ে এই বিদ্রোহের আগুন বিভিন্ন রাজ্যে, প্রান্তে ছড়িয়ে পড়ে এবং স্বাধীনতা আন্দোলনে বিভিন্নস্তরে ভারতবর্ষের বিভিন্ন রাজ্যে গর্জে উঠে জনগণ। এর সঙ্গে বরাক উপত্যকার করিমগঞ্জ জেলার মালেগড়, হাইলকান্দি জেলার রংটিলা, কাছাড়ের ওয়াংকিম লেখাইতে সিপাহি বিদ্রোহের স্মৃতি বিজড়িত রয়েছে। আজকের এই বিশেষ অধিবেশনে আমি অনুরোধ করব, এই তিনটি স্থানকে যাতে আমরা ঐতিহাসিক স্থান হিসাবে আগামী দিনে উন্নত করতে পারি, এই অনুরোধ রাখছি।

১৯০০ সাল থেকে স্বাধীনতার সংগ্রাম বৃহত্তর আন্দোলন হিসাবে প্রকাশ পায়। তৎকালীন বাংলা, পাঞ্জাব, মহারাষ্ট্রে লালা রাজপত রায়, বাল গঙ্গাধর তিলক এবং বিপিনচন্দ্র পালের নেতৃত্বে তীব্রতর আন্দোলন গড়ে ওঠে। সেই আন্দোলন ছিল সহিংস আন্দোলন এবং ব্রিটিশ সামগ্রী বর্জনের আন্দোলন। বাল গঙ্গাধর তিলক ঘোষণা করেন, স্বরাজ আমাদের জন্মগত অধিকার। ব্রিটিশ ভারত ত্যাগ করে শাসন ক্ষমতা ভারতের হাতে ছাড়তে হবে। পরবর্তীকালে সেই আন্দোলনে সামিল হোন বাংলা থেকে নেতাজি সুভাষ চন্দ্র বসু, চিত্তরঞ্জন দাস, সূর্য সেন, অরবিন্দ ঘোষ প্রমুখ নেতারা। তাঁদের অনুপ্রেরণায় হাজার-হাজার যুবক যুবতী স্বদেশী আন্দোলনে ঝাঁপিয়ে পড়ে। ক্ষুদিরাম বসু, প্রফুল্ল চাকির মতো হাজার-হাজার যুবক, যুবতী আন্দোলনে অগ্রণী ভূমিকা গ্রহণ করেন এবং হেসে হেসে ফাঁসির কাষ্ঠে আত্মবলিদান দেন। চন্দ্রশেখর আজাদ, ভগৎ সিং, সুখদেব, রাজগুরুর মতো স্বাধীনতা সংগ্রামীরা ব্রিটিশের বিরুদ্ধে বিদ্রোহ ঘোষণা করে আত্মবলিদান দেন। হিন্দু মহাসভা থেকে আন্দোলনে নেতৃত্ব দেন বীর সাভারকার। একদিকে, বিপিনচন্দ্র পাল, সুভাষ বসু, চিত্তরঞ্জন দাস, শ্যামাপ্রসাদ মুখার্জি, অন্যদিকে, রবীন্দ্রনাথ ঠাকুর, বঙ্কিমচন্দ্র চট্টোপাধ্যায়, কাজি নজরুল ইসলামের মতো কবি-সাহিত্যিকরা ব্রিটিশের বিরুদ্ধে গর্জে ওঠার সাহস জুগিয়েছিলেন। অবিভক্ত সিলেট এবং বর্তমান বরাক উপত্যকা থেকে এই আন্দোলনে সামিল হয়েছিলেন সূর্য সেন, উল্লাসকর দত্ত, অরুণকুমার চন্দ, কামিনি কুমার চন্দ, শনৎ কুমার দাস, সরোজ দাস, গঙ্গাদয়াল দীক্ষিত, রামশরণ ত্রিপাটি, রথীন্দ্রনাথ সেন, দুলু দাস, লাখু দত্ত সহ আরও অনেকে। উনিশ শতকের মাঝামাঝি

অসম যখন ব্রিটিশ শাসনের কবলে তখন বর্তমান যোরহাট, শিবসাগর থেকে শুরু হয় ব্রিটিশের বিরুদ্ধে বিদ্রোহ। যে সব ব্যক্তিরা সেই সময় স্বাধীনতা আন্দোলনে নেতৃত্ব দেন তাঁদের মধ্যে মণিরাম দেওয়ান, তরুণরাম ফুকন, নবীনচন্দ্র বরদলৈ, হরনাথ পিয়লি ফুকন, রূপচাঁদ কোঁয়র, কনকলতা বরুয়া, কুশল কোঁয়র, গোপীনাথ বরদলৈ সহ আরও অনেকে। প্রকৃতপক্ষে একদিকে মহাত্মা গান্ধী ও সর্দার প্যাটেলের নেতৃত্বে আন্দোলনকারীদের এক দল অসহযোগ আন্দোলন, ডাণ্ডি অভিযান, ভারত ছাড়ো আন্দোলনে নেতৃত্ব দেন। অন্যদিকে, বাল গঙ্গাধর তিলক, বিপিনচন্দ্র পাল, সুভাষ চন্দ্র বসুর মতো নেতারা আন্দোলনে নেমে ব্রিটিশের রাতের ঘুম কেড়ে নেন। দ্বিতীয় বিশ্বযুদ্ধের পর পরিশ্রান্ত ব্রিটিশ শাসকগোষ্ঠী একধারে সুভাষ চন্দ্র বসুর নেতৃত্বাধীন আজাদ হিন্দ ফৌজ ভারতবর্ষের সশস্ত্র আন্দোলনকারী, অন্যদিকে, লক্ষ-লক্ষ সত্যাগ্রহীর আন্দোলনকে প্রতিহত করার ক্ষমতা হারিয়ে ফেলেছিল। তখন তারা ভারতকে খণ্ডিত করার কুচক্রান্ত করে আজাদ করে দেওয়ার অভিসন্ধি করেছিল। সেই কুচক্রান্তে মহম্মদ আলি জিন্না সহ আমাদের দেশের সেই সময়কার কিছু রাজনৈতিক নেতারা নিজেদের রাজনৈতিক উচ্চাকাঙ্খা থেকে তাদের অভিলাশ পূরণে সফল করেন।

আমরা কয়েক দিন আগে, ১৪ আগস্ট বিভাজনের বিভীষিকা আমরা দেখেছি, আর এই চৌদ্দ আগস্ট দ্বিজাতি তত্ত্বের ভিত্তিতে আমাদের দেশ স্বাধীনতা লাভ করে। আমরা দেখেছি এর পরবর্তীতে হাজার-হাজার হিন্দু লোকদের তখন পূর্ব ও পশ্চিম পাকিস্তানে হত্যা করা হয়, তাদের পাঠিয়ে দেওয়া হয়। আজকের দিনে আমি এখানে বলতে চাই, নিরাশ্রয়, ভিটেহারা, স্বজনহারা ওই লোকদের তখন সাহায্যের হাত বাড়িয়ে দিতে হয় ভারত সরকারকে। শুধুমাত্র ধর্মের নামে লক্ষ-লক্ষ মানুষকে ভিটেহারা, স্বজনহারা হতে হয়েছিল। আজকের দিনে আজাদির অমৃত মহোৎসবে আমি শ্রদ্ধা নিবেদন করছি। আমি অনুরোধ করব মাননীয় মুখ্যমন্ত্রী যে বিশেষ উদ্যোগ নিয়েছেন স্কুলে আমাদের শিক্ষার মধ্যে ইতিহাস ও ভূগোলকে সামিল করার জন্য। আমার প্রস্তাব থাকবে মহাত্মা গান্ধী, নেতাজি সুভাষ চন্দ্র বসু, চন্দ্রশেখর আজাদ, ভগৎ সিং, রাজগুরু, রামপ্রসাদ বিসমিল, বিনায়ক দামোদর সাভারকর, সর্দার বল্লভ ভাই প্যাটেল, প্রখর রাষ্ট্রবাদী ব্যক্তিত্ব ড° শ্যামাপ্রসাদ মুর্খাজি, ড°কেশব বলিরাম হেডগাওয়ার, মাধবরাও সদাশিব রাও গোলওয়ারকর, ক্ষুদিরাম বসু, শম্ভুধন ফাংগো, বীর টিকেন্দ্রজিৎ, বীরসা মুন্ডা, মুকুন্দ কাকতি, কনকলতা বরুয়া—তাদেরও যাতে সামিল করা হয়। শ্রদ্ধা জানিয়ে আমার বক্তব্য শেষ করলাম।

**মাননীয় উপাধ্যক্ষ ঃ** ধন্যবাদ। এতিয়া মাননীয় সদস্য শ্রী আমিনুল ইছলাম (কণিষ্ঠ)।

**শ্রী আমিনুল ইছলাম (কণিষ্ঠ, মানকাছৰ) ঃ** মাননীয় উপাধ্যক্ষ মহোদয়, আজি আমাৰ স্বাধীনতাৰ অমৃত মহোৎসৱক লৈ গোটেই ভাৰতবৰ্ষৰ লগতে অসমতো যিদৰে প্ৰতিটো জাতি-জনগোষ্ঠী, চৰাঞ্চল, পৰ্বতাঞ্চল আদি কৰি সকলো ঠাইতে তিৰংগা উত্তোলন কৰা হৈছে বা যি উৎসাহ উদ্দীপনা দেখিছো সেইটো দেখি আমি গৌৰৱ অনুভৱ কৰিছো। আজি যেনেকৈ এখন স্পেচিয়েল এচেম্বলীৰ দিন ঘোষণা কৰা হৈছে আৰু এনেকুৱা এটা অনুষ্ঠানত মোক বক্তব্য ৰাখিবলৈ সুযোগ দিয়াৰ বাবে মই আমাৰ মাননীয় অধ্যক্ষ মহোদয়ক ধন্যবাদ জ্ঞাপন কৰিছো। দ্বিতীয়তে, আজি মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়াই যিখিনি বক্তব্য দিছে সেই বক্তব্যত ভাৰতৰ স্বাধীনতা আন্দোলনত অসমৰ যি ত্যাগ, যি বলিদান এই গোটেইখিনি কথা পুংখানুপুংখ ভাৱে অনাৰ কাৰণে মই তেখেতকো ধন্যবাদ জ্ঞাপন কৰিছো। ভাৰতৰ স্বাধীনতা আন্দোলনত যিখিনি মানুহৰ ত্যাগ সেইখিনি আমি কোনোদিনে পাহৰিব নোৱাৰো। যাৰ কাৰণে আমি আজি স্বাধীন ভাৰতৰ যি অমৃত, যিটো স্বাদ অনুভৱ কৰি আছো তেখেত সকলৰ বলিদানৰ কাৰণে সম্ভৱ হৈছে। আজি মই দুই-চাৰিটা কথা ইয়াত উল্লেখ কৰিব

বিচাৰিছো। আজি আমি স্বাধীনতাৰ ৭৫ বছৰত ভৰি দিয়াৰ বাবে অহংকাৰ বোধ কৰো বা গৰ্ব অনুভৱ কৰো। কিন্তু লগতে স্বাধীনতাৰ পিছতে ড° ভীমৰাও আম্বেদকাৰৰ নেতৃত্বত আমাৰ যি সংবিধান প্ৰস্তুত হ'ল, আমি দেখিছো যে এই সংবিধানৰ বৰ্তমান যি অৱস্থা আমি অতি বিস্তৰ ভাৱে লক্ষ্য কৰিছো। আমি দেখিছো যে বিভিন্ন সময়ত বিভিন্ন ঠাইত সেই বৃটিছ পলিচিৰে কিছু অংশ ডিভাইদ এণ্ড পলিচি, আজিও জাতি-ধৰ্মৰ নামত ভাষাৰ নামত বিভাজনৰ যি নীতি সেই নাতি আজিও আমি একেবাৰে পাহৰিব পৰা নাই। এনেকুৰা লাগে যে বৃটিছৰ যি ডিভাইদ এণ্ড পলিচি আজিও আমাৰ তেজত কৰ'বাত নহয় কৰ'বাত আছে। যি পলিচিৰ কাৰণে সেই সময়ত ভাৰতবৰ্ষ ভাগ হ'ল। পৰৱৰ্ত্তী সময়ত আকৌ পাকিস্তান ভাগ হ'ল। তেনেকুৰা এটা অৱস্থা আজিও বিদ্যমান হৈ থকা যেন মোৰ অনুভৱ হৈছে। যদিও আমি গৰ্বিত তথাপিও এই কথাবিলাক অনুধাৱন কৰিব বিচাৰিছো এইকাৰণেই যে আজি ভাৰতবৰ্ষৰ স্বাধীনতাৰ ৭৫ বছৰ হোৱাৰ পিছতো আমি একেই কিছুমান পলিচি মানি আছো। আজি এগৰাকী মাননীয় সদস্যই ধুনীয়া বক্তব্য ৰাখিছে যে আজি কিছুমান মানুহৰ ঘৰ-বাৰী উচ্ছেদ কৰিব লগীয়া হৈছে। কৰ্মসংস্কৃতি জীয়াই ৰাখিবৰ বাবে ব্যৱস্থা ল'ব লগীয়া হৈছে। আজি কৰ্ম সংস্কৃতি Establish কৰিবৰ বাবে যাওঁতে কিছুমান ভাৰতীয়ক উচ্ছেদ কৰি বেলেগৰ কৰ্মসংস্কৃতি বা আমাৰেই বেলেগ ভাৰতীয় সকলৰ কৰ্ম সংস্কৃতি Establish ৰ যিটো পৰম্পৰা সেইটো কিন্তু আমাৰ অসমৰ কাৰণে এটা শুভ লক্ষণ নহয়। যদিও আমি অৰ্থনৈতিক ভাৱে স্বাৱলম্বী হ'ব লাগিব তাৰ কাৰণে ঘৰ-বাৰী ভাঙি দিয়াৰ বা তেখেত সকলক উচ্ছেদ কৰাৰ যি প্ৰৱণতা সেইটো সমীচিন নহয় বুলি মই ব্যক্তিগত ভাৱে অনুভৱ কৰিছো। আজি যি Freedom struggle তাত সকলো জাতি-জনগোষ্ঠী, খিলঞ্জীয়া মানুহকে আদি কৰি সকলো খিনিৰ কথা কোৱা হৈছে। কিন্তু ইয়াত খিলঞ্জীয়াৰ নামত কিছুমান কথা আহি যায়। আজি ভাৰতবৰ্ষৰ যি চীষ্টেমত অসমৰ যি অৱস্থা আৰম্ভ হৈছে, এই অৱস্থাত যদি আমি এনেকুৰা কৈ যাওঁ অৰ্থনৈতিক ভাৱে আমাৰ যি crackdown হৈ আছে, আমাৰ জি ডি পি যেনেকৈ crackdown হৈ আছে, এই মূহুৰ্ত্তত আমি যদিও গৌৰৱ অনুভৱ কৰিছো যে আমাৰ পূৰ্ব পুৰুষ সকলে যিদৰে স্বাধীনতা আনিছিল, ত্যাগ স্বীকাৰ কৰিছিল, তাৰ পিছত সংবিধানত যিটো চেকুলাৰেজিমৰ কথা আহিল, যি ধৰণৰ অৰ্থনৈতিক উন্নয়নৰ কথা বিলাক আহিল আমি সকলো মিলিজুলি এটা ইন্ট্ৰিগেশ্যন, সকলো জাতি-জনগোষ্ঠী ভাষা-ভাষী মানুহ মিলি যেতিয়া স্বাধীনতা আনিছিল সেই স্বাধীনতাৰ পৰৱৰ্ত্তী সময়ত পাকিস্তান ভাগ হৈ গ'ল। পৰৱৰ্ত্তী সময়ত ইণ্ডিয়াৰ সহযোগত বাংলাদেশ-পাকিস্তান ভাগ হৈ গ'ল। এই কথাখিনি লগত মই এই কথাখিনি ক'ব বিচাৰিছো যে এটা সময়ত ৰ্বিচাচাৰ সকল ওলাইছিল কিয় ইমান মুছলিম মানুহ সেই সময়ত স্বাধীনতা আন্দোলনত আত্মঘাতী কৰিবলগীয়া হৈছিল। দেখা গৈছিল যে বৃটিছ সকল যেতিয়া আহিছিল তেতিয়া ভাৰতবৰ্ষত মোগল সাম্ৰাজ্য আছিল আৰু এই মোগল সাম্ৰাজ্যৰ সময়ত গোটেই ভাৰতবৰ্ষতে থকা সৰু সৰু ৰাজ্যবোৰ একত্ৰিত হৈ আছিল। মোগল সাম্ৰাজ্যৰ সময়ত বেলুচিস্তান, আফগানিস্তান, বাংলাদেশ আদি কৰি এখন মহান ভাৰতবৰ্ষ সৃষ্টি হৈ আছিল। সেই সময়ত যেতিয়া বৃটিছ সকলে ভাৰতবৰ্ষ আক্ৰমণ কৰিছিল তেতিয়া সৰু সৰু মুছলিম ৰজা সকল আৰু জমিদাৰ সকল ভাৰতবৰ্ষত আছিল। সেই সকল যেতিয়া হাতৰ পৰা গুছি গৈছিল, কেৱল অসমৰ মুছলিম সকলেই নহয় অসমৰ সকলো জনগোষ্ঠীৰ লোক আছিল। সেইবোৰ যদি আমি চাবলৈ যাওঁ তেতিয়াহ'লে বেংগলী,পাঞ্জাবী, মুছলিম সম্প্ৰদায়ৰ মানুহ আদি কৰি ব্যাপক ভাৱে জমিদাৰী প্ৰথাৰ পৰা উৎখাত হ'ব লগীয়া হৈছিল। যাৰবাবে তেওঁলোক বেছি শ্বহীদ হ'ব লগীয়া হৈছিল। আজি যিখিনি কথা ইয়াত উৎথাপন হৈছে যে আজি জয় হিন্দ

ধ্বনিটো আপোনালোক নিশ্চয় জানে যে চাফৰানী জী য়ে কৰিছিল। সাৰে জহা চে আতচা্ যিটো গান আছে সেইটো মহম্মদ ইকবালৰ গান আছিল। নেশ্যনেল ফ্লেগৰ ট্ৰাই কালাৰৰ ডিজাইন সুৰেইয়া প্ৰয়োগ জী য়ে কৰিছিল। ইনক্লাব জিন্দাবাদ ধ্বনিটো মৌলানা হছৰত মোহানিয়ে কৰিছিল। সৰফোৰচি কি তমন্না অব হামাৰে দিল মে হে, দেখনা হে জোৰ কিটনা বাজুৰে কা দিল মে হে এইটো বিচমিল অজিমাবাদীয়ে কৰিছিল। আজিৰ আলোচনাত এনেধৰণৰ দুই-চাৰিটা কথা আহিলে অলপ ভাল লাগিল হয়। কিছুমান বক্তব্যত এনেকুৱা হৈছে যেন আমাৰ কোনো ডেলিগেশ্যনেই যেন তাত নাছিল। আজি ৫৭ হাজাৰ আলিম শ্বহীদ হৈছিল। আজি দেওবানবোৰ কিয় প্ৰতিষ্ঠা কৰা হৈছিল তাৰ ইতিহাসবোৰ চাব লাগিব। আজি দেওবান ব্ৰাদাৰক শত্ৰু হিচাপে বিবেচনা কৰা হয়। জমিয়তৰ দৰে সাম্প্ৰদায়িক শক্তি হিচাপে বিবেচনা কৰে। কিন্তু ভাৰতৰ স্বাধীনতা আন্দোলনত জমিয়তৰ ভূমিকা কি আছিল আমি তাক অস্বীকাৰ কৰা নাই। স্বাধীনতা আন্দোলনত আমাৰ যিবোৰ ভূমিকা আছিল সেইবোৰ অলপ ক'লে আমি ভাল পাওঁ। আমাৰ খিনি নোকোৰাৰ কাৰণে মই দুখ প্ৰকাশ কৰিছো। আজি স্বাধীনতাৰ গৌৰৱ মই অনুভৱ কৰিছো। আমি কাকো অস্বীকাৰ কৰিব বিচৰা নাই। সকলোকে সন্মুখত ৰাখি আমি ক'ব বিচাৰিছো।

**মাননীয় উপাধ্যক্ষ ঃ** আজি স্বাধীনতাৰ অমৃত মহোৎসৱ। ইয়াত ডিবেট কৰিব নালাগে।

**শ্ৰী আমিনুল ইছলাম (কণিষ্ঠ, মানকাছৰ) ঃ** আজি স্বাধীনতাৰ ৭৫ বছৰ গৌৰৱৰ সময়ত আমাক যদি submissive কৰি থোৱা হয় তেতিয়া অলপ আঘাত লাগে, এই কথাটো ক'ব বিচাৰিছো। আজি অসমত যিখিনিয়ে ত্যাগ কৰিছে, তেওঁলোকক শ্ৰদ্ধা জনাইছোঁ। গোটেই ভাৰতবৰ্ষত জাতি ধৰ্ম ভাষা নিৰ্বিশেষে সকলোৱে মিলি স্বাধীনতা আনিছে। কিন্তু আমাক suppress কৰি, আমাৰ কথাটো পাহৰি গৈ ইতিহাসক অৱহেলিত কৰি নতুনকৈ উপস্থাপন কৰা যিটো কৌশল, এইটো উচিত নহ'ব। যিখিনিয়ে স্বাধীনতাৰ প্ৰতি আত্মবলিদান দিছে, তেখেতসকলৰ প্ৰতি অন্যায় কৰা হ'ব। এই কথাটো ক'ব বিচাৰিছো। যিয়ে নহওঁক আৰু বক্তা আছে, আজি অমৃত মহোৎসৱৰ দিনাখন দুষাৰ কব দিয়াৰ বাবে মই মাননীয় উপাধ্যক্ষ মহোদয়ক ধন্যবাদ জ্ঞাপন কৰি মই মোৰ বক্তব্য সামৰণি মাৰিছো।

**মাননীয় উপাধ্যক্ষ ঃ** ধন্যবাদ। এতিয়া মাননীয় সদস্য শ্ৰী সিদ্ধাৰ্থ ভট্টাচাৰ্য্য।

**শ্ৰীসিদ্ধাৰ্থ ভট্টাচাৰ্য্য, (পূৱ গুৱাহাটী) ঃ** মাননীয় উপাধ্যক্ষ মহোদয়, পোন প্ৰথমে মই আজি ভাৰতবৰ্ষৰ ৭৫ তম স্বাধীনতা দিৱস উপলক্ষে বিশেষ অধিবেশন অনুষ্ঠিত কৰি সকলোকে তেখেতসকলৰ মনৰ কথা কবলৈ দিয়াৰ বাবে মই মাননীয় অধ্যক্ষ আৰু মাননীয় উপাধ্যক্ষ মহোদয়ক ধন্যবাদ জ্ঞাপন কৰিছো আৰু সকলো সতীৰ্থকে ৭৫ তম স্বাধীনতা দিৱসৰ মোৰ শ্ৰদ্ধা আৰু শুভেচ্ছা জ্ঞাপন কৰিছোঁ।

মাননীয় উপাধ্যক্ষ মহোদয়, মই অনুভৱ কৰো যে আজিৰ যিখন অধিবেশন ইয়াত অনুষ্ঠিত কৰা হ'ল, এই অধিবেশন খন এফালৰ পৰা এখন ঐতিহাসিক অধিবেশন। কিয়নো এই অধিবেশনত আজি সকলো দলৰ সকলোৱে নিজৰ মন্তব্য আত্ম-উপলদ্ধি। ৭৫ বছৰৰ পিছত আমি cross correction বা cross direction ৰ কথা চিন্তা কৰো, সেই এটা বিশ্লেষন কৰাৰ আমি সুযোগ পাইছোঁ। এই সুযোগটো আমি দেখিছো যে প্ৰত্যেক গৰাকী সদস্যই যথেষ্ট সৎ ব্যৱহাৰ কৰিছে।

মাননীয় উপাধ্যক্ষ মহোদয়, আমাৰ ভাৰতবৰ্ষৰ স্বাধীনোত্তৰ ইতিহাস যেতিয়া লিখা হ'ল, তেতিয়া কিন্তু এনেকুৱা হ'ল যে এটা পক্ষৰ কথাহে লিখা হ'ল। সৰুতে যেতিয়া ভাৰতবৰ্ষৰ ইতিহাস পঢ়িছিলো তেতিয়া সদায় কোৱা হৈছিল যে মহাত্মা গান্ধীৰ নেতৃত্বত, কংগ্ৰেছৰ নেতৃত্বত এটা

অহিংস আন্দোলনে ভাৰতবৰ্ষক স্বাধীন কৰিলে। মাননীয় উপাধ্যক্ষ মহোদয়, ভাৰতবৰ্ষত যেতিয়া স্বাধীনতা আন্দোলন হৈছিল, ভাৰতবাসীৰ মাজত স্বাধীনতাৰ বাবে এটা ইচ্ছা জাগিছিল, ভাৰতবৰ্ষৰ স্বাধীনতাৰ বাবে সকলো জনগোষ্ঠীয়ে হওঁক, ধৰ্মীয় গোষ্ঠীয়ে হওঁক বা ভাষীক গোষ্ঠীয়ে হওঁক, তেখেতসকলে যেতিয়া জ পিয়াই পৰিছিলে, তেতিয়া বহু জনে, বহুতো দেশ প্ৰেমিকে, যিসকলে নিজৰ জীৱন পৰ্য্যন্ত ত্যাগ কৰিছে, সেইসকলে কিন্তু দেশৰ স্বাধীনতাৰ বাবে যুঁজিছিল। আজি কেতিয়াবা এনেকুৱা অনুভৱ হয় যে এই ইতিহাসখনক পুনৰবাৰ আমি analysis কৰি চাব লাগে। অ লপ আগতে ব্ৰহ্ম ডাঙৰীয়া কৈছে যে ক্ষুদ্ৰ জনগোষ্ঠী বিলাকৰো আত্মত্যাগ আছিল। সেই আত্মত্যাগ বিলাকক সঠিক ভাৱে মুল্যাংকন কৰা হোৱা নাই। ভাৰতবৰ্ষত নিসন্দেহে যিটো এটা অহিংস আন্দোলনৰ ধাৰা, সেই আন্দোলনৰ ধাৰাই মুল সুঁতি হিচাপে ভাৰতবৰ্ষক স্বাধীন কৰাত এটা ভূমিকা পালন কৰিছিল। আমি সকলোৱে জানো যে মহাবাহু ব্ৰহ্মপুত্ৰ যেতিয়া চেংপু হৈ পেলাই ট্ৰিপতৰ উপৎকাৰ পৰা বৈ আহে ভাৰতবৰ্ষলৈ বা অসমৰ মাজেদি বৈ যায়। তেতিয়া অকল সেই চেংপুৰ পানী সোঁতে কিন্তু মহাবাহু ব্ৰহ্মপুত্ৰক সৃষ্টি নকৰে। বিভিন্ন নদী, উপনদী আৰু অন্যান্য এনেকুৱা সোঁতৰ পৰা পানীৰ সোঁত আহি এই মহাবাহুক সৃষ্টি কৰে। তেনেকৈ স্বাধীনতা আন্দোলনৰ সময়ত মুল সুঁতিৰ লগতে অন্যান্য সুঁতিৰ যি অৱদান আছে; এই অৱদান বিলাকক আমি পুনৰ এবাৰ চিন্তা কৰিব লাগে, পুনৰবাৰ আমি তেখেতসকলক স্মৰণ কৰিব লাগে। ভাৰতবৰ্ষৰ যি স্বাধীনতাৰ ইতিহাস, এই ইতিহাসৰ বহুতো ধাৰা আছে। বহুতে হয়তো এটা বেলেগ পন্থাৰে ভাৰতবৰ্ষক স্বাধীন কৰিবৰ বাবে প্ৰচেষ্টা কৰিছিল। আমি যদি উদাহৰণ হিচাপে লওঁ নেতাজী সুভাষ চন্দ্ৰ বসু, তেখেতেও এই মূল ধাৰাৰ লগতে আছিলে। মুল ধাৰাৰ লগত থাকি তেখেতে অনুভৱ কৰিছিলে যে ভাৰতবৰ্ষক স্বাধীন কৰিবৰ বাবে হয়তো অন্য পন্থা ল'ব লাগিব আৰু সেই বাবে তেখেতে হয়তো আজাদ হিন্দ ফৌজৰ সৃষ্টি কৰিছিল আৰু আজাদ হিন্দ ফৌজৰ লগে লগে ভাৰতবৰ্ষৰ মানুহ মাজত এটা আলোড়ণ আহিছিল। এই আলোড়ণৰ বাবে এই বিদেশী শাসক গোষ্ঠী শংকিত হৈ পৰিছিল আৰু তেখেতসকলে হয়তো সেই বাবে চিন্তা কৰিছিল যে এটা সময়ত আমি ভালকৈ, ভাল ভাৱে ভাৰতীয় সকলৰ হাতত শাসনৰ বাঘজৰী দি আমি আঁতৰি যোৱাই ভাল।

দ্বিতীয় মহাযুদ্ধৰ ঠিক পিছত যেতিয়া ভাৰতীয় নৌ সেনা সকলে বোম্বাই, যিটো আমি নৌ-সৈনিকৰ বিদ্ৰোহ বুলি জানো, Naval Apprising বুলি আজি হয়তো কোৱা হয়, এই Naval Apprising ৰ সময়ত তেতিয়া যি গৰাকী প্ৰধান মন্ত্ৰী আছিল, তেখেতে কৈছিল যে এনেকুৱা যদি হয় তেতিয়া হ'লে ভাৰতবৰ্ষত কিন্তু বৃটিছে শাসন কৰিব নোৱাৰিব। কাৰণ বৃটিছৰ যি শাসন যন্ত্ৰ আছিল, বৃটিছৰ যি সৈন্য সামন্ত আছিল, ইয়াত যিসকলে মুল শক্তি আছিল, সেই শক্তি আছিল ভাৰতীয় সকল আৰু সেই সকলৰ মাজতে যদি এনেকুৱা ধৰণৰ বিদ্ৰোহৰ অগ্নি জ্বলিছে, যদি তেখেতসকলৰ মাজত এনেকুৱা বৃটিছ শাসনৰ প্ৰতি অনিহা জন্মিছে, তেতিয়া হ'লে তেখেতসকলে ভাৰতবৰ্ষৰ পৰা আঁতৰি যোৱাতোকে তেখেতসকলৰ বাবে মঙ্গলদায়ক বুলি কামনা কৰিছিল। ভাৰতবৰ্ষৰ স্বাধীনতা সংগ্ৰামী সকলৰ ইতিহাস আমি সকলোৱে পুনৰবাৰ এবাৰ চিন্তা কৰিব লাগে। আমাৰ এনেকুৱা বহুতো সংগ্ৰামী আছে, যিসকলে হয়তো দেশৰ বাবে যিটো কাম কৰিছে, যিটো ত্যাগ কৰিছে। Veer Savakar ৰ কথা আজিৰ দিনত হয়তো যিভাৱে স্বীকৃতি পাব লাগিছিল, হ'ব পাৰে তেখেতে ভিন্ন পন্থাৰে ভাৰতবৰ্ষৰ স্বাধীনতাৰ কাৰণে কাম কৰিছিল। কিন্তু সেই পন্থাটো তেখেতে দেশৰ স্বাধীনতাৰ কাৰণে লৈছিল। গতিকে তেখেতো এজন স্বাধীনতা সংগ্ৰামী আছিল আৰু তেখেতক আমি যি সন্মান দিব লাগে সেই সন্মান দিয়াৰ এটা প্ৰয়োজনীয়তা

আহি পৰিছে। এবাৰ Winston Churchill ক এটা প্ৰসংগ লৈ সোধা হৈছিল, তেতিয়া কৈছিল যে History will never forget what you are doing তেখেতে কৈছিলে যে I write history. যিজনে শাসন কৰে তেখেতেহে ইতিহাস লিখে। মই ভাৰো যে ইতিহাসৰ পুনৰ মুল্যায়ন হ'ব লাগে। ভাৰতবৰ্ষৰ স্বাধীনতাৰ যি ৭৫ বছৰত যিসকলক আমি সঠিক ভাৱে সন্মান দিবলৈ সক্ষম হোৱা নাই. যিসকলক আমি হয়তো সন্মান দিয়াৰ অৱকাশ আছে, আমি তেখেত সকলক, তেখেত সকলৰ সেই সন্মান দিব লাগে আৰু আজি ৭৫ বছৰৰ যিটো এটা অমৃত উৎসৱ আমি পালন কৰিছো, এই উৎসৱৰ মাধ্যমেৰে মই আজি ভাৰতবৰ্ষৰ সকলো সংগ্ৰামী, সকলো ব্যক্তি যিসকলে নিজৰ প্ৰাণৰ বলিদান দি ভাৰতবৰ্ষৰ স্বাধীনতাৰ বাবে কাম কৰিছিলে তেখেত সকললৈ মোৰ নিজৰ ব্যক্তিগতভাৱে আৰু সামৃহিকভাৱে শ্ৰদ্ধা জ্ঞাপন কৰিছো আৰু যিহেতু এতিয়া এটা ইতিহাসৰ সম্পৰ্কীয় নতুন এটা বিষয় হিচাপে লবলৈ গৈ আছে গতিকে মই ভাৰো যে, অসমৰ প্ৰেক্ষাপটততো কিন্তু আমি এই অকথিত যিসকল আমাৰ বীৰ আছিল, অকথিত যিসকল ব্যক্তি তেখেত সকলে বলিদান দি আজি আমাক স্বাধীন দেশ এখনৰ নাগৰিক হিচাপে আত্মপ্ৰকাশ কৰাত সহায় কৰিছিল, তেখেত সকলৰ বাবে এটা ডাঙৰ আমাৰ সন্মান হ'ব। স্বাধীনতা আন্দোলনৰ লগত জড়িত, স্বাধীনতা আন্দোলনৰ সময়ত নিজৰ আত্মবলিদান দিয়া প্ৰত্যেক গৰাকী ব্যক্তিলৈ মোৰ শ্ৰদ্ধা আৰু তেখেত সকলোলৈ মোৰ সন্মান জ্ঞাপন কৰি মই মোৰ দু-আষাৰ ইয়াতে সমাপ্ত কৰিছো লগতে আপুনি আজি মোক এই সুযোগ দিয়া বাবে ধন্যবাদ জ্ঞাপন কৰিছো।

**মাননীয় উপাধ্যক্ষ ঃ** মাননীয় সদস্য শ্ৰীকমলাক্ষ দে পুৰকায়স্থ। আপোনাক দলে ৮ মিনিট দিছে আৰু দুগৰাকী ব্যক্তি আছে।

**শ্ৰীকমলাক্ষ দে পুরকায়স্থ (উত্তর করিমগঞ্জ) ঃ** মাননীয় উপাধ্যক্ষ মহোদয়, স্বাধীনতার ৭৫ বছর সমাপ্তিতে 'অমৃত মহোৎসব' উপলক্ষ্যে আজ এই বিশেষ বিধান সভার আয়োজন করা হয়েছে। আমাদের সবার জন্য আজ একটি গৌরবময় দিন। স্বাধীনতার ৭৫ বছর পূর্ত্তি উপলক্ষ্যে বিধায়ক হিসাবে আমি দু-একটি কথা এই বিধান সভায় বলতে পারছি সেটা ইতিহাসে থাকবে, সেটা আমার জন্য একটা গর্বের বিষয়। সব বিধায়কের জন্য এটা একটা গর্বের বিষয়। মুখ্যমন্ত্রী যে বক্তব্য দিয়েছেন সেটা সম্পর্কে আমি কিছু বলতে চাই না, সেই বক্তব্যকে আমি সমর্থন করছি। মুখ্যমন্ত্রী বলেছেন যে ইতিহাসকে আমরা পরিবর্তন করতে পারব না, কিন্তু সংযোজন করতে পারব। ইতিহাস থেকে কারো নাম যদি বাদ পড়ে তাহলে আমরা সেই নাম সংযোজন করতে পারব কিন্তু ইতিহাসকে আমরা পরিবর্তন করতে পারব না। মাননীয় উপাধ্যক্ষ মহোদয়, এখানে মাননীয় মুখ্যমন্ত্রী, বা অন্যান্য বিধায়করা আজ এই বিশেষ বিধান সভায় দাড়িয়ে যে বক্তব্য দিচ্ছেন , সেটা শুধু মাত্র সম্ভব হয়েছে ৪৭ সন বা তার আগে স্বাধীনতা সংগ্রামে যারা এই দেশের জন্য জীবন বলিদান দিয়েছিলেন, যারা মুক্তি সংগ্রামী বা যাদের নেতৃত্বে এই দেশ স্বাধীন হয়েছিল, তাদের জন্য। আজ আমরা এই বিধান সভায় দাড়িয়ে উনাদের উদ্দেশ্যে প্রণাম জানাচ্ছি বা কৃতজ্ঞতা জ্ঞাপণ করছি। আমার বিশেষ কিছু বলার নেই, কারণ আমার যা বক্তব্য বলার আছে, সেটা আমার আগের অনেক বক্তাই বলে গেছেন। স্বাধীনতা কংগ্রেসের নেতৃত্বে হয়েছিল। মহাত্মা গান্ধী বা নেতাজী সুভাষ চন্দ্র বসুর থেকে শুরু করে প্রত্যেক জন স্বাধীনতা সংগ্রামীর কথা এখানে বলা হয়েছে। উপাধ্যক্ষ মহোদয়, মাননীয় সিদ্ধার্থ ভট্টাচার্য মহাশয় যেটা বলে গেছেন আমি মনে করি সেটা একটা বিতর্কের বিষয়। ভারতবর্ষ অহিংস আন্দোলন নয়, সহিংস আন্দোলনের মাধ্যমে স্বাধীন হয়েছিল। অর্থাৎ সশস্ত্র আন্দোলনের মাধ্যমে এই দেশ টা স্বাধীন হল। উপাধ্যক্ষ মহোদয়, যেভাবে নেতাজী সুভাষ আজাদ-হিন্দ ফৌজের

মাধ্যমে সশস্ত্র আন্দোলন গড়ে তুলেছিলেন, সমহারে অহিংস আন্দোলনের মাধ্যমে মহাত্মা গান্ধী এই দেশে একটা বিপ্লব সৃষ্টি করেছিলেন। আমাদের মুখ্যমন্ত্রীও বলেছেন অসমে গান্ধীজী আসার পর অহিংস আন্দোলনের মাধ্যমে বিপ্লবের একটা পরিবেশ সৃষ্টি হয়েছিল বা স্বাধীনতার একটা বাতাবরণ সৃষ্টি হয়েছিল। সে কথাগুলো তিনি বলেছেন। তাই আমি মনে করি সেটা একটা বিতর্কের বিষয়, যে স্বাধীনতা আন্দোলন সশস্ত্র আন্দোলন না অহিংস আন্দোলনের মাধ্যমে হয়েছিল? মহাত্মা গান্ধীর নেতৃত্বে অসহযোগ আন্দোলন ও ভারত ছাড়ো আন্দোলন যখন হয়েছিল তখন মানুষের মনে মৃত্যুর কোন ভয় ছিলনা। তারা বাঁচবে কি বাঁচবে না সেটা তাদের কাছে বড় বিষয় ছিলনা। তাদের কাছে বড় বিষয় ছিল যে দেশ মাতৃকাকে স্বাধীন করা। আমার দেশকে আমি স্বাধীন করব, আমার মাকে আমি স্বাধীন করব। তার জন্য আমাকে মৃত্যু বরণ যদি করতে হয়, সেটার জন্য আমি প্রস্তুত আছি। সেই মানসিকতা মানুষের মধ্যে বৃদ্ধি পেয়েছিল। সেই সময় স্বাধীনতা সংগ্রামী যারা ছিলেন উনাদের নেতৃত্বে সেই পরিবেশ টা সৃষ্টি হয়েছিল । আজ ইন্টারনেটের যুগ, আমরা ফোনের মাধ্যমে এক জায়গা থেকে অন্য জায়গায় একটা ইনস্ট্রাকশন দিয়ে দিতে পারি। কিন্তু সেই সময় যে কি কঠিন পরিবেশ ছিল, সেই সময় কোন নেটওয়ার্ক ছিল না , মাইলের পর মাইল শুধুমাত্র পায়ে হেটে সেই আন্দোলন তারা সংগঠিত করেছিলেন। সেই জন্য বিধায়ক হিসাবে উনাদের জন্য আমি গর্ববোধ করছি, এবং তাদের প্রতি আমার শ্রদ্ধা ও কৃতজ্ঞতা জ্ঞাপণ করছি। প্রধানমন্ত্রী 'ঘর ঘর তিরঙ্গা' এই কার্য্যসূচী হাতে নিয়েছেন তাতে আমার কিছু বলার নেই। আমাদের মুখ্যমন্ত্রী এই বিধান সভায় বলেছিলেন লাল তিলক পরলেই হিন্দু হওয়া যায় না। আমিও সেই কথা বলছি, শুধু তিরঙ্গা বা জাতীয় পতাকা লাগালেই এবং জাতীয় সংগীত গাইলেই দেশ প্রেমিক হওয়া যায় না। দেশপ্রেমী হওয়ার জন্য সেই মানসিকতার প্রয়োজন। ঘরে ঘরে তিরঙ্গা লাগানো হয়েছে, সেটা আমি মনে করি আমাদের ভারতীয় হিসাবে একটা দায়িত্ব বা কর্তব্য। যদিও পতাকা ১৮ টাকা করে কিনতে হয়েছিল, ৫০ লাখ পতাকা এখানে আনা হয়েছিল। আমার কথা হল যে দেশপ্রেম দেখাতে হলে আমাদের দায়িত্ব বা কর্তব্য সঠিক ভাবে পালন করতে হবে। আজ পিযূষ হাজারিকা মহাশয় এখানে আছেন উনি উনার দায়িত্ব সঠিক ভাবে পালন করবেন। আমি আমার দায়িত্ব পালন করব, মুখ্যমন্ত্রী উনার দায়িত্ব ও কর্তব্য সঠিক ভাবে পালন করবেন। এই ভাবে আমরা সবাই যদি আমাদের দায়িত্ব সঠিক ভাবে পালন করি তাহলে আমি মনে করি যে দেশের প্রতি সুযোগ্য সন্মান দেওয়া হবে। উপাধ্যক্ষ মহোদয়, এখানে মালেগড়ের কথা বলা হয়েছে। প্রথম স্বাধীনতা আন্দোলন অর্থাৎ সিপাহী বিদ্রোহ ১৮৫৭ সনে হয়েছিল। বিধান সভায় আমি একটা প্রশ্ন করেছিলাম এবং মাননীয় চন্দ্রমোহন পাটোয়ারী সেই প্রশ্নের উত্তর দিয়েছিলেন। চট্টগ্রাম থেকে অস্ত্রাগার লুণ্ঠন করে আমাদের ভারতীয় সেনারা কুমিল্লা হয়ে, (তখন কুমিল্লা ও ত্রিপুরা এক ছিল ) ত্রিপুরা এসেছিল। ত্রিপুরার রাজার আশ্রয় না পেয়ে উনারা করিমগঞ্জ জেলার লাতুর মালেগড়ে চলে আসেন। ভারতীয় সৈনিকদের কাছে কোন টাকা-পয়সা ছিলনা। মালেগড়ে আসার পর ব্রিটিশ সৈনিকের সাথে আমাদের ভারতীয় সৈনিকদের যুদ্ধ হয়। সেই যুদ্ধে আমাদের ২৬ জন ভারতীয় সৈনিক সেখানে নিহত হয়। মেজর ব্রিগকে সেখানে ভারতীয় সেনারা হত্যা করেছিল। মালেগড় জায়গাটা একটা বিশেষ স্থান। মাননীয় রকিবুল হুসেন যখন ট্যুরিজম মিনিষ্টার ছিলেন তখন তিনি একটা ফাণ্ড দিয়েছিলেন। যে স্থানে আমাদের ভারতীয় ২৬ জন সৈনিক শহীদ হয়েছিল, সেই স্থানকে আরও উন্নত করার জন্য আমি মনে সরকারের তরফ থেকে কিছু একটা ব্যবস্থা নেওয়া দরকার। কারণ সেখানে আমাদের শহীদদের আত্মা ও স্মৃতি জড়িত হয়ে আছে। উপাধ্যক্ষ মহোদয়, এখানে অনেক বক্তা অনেক

কথাই বলেছেন। আমি একটা কথা বলতে চাই এখানে সাভারকরের কথা বলা হয়েছে , সেটা আমি অস্বীকার করতে পারি না।

**শ্রীপীযুষ হাজৰিকা, (সংসদীয় পৰিক্ৰমা মন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, মই এটা কথা কওঁ। আপুনি already আৰম্ভ কৰিছে। Please মোক ক'বলৈ দিয়ক। Negative কথাৰে আপুনি আৰম্ভ কৰিছে। আমি এটা সৌহাদ্যপূৰ্ণ ভাৱে এদিন বেলেগ এটা পৰিৱেশ কৰিব খুজিছো। এইটো নকৰিলে ভাল পাম।

**শ্ৰীকমলাক্ষ দে পুৰকায়স্থ, (উত্তৰ কৰিমগঞ্জ)ঃ** আমি বলছি সাভারকার স্বাধীনতা আন্দোলনের জন্য সেলুলার জেলে ছিলেন। উনাকে ধন্যবাদ ও কৃতজ্ঞতা জানাই। হিস্ট্রী অফ ইণ্ডিয়াতে বাকী কথাগুলো লেখা আছে। সেইটা পড়লে আমরা সেই কথাগুলো জানতে পারব। ভারতবর্ষ যখন স্বাধীন হয়েছিল, এবং স্বাধীন হওয়ার পর থেকে বর্তমান পরিস্থিতিতে নিয়ে আসার জন্য অনেক ঘাত-প্রতিঘাত অতিক্রম করতে হয়েছে । সেইগুলো যদি আমরা পর্যালোচনা করি তাহলে আমরা দেখতে পারব যে আই আই টি, এইমস, নিট বিশেষ করে আমাদের দূরদর্শন থেকে শুরু করে ভাক্রানাঙ্গাল ডাম্প এবং জাতীয় বেঙ্ক বহু পদক্ষেপ হাতে নেওয়া হয়েছে। সেই পদক্ষেপ গুলো হাতে নেওয়ার জন্য আজ হয়ত বা ভারতবর্ষের এই অবস্থা। সেই অবস্থাকে আমরা যাতে আরও তরান্বিত করতে পারি এবং আরও যাতে এগিয়ে নিতে যেতে পারি তার জন্য আমাদের কি করা উচিত? আমি বিশ্বাস করি আমরা আগামী দিনে সেই পন্থা অবলম্বন করে ভারতবর্ষকে বিশ্বের বুকে একটা প্রতিষ্ঠিত দেশে রূপান্তরিত করতে পারি, সেটাই হচ্ছে আমাদের মুখ্য উদ্দেশ্য। সব শেষে আমি আরও একটা কথা বলব ১৪ তারিখে দেশ বিভাজনের কথা এখানে আলোচনা করা হয়েছে । দেশ বিভাজনের কথা যদি বলা হয় তাহলে আমি সবথেকে বড় প্রমাণ, আজ অবধি আমাকে প্রমাণ করতে হয়, আমাকে প্রশ্ন করা হয়, দেশ বিভাজন হয়েছে ঠিকই কিন্তু দেশ বিভাজনের সমস্যাগুলো যাতে সমাধান হয় সেদিকে যাতে নজর দেওয়া হয়। এবং ভারতের বিভিন্ন জাতি, জন-গোষ্ঠী, বিভিন্ন ধর্ম, বিভিন্ন ভাষা-গোষ্ঠীর সমস্যার যাতে সমাধান হয়। সে দিকে আবুল কালাম আজাদ থেকে শুরু করে মহাত্মা গান্ধী, নেতাজী সুভাষ চন্দ্র বোস যাদের নেতৃত্বে এই দেশ স্বাধীন হল সবাইকে আমার শুভেচ্ছা ও প্রণাম জানিয়ে, আগামী দিনে ভারতবর্ষকে বিশ্বের বুকে একটা প্রতিষ্ঠিত দেশ হিসাবে রূপান্তরিত করতে পারি সেই আশা রেখে আমার বক্তব্য শেষ করছি। নমস্কার, জয় হিন্দ।

**মাননীয় অধ্যক্ষ ঃ** হবে হবে, আপনার সময় শেষ হল । এতিয়া মাননীয় উপাধ্যক্ষ নোমল ম'মিন ডাঙৰীয়াই কওঁক।

**মাননীয় উপাধ্যক্ষ ঃ** মাননীয় অধ্যক্ষ মহোদয়, "আজাদী কী অমৃত মহোৎসৱ" ৰ যি বিশেষ অধিবেশন, তাত মোক ক'বলৈ দিয়াৰ বাবে আপোনাক ধন্যবাদ জনাইছো। স্বাধীনতা আৰু স্বাধীনতা যুদ্ধৰ কথা মনত পৰিলে কেইগৰাকীমান বিশেষ ব্যক্তিৰ নাম আমাৰ মনত পৰে- নেতাজী, বাপুজী, পণ্ডিত জৱাহৰলাল নেহৰু, লৌহ মানব চৰ্দাৰ বল্লভভাই পেটেল, চন্দ্ৰশেখৰ আজাদ, ভগত সিং, ঝাঞ্চি ৰাণী আৰু জালিয়ানাবাগৰ যি মেচেকাৰ হৈছিল, তাত মৃত্যুবৰণ কৰা লোকসকল আৰু আমাৰ অসমৰ কনকলতা, মূলাগাভৰু, পিয়লী ফুকন, কুশল কোঁৱৰ আদি লোকসকলৰ কথা মনত পৰে। কিন্তু এনেকুৱা বহু ব্যক্তি যাৰ লিখিতভাৱে বা আমাৰ মনত নথকাকৈ ভাৰতৰ স্বাধীনতাৰ বাবে মৃত্যুবৰণ কৰিছে, সেই সকলোকে শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰি আজি মোৰ বক্তব্য আৰম্ভণি কৰিছো। "আজাদী কী অমৃত মহোৎসৱ" আৰু "হৰ ঘৰ ত্ৰিৰংগা"- ১২ আগষ্টৰ পৰা ১৫ আগষ্টলৈ গোটেই

ভাৰতবৰ্ষত পোন-প্ৰথমবাৰৰ বাবে চুকে-কোণে গাঁৱে-ভূঞে ঘৰে ঘৰে ৰাষ্ট্ৰীয় পতাকা লৈ আমি এই “আজাদী কী অমৃত মহোৎসৱ” পালন কৰিছো। স্বাধীন ভাৰতত মই ভাৱো আজিলৈকে কেতিয়াও এই জাতীয় পতাকাৰ প্ৰতি সন্মান, মৰম বা ইয়াৰ প্ৰতি থকা ভক্তি ভাৰতীয় নাগৰিকে দেখুওৱা নাছিল। জাতীয় পতাকাৰ প্ৰতি আমাৰ কিমান মৰম আৰু কিমান ভক্তি আছে তাৰ দুটা উদাহৰণ মই দিব বিচাৰিছো। এটা হৈছে- সামাজিক মাধ্যমত আমি দেখিছো যে এখন জাতীয় পতাকা দিবলৈ এজনী নাতিনীয়েকে আইতাকক দিগ্‌দাৰী কৰি আছে। কিন্তু আইতাকে জাতীয় পতাকা কিনি দিব নোৱাৰাৰ বাবে পূৰণা ট্ৰাংকৰ পৰা জাতীয় পতাকা উলিয়াই নাতিনীয়েকক দিছে। আমি দেখিছো যে জাতীয় পতাকাখনত যঁতৰৰ চিহ্ন আছে। যঁতৰৰ চিহ্ন আছে মানে সেইখন কিমান পূৰণা? তাৰ পৰা অনুমান কৰা হৈছে যে প্ৰায় ৯০ বছৰ পুৰণি জাতীয় পতাকা ট্ৰাংকত ৰাখি থৈছে। আৰু এটা উদাহৰণ দিব বিচাৰিছো- কনকলতাৰ। বৃটিছৰ গুলীত তেওঁ যেতিয়া ঢলি পৰিছিল, ঢলি পৰাৰ লগে লগে হাতৰ পৰা জাতীয় পতাকা পৰি যোৱাত মুকুন্দ কাকতীয়ে তৎক্ষণাত সেই জাতীয় পতাকা ধৰি লৈছিল আৰু জাতীয় পতাকাৰ প্ৰতি থকা সন্মান, ভক্তি তেওঁ দেখুৱাইছিল। জাতীয় পতাকাৰ প্ৰতি থকা এই সন্মান, ভক্তি আমি দেখিবলৈ পাও। মাননীয় অধ্যক্ষ মহোদয়, কিহৰ কাৰণে জাতীয় পতাকা আমি ঘৰত ৰাখিব নোৱাৰো, উত্তোলন কৰিব নোৱাৰো? অকল অফিচত ১৫ আগষ্ট বা ২৬ জানুৱাৰীত উত্তোলন কৰিব পাৰো। আমাৰ শ্যামা প্ৰসাদ মুখাৰ্জীয়ে জন্মু-কাশ্মীৰত জাতীয় পতাকা উত্তোলন কৰিবলৈ যাওতে তেওঁক গ্ৰেপ্তাৰ কৰি জেললৈ নিয়া হৈছিল। কিন্তু পিছত সন্দেহজনকভাৱে তেখেতৰ শৰদেহ পোৱা গৈছিল। কাকো নিজস্বভাৱে জাতীয় পতাকা হাতত দিয়া হোৱা নাছিল। ১৯৫২ চনত সংবিধানত এটা National Flag Code সংশোধন কৰি সংবিধানত সোমোৱাই দিয়া হ'ল। তেতিয়াৰ পৰা কোনো ভাৰতীয়ই জাতীয় পতাকা হাতত লৈ যাব নোৱাৰে। কংগ্ৰেছৰ এম পি জিন্দাল যেতিয়া আমেৰিকালৈ গৈছিল, তেওঁ তেতিয়া দেখিছিল যে আমেৰিকাত যেতিয়া স্বাধীনতা দিৱস পালন কৰে আমেৰিকাৰ সকলো লোকে নিজস্ব ভাৱে নিজৰ নিজৰ ঘৰত, নিজৰ নিজৰ গাঁৱত, অফিচত জাতীয় পতাকা উত্তোলন কৰে। কিন্তু সেইটো ভাৰতবৰ্ষত নোৱাৰে। তেওঁ যেতিয়া সেইটো দেখিলে তেওঁ আহি ভাৱিলে যে তেঁৱো সেইটো কৰিব আৰু তেওঁ নিজৰ জিন্দাল ইণ্ডাষ্ট্ৰীত জাতীয় পতাকা উত্তোলন কৰিলে। লগে লগে তাৰ বাবে তেওঁক গ্ৰেপ্তাৰ কৰা হ'ল। ১৯৯৯ চনৰ পৰা তেওঁ চুপ্ৰিম কোৰ্টত কেচ খেলি, ২০০৮ চনত তেওঁ যেতিয়া কেচ জিকিলে, তেতিয়া ভাৰতবৰ্ষতো নিজৰ অফিচত জাতীয় পতাকা উত্তোলন কৰিবলৈ দিয়া হ'ল। কিন্তু তাৰ পিছতো আমি ২০০৮ চনৰ পৰা ২০২২ চনলৈ ৰ'বলগীয়া হ'ল। অমিত শ্বাহ ডাঙৰীয়াই নৰেন্দ্ৰ মোদী ডাঙৰীয়াৰ নেতৃত্বত সংবিধানত পাৰ্লিয়ামেণ্টত আকৌ এটা ৰিজ'লিউশ্যন ল'লে যে 'আজাদী কী মহোৎসৱ'ৰ বাবে ঘৰে ঘৰে আমি তিনি দিন জাতীয় পতাকা ৰাখিব পাৰিম। “আজাদী কী অমৃত মহোৎসৱ”ৰ মানুহে কৈছে, সামাজিক মাধ্যমতো আমি দেখিবলৈ পাইছো আৰু বহুতে ৰাজনীতিবিদেও কৈছে যে অমৃত মহোৎসৱ পালন কৰিছে । কিন্তু আমি অমৃত ক'ত পালো? অমৃত ক'ত পালো-অটল অমৃত অভিযানত ২ লাখ টকাকৈ ৰোগীৰ বাবে ইঞ্চুৰেঞ্চ কৰা হৈছে। আয়ুষ্মান ভাৰতত ভাৰতবৰ্ষৰ ৮০ কোটি জনতাৰ বাবে ইঞ্চুৰেঞ্চ কৰা হৈছে আৰু পৃথিৱীৰ ভিতৰতেই এইটো এটা হায়েষ্ট ইঞ্চুৰেঞ্চ। এই ইঞ্চুৰেঞ্চটোত ৫ লাখ টকাকৈ এজন ব্যক্তিৰ বেমাৰ হ'লে পাব। অসমৰ মাননীয় মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মা ডাঙৰীয়াৰ নেতৃত্বত আমি কিমানখিনি কাম কৰিব পাৰিছো? এতিয়ালৈকে বাগানবিলাকত মাত্ৰ এল পি স্কুলহে আছিল। তাৰ ওপৰত স্কুল নাছিল। বৰ্তমান আমি এল পি স্কুলৰ পৰা হাইয়াৰ চেকেণ্ডাৰী স্কুললৈ আনিলো।

আগতে বাগানত থকা ল'ৰা-ছোৱালীবোৰে চতুৰ্থ শ্ৰেণীলৈহে পঢ়িব পাৰিছিল। কিন্তু বৰ্তমান তেওঁলোকে হাইয়াৰ চেকেণ্ডাৰীলৈকে পঢ়িব পৰা হ'ল। এইটো বাগানত থকা শ্ৰমিকসকলৰ বাবে এয়া এটা ডাঙৰ অমৃত। অৰুণোদয়ৰ জৰিয়তে ২২ লাখ মহিলা হিতাধিকাৰীক আমি সহায় কৰি আছো। ইয়াৰ দ্বাৰা আমি অমৃত লাভ কৰিছো। কাৰ্বি আংলং পাহাৰীয়া অঞ্চল। এইটো আগতে উগ্ৰপন্থীৰ চৰণীয়া অঞ্চল আছিল আৰু তেওঁলোকৰ জন্ম স্থল আছিল। কিন্তু তাত এতিয়া মেডিকেল কলেজ হৈছে। ডাক্তৰৰ জন্ম স্থল হৈছে। বৰ্তমান তাত বিশ্ববিদ্যালয় স্থাপন হৈছে। মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়াই প্ৰত্যেকখন জিলাতে Youth Commission **স্থাপন কৰিবলৈ দিছে।** APSC **আৰু** UPSC **পৰীক্ষাৰ বাবে ছাত্ৰ-ছাত্ৰীসকলৰ বাবে** Coaching Center **খুলিবলৈ দিছে।** এয়া ছাত্ৰ-ছাত্ৰীসকলৰ বাবে অমৃত নহয় জানো? এনেধৰণে আমাৰ ছাত্ৰ-ছাত্ৰীসকলক অমৃতৰ সোৱাদ দিবৰ বাবে আমাৰ চৰকাৰখনে কাম কৰিছে। আমাৰ শৌৰ্য-বীৰ্য্য সাহসৰ প্ৰতীক লাচিত বৰফুকনদেৰৰ চাৰিশ তম জন্ম বাৰ্ষিকী মাননীয় মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাদেৱৰ নেতৃত্বত ভাৰতৰ সকলো ৰাজ্যতে আৰু ভাৰতবৰ্ষৰ ৰাজধানী দিল্লীত উদ্‌যাপন কৰিবলৈ পৰিকল্পনা কৰিছে। এইয়া এটা ডাঙৰ সন্মানৰ কথা। আজি দুখীয়া, বৃদ্ধ, দিব্যাংগ, ছাত্ৰ-ছাত্ৰীসকল আদি সকলোৰে বাবে বহুতো **সুবিধা কৰি দিছে। ইয়াৰ দ্বাৰা সকলোকে অমৃত দিয়া হৈছে। কৰোণা কালত মোদী ডাঙৰীয়াই** ৫০০ **টকাকৈ যেতিয়া** সোমোৱাই দিছিল, সেইয়া ল'বৰ বাবে ৩০০০ লোকৰ শাৰী দেখিবলৈ পোৱা গৈছিল। ইয়াৰ পৰা পইচাৰ যিটো অভাৱ, সেইটো বুজিব পাৰি। অসম চৰকাৰে এতিয়া ১২৫০.০০ টকাকৈ অৰুণোদয় আঁচনিৰ জৰিয়তে ২২,০০০ হিতাধিকাৰীক দিবলৈ আৰম্ভ কৰিছে। মই ভাৱো অসম চৰকাৰৰ এইটো এটা ডাঙৰ পদক্ষেপ। এতিয়া জাতীয় পতাকাৰ প্ৰতি মানুহৰ কিমান মৰম, উৎসাহ আপোনালোকে দেখিছে। এইবাৰ গাড়ীয়ে গাড়ীয়ে জাতীয় পতাকা লৈ ৰেলী কৰিছে। ৰাইজে জাতীয় পতাকা নিজৰ হাতত লৈ ঘূৰিব পাৰিছে। আগতে স্বাধীনতা দিৱসত মন্ত্ৰী বা ডাঙৰ ডাঙৰ VIP য়ে গাড়ীত পতাকা লৈ ঘূৰে, বেলেগে নোৱাৰে। কিন্তু, যোৱা ১২, ১৩ আৰু ১৪ আগষ্ট এই তিনিদিনত ৰাইজে অট'তো জাতীয় পতাকা লৈ ঘূৰিছে। গতিকে, মোডী মহোদয়ে VIP culture বন্ধ কৰি সকলো ব্যক্তিকেই important হিচাপে গণ্য কৰাটো আমি এই 'আজাদী কা অমৃত মহোৎসৱ'ত দেখিবলৈ পাইছো। মই বাইক, স্কুটাৰ, গাড়ী সকলোতে জাতীয় পতাকা লগোৱা দেখিবলৈ পাইছো, আনকি গৰুগাড়ী, ঠেলা, চাইকেলতো জাতীয় পতাকা লৈ ঘূৰা দেখিছো। 'আজাদী কা অমৃত মহোৎসৱ'ৰ যি অনুভৱ আমি কৰিলো, মই ভাৱো এই ক্ষেত্ৰত আমি মোডী ডাঙৰীয়াক সদায় ধন্যবাদ দিব লাগিব। তেখেতে আমাক নিজকে ভাৰতীয় হিচাপে অনুভৱ কৰিবলৈ এটা সুযোগ দিলে আৰু ৰাষ্ট্ৰীয় পতাকাৰ প্ৰতি আকৰ্ষণ, ভক্তি আৰু সন্মান কৰিবলৈ আমাক শিকাই দিলে। ২০০২ চনত যেতিয়া সংসদত আক্ৰমণ হৈছিল তেতিয়া শাসক বিৰোধী সকলো এক হৈছিল। ছোনিয়া গান্ধী ডাঙৰীয়ানীয়ে অটল বিহাৰী বাজপেয়ী ডাঙৰীয়া ঠিকে আছে নে নাই, তাৰ খবৰ লৈছিল। গতিকে, আমি কেৱল দুৰ্যোগৰ সময়তে কিয় একগোট হওঁ? উন্নয়নৰ ক্ষেত্ৰতো যদি আমি সকলোৱে এক হৈ যাওঁ তেন্তে দেশৰ উন্নতি হ'বই। মোৰ সমষ্টিত যদি কিবা বেয়া কাম হৈছে, তেনে স্থলত চৰকাৰৰ বদনাম নকৰাকৈ নিজে ভাল কৰিব পাৰি নেকি তাৰ বাবে চেষ্টা কৰিব পাৰো। স্কুল এখনত ভঙা ডেস্ক-বেঞ্চৰ ফটো লৈ ফেচবুকত দি চৰকাৰে একো কাম কৰা নাই বুলি আপলোড কৰাতকৈ ১০-১৫ হাজাৰ টকা নিজৰ পৰাই দি যদি চকী-বেঞ্চ লৈ দিওঁ, তেন্তে আমাৰ দেশখন স্বয়ং ভাল হ'ব। এনেকুৱা এক মানসিকতা আমাক লাগিব। এই ক্ষেত্ৰত অসমৰ প্ৰতিজন নাগৰিকে যদি দায়িত্ব লয়, মই ভাৱো অসমখনে পঞ্চম বা

তৃতীয় নহয়, প্ৰথম স্থান পাবই। গতিকে, মোৰ সকলোলৈকে আহ্বান যে আমি সকলোৱে মিলি ৰাজ্যখনক আগুৱাই লৈ যাওঁ। কাজিয়া-পেচাল, গালি পৰা ইত্যাদি ভাৱ নলৈ অসমখন আমাৰ বুলি ভাৱি সকলোৱে ইয়াৰ উন্নতিৰ ক্ষেত্ৰত আগবাঢ়ো, তাকেই আহ্বান জনাই মই মোৰ বক্তব্যৰ সামৰণি মাৰিছো। উপাধ্যক্ষ হিচাপে সদনত কোৱা সুবিধাটো আচলতে নাথাকে, কিন্তু আজি মোক দু-আষাৰ ক'বলৈ দিয়াৰ বাবে মই অধ্যক্ষ মহোদয়ক ধন্যবাদ জ্ঞাপন কৰিছো। জয় হিন্দ। জয় আই অসম।

**মাননীয় অধ্যক্ষঃ** ধন্যবাদ। শ্ৰী দুৰ্গা দাস বড়ো।

**শ্ৰী দুৰ্গা দাস বড়ো, (কলাইগাওঁ)ঃ** মাননীয় অধ্যক্ষ মহোদয়, আজি প্ৰায় ৪ ঘন্টা কেইবাজনো মন্ত্ৰী তথা সন্মানীয় সদস্যই নিজৰ দলৰ নিৰ্ধাৰিত সময় লৈ ভাৰতে স্বাধীনতাৰ ৭৫ বছৰ পাৰ কৰি ৭৬ বছৰত ভৰি দিয়া এই উৎসৱটোৰ তাৎপৰ্য্য ব্যক্ত কৰিছে। আজি সদনত মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়াই মুকলি কৰা এই আলোচনাক আমি অনুভৱহে কৰিছো। সেইয়া আমি দেখা নাই বা জনা নাই। ১৯৪৭ চনৰ ১৫ আগষ্টত জন্মগ্ৰহণ কৰা কোনো ব্যক্তি আমাৰ সদনত নাই। ভাৰতবৰ্ষ স্বাধীন হোৱা সময়ৰ অভিজ্ঞতা আৰু যন্ত্ৰণা যি সকল লোকে ভুগিছিল, সেই মহান শ্বহীদ আৰু নিৰ্যাতিত সকললৈ প্ৰথমে মই সশ্ৰদ্ধ প্ৰণাম জনাইছো। মই আৰম্ভণিতে এটা কথা ক'ব বিচাৰিছো যে ভাৰতবৰ্ষ স্বাধীন হোৱাৰ আগৰ আৰু পিছৰ সময় যোৱা ৭৫ বছৰৰ বিষয়ে আজি ইয়াত আলোচনা হৈছে। মোৰ আগৰ বক্তা মাননীয় উপাধ্যক্ষ মহোদয়ে যিখিনি বক্তব্য ৰাখিছে মূল অৰ্থত যোৱা ৭৫ বছৰৰ কিছু কথাহে উল্লেখ কৰিছে। পৰাধীনতাৰ শিকলি ছিঙি আমি স্বাধীন ভাৰত পোৱাৰ পিছত, স্বাধীন ভাৰতৰ নেতা সকলে সেই স্বাধীনতা বিচৰা লোক সকলৰ কাৰণে আৰু দুখীয়া লোকসকলক কি দিব পাৰিছে? অন্ন বস্ত্ৰ আৰু বাসস্থান এই তিনিটা বিষয়ৰ ক্ষেত্ৰত আমি যাতে কেতিয়াও অভাৱত ভুগিব লগীয়া নহয় তাৰ বাবে সকলোৱে স্বাধীন ভাৰতৰ পৰা গভীৰ ভাৱে আশা কৰিছিল। ইয়াৰ ওপৰত 'Roti, Kapdaa aur Makaan' বুলি এখন চিনেমাও ওলাইছিল। চৰকাৰসমূহে আজিও এই তিনিটা basic needs ৰ অভাৱ পূৰণ কৰিবলৈ চেষ্টা কৰিয়েই আছে, হয়তো আৰু কৰিব লাগিব। আমাতকৈ বহুত পিছৰ স্বাধীন হোৱা বহু দেশ অমৃত সাগৰত আছে। বহু আগবাঢ়ি গৈ উন্নত ৰাষ্ট্ৰ হৈছে। ভাৰতক উন্নত ৰাষ্ট্ৰ কৰিবলৈ বিচৰা প্ৰত্যেকগৰাকী প্ৰধান মন্ত্ৰী জৱাহৰ লাল নেহৰুৰ পৰা আদি কৰি নৰেন্দ্ৰ মোডীলৈকে সকলোৱে চেষ্টা কৰি আহিছে কিন্তু ক'ৰবাত হয়তো সফল হ'ব পৰা নাই। মই এটা কথা উল্লেখ কৰিব বিচাৰিছো যে ৰাষ্ট্ৰত যেতিয়া বিপদ হয় তেতিয়া এগৰাকী প্ৰধান মন্ত্ৰীৰ এক সিদ্ধান্ত বা তেওঁৰ এষাৰ বক্তব্যই বা তেখেতৰ এটা কামে সমগ্ৰ ৰাষ্ট্ৰক উদ্বেগিত কৰি তোলে। ভাৰতবৰ্ষত জৱাহৰলাল নেহৰু যিদিনা প্ৰধান মন্ত্ৰী হৈছিল তেতিয়া ভাৰতবৰ্ষত মানুহৰ বাহিৰে একোৱেই নাছিল আৰু তেখেতে ভাৰতবৰ্ষখনক প্ৰগতিৰ ফালে লৈ যোৱাৰ কাৰণে শুভাৰম্ভণি কৰিছে । আজি সময় যদিও কম, এইখিনিতে মই এষাৰ কথা বা এটা কামে দেশবাসীক কেনেধৰণে উদ্বেগিত কৰে তাৰ এটা উদাহৰণ দিব বিচাৰিছো । আপোনালোকে 'জয় জোৱান জয় কিষাণ' কথাষাৰ জানে। কিন্তু প্ৰধান মন্ত্ৰী শাস্ত্ৰী ডাঙৰীয়াই ইয়াত জয় কিষাণ কথাষাৰ কিয় যোগ দিব লগীয়া হ'ল? এইটো এই কাৰণেই হ'ল যে দেশ ৰক্ষা কৰিবলৈ আমাৰ জোৱান আছেই, কিন্তু, সেই সময়ত খাদ্যৰ অভাৱ হোৱা বাবে কৃষকসকলক জাগ্ৰত কৰিবলৈ জয় জোৱান'ৰ লগত 'জয় কিষাণ'ৰ শ্ল'গান গাইছিল। ইয়াৰ ফলত গোটেই ভাৰতবৰ্ষৰ কৃষকসকল উৎসাহিত হৈ শস্য উৎপাদন কৰিছিল। গতিকে, তেখেতৰ এষাৰ কথাই ভাৰতবৰ্ষৰ গোটেই কৃষকসকলক জাগ্ৰত কৰিব পাৰিছিল। আমাৰ বৰ্তমানৰ

প্ৰধান মন্ত্ৰী নৰেন্দ্ৰ মোডী ডাঙৰীয়াই যোৱা তিনিটা দিন সকলোকে VIP কৰি, আজাদী কা অমৃত মহোৎসৱত নতুন প্ৰজন্মক জড়িত কৰিবৰ কাৰণে গীটাৰত ষ্ট্ৰিঙে জাগৰণ অনাৰ দৰে যুৱ প্ৰজন্মৰ মাজতো জাগৰণ আনিছে। এই ত্ৰিৰংগ পতাকাখনৰ সম্পৰ্কে, ভাৰতৰ স্বাধীনতা অনা ব্যক্তিসকলৰ সম্পৰ্কে আমাৰ যুৱ প্ৰজন্মই সঁচাকৈয়ে পাহৰি গৈছিল। কিন্তু কিছুদিন আগতে দিয়া নিয়মীয়া বাৰ্তাখনৰ লিখনিয়ে মোক স্তম্ভিত কৰি তুলিছে। তাত কৈছে যে যেতিয়াই স্বাধীনতাৰ পিছত অসমত নতুন সংগ্ৰাম আৰম্ভ হ'ল সেই সংগ্ৰামে পুৰণি সংগ্ৰামক পাহৰাই পেলালে। কি নতুন সংগ্ৰাম হৈছে সেয়া মই উল্লেখ কৰিব বিচৰা নাই বা কোনে পাহৰাই দিলে সেয়া মই ক'ব বিচৰা নাই। এই আজাদী কা অমৃত মহোৎসৱৰ সময়ত মই ক'ব বিচাৰিছো যে যেতিয়া সমগ্ৰ অসমত উগ্ৰপন্থী সংগঠনৰ দপদপনি হ'ল, এই সংগঠনবিলাকে ১৫ আগষ্ট বা ২৬ জানুৱাৰীত ওলাব নোৱাৰা পৰিস্থিতি কৰি দিছিল, যাৰবাবে আমাৰ নতুন প্ৰজন্মই লাহে লাহে স্বাধীনতা সংগ্ৰামী সকলৰ বিষয়ে বহু কথা নজনা হ'ল। এইবিলাকৰ প্ৰতি লাহে লাহে জ্যেষ্ঠ সকলৰো যেন আকৰ্ষন নোহোৱা হ'ল কাৰোবাৰ ভয়ত। গতিকে আজিৰ এই অমৃত মহোৎসৱৰ সময়ত এই পাহৰা কথাবোৰ জাগৃত কৰে, তেতিয়াহ'লে ভৱিষ্যতৰ প্ৰজন্মৰ কাৰণে আৰু ৰাষ্ট্ৰৰ কাৰণে ভাল হ'ব। শেষত মই এটা কথা ক'ব বিচাৰিছো যে আজাদী কা অমৃত মহোৎসৱৰ সময়ত আমাৰ যিবিলাক অধিকাৰ আছে সেইবিলাক ৰাষ্ট্ৰই আমাক দিবলৈ চেষ্টা কৰিছেনে নাই? প্ৰতিজন প্ৰধানমন্ত্ৰীয়ে, প্ৰতিখন চৰকাৰে আমাৰ যি অধিকাৰ সময়ে সময়ে দিবলৈ চেষ্টা কৰিছে, কিছু সময় আগতে আমাৰ এগৰাকী বিধায়িকাই সুন্দৰকৈ কৈ গৈছে যে আমাৰ যি শিক্ষাৰ অধিকাৰ, খাদ্যৰ অধিকাৰ, শিশু সকলৰ যি অধিকাৰ, বিশুদ্ধ খোৱাপানীৰ অধিকাৰ এই সমূহ দিবলৈ প্ৰতিজন প্ৰধান মন্ত্ৰীয়ে চেষ্টা চলাইছে। কিন্তু তথাপিও মই আজি অসমৰ মুখ্যমন্ত্ৰী ডাঙৰীয়া আৰু সদনক এটাই কথা মনত পেলাব খুজিছো যে যি অমৃত ভাৰতবৰ্ষৰ লগতে অসমৰ ৰাইজে বিচাৰিছে সেয়া কৰবাত যেন সম্পূৰ্ণ হোৱা নাই। আজি সদনত পৃথ্বিৰাজ ৰাভা আছে, তেখেতৰ দেউতাক কলাগুৰু বিষ্ণু প্ৰসাদ ৰাভা এসময়ত এই সদনৰে বিধায়ক আছিল। ১৯৪৭ চনৰ ১৫ আগষ্টত যেতিয়া আমি আটায়ে আনন্দ কৰিছিলো, স্বাধীন ভাৰত কী জয়, মাহাত্মা গান্ধী কী জয় বুলি কৈছিলো, সেইদিনা কলাগুৰু বিষ্ণু প্ৰসাদ ৰাভা দুখন সভাত "য়ে আজাদী ঝুঠা হ্যায়."কৈছিল। তেওঁ এই কাৰণে "য়ে আজাদী ঝুঠা হ্যায়" বুলি কোৱাৰ অৰ্থ আছিল যে আমি যি স্বাধীনতা পাইছো সেইটো মিছা নহয়, কিন্তু তাৰ লগত আমি পাবলগা বহু স্বাধীনতা এতিয়াও পোৱা নাই বুলি কৈছিল।সেইদিনা বিষ্ণু প্ৰসাদ ৰাভাক পুনৰ এবাৰ জাতিদ্ৰোহী বুলি কৈ কঁকাল আৰু হাতত ৰছি বান্ধি চৰকাৰে গ্ৰেপ্তাৰ কৰিছিল। গতিকে স্বাধীনতাৰ ১০০ বছৰৰ ভিতৰত এই উপলব্ধিটো, সমুলঞ্চে বিষ্ণু প্ৰসাদ ৰাভাই ভৰা চিন্তাটো যাতে নোহোৱা হয়, সেইটোৱে মই কামনা কৰিছো। "য়ে আজাদী সচ্চা হ্যায়"সেইটো যাতে সকলোৰে মনত আহে। ধন্যবাদ।

**মাননীয় অধ্যক্ষ ঃ** ধন্যবাদ। এতিয়া শ্ৰী মনোৰঞ্জন তালুকদাৰ।

**শ্ৰী মনোৰঞ্জন তালুকদাৰ, (সৰভোগ) ঃ** মাননীয় অধ্যক্ষ মহোদয়, মই প্ৰথমতে মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়াই স্বাধীনতাৰ যি খতীয়ান দাঙি ধৰিছে তাক সমৰ্থন জনাইছো, যদিও তেওঁৰ এই খতীয়ানত মোৰ সৰভোগ সমষ্টিটো অন্তৰ্ভূক্ত নহ'ল। আপোনালোকে জানে যে ১৯৪২ চনত সৰভোগত ব্ৰজনাথ শৰ্মাৰ নেতৃত্বত বৃটিছৰ বিমান ঘাটি জ্বলাই দিয়াই নহয়, থানা জ্বলাই দিছিল। তেনেধৰণে Quit India Movement ত সৰভোগৰ জনসাধাৰণে ঐতিহাসিক ভূমিকা পালন কৰিছিল, সেই কথা লিখিতভাৱে স্মৰণীত থকা দৰকাৰ। গতিকে মই ভাৱো মুখ্যমন্ত্ৰী ডাঙৰীয়াই তেওঁৰ বক্তব্যত সৰভোগৰ কথা অন্তৰ্ভূক্ত কৰিব। স্বাধীনতা আন্দোলনত সকলো মানুহৰ যি অংশগ্ৰহণ, এই অংশগ্ৰহণত মই communist হিচাপে গৰ্ব বোধ কৰো। কাৰণ Communist Party য়ে

১৯২১ চনত মৌলানা হজৰত মোহানী আৰু স্বামী কুমাৰানন্দৰ দ্বাৰা পূৰ্ণ স্বৰাজৰ প্ৰস্তাৱ উত্থাপন কৰিছিল যদিও সেই প্ৰস্তাৱ আহমেদাবাদ কংগ্ৰেছ অধিবেশনত গৃহীত নহ'ল। পৰৱৰ্তী সময়ত ১৯২৯ চনত লাহোৰৰ All India Congress অধিবেশনত এই প্ৰস্তাৱ গৃহীত হৈছিল। আমি তেনেধৰণে communist সকলে ভাৰতবৰ্ষৰ স্বাধীনতা আন্দোলনত এক হৈ এক ঐতিহাসিক ভূমিকা পালন কৰি আমি যথেষ্ট কষ্ট ভোগ কৰিবলগা হৈছিল। আজিও যদি কোনোবাই ছেলুলাৰ জেললৈকে যায়, দেখিব যে তাত যি ৮০ শতাংশ বন্দী আছিল তেওঁলোকে হৈছে পৰৱৰ্তী সময়ত communist আন্দোলনৰ নেতা। আমাৰ অসমৰো গোপন ৰায়কে ধৰি বহুকেইজন নেতা ছেলুলাৰ জেলত আছিল আৰু এই ঐতিহ্যৰ বাহক হিচাপে স্বাভাৱিকতে স্বাধীনতাৰ যি স্বপ্ন আমাৰ মাজলৈ লৈ আহিছিল, সেই স্বপ্ন আমিও পোষণ কৰিছিলো। আমিও সেই ভাৰতবৰ্ষখন বিচাৰিছিলো। স্বাধীনতাই স্বপ্ন আনিছিল যে আমাক আৰ্থিকভাৱে স্বাৱলম্বী কৰা হ'ব, আমি সামাজিক ন্যায় প্ৰতিষ্ঠা কৰিব পাৰিম। আমি ধৰ্ম নিৰপেক্ষতাক প্ৰসাৰিত কৰিব পাৰিম। তাৰ কাৰণে আমাৰ কেন্দ্ৰ আৰু ৰাজ্যৰ সম্পৰ্ক পুনৰ বিন্যাস হ'ব আৰু এনেধৰণে আমি ভাৰতবৰ্ষখন আগবাঢ়ি যাম। কিন্তু আমি ৭৫ তম বছৰৰ উদ্‌যাপন কৰোঁতে আমি আনন্দত উদ্‌বাউল হৈছো, সেই সময়তো মোৰ অনুভৱ হৈছে যে আমি আৰ্থিক স্বাৱলম্বীতা পোৱাৰ ক্ষেত্ৰত সাফল্য লাভ কৰিব পৰা নাই। ভাৰতবৰ্ষত আজি যথেষ্ট কৰ্মসংস্থাপনহীন মানুহৰ সৃষ্টি হৈছে। সাংঘাতিকভাৱে হোৱা মূল্যবৃদ্ধিয়ে আমাক কোঙা কৰিছে। অৰ্থনীতিৰ যেন এটা অৰ্ধগামী যাত্ৰা আৰম্ভ হৈছে। আমি এনেকুৱা এখন ভাৰতবৰ্ষ সৃষ্টি কৰি লৈছো নেকি যিখন ভাৰতবৰ্ষত এচাম মানুহ ধনীৰ পৰা আৰু ধনী হ'ব আৰু আনচাম মানুহ দৰিদ্ৰৰ পৰা বেছি দৰিদ্ৰ হ'ব। দুখন ভাৰতবৰ্ষৰ সৃষ্টি হ'ব এখন দৰিদ্ৰৰ আৰু আনখন মুষ্টিমেয় কিছু ধনী মানুহৰ ভাৰতবৰ্ষ। এই সৃষ্টি আমি কৰি লৈছো নেকি?আজি দলিত মানুহ, আদিবাসী মানুহ নিৰ্যাতনৰ মুখামুখি হৈছে। অকল মুখামুখি হোৱাই নহয়, যি ন্যায় প্ৰতিষ্ঠা কৰাৰ কাৰণে যুঁজ কৰিছে, আম্বেদকাৰৰ প্ৰতিমূৰ্তী ভাৰতবৰ্ষৰ বিভিন্ন স্থানত ভাঙি দিয়া হৈছে। এইধৰণে কোনখন ভাৰতবৰ্ষলৈ আমি যাব বিচাৰিছো। আজি মাননীয় মন্ত্ৰী উৰ্খাও ডাঙৰীয়াই যিটো কথা কৈছে স্বাভাৱিকতে এটা শঙ্কা আজি জনজাতীয় মানুহৰ মাজত হৈছে। আজি আমি বাহিৰৰ শত্ৰুৰ বিৰুদ্ধে যুঁজ কৰিছো, আক্ৰমন আহিছে, প্ৰত্যাক্ৰমন আহিছে। কিন্তু আভ্যন্তৰীণ যি চক্ৰান্ত যি শক্তিয়ে আজি সামাজিক ন্যায় প্ৰতিষ্ঠা কৰিবলৈ দিয়া নাই, যি শক্তিয়ে অৰ্থনীতিক ঠন ধৰিবলৈ দিয়া নাই, সেই শক্তিয়ে আজি ধৰ্ম নিৰপেক্ষতাৰ নীতিৰ প্ৰতি ভাবুকিৰ সৃষ্টি কৰিছে। আজি স্বাধীনতাৰ ৭৫ বছৰত এই বিষয় বিলাক আমি গভীৰভাৱে উপলব্ধি কৰা দৰকাৰ। তাৰকাৰণে আমাৰ দৃষ্টিভঙ্গীও স্পষ্ট কৰাৰ দৰকাৰ। আমাৰ অসমত ৭৫ বছৰত আমাৰ বহুত সাফল্য আছে, আমি বহুত গঢ়ি তুলিছো। কিন্তু তথাপি বুনিয়াদী যিবিলাক বিষয়, সেই বুনিয়াদী বিষয়বিলাকত আমি যেন কৰবাত আঁত হেৰুৱাইছো, ক'ৰবাত যেন আমি ভালকৈ যাব পৰা নাই, ক্ষতিগ্ৰস্ত হৈছো। Center State relation ৰ ক্ষেত্ৰত আজি ৰাজ্যৰ হাতত অধিকাৰৰ বিষয়টো সংবিধানে যিধৰণে উত্থাপন কৰিছিল, ঠিক তেনেধৰণে আমি বিকশিত কৰিব পৰা নাই। বেছিভাগ ক্ষমতা কেন্দ্ৰৰ হাতত সন্নিবিষ্ট হৈছে, যিবিলাক State subject আছিল, সেইবিলাক Concurrent list লৈ গুচি গৈছে। আজি কেন্দ্ৰৰ হাতত বেছি ক্ষমতা কেন্দ্ৰীভূত হৈছে, স্বাভাৱিকতে মানুহৰ বিকাশ, ৰাজ্যৰ বিকাশ বাধাগ্ৰস্ত হৈছে। মই মাননীয় অধ্যক্ষ মহোদয়ৰ জৰিয়তে এইবিলাক ক্ষেত্ৰত আপোনালোকৰ দৃষ্টিগোচৰ কৰিব বিচাৰিছো যে আজি আমাৰ দেশৰ সংবিধান, তাৰ যি প্ৰমূল্য, সেই প্ৰমূল্যক ৰক্ষা কৰা, বিকশিত কৰা বা সুৰক্ষিত কৰাৰ ক্ষেত্ৰত আমি গভীৰভাৱে মনোযোগ দিব লাগিব। সংবিধানক নস্যাৎ কৰাৰ যি ধৰণৰ প্ৰচেষ্টা চলে তাক কঠোৰভাৱে বাধা দিব লাগিব। গণতান্ত্ৰিক যিটো ব্যৱস্থাত আমি আছো, আমাৰ গণতান্ত্ৰিক অধিকাৰ যাতে সুৰক্ষিত থাকে। কথাই কথাই অসহিষ্ণুতা, কাৰোবাক

দেশদ্ৰোহী সজাই জেলত ভৰাই দিয়া, এই ধৰণৰ বাতাবৰণে গণতন্ত্ৰক শক্তিশালী নকৰে। তাৰ উৰ্দ্ধত উঠি আমাৰ দেশৰ গণতন্ত্ৰ, আমাৰ দেশৰ সংবিধান, আজি বিকশিত কৰাৰ, সুৰক্ষিত কৰাৰ ক্ষেত্ৰত আমি গভীৰ শক্তিৰে যুঁজ কৰিম। আভ্যন্তৰিণত এই যি শক্তি এনেধৰণে গা কৰি উঠি কাম কৰি আমাক ব্যাহত কৰিছে, আমি সেই প্ৰচেষ্টাক বাধা দিয়াৰ সাহসেৰে প্ৰত্যাহ্বান গ্ৰহণ কৰিব লাগিব। এজন কমিউনিষ্ট হিচাপে মই যিটো গৰ্ব অনুভৱ কৰো ভাৰতবৰ্ষৰ স্বাধীনতাত অংশ গ্ৰহণ কৰা, প্ৰাণ আহুতি দিয়া, বাৰে বাৰে প্ৰচেষ্টা চলাই ভাৰতবৰ্ষৰ মানুহক ঐক্যবদ্ধ কৰাত কমিউনিষ্টৰ যি ভূমিকা, তাৰ প্ৰতি শ্ৰদ্ধা জ্ঞাপন কৰি আৰু সৰভোগৰ জনসাধাৰণৰ ১৯৪২ চনৰ গণ আন্দোলনত যিটো সহযোগিতা তাক গ্লৰিফাই কৰাৰ কাৰণে যাতে মুখ্যমন্ত্ৰী ডাঙৰীয়াৰ বক্তব্যতো এই কথা বিলাক আহে তাকে মই আবেদন জনাই , সকলোকে ধন্যবাদ দি মই মোৰ বক্তব্য সামৰণি মাৰিছো। ধন্যবাদ

**মাননীয় অধ্যক্ষ ঃ** ধন্যবাদ, এতিয়া শ্ৰীবিদ্যাসিং ইংলেং ।

**শ্ৰীবিদ্যাসিং ইংলেং, (ডিফু) ঃ** মাননীয় অধ্যক্ষ মহোদয়, আমাৰ ৭৫ বছৰ স্বাধীনতা দিৱস পূৰ্ণ হোৱাৰ বাবে যিটো স্পেচিয়েল চেশ্যন আজি অনুষ্ঠিত কৰা হৈছে তাত মোক বক্তব্য ৰাখিবলৈ সুবিধা প্ৰদান কৰা বাবে অশেষ ধন্যবাদ জ্ঞাপন কৰিছো । মাননীয় অধ্যক্ষ মহোদয়, আমাৰ দেশৰ তথা বিশ্বৰে এগৰাকী গুৰুত্বপূৰ্ণ নেতা আমাৰ প্ৰধান মন্ত্ৰী ডাঙৰীয়া নৰেন্দ্ৰ মোদীৰ আহ্বান ক্ৰমে আমাৰ দেশে 'স্বাধীনতাৰ অমৃত মহোৎসৱ ' উদযাপন কৰিছে। লগতে আমাৰ দেশে ৭৫ বছৰ সম্পূৰ্ণ কৰাৰ প্ৰাক্ মূহুৰ্ত্তত ১৩ আগষ্টৰ পৰা ১৫ আগষ্টত ঘৰে ঘৰে জাতীয় পতাকা উত্তোলন কাৰ্য্যসূচী পালন কৰিলে। এই বিশেষ উপলক্ষ্যত অনুষ্ঠিত বিশেষ অধিবেশনত অংশ গ্ৰহণ কৰিবলৈ পাই মই অতি আনন্দিত হৈছো লগতে পাহাৰীয়া জিলাখনৰ ৰাইজৰ মতামত উপস্থাপন কৰিবলৈ সুযোগ পাইছো। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীজী দেশজুৰি চলোৱা আহ্বানৰ প্ৰতি আজি সমগ্ৰ দেশে সহাঁৰি জনাইছে। আমাৰ অতি দক্ষ মুখ্যমন্ত্ৰী ডাঙৰীয়া ডঃ হিমন্ত বিশ্ব শৰ্মা অসমীয়া শিপিনীৰ তাঁত শালত বোঁৱা ভাৰতীয় পতাকা ৰাজ্যখনৰ সন্মানীয় অভিজ্ঞ সমাজৰ বিশিষ্ট বৰঙনি আগবঢ়োৱা জ্যেষ্ঠ নাগৰিকসকলক ত্ৰিৰংগা জাতীয় পতাকা উপহাৰ দি সন্মান জনাইছে। সমগ্ৰ দেশৰ মানুহে আজি অতি আনন্দেৰে স্বাধীনতাৰ অমৃত মহোৎসৱৰ পবিত্ৰ ক্ষণত দেশ প্ৰেম, দেশ ভক্তি প্ৰদৰ্শন কৰি সমগ্ৰ বিশ্বলৈ ভাৰতীয় নাগৰিকে এক শুভ বাৰ্ত্তা প্ৰেৰণ কৰিছে। ভাৰতৰ মহান নেতাসকল আৰু কৌটি কৌটি জনসাধাৰণৰ ত্যাগৰ বিনিময়ত আমি ১৯৪৭ চনৰ ১৫ আগষ্টত স্বাধীনতা লাভ কৰিবলৈ সক্ষম হৈছো। এই ক্ষেত্ৰত ৰাষ্ট্ৰীয় স্বয়ংসেৱক সংঘৰ প্ৰতিষ্ঠাপক ডঃ হেডগেৱাৰ, মাগ দৰ্শক শ্যামা প্ৰসাদ মূখাৰ্জী, পণ্ডিত দীনদয়াল উপাধ্যায়জীৰ নাম আমি ল'বই লাগিব। অখণ্ড ভাৰত তথা সনাতন হিন্দু ধৰ্মক ৰক্ষা কৰাত এই তিনিগৰাকী ব্যক্তিৰ প্ৰচেষ্টাৰ সলাগ ল'বই লাগিব। এই তিনি গৰাকী ব্যক্তিৰ ত্যাগৰ বাবে আজি আমি শিৰ উন্নত কৰি ভাৰতীয় জনতা পাৰ্টিক দেশৰ ভিতৰতে সন্মানীয় স্থানত উপবিষ্ট কৰিবলৈ সক্ষম হৈছো। ৫০০০ বছৰ পুৰণি সনাতনী হিন্দু ধৰ্মক সকলো ফালৰ পৰা টনকিয়াল কৰাতএই তিনি গৰাকী মহান ব্যক্তিৰ অৱদানক আমি সদায় মনত ৰাখিব লাগিব। এফালে শ্যামা প্ৰসাদ মুখাৰ্জী জৱাহৰ লাল নেহৰু মন্ত্ৰীসভাৰ পৰা পদত্যাগ কৰি একনিষ্ঠভাবে সনাতন হিন্দু ধৰ্ম ৰক্ষণা -বেক্ষণ আৰু প্ৰসাৰৰ কামত অগ্ৰসৰ হৈছিল। আনহাতে পণ্ডিত দীন দয়াল উপাধ্যায়ে জনসংঘৰ নেতা হিচাপে দেশ সেৱা কৰাৰ উপৰিও ৰাষ্ট্ৰ ধৰ্ম পালন কৰি হিন্দুত্ব প্ৰসাৰত আগভাগ লৈছিল। একেদৰে আমাৰ ৰাইজেও মহান নেতাসকলৰ লগত সহযোগ কৰি ভাৰতৰ স্বাধীনতা আন্দোলনত জপিয়াই পৰিছিল। মহামানৱ মহাত্মা গান্ধীৰ আহ্বানৰ প্ৰতি সঁহাৰি জনাই গোপী নাথ বৰদলৈৰ নেতৃত্বত দেশ স্বাধীন কৰাৰ আন্দোলনত অসমৰো হাজাৰ হাজাৰ জনতা জপিয়াই পৰিছিল। শ্বহীদ, কুশল কোঁৱৰ, শ্বহীদ মুকুন্দ কাকতী, শ্বহীদ মনিৰাম

দেৱান, শ্বহীদ কনকলতা, ভোগেশ্বৰী ফুকননীৰ দৰে স্বাধীনতাৰ বাবে জীৱন ত্যাগ কৰা বীৰ বীৰঙ্গনাসকলক আজি আমি স্বাধীনতাৰ এই ৭৫ বছৰীয়া বৰ্ষটোত শ্ৰদ্ধাৰে সোঁৱৰিছো। কাৰ্বি পাহাৰ সেই সময়ত জিলা হিচাপে সংযোজিত নাছিল, হিলছ এৰিয়া হিচাপে আছিল। তৎ সত্বেও এই অঞ্চলৰ পৰা ১৯২০ চনত চাতবুড়া টেৰণৰ নেতৃত্বত স্বেচ্ছাসেৱীৰ দলে ভাৰতৰ স্বাধীনতা আন্দোলনত অংশ গ্ৰহণ কৰিছিল। এতিয়াও সেই গাওঁক ভলেন্টিয়াৰ গাওঁ বুলি জনা যায়। গোপীনাথ বৰদলৈ, দেশভক্ত তৰুণ ৰাম ফুকন, কৰ্মবীৰ নবীন চন্দ্ৰ বৰদলৈ দৰে আমাৰ প্ৰাতঃস্মৰণীয় ব্যক্তিসকলে ভাৰতৰ স্বাধীনতা আন্দোলনত দেহে কেহে খাঁটিছিল। আনহাতে বিভিন্ন উপ সমিতিত মহান কাৰ্বি নেতা খৰচিং তেৰাং সক্ৰিয়ভাবে অংশ গ্ৰহণ কৰিছিল আৰু পাহাৰৰ সমস্যাবোৰ সুন্দৰভাৱে অংশ গ্ৰহণ কৰিছিল। তেখেতৰ প্ৰতিও আমি আজি এই পবিত্ৰ সদনৰ পৰা সোঁৰণ আৰু শ্ৰদ্ধা জনাইছো।

মাননীয় অধ্যক্ষ মহোদয়, প্ৰধান মন্ত্ৰীৰ মূল মন্ত্ৰ 'সৰকা সাথ সবকা বিকাশ' এই কথাই আমাক অনুপ্ৰাণিত কৰিছে। বিগত কংগ্ৰেছৰ দিনতকৈ বিজেপি চৰকাৰৰ শাসনকালত ৰাইজে পূৰ্বতকৈ অধিক সা-সুবিধা আৰু সন্মান লাভ কৰিবলৈ সক্ষম হৈছে। সেয়েহে আজি প্ৰধান মন্ত্ৰী ডাঙৰীয়াৰ আহ্বানৰ প্ৰতি সঁহাৰি জনাই পাহাৰৰ ৰাইজেও সক্ৰিয়ভাবে অংশগ্ৰহণ কৰি গৌৰব অনুভৱ কৰিছে। যিসকলে স্বাধীনতা আন্দোলনত চৰম ত্যাগ কৰিলে সেইসকলক আমি গভীৰ শ্ৰদ্ধা জনাইছো। শেষত এটা গীত গাই শেষ কৰিম--

গীত

ভাৰতবৰ্ষক আমি অখণ্ড ৰাখো,
এই সুন্দৰ চিন্তা ধাৰা
ভাৰত মাতাৰ সন্তান আমি
বৈছে লুইতৰ ধাৰা,
মূৰ্ছনাৰ ৰম্যভূমি, মেঘালয় আৰু নাগাভূমি,
মিজোৰাম, ত্ৰিপুৰা, মনিপুৰ,
সাতভনীৰ যে একেই সুৰ,
অনাদি কালৰ একেই সংস্কৃতি
একেই চিন্তাৰ ধাৰ,
শংকৰ- মাধৱ গুৰু অসমৰ
দনীপ'ল, ৰাংখাং অৰুণাচলৰ,
তিৰত ৰাংনিমা,
চিৰ প্ৰসন্নী আমাৰ ভাৰত মা,
গোবিন্দ কৃষ্ণ একেই জলধীস্থানা।
ভিন্ন ভাষা, ভিন্ন বেশ,
তথাপিতো হিন্দুৰ ভাৰত দেশ
জটিল সমস্যাত হ'লেও দেশ
সংঘৰ শক্তিৰে কৰিম শেষ।
----- ধন্যবাদ, .............
ভাৰত মাতা কী জয়।

**মাননীয় অধ্যক্ষ ঃ** ধন্যবাদ, এতিয়া কেশৱ মহন্ত ।

**শ্ৰীকেশৱ মহন্ত, (মন্ত্ৰী, স্বাস্থ্য ও পৰিয়াল কল্যাণ ইত্যাদি) ঃ** মাননীয় অধ্যক্ষ মহোদয়, ৭৫ বছৰ স্বাধীনতাৰ পূৰ্ণ হোৱাৰ বাবে আজি বিশেষ অধিবেশন অনুষ্ঠিত কৰা বাবে আৰু একাষাৰ ক'বলৈ সুযোগ দিয়াৰ বাবে আপোনাক ধন্যবাদ জ্ঞাপন কৰিছো। আমি যিসকল মহান পুৰুষৰ বাবে আজি ইয়াত থিয় হ'বলৈ সমৰ্থ হৈছো তেওঁলোক- মহামানৱ মহাত্মা গান্ধী জাতিৰ পিতা , আৰু এইখন অসমৰ ক্ষেত্ৰত এইখন বিধান সভাৰ মজিয়াতে যিসকলে আন্দোলনৰ নেতৃত্ব দি ইয়াৰ পৰা জেললৈ যাব লগা হৈছিল , ভাৰত ৰত্ন গোপীনাথ বৰদলৈকে প্ৰমূখ্য কৰি সেই সকলোলৈকে আমাৰ আন্তৰিক শ্ৰদ্ধা আৰু যিসকলে এই মুক্তি সেনানী হিচাপে শ্বহীদ হ'ল সকলোলৈকে আন্তৰিক শ্ৰদ্ধা জ্ঞাপন কৰিছো। মাননীয় প্ৰধান মন্ত্ৰী নৰেন্দ্ৰ মোদী ডাঙৰীয়াৰ বিশেষ নেতৃত্বত স্বাধীনতাৰ ৭৫ বছৰত ' আজাদী কা অমৃত মহোৎসৱ' আমাৰ মাননীয় মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ নেতৃত্বত আমি এই শুভ দিনত শুভক্ষণত আমি সকলোৱে ইয়াত সমবেত হ'ব পাৰিছো। মোৰ সৌভাগ্য হৈছিল যেতিয়া সোণালী জয়ন্তী হৈছিল তেতিয়া সাংসদৰ যুটীয়া অধিবেশন হৈছিল আৰু তেতিয়াৰ সাংসদ হিচাপে তাত উপস্থিত থাকিবলৈ সুযোগ পাইছিলো। আজিও স্বাধীনতাৰ মহাৰজত জয়ন্তীত আজি আপোনালোকৰ মাজত এই পবিত্ৰ সদনত উপস্থিত থাকিবলৈ সোভাগ্য হৈছে। আজি স্বাধীনতাৰ ৭৫ বছৰৰ অতিক্ৰম কৰা কালত বহু কথাই , বহু চিন্তাই আমাৰ মনৰ মাজত আহিছে। সকলোৱে মনলৈ বেলেগ বেলেগ ধৰণৰ চিন্তা চৰ্চা আহে। আমি আত্মপ্ৰকাশো কৰিছো। কিন্তু এই পবিত্ৰ বিধান সভাৰ মজিয়াত যি সকল মুক্তি সেনানীয়ে স্বাধীনতাৰ আগত আৰু স্বাধীনতাৰ পিচত ইয়াত পদাৰ্পন কৰিলে, মই অধ্যক্ষ মহোদয়ক ধন্যবাদ জ্ঞাপন কৰিব লাগিব কাৰণ তেখেতে 'বি এ চি ' মিটিঙত এটা সিদ্ধান্ত লৈছে যে বিধান সভাৰ মজিয়ালৈ অহা মুক্তি যোদ্ধাসকলৰ এটা সংকলন প্ৰকাশ কৰিব। মাননীয় অধ্যক্ষ মহোদয়, আজি বিশেষ অধিবেশনৰ বাবে আৰু মোক দুষাৰ কব দিয়াৰ কাৰণে আপোনাক ধন্যবাদ জ্ঞাপন কৰিছো । যি সকল মহান পুৰুষৰ বাবে আজি আমি ইয়াত সমবেত হৈছো সেইজন মহা মানৱ মহাত্মা গান্ধী জাতিৰ পিতা আৰু এইখন অসমতে এইখন বিধান সভাতে যি সকলে আন্দোলনৰ নেতৃত্ব দি জেললৈ যাবলগীয়া হৈছিল ভাৰত ৰত্ন গোপীনাথ বৰদলৈকে প্ৰমুখ্য কৰি তেখেত সকললৈ আমাৰ আন্তৰিক শ্ৰদ্ধা আৰু যি সকলে মুক্তি যোদ্ধা হিচাপে শ্বহীদ হ'ল তেখেত সকললৈও আমাৰ আন্তৰিক শ্ৰদ্ধা জ্ঞাপন কৰিছোঁ। আজি প্ৰধান মন্ত্ৰী নৰেন্দ্ৰ মোডী ডাঙৰীয়াৰ বিশেষ নেতৃত্বত স্বাধীনতাৰ ৭৫ বছৰৰ মহোৎসৱত আজাদী কা অমৃত মহোৎসৱ আৰু আমাৰ ৰাজ্য খনত মাননীয় মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ নেতৃত্বত এই শুভ ক্ষণত আমি সকলোৱে ইয়াত সমবেত হ'ব পাৰিছোঁ আৰু মোৰ সৌভাগ্য হৈছিল যেতিয়া সোণালী জয়ন্তী হৈছিল,যেতিয়া সংসদৰ যুটীয়া অধিবেশন হৈছিল তাতো থাকিবলৈ মোৰ সৌভাগ্য হৈছিল আৰু আজিও এই মজিয়াত থাকিবলৈ পাই নিজকে ভাগ্যবান বুলি ভাৰিছোঁ। স্বাধীনতাৰ ৭৫ বছৰত পিছত আজি আমাৰ ইয়াত বহু কথাৰ চিন্তা-চৰ্চা মনলৈ আহে, আমি আত্ম প্ৰকাশো কৰিছোঁ। কিন্তু কাকো একো কবলৈ নাই, চিন্তা চৰ্চা বেলেগ বেলেগ ধৰণে মনলৈ আহে। এই পবিত্ৰ বিধান সভাৰ মজিয়াত যি সকল মুক্তি সেনানীয়ে স্বাধীনতাৰ আগত আৰু স্বাধীনতাৰ পিছত ইয়াত পদাৰ্পন কৰিলে সেইসকল, আজি অধ্যক্ষ মহোদয়ক ধন্যবাদ জ্ঞাপন কৰিব লাগিব কাৰণ তেখেতে বি এ চি মিটিঙত এটা সিদ্ধান্ত লৈ আহিছে যে বিধান সভাৰ মজিয়ালৈ অহা মুক্তি যোদ্ধা বা তেখেত সকলৰ ভিতৰত যি সকল আছে তেখেত সকলৰ কাৰণে তেখেতে এটা সংকলন প্ৰকাশ কৰিব আৰু সেই সংকলনত সকলোৱে কিছু হলেও পৰিচয় থাকিব। অধ্যক্ষ মহোদয়ক সেইকাৰণে ধন্যবাদ

জনাইছো কাৰণ স্বাধীনতাৰ অমৃত মহোৎসৱৰ এই শুভক্ষণত ইয়াৰ এটা ৰেকৰ্ড থাকিব। ভৱিষ্যতে আমি এই বিধান সভা খনৰ ত্যাগৰ বিষয়ে ইতিমধ্যে মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়াই কৈ গৈছে। ১৯২০ চনত আহি নবীন চন্দ্ৰ বৰদলৈয়ে তাত প্ৰতিনিধিত্ব কৰি অহাৰ পিছত ইয়াত অসমত জাতীয় কংগ্ৰেছৰ গঠন হ'ল প্ৰদেশ কংগ্ৰেছৰ কুলধৰ চলিহা দেৱ সভাপতি, কৰ্মবীৰ নবীন চন্দ্ৰ বৰদলৈ সম্পাদক আৰু তাৰ পিছতে যেতিয়া মহাত্মা গান্ধীয়ে ১৯২১ চনত অসম পদাৰ্পন কৰিলে গুৱাহাটীত পাণ্ডুত নামি তেজপুৰ হৈ গোটেই অসমখন ভ্ৰমণ কৰিলে তেতিয়াই অসমত এই স্বাধীনতা আন্দোলনৰ এটা সুসংগঠিত হ'ল আৰু বহু ৰাইজ তাত জপিয়াই পৰিল। এটা সৌভাগ্যৰ কথা যে যেতিয়া মহাত্মা গান্ধী তেজপুৰৰ পৰা কলিয়াবৰ হৈ পাৰ হৈছিল তেতিয়া এটা PWD ৰ IB ত আছিল। সেই IB টো আমি এতিয়া হেৰিটেজ বাংলো হিচাপে ৰাখিছোঁ। তাত য'ত মহত্মা গান্ধী আহি ৰৈছিল পিছত জৱাহৰলাল নেহৰুও আহি তাত ৰৈছিল। আই বি টো ১৮৮৭ চনৰ। মহত্মা গান্ধী আহিছিল ১৯২১ চনত। আমাৰ PWD মন্ত্ৰী অজন্তা নেওঁগ সেই আই বি টো উদ্বোধন কৰি আহিছে। গতিকে আমি যদি তেনেকুৱা স্মৃতি অসমৰ কৰবাত থাকে তেতিয়াহলে অলপ সংৰক্ষণ কৰিলে সেই বিলাক স্মৃতিয়ে আমাক সকলোকে এটা মনত ৰাখিব। এতিয়া আৰ্কোলজি বিভাগৰ দ্বাৰা ঢেকীয়াজুলি থানা, গহপুৰ থানা আৰু চতিয়া থানা, তিনিওখন ইতিমধ্যে হেৰিটেজ থানা হিচাপে ৰখা হ'ল। তাত ২০ চেপ্তেম্বৰত ঢেকীয়াজুলিত আৰু গহপুৰত কনকলতা বৰুৱা, মুকুন্দ কাকতি, ইয়াত ১৩ জন শ্বহীদ হৈছিল। কিন্তু আৰু এটা কথা অকণমান লুকাই আছে সেইটো হৈছে কি সেই বছৰৰে ২০ আগষ্টৰ দিনা চতিয়া থানাত প্ৰথম তিৰঙ্গ পতাকা উত্তোলন হৈছিল। সেই দিনা বৃটিছে সেইটোত বাধা দিব নোৱাৰিলে বৃটিছৰ পুলিচ চাৰেণ্ডাৰ হ'ল আৰু হোৱা কাৰণে তাত থানাত খুব সুন্দৰ ভাৱে পতাকা উত্তোলন কৰি ৰাইজে তাত সভা সমিতি পাতি গুচি আহিল। এতিয়া কোনোবাই কোনোবাই কয় যে ভাৰতবৰ্ষৰ প্ৰথম পতাকা উত্তোলন চতিয়া থানাত হৈছিল। কিন্তু এমাহৰ পিছত যেতিয়া ২০ চেপ্তেম্বৰত হ'ল সেই সময়ৰ চৰকাৰ বৃটিছ বেছি সজাগ হ'ল। সেইদিনা আমাৰ ১৫ জনক দুয়োখন থানাত গুলিয়াই মাৰিলে। এতিয়া আমাৰ চৰকাৰে সেইখিনি সংৰক্ষণ কৰিছে আটাইকেইখন থানাকে আৰু মই যেতিয়া এইবাৰ গোলাঘাটত পতাকা উত্তোলন কৰিবলৈ গ'লো শ্বহীদ কুশল কোঁৱৰক যিটো চেলত ৰাখিছিল, থানাৰ যিটো লকআপ, লকআপটোত তেখেতৰ ফটো এখন দি তাত শ্ৰদ্ধা জনাবলৈ দিছিল। তাৰ পৰা আহি মই আৰ্কলজি মন্ত্ৰী নন্দিতা গাৰ্লোচা মাননীয়া মন্ত্ৰীক কৈছো যে থানা বাকী কেইখন হ'ল, গোলাঘাট থানা খনো তেনেধৰণে হেৰিটেজ কৰি থৈ দিব লাগে। যাতে কুশল কোঁৱৰৰ স্মৃতিটো তাত আজি যেনেকৈ সংৰক্ষণ কৰিছে তাতকৈ আকৌ যাতে ভাল ধৰণে থাকে। এনে ধৰণৰ দুই এটা কথাহে ইয়াত উনুকিয়াই দিবলৈ ভাৱিছোঁ আৰু ইয়াৰ লগতে আমাৰ এটা কথা দৃষ্টিগোচৰ হৈছে, অসমৰ আন্দোলনটো অসমত স্বাধীনতা আন্দোলন ১৯২১ চনত হয়তো তেতিয়া হৈছিল, সেই সময়ৰ অসহযোগ আন্দোলন, তাৰ পিছতে আহিল ১৯৩০ ৰ পৰা ১৯৩৪ চনলৈ আইন অমান্য আন্দোলন, ১৯৪০ ৰ পৰা ১৯৪১ চনলৈ সত্যাগ্ৰহ, ১৯৪২ ৰ পৰা ১৯৪৫ চনলৈ ভাৰত ত্যাগ আন্দোলন। এইটোৰ পিছত সেইটো এই আন্দোলন খিনি যেতিয়া অসমত বাঢ়ি গ'ল, সেই সময়ত অসমৰ স্বাধীনতা সংগ্ৰামৰ যি সকল মুক্তি সেনানী তেখেত সকলে য'ত য'ত যেনে ধৰণে বিভিন্ন ধৰণে মৃত্যু বৰণ হৈছে, কৰবাত ৰেল লাইন উঠুৱাওতে তাত পিছত তেওঁক ফাঁচী দিছে, এই বিভিন্ন কথা এই স্মৃতি বিলাক যাতে ৰক্ষা হয় এইটো চিন্তা আমাৰ বিধান সভাৰ পৰা হ'ব লাগিব আৰু মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়াক মই ধন্যবাদ জ্ঞাপন কৰিবলৈ বিচাৰিছোঁ যোৰহাট জেলখন, যোৰহাট জেল খনতে অসমৰ সকলো বিশিষ্ট

নেতা আছিল। এতিয়া প্ৰায় ১০০ বিঘা মাটি জুৰি তাত সেই খন সংৰক্ষণ কৰিবলৈ লৈছে। আমাৰ যেনেকৈ war memory থাকে ঠিক তেনেকৈ এটা freedom memory এই কথাটো কৰবাত একেঠাইতে যাতে পাওঁ সেই কথাটো আমাৰ ইয়াৰ চিন্তা কৰিলে বেছি ভাল হ'ব বুলি মই ভাৱিছোঁ। ইয়াৰোপৰি আমাৰ এটা কথা আমি দেখিবলৈ পাইছো সুভাষ চন্দ্ৰ বসু তেখেতৰ একমাত্ৰ জীয়ৰী এতিয়াও জীয়াই আছে। তেওঁৰ ৭৯ বছৰ হৈছে, এই ৭৯ বছৰ জাপানৰ টকিয়ত আছে। তেওঁ এইবাৰ ১৫ আগষ্টৰ দিনা তাৰ পৰা এটা ষ্টেটমেন্ট দিছে যে তাৰ এটা ৰামকোজিপ টেম্পল, এই টেম্পলটোত তেওঁৰ মতে এতিয়াও সুভাষ চন্দ্ৰ বসুৰ কিছু অংগ পতংগ তাত আছে। তেওঁ কৈছে যে ইয়াৰ ডি এন এ টেষ্ট হ'ব লাগে তেওঁৰ পৰিয়ালৰ লগত আৰু এইটো চৰকাৰে সেইটো মানি লৈছে। যদি হয় তেতিয়াহলে সুভাষ চন্দ্ৰ বসুৰ হয়নে নহয়, তেওঁ কৈছে এটা সময় চেট'ল হ'ব লাগে, হয় যদি হওঁক আৰু নহয় যদিও নহওঁক। গতিকে বিষয়টো যিহেতু ওলমি আছে গতিকে এই ক্ষেত্ৰত এই কথাটো যিহেতু আগবাঢ়িছে আমি এটা কথা আশাবাদী যে আজিৰ দিনটোত যাক লৈ নেতাজী সুভাষ চন্দ্ৰ বসু ভাৰতীয় জাতীয় কংগ্ৰেছৰ নেতৃত্ব লৈছিল, সভাপতিৰ নেতৃত্ব লৈছিল, তেখেতে আন্দোলনক এটা বেলেগ ধৰণে আমাৰ সিদ্ধাৰ্থ দাদাও কৈ গৈছে যে পন্থা কি লৈছে বেলেগ কথা কিন্তু সকলোৱে দেশপ্ৰেমী, সকলোৱে ভাল পাইছে, সকলোকে আমি শ্ৰদ্ধা জনাইছোঁ কিন্তু তেখেতৰ আন্দোলনৰ এটা মাত্ৰা আগুৱাই নিয়াত সুভাষ চন্দ্ৰ বসুৰ যথেষ্টখিনি অৱদান আছে। এইটো যদি চেট'ল হয় আমাৰ কাৰণে আজিৰ দিনটোত খুব ভাল হ'ব আৰু প্ৰধান মন্ত্ৰী মোডী ডাঙৰীয়াই এইবাৰ ১২৫ তম জন্ম জয়ন্তী হিচাপে ইণ্ডিয়া গেটত এটা মূৰ্ত্তি স্থাপন কৰিছে। গতিকে এইটো সুভাষ চন্দ্ৰ বসুৰ ক্ষেত্ৰত আমাৰ চৰকাৰ খনে, দিল্লীৰ চৰকাৰ খনে এইটো চেষ্টা কৰিছে, অসমতো আমাৰ বহুত খিনি আছে। গতিকে মই সৰ্বমুঠ মিলাই এটা কথাই কবলৈ বিচাৰিছো, অধ্যক্ষ মহোদয়, আপুনি বিধান সভাৰ অধিবেশন খন আহ্বান কৰি সকলোৰে মনৰ কথা বুজিছে, আমাৰ চৰকাৰ খনে বুজিছে। গতিকে ইয়াৰ যিটো freedom memory এইটো যাতে অসমত সুন্দৰ ভাৱে সংৰক্ষণ হওঁক। যি সকল মুক্তি যোদ্ধাই এই বিধান সভাৰ মন্দিৰৰ নিৰ্মল মজিয়াখন পদাৰ্পন কৰি গৈছে তেখেত সকলৰ নিচিনা যুগে যুগে ইয়ালৈ অহা প্ৰতিজন সদস্যই দেশপ্ৰেমী হওঁক এইটোৱে আশা কৰি মোৰ বক্তব্য সামৰিছোঁ, ধন্যবাদ।

**মাননীয় অধ্যক্ষ ঃ** ধন্যবাদ। এতিয়া শ্ৰীৰকিবুল হুছেইন।

**শ্ৰী ৰকিবুল হুছেইন (চামগুৰি)** ঃ মাননীয় অধ্যক্ষ মহোদয়, স্বাধীনতা লাভৰ ৭৫ বছৰ হোৱাৰ উপলক্ষে ভাৰতৰ এক গৌৰৱময় ইতিহাসৰ ওপৰত এই পৱিত্ৰ সদনৰ মজিয়াত আলোচনাৰ মাধ্যমত আলোকপাত কৰিব দিয়াৰ বাবে আমি সকলোৱে প্ৰথমে আপোনাক ধন্যবাদ আৰু কৃতজ্ঞতা জনাইছো।

অধ্যক্ষ মহোদয়, আৰম্ভণিৰ পৰা এতিয়ালৈকে মুখ্যমন্ত্ৰী ডাঙৰীয়াৰ গোটেই কথা খিনি শুনিলো । স্বাধীনতা আন্দোলনৰ গৌৰৱময় ইতিহাসৰ ওপৰত কিছুকথা ক'বলৈ আমিও লিখিত ভাবে কিছু কথা যুগুতাই আনিছো ।

আজি সদনত আমি শাসক বিৰোধী সকলোৱে গঠনমূলক চিন্তাধাৰাৰে এক সৌহাদ্যপূৰ্ণ পৰিৱেশত ভাৰতৰ গৌৰৱময় ইতিহাসৰ ওপৰত আলোকপাত কৰিছো আৰু এইটো সদনত এক ইতিহাস হৈ ৰ'ব। মুখ্যমন্ত্ৰী ডাঙৰীয়াই তেখেতৰ দীঘলীয়া লিখিত ভাষণত কাকো খোচ নমৰাকৈ

যি বক্তব্য ৰাখিলে তাত স্বাধীনতাৰ সময়ৰ এখন প্ৰকৃত ছবি দাঙি ধৰা যেন অনুভৱ কৰিছো আৰু তাৰ বাবে তেখেতক মই বিনাদ্বিধাই ধন্যবাদ জ্ঞাপন কৰিছো ।

মনোৰঞ্জন ডাঙৰীয়াই সৰভোগৰ ছবিখিনি প্ৰতিফলিত নোহোৱা বুলি কৈছে, হয়তো দুই এক তেনেধৰণৰ কথা ৰৈ যাব পাৰে, কিন্তু আৰম্ভণি ১৮২৬ চনৰ নগাঁওৰ ফুলগুৰিৰ পৰা পথৰুঘাটৰ কৃষক বিদ্ৰোহ, গহপুৰ, চতিয়া, গোলাঘাট, নামনি-উজনি, বৰাক উপত্যকাকে ধৰি স্বাধীনতা আন্দোলনৰ গৌৰৱময় ছবি আজি পবিত্ৰ বিধান সভাত দাঙি ধৰা যেন মই ব্যক্তিগত ভাবে অনুভৱ কৰিছো ।

মই মুখ্যমন্ত্ৰী ডাঙৰীয়াক আন এটা কথাত ধন্যবাদ জনাম যে তেখেতে স্বাধীনতা আন্দোলনত ভাৰতবৰ্ষৰ ভূমিকাৰ কথা কৈছে যদিও অসমে লোৱা পদক্ষেপৰ সম্পৰ্কত প্ৰায় ৮০ শতাংশ সুপ্ত হৈ থকা কথা কৈ আজি পবিত্ৰ সদনৰ মজিয়াত এক ইতিহাস হিচাপে ৰাখি থবলৈ যত্ন কৰিছে । ভাৰতবৰ্ষৰ সকলো বিধান সভাতে এই ধৰণৰ স্বাধীনতাৰ ৭৫ তম গৌৰৱময় ইতিহাস ৰোমন্থন কৰাৰ প্ৰয়াস হৈছে নে নাই মই খবৰ ৰখা নাই কিন্তু অসম বিধান সভাত আজি আপোনাৰ যোগেদি এই পদক্ষেপ গ্ৰহণ কৰা হৈছে আৰু আলোচনা হৈছে আৰু ইয়াৰ লগতে আমি দেশৰ বৃহত্তৰ স্বাৰ্থত যে ৰাজনৈতিক সৰু সুৰা কথা পৰিহাৰ কৰি একত্ৰিত হৈছো এই শুভ বাৰ্তাটো সকলোলৈকে গৈছে বুলি মই মোৰ নিজস্ব মতামত ভাঙি ধৰিছো ।

মই আগৰ বক্তা সকলে কৈ যোৱা কথা বিলাক পুনৰ দোহাৰিব বিচৰা নাই। মুখ্যমন্ত্ৰীৰ যিখিনি সকাৰাত্মক বক্তব্য সেইখিনিয়েই আমাৰো কথা বুলি ক'ব বিচাৰো।

মহামানৰ মহাত্মা গান্ধীয়ে ১৯৪২ চনৰ ৮ আগষ্টতে গম পাইছিল যে বগা ইংৰাজে লাহে লাহে আমাৰ স্বাধীনতা আন্দোলনৰ নেতা সকলক আবদ্ধ কৰি এই আন্দোলনটো মষীমূৰ কৰি পেলাব। সেয়েহে তেখেতে নিজাববীয়াকৈ পদক্ষেপ লৈ ঘোষণা কৰিছিল যে বগা ইংৰাজ সকল ভাৰতবৰ্ষৰ পৰা যাবই লাগিব। তেখেতে ভাৰত ত্যাগ আন্দোলনৰ দ্বাৰা যেতিয়া 'কৰিম অথবা মৰিম' বুলি নিজ মুখেৰে কৈছিল তেতিয়া ভাৰতবৰ্ষৰ সকলো ৰাইজ ৰাজপথলৈ ওলাই আহিছিল । মহামানৰ মহাত্মা গান্ধীয়ে এই কথাটোত গম ধৰিব পাৰিছিল যে যদি ভাৰতবৰ্ষৰ নেতাৰ আহ্বানৰ প্ৰতি সৰু বৰ সকলোৱে সহাৰি জনাই ওলাই আহে তেতিয়া সকলো প্ৰতিবাদকাৰীকে ৰঙাঘৰত সুমুৱাই থ'ব । সেয়েহে তেখেতে ৯ আগষ্টত আনুষ্ঠানিক ভাবে ঘোষণা কৰি কৈছিল যে- বগা ইংৰাজ তোমালোক ইয়াৰ পৰা যোৱা। সেই দিনাখনেই ব্ৰিটিছ সকলে আমাৰ ভাৰতবৰ্ষৰ সৰু-বৰ নেতাকে ফাটেকত সুমুৱাইছিল আৰু তেতিয়াই দেশতকৈ কোনো ডাঙৰ নহয় বুলি সকলো ভাৰতীয় দেশপ্ৰেমিক একো একোজন সেনানী ৰূপে ৰাজপথলৈ ওলাই আহিছিল। এই কথা বিলাক আজি মুখ্যমন্ত্ৰীৰ ভাষণতো গুৰুত্ব সহকাৰে প্ৰতিফলিত হোৱা যেন অনুমান হৈছে ।

অধ্যক্ষ মহোদয়, অসমৰ ক্ষেত্ৰত ১৫ আগষ্টৰ এক সুকীয়া বৈশিষ্ট আছে। ১৯৮৫ চনত প্ৰয়াত মুখ্যমন্ত্ৰী হিতেশ্বৰ শইকীয়া ডাঙৰীয়াৰ নেতৃত্বত চৰকাৰ গঠন হৈছিল। এই চৰকাৰলৈ কোন আহিছিল কোন অহা নাছিল সেইবিলাক কথা মই কব বিচৰা নাই । মই এনে সকাৰাত্মক কিছুকথা সংক্ষেপে ক'ব বিচাৰিছো যিখিনি কথাই আমাৰ মনত দুখ দিয়ে, সেইখিনি ক'ব বিচৰা নাই। সেই সময়ত প্ৰয়াত তৰুণ গগৈৰ দৰে কিছু নেতায়ে তেতিয়াৰ প্ৰধানমন্ত্ৰী ৰাজীৱ গান্ধী ডাঙৰীয়াক কৈছিল, এইটো ঠিক যে আমি চৰকাৰ গঠন কৰিছো কিন্তু আমাৰ মানুহৰ মনত যে ক্ষোভ আছে সেইখিনি

পূৰণ নকৰিলে এইটোৰ বিস্ফোৰণ হ'ব। এতিয়া এইবিলাক কথা ইতিহাস ।

তেতিয়া তৰুণ গগৈৰ দৰে নেতা আৰু আন কিছু সংখ্যক নেতায়ে তেতিয়াৰ প্ৰধান মন্ত্ৰী ৰাজীৱ গান্ধী ডাঙৰীয়াক সৈমান কৰাবলৈ যত্ন কৰি কৈছিল - আপোনাৰ মাতৃ ইন্দিৰা গান্ধী ডাঙৰীয়ানীয়ে ইতিমধ্যে অসমৰ আন্দোলনকাৰী নেতা সকলৰ লগত কথা পাতি সমস্যা সমাধানৰ সূত্ৰ বহুখিনি আগবঢ়াই থৈছে। সেইখিনি যদি ৰূপায়ণ কৰা নহয় তেতিয়া মানুহৰ মাজত ক্ষোভ থাকি যাব। প্ৰথমে সেই ক্ষোভ প্ৰশমিত কৰিব লাগিব । তেতিয়া ৰাজীৱ গান্ধী ডাঙৰীয়াই বিদ্যাৰ্থী বুলি সম্বোধন কৰা অসমৰ আন্দোলনকাৰী নেতা সকলক মাতি নি আলোচনাত মিলিত হৈছিল । যিবিলাক কথা নতুন চামে পাহৰি গৈছে ।

১৯৮৫ চনৰ ১৫ আগষ্টৰ দিনা লালকিল্লাৰ পৰা বক্তৃতা দিছিল। এই বক্তৃতা বিলাক শুনিলে আজিও আমাৰ গাৰ নোম শিয়ৰি যায় । তাত কৈছিল যে- প্ৰধান মন্ত্ৰী হিচাপে মোৰ এটা দ্বায়িত্ব আছে। আমি ভাৰতবৰ্ষৰ অখণ্ডতা আৰু ধৰ্মনিৰপেক্ষতা অক্ষুন্ন ৰাখিব লাগিব আৰু আমি ইয়াৰ সমস্যা বিলাক সমাধান কৰিব লাগিব । সেই মৰ্মে পাঞ্জাৱৰ সমস্যা সমাধানৰ অৰ্থে আমি পাঞ্জাৱৰ লগত চুক্তি কৰিছো । আপোনালোক দেশবাসীয়ে এইটো শুনি ভাল পাব যে পুৱতি নিশা ৩ বজাত বিদ্যাৰ্থী সকলৰ লগত এখন চুক্তি সম্পাদন কৰিছো আৰু এই চুক্তি খনত অসমত সৰ্বকালৰ কাৰণে শান্তি আহিব । ভাৰতবৰ্ষ তথা অসমত অখণ্ডতা আৰু ধৰ্মনিৰপেক্ষতা অক্ষুন্ন থাকিব আৰু আমি সকলোৰে একেলগে আগবাঢ়ি যাব পাৰিম। এই কথাবিলাক ৰোমন্থন কৰাৰ বাবে আপুনি সুবিধা দিয়া বাবে ধন্যবাদ আৰু কৃতজ্ঞতা জনাইছো ।

অধ্যক্ষ মহোদয়, আপুনি মোক ৮ মিনিট সময় দিছিল, মই আৰু দীঘলীয়া নকৰো কাৰণ আৰু ব্যক্তি আছে ক'বলৈ। মই পুনৰবাৰ মুখ্যমন্ত্ৰীক ধন্যবাদ জনাইছো যে মুখ্যমন্ত্ৰীয়ে যি বক্তব্যৰ আঁত ধৰিলে লুকুৱাই ৰাখি লাভ নাই যে তেখেতৰ বক্তব্যৰ পিছত আমাৰ লক্ষ্যটো স্থিৰ হ'ল। আমি ভাবি অহাৰ দৰে নকৰাত্মক কথা নোকোৱাৰ বাবে আমি আজি বিধান সভাক এক সুস্থ পৰম্পৰা দেখুৱাব পাৰিলো। সেয়েহে মই বিৰোধী পক্ষৰ হৈয়ো মাননীয় মুখ্যমন্ত্ৰীক ধন্যবাদ জনাবলৈ কুণ্ঠাবোধ নকৰো। মই ভাবো ৰাজ্যবাসীলৈ এইটো এটা ভাল বাৰ্তা গৈছে ।

বেলেগ বিধান সভাত স্বাধীনতাৰ ৭৫ বছৰ উপলক্ষে এনেধৰণৰ অধিবেশন হৈছেনে নাই নাজানো। কিন্তু আজিৰ এই অধিবেশন ইতিহাস হৈ ৰ'ব। আজি আমি সামগ্ৰিক ভাবে এটা বাৰ্তা পঠাব বিচাৰিছো যে- ৰাজ্যৰ বৃহত্তৰ স্বাৰ্থৰ ক্ষেত্ৰত আমি সকলো এক। ৰাজনৈতিক ক্ষেত্ৰত সৰু সৰু মতবিৰোধ হ'ব পাৰে কিন্তু আজি আমি স্বাধীনতাৰ ৭৬ বছৰত পদাৰ্পণ কৰাৰ মূহুৰ্তত অসমে ভাৰতবৰ্ষৰ প্ৰথম ৰাজ্য হিচাপে শাসক বিৰোধীয়ে সকলোৰে ঐক্যতাৰ বাৰ্তা দিয়া বুলি ভাবিছো আৰু এই খিনি কৈ মই মোৰ বক্তব্যৰ সামৰণি মাৰিছো। জয় আই অসম, জয় হিন্দ।

**মাননীয় অধ্যক্ষ ঃ** ধন্যবাদ। এতিয়া মাননীয় সদস্য শ্ৰী হাফিজ ৰফিকুল ইছলাম।

हाफिज रफिकुल इसलामः- माननीय अध्यक्षजी आपको बहुत धन्यबाद है कि आजादी का अमृत महोत्सब 75 वा इस मौके पर आपने इस स्पेशियल सेसन को बुलाके हमें कुद बोलने का मौका दिया इसलिये आपको बहुत बहुत धन्यबाद । में एक शेर से शरु करना चाहता हुं । "लाखों परिन्दें आसमान पर आज नजर आतें है, लाखों परिन्दें आसमान पर नजर आतें है बलिदानों ने दिखाया हैं राह उन्हें आजादी से उड़ने का जो आसमान में परिन्दे उड़ रहे है आजादी के साथ' । हमारें जो स्वतंत्रता सेनानियों उन्होंने उन्हें आजादी सिखाया । शेर ने इसी बात को कहा तो हमारे ये मुल्क तक्रीवन दोसौ साल 190 साल जो बृटिश ने रुल किया डायरेक्ट एण्ड इनडायरेक्टलि । सौ साल अगर हम बोले तो उनका fully ruling नहीं था । लेकिन यहां कोइ हमारा लोकल रुलर था काम वो भी किया करते थे और सौ साल उन्होंने टोटली उन्होंने रुल किया और जब बृटिश वहां से आकर हमारा जो सिभिलाइजेसन, जो कलचर, हमारा संस्कृति लेंगुइज, ये बिजनेस की जरा सी यहां है, बिजनेस की हमारे जो रुलर है वह लोग उस्को कब्जा किया, वह जमाना चला लेकिन बरदास्त करते गए, जब हमारे civilization पर attack □□□□ □□□□□ culture □□□□□ faith तब तक भी बरदास्त किया लेकिन जब वे आकर faith Indian का जो faith है हिन्दु या मुसलमान हो हमारे इमान पर जो डाका डालना शुरुकिया उस वक्त नहीं बेठें, पुरें भारत के हिन्दु, मुसलमान, शीक, इसाई, बौद्धिस्ट, जैन सब एक साथ होकर आवाज उठायीं के अब इनको खेदना है । तो अगर हम लेतें है 1757, Battle of Policy, (पलिशि युद्ध जो हम बोलतें दैं पलिसि युद्ध जो 1754 जिस्को 1757 उस के बाद से जो बम बाट करे उससे पहले शुरु हो गया था, बृटिश रुल से पहले ही कब्जा करना शुरु हो गया था ।

हाफिज रफिकुल इसलामः- माननीय अध्यक्षजी आपको बहुत धन्यबाद है कि आजादी का अमृत महोत्सब 75 वा इस मौके पर आपने इस स्पेशियल सेसन को बुलाके हमें कुद बोलने का मौका दिया इसलिये आपको बहुत बहुत धन्यबाद। में एक शेर से शरु करना चाहता हुं। “लाखों परिन्दें आसमान पर आज नजर आतें है, लाखों परिन्दें आसमान पर नजर आतें है बलिदानों ने दिखाया हैं राह उन्हें आजादी से उड़ने का जो आसमान में परिन्दे उड़ रहे है आजादी के साथ ’। हमारें जो स्वतंत्रता सेनानियों उन्होंने उन्हें आजादी सिखाया। शेर ने इसी बात को कहा तो हमारे ये मुल्क तक्री वन दोसौ साल 190 साल जो बृटिश ने रुल किया डायरेक्ट एण्ड इनडायरेक्टलि। सौ साल अगर हम बोले तो उनका fully ruling नहीं था। लेकिन यहां कोइ हमारा लोकल रुलर था काम वो भी किया करते थे और सौ साल उन्होंने टोटली उन्होंने रुल किया और जब बृटिश वहां से आकर हमारा जो सिभिलाइजेसन, जो कलचर, हमारा संस्कृति लेंगुइज even हमारें faith, जब वो attack करने लगे तो पुरे इण्डियान, पुरे भारतवाशि सब एक platform में होने कि आवाज उठायीकी अब हमें बैठना नहीं, इस बृटिशको खेदना है, भगाना है, ये बिजनेस की जरा सी यहां है , बिजनेस की हमारे जो रुलर है वह लोग उस्को कब्जा किया , वह जमाना चला लेकिन बरदास्त करते गए, जब हमारे civilization पर attack किया हमारे culture हमारे faith तब तक भी बरदास्त किया लेकिन जब वे आकर faith Indian का जो faith है हिन्दु या मुसलमान हो हमारे इमान पर जो डाका डालना शुरुकिया उस वक्त नहीं बेठें , पुरें भारत के हिन्दु , मुसलमान, शीक, इसाई, बौद्धिस्ट, जैन सब एक साथ होकर आवाज उठायीं के अब इनको खेदना है। तो अगर हम लेतें है 1757, Battle of Policy , (पलिशि युद्ध जो हम बोलतें दैं पलिसि युद्ध जो 1754 जिस्को 1757 उस के बाद से जो बम बाट करे उससे पहले शुरु हो गया था, बृटिश रुल से पहले ही कब्जा करना शुरु हो गया था।

**माननीय अध्यক্ষ ঃ** এতিয়া মাননীয় সদস্য শ্ৰী নৰ কুমাৰ দলে।

**শ্ৰী নৰ কুমাৰ দলে (ঢকুৱাখানা) ঃ** মাননীয় অধ্যক্ষ মহোদয়, অসম বিধান সভাৰ আজিৰ এই বিশেষ অধিৱেশন অনুষ্ঠিত কৰা বাবে ধন্যবাদ জনাইছো। আজাদীৰ অমৃত মহোৎসৱ উপলক্ষে আমাক বিধান সভাত দুআষাৰ ক'ব দিয়াৰ বাবে অধ্যক্ষ মহোদয়ক ধন্যবাদ জনাইছো। জয় জয় তে অমৃত মহোৎসৱৰ সকলোকে আন্তৰিক শুভেচ্ছা আৰু অভিনন্দন জ্ঞাপন কৰিছো। দেশে ৭৫ বছৰীয়া স্বাধীনতা দিৱস উপলক্ষে দেশত পালন কৰা হৈছে স্বাধীনতাৰ অমৃত মহোৎসৱ। জাতিৰ পিতা মহাত্মা গান্ধীৰ নেতৃত্বত অহিংসাক মূল মন্ত্ৰ হিচাপে লৈ চলা স্বাধীনতা সংগ্ৰামত অসমকে ধৰি উত্তৰ পূৰ্বাঞ্চলৰো বিশেষ অৰিহণা আছিল। শ্বহীদ বীৰাংগনা কনকলতা বৰুৱা , কুশল কোঁৱৰ, মুকুন্দ কাকতি, ভোগেশ্বৰী ফুকননি প্ৰমুখ্যে জ্ঞাত অজ্ঞাত অলেখ স্বাধীনতাৰ সেনানীৰ অৱদান চিৰস্মৰণীয় হৈ থাকিব। এই সকল স্বাধীনতাৰ সংগ্ৰামীৰ মহান ত্যাগ আৰু আত্ম বলিদানে স্বাধীনতা অৰ্জন কৰা আমাৰ ভাৰতবৰ্ষৰ সাৰ্বভৌমত্ব, অখণ্ডতা একতা আৰু প্ৰগতিৰ বাবে আমি প্ৰতিগৰাকীয়ে দেশবাসী সদায় সংকল্পবদ্ধ হৈ আছিলো, আছো আৰু থাকিম। এক শক্তিশালী গৌৰৱময় সমৃদ্ধিশালী আধুনিক ভাৰত নিৰ্মাণৰ বাবে স্বাধীনতা সেনানীৰ সপোনক আমি সকলোৰে একলগ হৈ বাস্তৱায়িত কৰিব লাগিব। দেশে স্বাধীনতাৰ ৭৫ বছৰ সম্পূৰ্ণ কৰাৰ সময়ত আমাৰ উঠি অহা প্ৰজন্মক স্বাধীনতাৰ সংগ্ৰামৰ স্বৰ্ণিল ইতিহাস, স্বাধীনতা সংগ্ৰামী সকলৰ ত্যাগ আৰু আত্ম বলিদানৰ বিষয়ে সজাগ

কৰি তুলি ইয়াৰ দ্বাৰা তেওঁলোকক অনুপ্ৰাণিত কৰা, ভাৰতবৰ্ষৰ চহকী ঐতিহ্য সংস্কৃতি বিশ্ববাসীৰ সন্মুখত তুলি ধৰাৰ বাবে বিভিন্ন কাৰ্য্যসূচীৰে মাননীয় প্ৰধান মন্ত্ৰী নৰেন্দ্ৰ মোডী ডাঙৰীয়াৰ নেতৃত্বত ভাৰত চৰকাৰৰ উদ্যোগত স্বাধীনতাৰ অমৃত মহোৎসৱ পালন কৰা হৈছে। ২০২১ চনৰ ১২ মাৰ্চত মাননীয় প্ৰধান মন্ত্ৰী ডাঙৰীয়াই স্বাধীনতাৰ অমৃত মহোৎসৱৰ শুভ আৰম্ভণি কৰিছিল, আৰু এই কাৰ্য্যসূচী ২০২৩ চনৰ ১৫ আগষ্টলৈকে চলিব। মাননীয় প্ৰধান মন্ত্ৰী ডাঙৰীয়াই স্বাধীনতাৰ অমৃত মহোৎসৱ সম্পৰ্কে কৈছে, স্বাধীনতাৰ অমৃত মহোৎসৱ হৈছে,স্বাধীনতাৰ শক্তি অমৃত স্বাধীনতা সংগ্ৰামৰ সেনানীসকলৰ অনুপ্ৰেৰণাৰ অমৃত, নতুন ধাৰণা প্ৰতিজ্ঞা আৰু আত্মনিৰ্ভৰ ভাৰতৰ অমৃত। এই মহোৎসৱ হৈছে দেশৰ গঢ়ি তোলা কু- শাসনৰ সপোন বাস্তৱায়িত কৰা আৰু বিশ্ব শান্তি তথা উন্নয়নৰ মহোৎসৱ। অৰ্থাৎ এয়া হৈছে এক আন্দোলন, আৰু এই আন্দোলন সমগ্ৰ দেশবাসী সক্ৰীয় অংশগ্ৰহণেৰে ভাৰতবৰ্ষক বিশ্বগুৰুৰ আসনত প্ৰতিষ্ঠা কৰাৰ বাবে মাননীয় প্ৰধান মন্ত্ৰী ডাঙৰীয়াই লক্ষ্য নিৰ্দ্ধাৰণ কৰিছে। এয়া হৈছে হাজাৰ বছৰ পুৰণি ভাৰতীয় সভ্যতাৰ পুনৰ উত্থানৰ আৰম্ভনি সেয়ে স্বাধীনতাৰ অমৃত মহোৎসৱৰ অন্যতম বিষয় হৈছে ভাৰতক বিশ্বগুৰু আসনত প্ৰতিষ্ঠা কৰা আৰু আত্মনিৰ্ভৰশীল ভাৰত কৰি গঢ়ি তোলা। ভাৰতবৰ্ষ হৈছে সবাতোকৈ পুৰণি সভ্যতা আৰু জ্ঞানৰ কেন্দ্ৰ। বিশ্বৰ আন ইচ্ছাৰে জীয়াই থকা সংগ্ৰাম কৰি থকাৰ সময়তেই ভাৰতত বেদ উপনিষদ লিখা হৈছিল। কিন্তু বাৰম্বাৰ বিদেশী আক্ৰমণে আমাক বহুদূৰ পিছুৱাই লৈ গ'ল।বৰ্তমান সময়তো সমগ্ৰ দেশবাসী একত্ৰীত হলে, ভাৰতীয় সভ্যতাৰ পুনৰ উত্থান নিশ্চয় সম্ভৱ। সেয়ে মই ভাবো যে মাননীয় প্ৰধান মন্ত্ৰী নৰেন্দ্ৰমোডী ডাঙৰীয়াৰ নেতৃত্বত এই যাত্ৰা ইতিমধ্যে আৰম্ভ হৈছে। স্বাধীনতাৰ অমৃত মহোৎসৱৰ লগত সংগতি ৰাখি মাননীয় প্ৰধান মন্ত্ৰী ডাঙৰীয়াই আহ্বান জনোৱা ঘৰে ঘৰে ত্ৰিৰঙ্গা পতাকা উৰুৱাৰ কাৰ্য্যসূচী দেশৰ সকলো শ্ৰেণীৰ জনতাই যি অভুতপূৰ্ব সঁহাৰি আগবঢ়ালে সেয়ে ইয়াৰ অন্যতম প্ৰমাণ। আমাৰ অসমতো মাননীয় মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্ম্মা ডাঙৰীয়াৰ নেতৃত্বত স্বাধীনতাৰ অমৃত মহোৎসৱৰ সকলো কাৰ্য্যসূচী অতি সফলতাৰে উৎযাপন কৰা হৈছে। প্ৰতিটো কাৰ্য্যসূচী জাতি, ধৰ্ম বৰ্ণ নিৰ্বিশেষে সকলো শ্ৰেণীৰ জনসাধাৰণে সক্ৰীয়ভাৱে অংশগ্ৰহণ কৰিছে। ৰাইজৰ প্ৰগতিৰ বাবে এয়া অত্যন্ত শুভ লক্ষণ। বিশেষকৈ স্কুলীয়া কণ-কণ ছাত্ৰ-ছাত্ৰীসকলে প্ৰভাতফেৰিত অংশ লয়। স্বাধীনতা উৎযাপনৰ যি সুযোগ লাভ কৰিলে, সেয়া আছিল অতুলনীয়। কিয়নো আজিৰ পৰা কিছু বছৰ আগলৈকে শিশুসকলে এই আনন্দ লোৱাৰ পৰা বঞ্চিত হৈ আছিল। এইবাৰৰ অভিজ্ঞতাই তেওঁলোকক দেশ প্ৰেম জাগ্ৰত কৰি তুলিব। এই অভিজ্ঞতাই তেওঁলোকৰ জীৱনত প্ৰভাবিত কৰি ৰাখিব। ৰাইজৰ স্বাধীনতা উৎযাপনৰ এনে পৰিবেশ সৃষ্টি কৰিব পৰাটো মাননীয় মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্ম্মা ডাঙৰীয়াৰ নেতৃত্বাধীন চৰকাৰখনৰ অন্যতম কৃতিত্ব বুলি আমি অনুভৱ কৰো। ইয়াকে কৈ মোৰ বক্তব্য সামৰিছো, জয়হিন্দ, বন্দে মাতৰম।

**মাননীয় অধ্যক্ষ ঃ** ধন্যবাদ শ্ৰী অখিল গগৈ।

**শ্ৰী অখিল গগৈ, (শিৱসাগৰ) ঃ** মাননীয় অধ্যক্ষ মহোদয়, স্বাধীনতাৰ ৭৬ সংখ্যক বাৰ্ষিকীত মই ভাৰতৰ স্বাধীনতা সংগ্ৰামৰ সকলো স্বাধীনতা সংগ্ৰামী আৰু বীৰ শ্বহীদ সকললৈ গভীৰ সশ্ৰদ্ধ প্ৰণিপাত জনাইছো। ভাৰতৰ স্বাধীনতাৰ ৭৫ বছৰীয়া ইতিহাসৰ আটাইতকৈ গৌৰবোজ্বল দিশটো হ'ল ই অবিৰত ভাৱে গণতান্ত্ৰিক ব্যৱস্থা এটাক সাৱতি আছে, আৰু ভাৰতৰ সংবিধান তথা এই সংবিধানে নিৰ্ধাৰণ কৰা আইন অনুসৰি দেশখন অবিচলিত ভাৱে চলি আহিছে। পাকিস্তানৰ দৰে ভাৰতত সামৰিক অভ্যুত্থান হোৱা নাই, আৰু সামৰিক বাহিনীয়ে শাসন ক্ষমতা কোনোদিন দখল কৰা নাই। যোৱা ৭৫ বৰ্ষৰ স্বৰ্ণিল ইতিহাসৰ ইয়ে আটাইতকৈ গৌৰৱোজ্বল বিষয়। কিন্তু কেইবাবাৰো

গণতন্ত্ৰক কক্ষচ্যুত কৰাৰ অপচেষ্টা কৰা হৈছে। ১৯৭৫ চনৰ ২৫ জুন তাৰিখৰ পৰা ১৯৭৭ চনৰ ২১ মাৰ্চ পৰ্য্যন্ত আমাৰ দেশত জৰুৰীকালিন অৱস্থা ঘোষণা কৰা হৈছিল। গণতান্ত্ৰিক নিৰ্বাচন বাতিল কৰা হৈছিল, ব্যক্তি স্বাধীনতা খৰ্ব কৰা হৈছিল। ৰাজনৈতিক প্ৰতিদণ্ডীক গ্ৰেপ্তাৰ কৰা হৈছিল, আৰু সংবাদ মাধ্যমক চেন্সৰ কৰা হৈছিল। এয়া হ'ল দেশৰ স্বাধীনতাৰ পৰৱৰ্তী ইতিহাসৰ সৰ্ববৃহৎ ক'লা অধ্যায়। ২০১৪ চনত আমাৰ দেশত জৰুৰীকালিন অৱস্থাৰ পুনৰাবৃত্তি কৰা দেখা গৈছে। যদিও আনুষ্ঠানিক ভাৱে জৰুৰীকালিন অৱস্থা ঘোষণা কৰা নাই। কিন্তু দেশৰ ৰাজনৈতিক পৰিস্থিতি অতিশয় ভয়াবহ। এই সময়খিনিত দেখা গৈছে তলৰ বৈশিষ্ট্যসমূহঃ গণতান্ত্ৰিক অধিকাৰ আৰু ব্যক্তি স্বাধীনতাৰ ওপৰত চূড়ান্ত কুঠাৰাঘাত, সংবাদ মাধ্যমৰ স্বাধীনতা সম্পূৰ্ণৰূপে খৰ্ব কৰি ৰাষ্ট্ৰৰ নিয়ন্ত্ৰনাধীন কৰা ইত্যাদি। কিন্তু আটাইতকৈ ভয়ংকৰ কথাটো হ'ল সংসদ, নিৰ্বাচন আয়োগ, ন্যায়পালিকা, বিভিন্ন তদন্তকাৰী সংস্থাসমূহ সকলোকে শাসক দলৰ বহতীয়া কৰাৰ সম্পূৰ্ণ অপচেষ্টা কৰা হৈছে। ভাৰতৰ সংবিধানে প্ৰতিষ্ঠা কৰা অৰ্থনৈতিক সাৰ্বভৌমত্ব, ধৰ্মনিৰপেক্ষতা, যুক্তৰাষ্ট্ৰীয় ব্যৱস্থা আৰু সামাজিক ন্যায়- প্ৰতিটো বিষয়তে শাসক শ্ৰেণীয়ে আক্ৰমণ কৰিছে। এক ফেচিবাদী ধৰ্মীয় ৰাষ্ট্ৰৰ প্ৰতিষ্ঠাৰ সপোনক বাস্তৱ কৰিবলৈ জনগনৰ মাজত এক উন্মাদনাৰ সৃষ্টি কৰা হৈছে। এইধৰণৰ ৰাষ্ট্ৰ প্ৰতিষ্ঠাৰ সপোনক বাস্তৱ কৰিবলৈ জনগণৰ মাজত এক উন্মাদনাৰ সৃষ্টি কৰা হৈছে। এই ধৰণৰ ৰাষ্ট্ৰৰ ধাৰণাটোৱে আমাৰ দেশৰ গণতান্ত্ৰিক, ধৰ্মনিৰপেক্ষ আৰু সামজতান্ত্ৰিক আদৰ্শবাদক নস্যাৎ কৰিব খোজা হৈছে। গতিকে ভাৰতৰ স্বাধীনতাৰ ৭৬ সংখ্যক বৰ্ষপূৰ্তিত আটাইতকৈ ভয়াবহ দিশটোৱে হ'ল এনেকৈ জনগণক এখন ধৰ্মীয়, সামন্তীয়, বৰ্ণবাদী, পৃথিৱীলৈ লৈ গৈ নিজৰ দৈনন্দিন সমস্যা সমূহৰ পৰা আঁতৰ কৰি পেলোৱাটো। চমুকৈ কবলৈ গ'লে, আমাৰ দেশত ফেচিবাদৰ সকলো পৃষ্ঠভূমি ৰচনা কৰা হৈ গৈছে। আমি প্ৰতিজন সচেতন নাগৰিকে এই ফেচিবাদী প্ৰৱণতাক প্ৰতিৰোধ কৰিব লাগিব, আৰু দেশখনক সংবিধানে স্বীকৃতি দিয়া গনতান্ত্ৰিক, ধৰ্মনিৰপেক্ষ, সমাজতান্ত্ৰিক, গণৰাজ্য হিচাপে অব্যাহত ৰাখিব লাগিব। এইটোৱেই বৰ্তমান সময়ৰ আটাইতকৈ ডাঙৰ প্ৰত্যাহ্বান। দ্বিতীয় ডাঙৰ প্ৰত্যাহ্বানটো হ'ল- আমাৰ অৰ্থনৈতিক সাৰ্বভৌমত্বৰ ওপৰত হোৱা আক্ৰমণক প্ৰতিৰোধ কৰাটো. এফালৰ পৰা সম্পদ আৰু বজাৰ কৰ্প'ৰেটৰ হাতত গতাই দিয়া হৈছে। অৰ্থনৈতিক ৰাষ্ট্ৰীয়বাদক উলাই কৰি ৰাজ্যসমূহৰ অৰ্থনৈতিক ক্ষমতা কেন্দ্ৰীয় চৰকাৰে কুক্ষিগত কৰিছে। জি এছ টি প্ৰৱৰ্তনৰ জৰিয়তে ৰাজ্যসমূহৰ কৰ সংগ্ৰহৰ অৰ্থনৈতিক ক্ষমতা কৰ্তন কৰি কেন্দ্ৰৰ ওপৰত নিৰ্ভৰশীল কৰি পেলোৱা হৈছে। আনকি খাদ্য সামগ্ৰীৰ ওপৰতো কৰ আৰোপ কৰি জনগণক কোঙা কৰি পেলোৱা হৈছে। ভাৰতৰ সংবিধানৰ ৩৭০ আৰু ৩৫(ক) অনুচ্ছেদ কৰ্তন কৰি ৰাজ্যৰ অধিকাৰ খৰ্ব কৰা হৈছে। অসমসহ ১৩ খন ৰাজ্যৰ বিশেষ ৰাজ্যৰ মৰ্য্যদা কৰ্তন কৰা হৈছে। আঞ্চলিক ভাষা সমূহ দুৰ্বল কৰি ভাষা ভিত্তিক জাতীয়তাবাদৰ ঠাইত ধৰ্মীয় ৰাষ্ট্ৰীয়তাবাদক প্ৰতিষ্ঠা কৰিব খোজা হৈছে। তাৰবাবে চৰকাৰী বিদ্যালয়ৰ পৰা মাতৃভাষাৰ মাধ্যম উঠাই দিয়া হৈছে। আনহাতে "কা" (CAA) ৰ জৰিয়তে অসমত বিদেশীৰ বোজা জাপি দি জাতিতোক সংখ্যালঘু কৰিব খোজা হৈছে। ৭৬ সংখ্যক স্বাধীনতা দিবসৰ আমাৰ অনুভৱ - আমি ভাৰতক এখন প্ৰকৃত ফেডাৰেল বা প্ৰকৃত যুক্তৰাষ্ট্ৰ হিচাপে চাব খোজো। প্ৰকৃত ফেডাৰেল ৰাষ্ট্ৰৰ দৰে প্ৰতিখন ৰাজ্যৰ আঞ্চলিক বৈশিষ্ট্য বা জাতীয়তাবাদক স্বীকৃতি দিয়া হওঁক, নিজৰ নিজৰ আঞ্চলিক জাতীয় সংগীতকো স্বীকৃতি দিয়া হওঁক আৰু আমাৰ ৰাষ্ট্ৰীয় পতাকা ত্ৰিৰংগাৰ তলে তলে উৰক অসমীয়াৰ গৌৰৱৰ গামোচাখনো। যাতে এজন অসমীয়াই দ্বিধাহীন ভাষাৰে, গৌৰৱেৰে ক'ব পাৰো- আমি ভাৰতীয়, আমি গৌৰৱী ভাৰতীয়, সমানে অসমীয়াও। ৭৬ সংখ্যক স্বাধীনতা

দিৰসত উপস্থিত হৈ আমি দেখিছো যে বিগত গণতন্ত্ৰ (Procedural Democracy) যেনেকৈ মাজে মাজে প্ৰত্যাহ্বানৰ সন্মূখীন হৈছে, তেনেকৈ সাৰপূৰ্ণ গণতন্ত্ৰ (Substantive Democracy) য়েও পূৰ্ণতা লাভ কৰা নাই। গণতন্ত্ৰই পূৰ্ণতা লাভ কৰিবলৈ নাগৰিকৰ আৰ্থ-সামাজিক সমানতা, বিভিন্ন মতাদৰ্শৰ প্ৰতি সহিষ্ণুতা, আইনৰ প্ৰতি সন্মান, শাসক সকলৰ জবাব দিহিতা আৰু গণতন্ত্ৰ জনগণৰ শক্তিশালী অংশগ্ৰহণৰ প্ৰয়োজন। Substantive Democracy ত মুক্ত আৰু সুস্থ সংবাদ মাধ্যম অপৰিহাৰ্য্য। সংবাদ মাধ্যমে যদিহে স্বতন্ত্ৰতা আৰু বিশ্বাসযোগ্যতা হেৰুৱাই তেন্তে গণতন্ত্ৰ সংকটত পৰে। যোৱা সময়খিনিত দেশৰ সংবাদ মাধ্যম বি.জে.পি শাসিত ৰাষ্ট্ৰৰ সম্পূৰ্ণ নিয়ন্ত্ৰণাধীন হৈ পৰিছে। কিন্তু দেশৰ বাবে আটাইতকৈ ভয়ংকৰ সংকটটো আহিছে আমাৰ জনগণৰ আচৰণ সলনিৰ জৰিয়তে। ক্ৰমান্বয়ে আমাৰ জনগণেও যেন সকলোকে সামৰি লোৱা গনতান্ত্ৰিক ব্যৱস্থাটোৰ পৰিৱৰ্তে সাম্প্ৰদায়িক ফেচিবাদী স্বৈৰতন্ত্ৰক পচন্দ কৰিবলৈ লৈছে। ইয়ে দেশৰ গনতন্ত্ৰৰ প্ৰতি আনিছে ভয়াবহ সংকট। ৭৬ তম স্বাধীনতা দিৰসত থিয় হৈ আমি দেখিছো আমাৰ দেশৰ চুকে-কোণে থকা সৰু দোকান এখনতো কোকাকোলা বা পেপ্‌চি উপলব্ধ হৈছে। কিন্তু নাগৰিকৰ বিশুদ্ধ খোৱা পানীৰ অভাৱ জলজল-পটপট। গাওঁৰ কথা বা ভিতৰুৱা অঞ্চলৰ কথা বাদেই দিয়ক, আমাৰ শিৱসাগৰ নগৰখনত ৭০ শতাংশ পৰিয়ালক পাইপৰ দ্বাৰা পানী যোগান ধৰা নাই। আজি প্ৰকৃতাৰ্থত অসমৰ ৯৫ শতাংশ কৃষি ভূমিতেই জলসিঞ্চন নাই। দেশৰ ২৫.০১ শতাংশ লোক দৰিদ্ৰ সীমাৰেখাৰ তলত। স্বাধীনতাৰ তাৎপৰ্য্য খাদ্য, কাপোৰ, আশ্ৰয়, স্বাস্থ্য আৰু শিক্ষাৰ অভাৱে ম্লান কৰি পেলায়। আজি দেশৰ কিমান ঘৰ মানুহৰ থাকিবলৈ এটি পকী ঘৰ আছে? আজি দেশৰ কিমান সংখ্যক যুৱক-যুৱতীয়ে নিয়মীয়া কৰ্ম সংস্থাপন লাভ কৰিছে? ৩১ মাৰ্চ, ২০২২ চনৰ ভিতৰত অসম চৰকাৰে ১ লাখ নিবনুৱাক নিযুক্তি দিয়াৰ প্ৰতিশ্ৰুতি ফুটুকাৰ ফেনত পৰিণত হ'ল। গান্ধীজীয়ে কৈছিল যে দৰিদ্ৰতা হ'ল হিংসাৰ আটাইতকৈ উগ্ৰ ৰূপ (Proverty is the worst form of violence). গান্ধীজীয়ে পুনৰ কৈছে- "মোৰ গনতন্ত্ৰৰ সংজ্ঞাটো হ'ল ইয়াৰ অধীনত আটাইতকৈ দূৰ্বল সকলেও শক্তিশালী সকলৰ দৰেই সুযোগ পাব লাগে"।

আহক, ৭৬ সংখ্যক স্বাধীনতা দিবসত আমি আটাইয়ে তেনে এক গণতন্ত্ৰ প্ৰতিষ্ঠাৰ সংকল্প লওঁ। জয়হিন্দ। জয় আই অসম। ধন্যবাদ।

**মাননীয় অধ্যক্ষ ঃ** এতিয়া শ্ৰী জাকিৰ হুছেইন শিক্‌দাৰ।

**শ্ৰী জাকিৰ হুছেইন শিকদাৰ, (সৰুক্ষেত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, স্বাধীনতাৰ ৭৫ তম্ বৰ্ষ পাৰ কৰি ৭৬ তম্ পতাকা উত্তোলন কৰাৰ পিছত আজি আপোনাৰ উদ্যোগত এই পবিত্ৰ বিধান সভাত স্বাধীনতাৰ গৌৰৱোজ্জল ৭৫ বৰ্ষ লৈ যি বিশেষ অধিবেশন অনুষ্ঠিত কৰিছে তাৰ বাবে আপোনাকে কৃতজ্ঞতা জনাইছো। কিছুদিন আগতে আপুনি আৰু আমাৰ সংসদীয় পৰিক্ৰমা বিভাগৰ মন্ত্ৰী ডাঙৰীয়াই লোক সভাৰ মাননীয় অধ্যক্ষ ডাঙৰীয়াক লগ ধৰি এই বিষয়ে অৱগত কৰিছিল। তাৰ পিছতেই সমগ্ৰ ভাৰতবৰ্ষই ও এইটো জানিছিল যে অসমৰ বিধান সভাত এই বিষয়ে আলোচিত হ'ব, তাৰ বাবেও আপোনালোকক ধন্যবাদ জনাইছো। স্বাধীনতাৰ বিষয়ে আলোচনা কৰিবলৈ দীঘলীয়া সময়ৰ প্ৰয়োজন আৰু ইতিমধ্যে এই পবিত্ৰ বিধান সভাত মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়া, আমাৰ বিৰোধী দলৰ উপ দলপতি ৰকিবুল হুছেইন ডাঙৰীয়া, বিধান সভাৰ উপাধ্যক্ষ ডাঙৰীয়াকে প্ৰমূখ্য কৰি সকলো সন্মানীয় সদস্য আৰু সদস্যা সকলে নিজৰ নিজৰ বক্তব্য আগবঢ়াইছে। একেবাৰে শেষত হয়তো মই পড়িছো। মোৰ সময়ৰ প্ৰতি লক্ষ্য ৰাখি খুব কম সময়তে দিছিল। দলে যদিও আঠ মিনিট বুলি কৈছিল। সেইকাৰণে মই ভবা মতে বক্তব্যৰ পাতনি মেলাৰ আগতেই প্ৰথমতে

যিসকল বীৰ-বীৰাংগনাৰ কাৰণে, যিসকল মহান ব্যক্তিৰ ত্যাগ, বলিদানৰ বাবে আজি আমি দেশে স্বাধীনতা লাভ কৰি ৭৬ তম বৰ্ষৰ পতাকা উত্তোলন কৰিলো, তেখেত সকললৈ মই শ্ৰদ্ধা নিবেদন কৰিছো। আহি থকা দিনত আমি সকলোৱে মিলি প্ৰচেষ্টা হাতত লোৱাৰ বাবে সংকল্পবদ্ধ হৈছো। এই ভাৰত মাটিত জন্ম গ্ৰহণ কৰা প্ৰজন্মৰ পিছত প্ৰজন্মই স্বাধীনতাৰ সেই বীৰ-বীৰাংগনা সকলক সদায় যাতে মনত ৰাখে আৰু সকলোৱে যাতে উপযুক্ত সন্মান প্ৰদৰ্শন কৰে। অসমৰ স্বাধীনতা সংগ্ৰামৰ ভূমিকা সম্পৰ্কে ইতিমধ্যে বিভিন্নজনে বিভিন্ন কথা কৈ গৈছে। অসমৰ মানুহে স্বাধীনতা আন্দোলনত কি ধৰণে ভাগ লৈছিল বিভিন্ন ইতিহাসবিদে ইয়াক চাৰিটা পৰ্য্যায়ত ভাগ কৰিব বিচাৰে। প্ৰথম পৰ্য্যয় ১৮২৮ - ১৮৫৭, দ্বিতীয় পৰ্য্যায় ১৮৫৮-১৮৯৪, তৃতীয় পৰ্য্যায় ১৮৯৪-১৯২০, চতুৰ্থ পৰ্য্যায় ১৯২১-১৯৪২ চনলৈ। মই এই পৰ্য্যায় কেইটাৰ চতুৰ্থ পৰ্য্যায়টোৰ বিষয়ে ক'ব বিচাৰিছো। ভাৰতৰ স্বাধীনতা যুঁজৰ কাণ্ডাৰী ৰূপে গান্ধীজীয়ে আহি অৱতীৰ্ণ হোৱাৰ লগে লগে তেওঁৰ অসহযোগ আন্দোলনৰ আহ্বানৰ প্ৰতি অসমেও সহাঁৰি জনালে। দৰাচলতে ১৯১৬ চনৰে পৰাই তীক্ষ্ণধী আৰু দৃঢ় মনা যুৱ নেতা চন্দ্ৰ নাথ শৰ্মাৰ নেতৃত্বত অসমৰ যুৱ ছাত্ৰ সমাজ বৃটিছৰ বিৰুদ্ধে একেখন মঞ্চতে আহি গোট খাইছিলহি। গান্ধীজীৰ আহ্বানত সহাঁৰি জনাই নাগপুৰ কংগ্ৰেছ অধিবেশনতো তেওঁলোকে যোগদান কৰিছিল গৈ। ১৯২১ চনত অসম ছাত্ৰ সকলে দলে দলে শিক্ষানুষ্ঠান বৰ্জন কৰিবলৈ আৰম্ভ কৰিলে আৰু কানি বৰবিহ নিৰ্মূল কৰণকে আদি কৰি কংগ্ৰেছৰ বিভিন্ন কাম-কাজত আত্ম নিয়োগ কৰিবলৈ ল'লে। ১৯২১ চনতেই অসম প্ৰদেশ কংগ্ৰেছ কমিটিৰ প্ৰথমখন অধিবেশন বহিছিল। অতিকৈ উল্লেখযোগ্য কথা যে অসমত কংগ্ৰেছৰ অপূৰ্ব সাংগঠনিক দক্ষতাৰ বাবেই সেইটো বছৰতে গুৱাহাটীৰ পাণ্ডুত নিখিল ভাৰত কংগ্ৰেছ কমিটিৰ অধিবেশনো পাতিব পাৰিছিল। মহাত্মা গান্ধীয়ে তেতিয়াই অসমলৈ আহি অসম আৰু অসমীয়াৰ প্ৰতি গভীৰ ভাৱে আকৃষ্ট হৈছিল। ইয়ং ইণ্ডিয়া নামৰ কাকতত বিউটিফুল আসাম নামেৰে তেওঁ লিখা নিবন্ধটোৱেই ইয়াৰ উৎকৃষ্ট প্ৰমাণ। বিদেশী বস্ত্ৰ বৰ্জন আৰু স্বদেশী খাদী জনপ্ৰিয় কৰণৰ প্ৰচেষ্টা তেতিয়াৰ পৰাই অসমত আৰম্ভ হৈছিল। অহিংসা পদ্ধতিৰে স্বাধীনতা আন্দোলনটোৱে সেই সময়ৰ পৰাই অসমত ব্যাপক হাৰত গা কৰি উঠিবলৈ ধৰে। তাৰ লগে লগে বৃটিছ চৰকাৰৰ দমন-পীড়নো অব্যাহত থাকে। মাননীয় অধ্যক্ষ মহোদয়, মই সময়ৰ প্ৰতি লক্ষ্য ৰাখি দীঘলীয়া নকৰো। আজি আমি সকলোৱে আমাৰ ভাৰতীয় জাতীয় কংগ্ৰেছ দলৰ নেত্ৰী চোনিয়া গান্ধীৰ আহ্বানতো আমি এইবছৰ স্বাধীনতাৰ বছৰটো গৌৰৱোজ্জল বৰ্ষ হিচাপে যোৱা ৯ আগষ্টৰ পৰা ১৫ আগষ্টলৈ আমি পদযাত্ৰা কৰিছো সমগ্ৰ ভাৰতবৰ্ষতে আৰু কেন্দ্ৰীয় চৰকাৰ আৰু অসম চৰকাৰে ১৩ আগষ্টৰ পৰা ১৫ আগষ্টলৈ অসম আৰু ভাৰতবৰ্ষৰ ঘৰে ঘৰে ত্ৰিৰংগা পতাকা উত্তোলন কৰিবলৈ যি আহ্বান জনাইছিল তাক ভাৰতবৰ্ষৰ আৰু অসমৰ ৰাইজে কংগ্ৰেছৰ কাৰ্য্যসূচীৰ লগতে চৰকাৰৰ যি কাৰ্য্যসূচীতো সফল ভাৱে যোগদান কৰিছে তাৰ বাবে মই এজন ভাৰতীয় আৰু এজন অসমীয়া হিচাপে সকলোকে ধন্যবাদ আৰু কৃতজ্ঞতা জনাইছো। ত্ৰিৰংগা পতাকা লৈ সমগ্ৰ ভাৰতবৰ্ষৰ লগতে অসমতো আমি যাত্ৰা কৰিছো। যি ত্ৰিৰংগা পতাকাৰ তলত থিয় হৈ আমি সমগ্ৰ বিশ্বৰ আগতেই গৌৰৱ অনুভৱ কৰো, প্ৰাণৰো প্ৰাণ ত্ৰিৰংগা পতাকাক লৈ আমি বীৰদৰ্পে এজন ভাৰতীয় হিচাপে পৰিচয় দিওঁ, সেই ত্ৰিৰংগা পতাকাৰ ৰূপ প্ৰথমে এনেকুৱা নাছিল। প্ৰথমে নিজা পতাকা হিচাপে ১৯০৬ চনত ৭ আগষ্ট তাৰিখে কলিকতাৰ পাৰ্চী বাগানত উৰুৱা হৈছিল। দ্বিতীয় পতাকা খন শ্ৰীমতী কামা আৰু তেওঁৰ লগৰীয়া ভাৰতৰ পৰা নিৰ্বাসন দণ্ড পোৱা ক্ৰান্তিকাৰী সকলে ১৯০৭ চনত পেৰিচত উৰুৱাইছিল । তৃতীয়খন পতাকা ১৯১৭ চনত উৰুৱা হয়। হোমৰুল আন্দোলনৰ

প্ৰবৰ্তক ডাঃ এনি বেচেন্ট আৰু লোকমান্য তিলকে হোমৰুল আন্দোলনত এই পতাকা খন ব্যৱহাৰ কৰিছিল। চতুৰ্থখন পতাকা ১৯২১ চনত বহা অখিল ভাৰতীয় কংগ্ৰেছৰ বিজয়ৱাড়া অধিবেশনত অন্ধ্ৰপ্ৰদেশৰ এজন যুৱকে মাত্ৰ দুটা ৰং থকা পতাকা এখন গান্ধীজীক পুৰস্কাৰ হিচাপে দিছিল। পঞ্চমখন পতাকা ১৯৩১ চনত বহা অখিল ভাৰতীয় কংগ্ৰেছ কমিটিৰ কৰাচী অধিবেশনত আকৌ পতাকাৰ প্ৰস্তাৱ উত্থাপন কৰিছিল। ষষ্ঠখন পতাকা অৱশেষত একে প্ৰস্তাৱৰ দ্বাৰা গেৰুৱা, বগা আৰু সেউজীয়া ৰঙৰ ত্ৰিৰংগা পতাকাক ৰাষ্ট্ৰীয় পতাকা হিচাপে গ্ৰহণ কৰা হ'ল। এই ৰঙৰ ধৰ্মৰ লগত কোনো সম্বন্ধ নাই। যঁতৰকো ইয়াত স্থান দিয়া হ'ল। পতাকাখনৰ গেৰুৱা বৰণ - সাহস আৰু বলিদানৰ, বগা বৰণ - সত্য আৰু শান্তিৰ, সেউজীয়া বৰণ - বিশ্বাস আৰু বীৰত্বৰ প্ৰতীক হিচাপে লোৱা হৈছিল। সপ্তমখন পতাকা ১৯৪৭ চনৰ ২২ জুলাই তাৰিখে সংবিধান সভাই ষষ্ঠ পতাকাখনকে ভাৰতৰ ৰাষ্ট্ৰীয় পতাকা বুলি গ্ৰহণ কৰি যঁতৰৰ ঠাইত অশোকৰ ধৰ্ম চক্ৰ অংকিত কৰিলে।

মাননীয় অধ্যক্ষ মহোদয়, আমাৰ পতকাখনৰ যি গেৰুৱা বৰণ, সাহস আৰু বলিদানৰ প্ৰতীক হিচাপে আমি সকলোৱে জানো, বগা বৰণ সৎ আৰু শান্তি, সেউজীয়া বৰণ বিশ্বাস আৰু বীৰত্বৰ প্ৰতীক। গতিকে এনেকুৱা এখন পতাকা হাতত লৈ যেতিয়া আমি সকলোৱে ভাৰত মাতৃৰ জয় গান গাওঁ, ভাৰতৰ সকলো মানৱ উন্নয়নৰ কথাবিলাক কওঁ, এই পতকাৰ তলত আমি থিয় হওঁ তেতিয়া প্ৰত্যেকজন ভাৰতীয়, প্ৰত্যেকজন অসমীয়াই সেই পতকাৰ তলত ঠিয় হৈ আমাৰ চৰিত্ৰ হ'ব লাগে, আমাৰ কি নীতি হ'ব লাগে, আমি পোন পথৰে যাব লাগে, আমি কি ধৰণে শাসন কৰিব লাগে, কাৰ প্ৰতি কি দায়িত্ববোধ পালন কৰিব লাগে। সেই কথাখিনি আমি কাকো বুজাই নকলেও হ'ব। এই পতাকাৰ ৰঙৰ অৰ্থই আমাক গোটেইখিনি বুজাই দিছে। আজি আপোনাৰ জৰিয়তে অসম চৰকাৰক, কেন্দ্ৰীয় চৰকাৰক আৰু ইয়াত বহি থকা সকলো ৰাজনৈতিক দলৰ মাননীয় সদস্যসকলক অসম বিধান সভাৰ প্ৰতিজন সন্মানীয় সকলৰ প্ৰতি আহ্বান জনাম যে আমি হাতত ত্ৰিৰংগা লৈছো। আজি কংগ্ৰেছ, বিজেপি, ইউ ডি এফ, বিপিএফ, ইউপিএল, চিপিএম, ৰাইজৰ দল সকলোৱে একেমুখে কৈছো এই পতাকা আমাৰ প্ৰাণৰো প্ৰাণ। এই পতাকাৰ তলত আমি খোজ কাঢ়িছো। সকলো ভাৰতীয়, অসমীয়াই এই পতকা উত্তোলন কৰিছে। আমাৰ মাননীয় উপাধ্যক্ষ মহোদয় যেনেকৈ কৈছে যে ঠেলা, ৰিক্সা, বাছ গাড়ী সকলোতে পতাকা লগাইছে। আমি সকলোৱে এই পতাকাৰ মূল্য ৰাখিব লাগিব। ইয়াত যাতে কোনো কাৰণতে এই পতাকাৰ অৰ্থৰ পৰা বিচলিত কৰিব নোৱাৰে। তাৰ বাবে প্ৰত্যেকজন ভাৰতীয়, প্ৰত্যেকজন অসমীয়াই বিশেষকৈ সন্মানীয় নিৰ্বাচিত সদস্যসকলে কাম কৰিব লাগিব। গতিকে আহি থকা দিনত, যি হৈ গৈছে, হৈ গৈছে। আমাৰ সন্মানীয় মন্ত্ৰী ডাঙৰীয়াই কৈছে যে আজিৰ এই অধিবেশনত কোনো ধৰণৰ ৰাজনৈতিক কথাবোৰ নকওঁ, কাৰণ যেতিয়া আমাৰ হাতত পতাকা থাকে, পতাকাক লৈ আমি কিবা কথা কওঁ, তাত কোনো ৰাজনীতি থাকিব নালাগে। তাত মানুহ হৈ মানৱতাৰ জয় গান গাব লাগে। আমাৰ ভূপেন হাজৰিকাই গীতৰ মাজৰে কৈ গৈছে মানুহে মানুহৰ কাৰণে কাম কৰিব লাগে। গতিকে মাননীয় অধ্যক্ষ মহোদয়, আপোনাক আকৌ ধন্যবাদ জনাই এই ত্ৰিৰংগা পতাকাৰ কাৰ্য্যবিৱৰণীৰ মান মৰ্য্যদা ৰাখি অসম চৰকাৰ, কেন্দ্ৰীয় চৰকাৰ শাসনত যিসকলে পৰৱৰ্তী সময়ত বহিব যাতে সকলো ধৰ্ম, জাতি, ধনী-দুখীয়া নিৰ্বিশেষ সকলোৱে প্ৰতি সমদৃষ্টি ৰাখে আৰু সমদৃষ্টি ৰাখি সেই শ্বহীদ সকলৰ প্ৰতি শ্ৰদ্ধাঞ্জলি জনাবলৈ, সেই শ্বহীদসকলৰ প্ৰতি দায়বদ্ধতা ৰাখি কাম কৰাৰ কাৰণে আহ্বান জনাই মোৰ বক্তব্য সামৰিছো। ধন্যবাদ। জয় হিন্দ, জয় আই অসম।

**মাননীয় অধ্যক্ষ ঃ** ধন্যবাদ। এতিয়া মাননীয় সদস্য শ্ৰীশ্বেৰমান আলি আহমেদ।

**শ্ৰীশ্বেৰমান আলি আহমেদ, (বাঘবৰ)** ঃ মাননীয় অধ্যক্ষ মহোদয়, স্বাধীনতাৰ ৭৫ বছৰ প্ৰতি উপলক্ষে যোৱা তিনিদিনিয়া কাৰ্য্যসূচীৰে আজাদী কা অমৃত মহোৎসৱ উলহ-মালহৰে পালন কৰিলো আৰু আমাৰ বীৰ বীৰংগনা সকলক, শ্বহীদসকলক ভক্তিমূলক গীতৰ যোগেদি, বিভিন্ন সভা সমিতিৰ যোগেদি তেওঁলোকক আমি স্মৰণ কৰিলো। এই উপলক্ষে আজি আপোনাৰ নেতৃত্বত অনুষ্ঠিত আজিৰ এই বিশেষ অধিবেশনতো আমাৰ মাননীয় সদস্যসকলে আমাৰ স্বাধীনতা সংগ্ৰামৰ প্ৰায় দুশ বছৰীয়া গৌৰৱোজ্জ্বল ইতিহাস, আমাৰ সেই বীৰ বীৰংগনা শ্বহীদসকলৰ আত্মবলিদানৰ গৌৰৱজ্বোল ইতিহাস আমি শ্ৰদ্ধাৰে স্মৰণ কৰিলো। আজি এই চেগতে আমাৰ এই স্বাধীনতা সংগ্ৰামী সকলক মোৰ ফালৰ পৰা শ্ৰদ্ধা জনাইছোঁ।

মাননীয় অধ্যক্ষ মহোদয়, স্বাধীনতা সংগ্ৰামত অংশগ্ৰহণ কৰা বহুতো বীৰ বীৰাংগনা, বহুতো সংগ্ৰামীৰ কথা ইতিহাসত লিপিবদ্ধ হৈছে আৰু হাজাৰ হাজাৰ জনৰ কথা ইতিহাসত লিপিবদ্ধ হোৱা নাই। মই বাঘবৰ সমষ্টিৰ প্ৰতিনিধি হিচাপে আজিৰ এই পবিত্ৰ সদনত শ্ৰদ্ধাৰে মোৰ বাঘবৰ সমষ্টিৰ বৃহত্তৰ মন্দিয়া অঞ্চলৰ যিসকল স্বাধীনতা সংগ্ৰামীয়ে মুক্তি সংগ্ৰামত অংশ লৈছিলে, তেওঁলোকৰ কিছুজনৰ নাম শ্ৰদ্ধাৰে সোঁৱৰিব খুজিছোঁ। তাৰে ভিতৰত গৌৰিপামৰ হাকিম আলি দেৱানী, খেজু বেপাৰী, মণ্ডিয়া পথাৰৰ ভুলামিএগ্ৰা, কপুহাৰ শ্বমিৰ উদ্দিন বেপাৰী আদি প্ৰধান। তেওঁলোকে সেই সময়ত গাড়ী ঘোঁৰাৰ প্ৰচলন নাছিলে। মণ্ডিয়াৰ প্ৰায় ১৫ কিলোমিটাৰ খোজ কাঢ়ি বৰপেটাৰ কাছাৰীলৈ আহি তেওঁলোকে স্বাধীনতা সংগ্ৰামত অংশগ্ৰহণ কৰিছিলে।

মাননীয় অধ্যক্ষ মহোদয়, আজি আমি পথৰুঘাটৰ কৃষক বিদ্ৰোহৰ কথা শ্ৰদ্ধাৰে সোঁৱৰো। কিন্তু আমাৰ সেই সময়ৰ আৰু এটা কৃষক বিদ্ৰোহ বাঘবৰ পাহৰৰ নাতি দূৰৰ গোবিন্দ পুৰত ১৯৪৭ চনৰ ২০ মাৰ্চত কৃষকসকলে তেওঁলোকৰ স্বাধীনতাৰ, তেওঁলোকৰ অধিকাৰৰ কাৰণে চৰকাৰী বাহিনীৰ বিৰুদ্ধে জপিয়াই পৰিছিল আৰু প্ৰায় ১০০ জন মানুহ সেই সংগ্ৰামত নিহত হৈছিল। তাৰে ভিতৰত আলিফউদ্দিন, মণ্ডিয়া পথাৰৰ উৰফে আলিফ, মণ্ডিয়া পথাৰৰ মাইনুদ্দিন শ্বেখ আৰু আবিৰজান নেচাৰ তৃতীয় সন্তান আলিফুদ্দিনক আজি মই শ্ৰদ্ধাৰে সোঁৱৰিছো।

মাননীয় অধ্যক্ষ মহোদয়, বিভাজনৰ সময়ত আমাৰ সীমান্তৰ সিপাৰে যিমান ৰক্তক্ষয় হৈছিলে, একে পৰিমানৰ ৰক্তক্ষয় সীমান্তৰ ইপাৰেও হৈছিলে। সেই সময়ত option দিয়া হৈছিলে, দুখন দেশৰ যেতিয়া সৃষ্টি হৈছিলে, যিসকলে এইখন দেশৰ পৰা সেইখন দেশলৈ যাব খোজে, তেওঁলোকে যাব পাৰে। যিসকলে সেইখন দেশৰ পৰা তেওঁলোক আহিব খোজে তেওঁলোক আহিব পাৰে। মাননীয় অধ্যক্ষ মহোদয়, আজি স্বাধীনতাৰ পিছত এই ভাৰতবৰ্ষত পাকিস্তানতকৈ অধিক সংখ্যক মুছলমান থাকি গ'ল। কাৰণ our forefather did not want partition, our forefathers did not favour partition, our forefathers wanted to live for India, they we were in favour of united India. কিন্তু মাননীয় অধ্যক্ষ মহোদয়, স্বাধীনতাৰ পিছত আজি এই দেশত থকা এটা জনগোষ্ঠীয়ে সদায় সেই বিভাজন মনত পেলাই তেওঁলোকক যত দোষ নন্দ ঘোষ সজোৱাতো কিমান দূৰ সমীচীন, মাননীয় অধ্যক্ষ মহোদয়, সেই বিচাৰ্য্যৰ বিষয়। Nehru Ji said at that time that division has taken place in the hearts of the people, but it is ideal to brood over what has happened and police to get angry and caste bout the scapegoat. নেহুৰু জীয়ে অতি দুখৰে ১৯৪৭ চনৰ ১৪ আগষ্টৰ সেই মাজনিশা যি Union Constituent Assembly ৰ বৈঠকত বহিছিল। তাত যথাৰ্থ ভাৱে এই কথাষাৰ কৈছিল। কিন্তু দূৰ্ভাগ্য, স্বাধীনতাৰ

৭৫ বছৰ পিছতো সেই ঘাঁ আমি কিছুমানে জীয়াই ৰখাৰ কাৰণে চেষ্টা কৰিছো।

মাননীয় অধ্যক্ষ মহোদয়, we are the muslims in India are Indian by choice not by compulsion এই কথাটো আমি সকলোৱে মনত ৰখা উচিত our fore-father had the option to leave the country but they loved India more than Pakistan or they did not want partition. That is why we are here in India. Everyone should keep it in mind.

মাননীয় অধ্যক্ষ মহোদয়, সেই সময়ত ১৯৪৭ চনত ১৫ আগষ্টত The Hindu কাকতত আমাৰ Union Constituent Assembly Deliberation সম্পৰ্কে বিভিন্ন জনে বিভিন্ন বক্তব্য দিছিলে আৰু স্বাধীনতাৰ সম্পৰ্কে এটা vivid article head line ত প্ৰকাশ হৈছিলে। article টোৰ নাম আছিল "The free India is born, Union Constituent Assembly assumes power. Rajen Babu's assurance to Minority।

মাননীয় অধ্যক্ষ মহোদয়, সেই দিনাখন আমাৰ প্ৰাক্তন ৰাষ্ট্ৰপতি Dr. Rajendra Prasad দেৱে ঘোষণা কৰিছিলে, Dr. Rajendra Prasad assured the Minority in India that they would receive fare treatment and they will enjoy all the rights and privileges of citizenship. এই স্বাধীনতাৰ দোক মোকালিতে আমাৰ প্ৰাক্তন ৰাষ্ট্ৰপতি Dr. Rajendra Prasad দেৱে ব্যৰ্থহীন ভাৱে আশ্বাস দিয়া সেই কথা আজি কিমান দূৰ আমি ফলপ্ৰসু কৰিবলৈ সক্ষম হৈছো।

মাননীয় অধ্যক্ষ মহোদয়, মই বহল ভাৱে কবলৈ নাযাও Sachar Committee ৰ প্ৰতিবেদনত Rajendra Prasad জীৰ এই আস্বাস কিমান দূৰ ৰূপায়ন কৰিছে সেয়ে জলজল পটপট কৰিছে।

মাননীয় অধ্যক্ষ মহোদয়, সেই দিনাখন সেই হিন্দু কাকতত অতি যথাৰ্থে ভাৱে এযাৰ কথা কোৱা হৈছিল, we have won freedom and the first thing our people must learn that it is no picnic. They will have to guard their loins and work as they have never work before. The Hindu কাকতখনে অতি যথাৰ্থ ভাৱে কোৱা কথা আজি আমি কিমান দূৰ ৰূপায়ন কৰিবলৈ সক্ষম হৈছো।

মাননীয় অধ্যক্ষ মহোদয়, স্বাধীনতাৰ ৭৫ বছৰৰ অমৃত মহোৎসৱ পালন কৰিছো হয়, কিন্তু the black spot in the history of Independence is that one forth of the population is still under poverty line. আজি বহুতো জাতি জনগোষ্ঠীৰ মানুহে স্বাধীনতাৰ ফল ভোগ কৰিব পৰা নাই। স্বাধীনতাৰ পিছত ব্যৰ্থহীন ভাৱে স্বীকাৰ কৰিব লাগিব ভাৰত উন্নয়নৰ দিশত বহুখিনি ওপৰলৈ গৈছে, কিন্তু প্ৰতিটো জাতি জনগোষ্ঠীৰ মানুহে স্বাধীনতাৰ ফল সমান ভাৱে ভোগ কৰিবলৈ পোৱা নাই। স্বাধীনতাৰ ৭৫ বছৰ পিছতো আজি ধৰ্ম-বৰ্ণ লৈ বিভেদ ভাৰত বৰ্যত বিত্তমান।

**মাননীয় অধ্যক্ষ** ঃ হ'ব। এতিয়া মাননীয় সদস্য শ্ৰীগোবিন্দ বসুমতাৰী।

**শ্ৰীগোবিন্দ বসুমতাৰী, (ওডালগুৰি)** ঃ মাননীয় অধ্যক্ষ মহোদয়, আজি স্বাধীনতাৰ ৭৫ বছৰ হোৱা উপলক্ষে অনুষ্ঠিত যি "স্বাধীনতাৰ অমৃত মহোৎসৱ" এই দিনটোৰ লগত সংগতি ৰাখি যি Special Assembly বৈঠক অনুষ্ঠিত হোৱাৰ কাৰণে আৰু মোক ভাষণ ৰাখিবলৈ দিয়াৰ বাবে ধন্যবাদ দিছো। আজি এই বিশেষ দিনটোত যিসকল নেতাই দেশৰ কাৰণে নিজৰ প্ৰাণ আহুতি

দিলে, তেওঁলোকক সুঁৱৰিছো আৰু যিসকল বীৰ বীৰাংগনাৰ দুখ-কষ্টৰ বিনিময়ত জাতিৰ পিতা মহাত্মা গান্ধীৰ নেতৃত্বত যি আন্দোলন কৰি ভাৰতবৰ্ষ স্বাধীন কৰিলে তেওঁলোকক আজি সন্মান জনাইছো আৰু তেওঁলোকক স্মৰণ কৰিছো। স্বাধীনতাৰ ইতিহাসৰ বিষয়ে বহুতে কৈ গ'ল মই পুনৰাবৃত্তি কৰিব বিচৰা নাই, কিন্তু স্বাধীনতা লাভ কৰা ৭৫ বছৰৰ ভিতৰত আমি কি কি লাভ কৰিলো আৰু কেনেকৈ স্বাধীনতা লাভ কৰাৰ কি অৱস্থা আছিল তাৰ পৰা আমি কেনেকৈ আগুৱাৰ পাৰিছো সেইখিনি কথা ক'ব বিচাৰিছো লগতে যোৱা ৭৫ টা বছৰে আমি আমাৰ স্বাধীনতা কেনেকৈ সুৰক্ষিত কৰি ৰাখিছো সেই বিষয়ে দুআষাৰমান ক'ব বিচাৰিছো। আপোনালোক সকলোৱে জানে যে, ভাৰত যেতিয়া স্বাধীন হৈছিল তেতিয়া আমাৰ আৰ্থ-সামাজিক অৱস্থা খুব বেয়া আছিল। কিন্তু আমাৰ নেতা সকলে স্বৰ্গীয় জৱাহৰলাল নেহৰুৰ পৰা আৰম্ভ কৰি বৰ্তমানৰ প্ৰধান মন্ত্ৰী নৰেন্দ্ৰ মোদীৰ সময়লৈকে যিখিনি আমাৰ প্ৰধান মন্ত্ৰী আৰু ৰাষ্ট্ৰপতি আছিল তেখেত সকলে অশেষ কষ্ট কৰি দেশখন আৰ্থিকভাৱে, সামাজিকভাৱে আৰু সকলো দিশতে আগবঢ়াই আনিছে আৰু তাৰ কাৰণে তেওঁলোকে যথেষ্ট কষ্ট কৰিছে। যোৱা ৭৫ টা বছৰত আমি বিভিন্ন শত্ৰু পক্ষৰ আক্ৰমণৰ বলি হৈছিলো। প্ৰথমে ক'ব লাগিব ১৯৬২ চনত চীনৰ আক্ৰমণৰ সন্মুখীন হ'বলগীয়া হৈছিলো আৰু সেইখিনি সময়ত আমি বিশেষকৈ ভাৰতবৰ্ষ অস্ত্ৰ-শস্ত্ৰৰ দিশত যথেষ্ট পিছপৰা আছিল, যথেষ্ট দুৰ্বল আছিল। কিন্তু তথাপিও আমাৰ যিখিনি সীমিত ক্ষমতা আছিল তাৰ সহায়তে আমি আমাৰ শত্ৰুক প্ৰতিৰোধ কৰি আমাৰ স্বাধীনতা অক্ষুন্ন ৰাখিব পাৰিছিলো আৰু ইয়াত ভাৰতৰ জাতি-জনগোষ্ঠী নাগৰিক আটায়ে চৰকাৰৰ হৈ চৰকাৰক সমৰ্থন কৰিছিল। ইয়াৰ পিছত ১৯৬৫ চনত আকৌ আমি শত্ৰুপক্ষৰ আক্ৰমণৰ বলি হ'বলগীয়া হৈছিল। ১৯৬৫ চনত পাকিস্তানে ভাৰত আক্ৰমণ কৰিছিল আৰু এই যুদ্ধতো আমাৰ শত্ৰু পক্ষক পৰাভূত কৰিব পাৰিছিলো। তাৰপিছত ১৯৭১ চনত ভাৰতবৰ্ষই পাকিস্তানৰ আক্ৰমণৰ সন্মুখীন হ'ব লগা হৈছিল আৰু এই যুদ্ধত ভাৰতে যথেষ্ট নিজৰ শক্তি, নিজৰ বুদ্ধিমত্তাৰ পৰিচয় দেখুৱাইছিল যাৰ ফলত পাকিস্তানক অকল পৰাভূত কৰাই নহয়, পাকিস্তানৰ পৰা আনি দুভাগ কৰি বাংলাদেশ জন্ম লাভ কৰাত আমি সহায় কৰিব পাৰিছো। এইখিনিয়ে নহয়, ইয়াৰ পিছতো আমাৰ শত্ৰু পক্ষৰ কিছুমান দেশে আমাক proxy wire ৰ জৰিয়তে ভাৰতবৰ্ষখন ধ্বংস কৰিবলৈ চেষ্টা কৰা আমি দেখিবলৈ পাইছো। কিন্তু আমি যিহেতু ভাৰতৰ নাগৰিক সকল বিভিন্ন জাতি-জনগোষ্ঠী হোৱা সত্বেও চৰকাৰৰ লগত সদায় আমি সমৰ্থনত থাকো, চৰকাৰক আমি সমৰ্থন কৰো আৰু সেই কাৰণে আজি শত্ৰু পক্ষই আমাৰ ভাৰতক দুৰ্বল কৰিবলৈ চেষ্টা কৰিলেও আমি একত্ৰিত হোৱাৰ কাৰণে আমাৰ শত্ৰু পক্ষৰ যিকোনো আক্ৰমণক প্ৰতিৰোধ কৰি আমাৰ স্বাধীনতা অক্ষুন্ন ৰাখিবলৈ আমি সক্ষম হৈছো। আজি এই মুহুৰ্তত বিশেষকৈ যিহেতু আমি ৭৫ বছৰৰ আমাৰ স্বাধীনতা সম্পন্ন হোৱাৰ কাৰণে অমৃত মহোৎসৱ উদ্‌যাপন কৰিছো আৰু স্বাধীনতাৰ এই অমৃত মহোৎসৱৰ উদ্‌যাপনৰ লগতে ইয়াৰ লগত সংগতি ৰাখি মই বিশেষকৈ আমাৰ ভাৰতৰ নাগৰিক সকলক এটা আহ্বান জনাব বিছাৰিছো যে, ভাৰতত আমি বিভিন্ন জাতি-জনগোষ্ঠী একেলগে বসবাস কৰি আছো আৰু এই বিভিন্ন জাতি-জনগোষ্ঠীৰ বিভিন্ন ভাষা-ভাষী, বিভিন্ন ধৰ্মাৱলম্বী থকা সত্বেও আমি যাতে শান্তিৰে একত্ৰিতভাৱে থাকি আমাৰ দেশখন আগুৱাই নিবৰ কাৰণে আৰ্থিকভাৱে, শৈক্ষিকভাৱে আৰু বিভিন্ন ক্ষেত্ৰত আগুৱাই যায়। আমাৰ স্বাধীনতা অক্ষুন্ন ৰাখিবৰ কাৰণে আমি সকলোৱে যাতে কাম কৰো তাৰ কাৰণে আহ্বান জনাই আজি এই সুযোগ দিয়াৰ কাৰণে মই মাননীয় অধ্যক্ষ মহোদয়ক ধন্যবাদ জনাই মোৰ বক্তব্য সামৰিছো। ধন্যবাদ।

**মাননীয় অধ্যক্ষ ঃ** ধন্যবাদ। আমি Specch ইয়াতে সমাপ্ত কৰিলো। এতিয়া মই আমাৰ সংসদীয়

পৰিক্ৰমা মন্ত্ৰী ডাঙৰীয়াক আজিৰ এই Special Session ৰ সংকল্প প্ৰস্তাৱ উত্থাপন কৰিবলৈ অনুৰোধ জনালো।

**শ্ৰীপীযুষ হাজৰিকা, (সংসদীয় পৰিক্ৰমা মন্ত্ৰী) ঃ** সন্মানীয় অধ্যক্ষ মহোদয়ৰ নিৰ্দেশ ক্ৰমে মই সংকল্প প্ৰস্তাৱটো আপোনালোকৰ আগত পাঠ কৰিবলৈ ওলাইছো।

**সংকল্প প্ৰস্তাৱ**

**১৭-০৮-২০২২**

**দেশৰ স্বতন্ত্ৰতাৰ ৭৫ সংখ্যক বৰ্ষপুৰ্তিৰ সন্ধিক্ষণত উদ্‌যাপিত হৈ থকা "আজাদী কি অমৃত মহোৎসৱ" ৰ লগত সংগতি ৰাখি আহ্বান কৰা অসম বিধান সভাৰ বিশেষ অধিবেশনত আমি সকলো সদস্যই মিলিত হৈ-**

দেশৰ স্বাধীনতা সংগ্ৰামত আমাৰ স্বাধীনতা সংগ্ৰামী সকলে আগবঢ়োৱা অপৰিসীম ত্যাগক পৰম কৃতজ্ঞতাৰে স্মৰণ কৰি ;

ভাৰতবৰ্ষৰ সংবিধান প্ৰণেতা সকলৰ অগ্ৰণী প্ৰচেষ্টা আৰু তেওঁলোকৰ তত্বাবধানত সংবিধানত সন্নিবিষ্ট হোৱা মহান আদৰ্শ আৰু দৃষ্টিভংগীৰ প্ৰতি সন্মান প্ৰদৰ্শন কৰি ;

দেশৰ সংহতি, অখণ্ডতা আৰু নিৰাপত্তাৰ স্বাৰ্থত আমাৰ সৈনিক সকলে প্ৰদৰ্শন কৰা বীৰত্ব তথা সাহসীকতাক শ্ৰদ্ধাৰে সোঁৱৰণ কৰি ;

ভাতৃত্ববোধৰ চেতনাৰে উজ্জীৱিত হৈ গণতান্ত্ৰিক প্ৰমুল্যবোধ বৰ্তাই ৰাখিবলৈ সক্ষম হোৱা প্ৰতিগৰাকী নাগৰিককলৈ ধন্যবাদ জ্ঞাপন কৰি ;

**তথা মুক্তিযোদ্ধা সকলৰ ত্যাগৰ বিনিময়ত প্ৰতিষ্ঠা লাভ কৰা আমাৰ সংবিধানৰ নীতি আৰু আদৰ্শ সত্যনিষ্ঠাৰে পালন কৰাৰ অংগীকাৰৰে সংকল্প গ্ৰহণ কৰো যে-**

(ক) সংবিধানত সন্নিবিষ্ট মূল্যবোধ আৰু আদৰ্শসমূহ বজাই ৰখা হ'ব

(খ) দেশৰ ঐক্য, অখণ্ডতা আৰু সাৰ্বভৌমত্ব সুৰক্ষিত ৰখা হ'ব ;

(গ) জনসাধাৰণৰ অৰ্থনৈতিক, সামাজিক, শৈক্ষিক তথা ৰাজনৈতিক উত্তৰণৰ হকে নিৰবছিন্ন প্ৰচেষ্টা গ্ৰহণ কৰা হ'ব ;

(ঘ) বিধায়িনী ব্যৱস্থা পৰ্য্যৱেক্ষণত চৰকাৰী দায়বদ্ধতা বৰ্ধন কৰাৰ ব্যৱস্থা অধিক সুদৃঢ় কৰা হ'ব ;

(ঙ) বিধায়িনী ব্যৱস্থাত জনসাধাৰণৰ ওচৰ চপাই নিয়াৰ অৰ্থে স্বচ্ছ আৰু সহজলভ্য কৰাৰ লগতে- সৰ্বোত্তম প্ৰচলিত গোলকীয় ধ্যান ধাৰণাৰে বিধান সভাৰ কাৰ্য্য পৰিচালনাৰ দিশত অধিক উদ্ভাৱনীমূলক কাৰ্য্যৰ হেতুকে পদক্ষেপ গ্ৰহণ কৰা হ'ব ;

(চ) লিংগ বৈষম্য দূৰ কৰাৰ বাবে প্ৰচেষ্টা হাতত লোৱাৰ লগতে মহিলা বিধায়ক তথা সাধাৰণ মহিলা সকলৰ সৱলীকৰণৰ বাবে পদক্ষেপ গ্ৰহণ কৰি বিধান সভাক লিংগ বৈষম্যহীন আইন প্ৰণয়নকাৰী সংস্থা হিচাপে গঢ়ি তোলা হ'ব।

**माননীয় অধ্যক্ষ ঃ** এতিয়া মই প্ৰস্তাৱটো অনুমোদনৰ বাবে সদনত দাঙি ধৰিলো। যিসকল মাননীয় সদস্য-সদস্যা প্ৰস্তাৱটোৰ সপক্ষে আছে, তেখেত সকলে কওক "হয়", যিসকলে প্ৰস্তাৱটোৰ বিপক্ষে আছে, তেখেত সকলে কওঁক "নহয়"। মই ভাৱো, "হয়"ৰ সপক্ষে, "হয়"ৰ সপক্ষে, "হয়"ৰ সপক্ষে প্ৰস্তাৱটো গৃহীত কৰা হ'ল। স্বাধীনতাৰ অমৃত মহোৎসৱৰ লগত সংগতি ৰাখি অনুষ্ঠিত হোৱা এই বিশেষ অধিৰেশনৰ সমাপন মূহুৰ্তত অসমৰ মাননীয় মুখ্যমন্ত্ৰীকে প্ৰমুখ্য কৰি মন্ত্ৰী পৰিষদৰ

সকলো সদস্য, বিধান সভাৰ মাননীয় উপাধ্যক্ষ, বিৰোধী দলৰ দলপতিৰ লগতে সদনৰ সকলো সদস্য-সদস্যলৈ মোৰ আন্তৰিক শুভেচ্ছা জ্ঞাপন কৰিলো। স্বাধীনতাৰ স্মৃতি বিজড়িত কথা ৰোমন্থনেৰে অনুষ্ঠিত হোৱা নিৰ্মোহ আলোচনাই বিধান সভাৰ মজিয়া পবিত্ৰতাৰে জীপাল কৰি তুলিলে। বহু অপ্ৰকাশিত কাহিনীও বক্তৃতাৰ মাজেৰে উন্মোচিত হ'ল। এক কথাত যি মহৎ উদ্দেশ্যেৰে এই অধিৱেশনৰ আহ্বান কৰা হৈছিল সেয়া সফল হ'ল।

সদৌ শেষত বিধান সভাৰ অধিৱেশনৰ লগত জড়িত সকলো পক্ষলৈকে পুনৰবাৰ মোৰ আন্তৰিক ধন্যবাদ জনালো। আমাৰ নিশাৰ আহাৰ আয়োজন কৰা হৈছে। অধিবেশন শেষ হোৱাৰ লগে লগে জি. এন. বি ভৱনলৈ সকলোকে মই আহিবলৈ অনুৰোধ জনাইছো।

এই বিশেষ অধিৱেশন ইয়াতে স্থগিত কৰা হ'ল বুলি ঘোষণা কৰিলো।